# ষষ্ঠদশ অসম বিধান সভাৰ

## প্ৰথম অধিবেশন

**কাৰ্যবিৱৰণী** (অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

**তাৰিখঃ ২৭/০৫/২০২৬ বুধবাৰ**

পূৰ্ব নিৰ্ধাৰিত কাৰ্য্যসূচীমতে ইংৰাজী ২৬-০৫-২০২৬ তাৰিখে ষষ্ঠদশ অসম বিধান সভাৰ প্ৰথম অধিবেশনৰ পঞ্চম দিনৰ কাৰ্য্যসূচী ৰাতিপূৱা ৯.৩০ বজাত আৰম্ভ হয়।

**মাননীয় অধ্যক্ষ** ঃ সকলোকে নমস্কাৰ জনাইছোঁ। এটি ঘোষণা আছে - মাননীয় সদস্যসকল, আপোনালোকৰ জ্ঞাতাৰ্থে উল্লেখ কৰিব বিচাৰিছো যে, বিধান সভা সচিবালয়ে 'অসম বিধান সভা' নামেৰে এটা Whats app group ৰ জৰিয়তে বিধান সভা তথা বিধান সভা সচিবালয়ৰ সকলো গুৰুত্বপৰ্ণ তথ্য লগতে প্ৰয়োজনীয় নথিসমূহ মাননীয় সদস্য সকলৰ ব্যৱহাৰ আৰু জ্ঞাতাৰ্থে প্ৰেৰণ কৰে। এই Whats app group টোত সকলো মাননীয় সদস্যক অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা আছে আৰু ইতিমধ্যে গৰিষ্ঠসংখ্যক মাননীয় সদস্যকে group টোত অন্তৰ্ভুক্ত কৰা হৈছে। মই সকলো মাননীয় সদস্যকে groupটোত নিয়মীয়া ৰূপত দৃষ্টিপাত কৰিবলৈ আহ্বান জনালো।

ইয়াৰোপৰি মাননীয় সদস্যসকলক অৱগত কৰিব বিচাৰো যে, বিধান সভাৰ অপৰিশোধিত কাৰ্য্যবিৱৰণী অসম বিধান সভাৰ website তথা Neva application ত নিয়মিত ৰূপত উপলব্ধ কৰা হয়। মাননীয় সদস্যসকলে প্ৰয়োজনীয় কাৰ্য্যবিৱৰণী উক্ত website ৰ পৰা আহৰণ কৰিব পাৰে।

এতিয়া কাৰ্য্যসূচী নং ১, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে  ‘দ্য ইউনিফৰ্ম চিভিল ক'ড আসাম বিল, ২০২৬’ বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাব কৰিব।

**শ্ৰী অতুল বৰা, মন্ত্ৰী** ঃ মাননীয় সভাপতি মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ মই ‘দ্য ইউনিফৰ্ম চিভিল ক'ড আসাম বিল ২০২৬’ বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া ‘দ্য ইউনিফৰ্ম চিভিল ক'ড আসাম বিল ২০২৬’ বিবেচনাৰ বাবে লোৱা হওঁক ।, যিসকল সপেক্ষে আছে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাবোঁ হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া এই বিলখন সন্দৰ্ভত যদি আলোচনা থাকে, তেতিয়া আমাৰ সন্মানীয় বিধায়কসকলে বিধয়কখনৰ ওপৰত আলোচনা কৰিব পাৰে।

শ্ৰী নুৰুল হুডা, ৰূপহীহাট ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি move কৰিব নালাগিব জানো।

মাননীয় অধ্যক্ষ ঃ ঠিক আছে, move কৰক ।

শ্ৰী নুৰুল হুডা, ৰূপহীহাট ঃ মাননীয় অধ্যক্ষ মহোদয়, I beg to move the following amendments in the "Uniform Civil Code, Assam, 2026" Bill.

1. In the Amendments of section (2) the words appearing in the 1st 2nd and 3rd lines Shall be Substituted by " All Contained in this code shall apply for the citizens of India throughout the territory of Assam"

2. In the Amendment of section (4) after clause (Vii) the following Clause-viii shall be inserted-

"The man may marry a woman even having his wife living, provided the wife is suffering from prolonged unrecoverable diseases, incapable of any works of unsound mind"

3. In the Amendment of section (14) after clause (4) the following Clause (5) shall be inserted.

Where the Inspector General of Registration uphold the rejection of Memorandum of Marriage by the Sub-Register, both or either party may within a period of thirty days from the date of receipt the such rejection from the Inspector General of

Registration prefer an appeal to the Hon'ble High court and Supreme court.

4. In the Amendment of section (17) Clause (1) in the 4th line the word "ten" shall be substituted by "Five"

5. In the Amendment of section (17) Clause (2) in the 5th and 6th lines, the words "three" and Twenty five Shall be Substituted by "one" and "ten" Respectively.

6. In the Amendment of section (19) section (1) after the word : Rupees" appearing in third line, the following sentence shall be inserted- "and shall be placed under suspension and departmental proceedings shall be drawn"

7. In the Amendment of section (24) the word "No" appearing in the first line shall be deleted and the words "in good faith" appearing in the third line, shall be substituted by "Willfully wrong and biased"

8. In the Amendment of section (25), the word "not" appearing in the 2nd line shall be deleted.

মাননীয় অধ্যক্ষ মহোদয়, ১ নং সংশোধনীৰ দ্বাৰা section 2 বাদ দিয়াৰ প্ৰস্তাৱ কৰা হৈছে কাৰণ প্ৰস্তাৱিত বিলৰ section 2 ৰ দ্বাৰা এটা জাতিক এই প্ৰস্তাৱিত বিলৰ পৰিসৰৰ বাহিৰত ৰাখিব বিচৰাটো সংবিধানৰ Article 14 & 15 ত প্ৰত্যক্ষ ভাৱে উলংঘা কৰা হৈছে। Article 14 ৰ মতে আইনৰ চকুত সকলো সমান আৰু সকলোৱে একে ধৰণে নিৰাপত্তা পাব লাগে। Article 15 ৰ মতে ধৰ্ম, জাতি, সাম্প্ৰদায়িক, লিংগ বা জন্মস্থানৰ ভিত্তিত বৈষম্য কৰাটো নিষেধ।

মাননীয় অধ্যক্ষ মহোদয় ২ নং সংশোধনীৰ দ্বাৰা বিলৰ section 4 ৰ দফা A ৰ উপদফা (VII) ৰ অন্তত এটা উপদফা (VIII) সংযোজনৰ প্ৰস্তাৱ কৰা হৈছে কাৰণ দীঘলীয়া সময়ধৰী বিভিন্ন বেমাৰ আজাৰত ভুগি একেবাৰে সকলো ধৰণে অকামিলা আৰু মানসিকভাৱে অসামান্য হৈ পৰা স্ত্ৰী জীৱিত থকা অৱস্থাত পুৰুষজনক দ্বিতীয় বিবাহৰ বাবে যোগ্যতা প্ৰদান কৰিব বিচৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আৰু সতীৰ্থ সকল আছে। তেওঁলোকে ক্ল'জ বাই ক্ল'জ বক্তব্য আগবঢ়াব।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মই দিপ্লু ৰঞ্জন শৰ্মা ডাঙৰীয়াক চাৰি মিনিটৰ ভিতৰত তেখেতৰ বক্তব্য ৰাখিবলৈ অনুৰোধ জনালোঁ। এই বিষয়ৰ সন্দৰ্ভত আমাৰ কেইবাজনেও নাম দিছে, কিন্তু আমি আজি সময় চমুৱাই আনিব লাগিব।

**শ্ৰী দিপ্লু ৰঞ্জন শৰ্মা, নিউ গুৱাহাটী** ঃ ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়, মহোদয়ে 'দ্য ইউনিফৰ্ম চিভিল ক'ড আসাম বিল, ২০২৬' এই বিলৰ জড়িয়তে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বধীন অসম চৰকাৰে যি এক ঐতিহাসিক পদক্ষেপ ল'লে, এই পদক্ষেপৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু অধ্যক্ষ মহোদয়ক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

দৰাচলতে এই যি আমি আজি বিলখন আনিছোঁ, এই বিলখন ৰাইজৰ জনাদেশ লৈ পেলাই আমি আনিছোঁ। পোন্ধৰতম যি বিধানসভা আছিল সেই বিধানসভাতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল, "আমাক যদি ৰখাব পাৰে ৰখাই লওক, নহ'লে প্ৰথমখন অধিবেশনতে আমি UCC আনিম।" মুখ্যমন্ত্ৰী মহোদয়ে কথা মতে কাম কৰি দেখুৱালে আৰু মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ভাৰতীয় জনতা পাৰ্টীৰ ২০২৬ চনৰ নিৰ্বাচনৰ যি সংকল্প পত্ৰ আছিল, যি সংকল্প পত্ৰৰ ওপৰত অসমৰ কৌটি কৌটি জনতাই এইবাৰ ভাৰতীয় জনতা পাৰ্টী, অসম গণ পৰিষদ আৰু বিপিএফক ভোট দিলে প্ৰায় ১০২ খন আসন আমি জিকিলো, এই সংকল্প পত্ৰৰ ২১ নম্বৰত স্পষ্টভাৱে আমি কৈছিলোঁ—"আমি অসমৰ জনসাধাৰণৰ সভ্যতা, ঐতিহ্য আৰু অধিকাৰ সংৰক্ষণৰ বাবে আইনগত সুৰক্ষা শক্তিশালী কৰি য'ত ষষ্ঠ অনুসুচিৰ অঞ্চল আৰু জনজাতীয় লোকসকলক বাদ দি..." নুৰুল হুডা ডাঙৰীয়া আপুনি শুনি ল'ব। আমি সংকল্প পত্ৰত

উল্লেখ কৰিছিলোঁ, “ষষ্ঠ অনুসুচীৰ অঞ্চল আৰু জনজাতীয় লোকসকলক বাদ দি সম নাগৰিক সংহিতা (ইউনিফৰ্ম চিভিল ক'ড) ৰূপায়নৰ দিশত কাম কৰাৰ লগতে জনগোষ্ঠীয় সম্প্ৰদায়ৰ পৰম্পৰাগত অধিকাৰ নিশ্চিত কৰা হ'ব।” কথা মতে কাম। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত অসম চৰকাৰে এই বিল উত্থাপনৰ জৰিয়তে বছৰ বছৰ ধৰি চলি থকা এটা ইনজাষ্টিছ, মহিলাসকলৰ ওপৰত চলি থকা এটা ইনজাষ্টিছ, আজি দূৰ কৰিবলৈ সক্ষম হ'ল। তাৰ কাৰণে মই নিজে অত্যন্ত কৃতাৰ্থ অনুভৱ কৰিছোঁ।

মাননীয় অদক্ষ মহোদয়ে এইটো হ'লে ডাইৰেক্টিভছ হয়। আমি যদি দেখোঁ যে Article 44 ত উল্লেখ কৰা আছে—“The State shall endeavour to secure for the citizens a Uniform Civil Code throughout the territory of India.” সংবিধান সভাত বাৰম্বাৰ ড০ বি আৰ আম্বেদকাৰ ডাঙৰীয়াৰ ফটো আছে, আমাৰ নমস্য ব্যক্তি ড০ আম্বেদকাৰ, কে এম মুন্সী আৰু কৃষ্ণস্বামী আইয়াৰে কৈছিল যে “a common civil code would advance equality and national unity”.

কোনে কৈছিল? ড০ বি আৰ আম্বেদকাৰ? আজিৰ দিনত কংগ্ৰেছে সংবিধান খন লৈ ঘূৰি ফুৰে দেখুৱাবৰ কাৰণে, কিন্তু সংবিধান তেওঁলোকে নামানে অধ্যক্ষ মহোদয়।

আজি আমি জানো যে মাননীয় অধ্যক্ষ মহোদয়,  আপুনি ক'বলৈ দিওঁতে মোৰ এটা কথা মনত পৰিছিল । এইটো কোনে কৈছিল ড০ বি আৰ আম্বেদকাৰ। আজিৰ দিনত কংগ্ৰেছ আৰু সংবিধানখন লৈ ঘুৰি ফুৰে দেখুৱাবৰ কাৰণে কিন্তু সংবিধান তেওঁলোকে নামানে, অধ্যক্ষ মহোদয়। আজি আমি জানো যে আপুনি ক'বলৈ দিওতেই মোৰ এটা কথা মনত পৰিছিল Winston Churchill এ কৈছিল “An appeaser is one who feeds a crocodile, hoping that it will eat him at last.” অৰ্থাৎ এজন তুষামোদকাৰী সেই জন, যি জনে  এটা ঘড়িয়ালক এই বুলি খুৱাই থাকে যে তেওঁক শেষত খাব। কংগ্ৰেছে এনেকুৱা ধৰণৰ তুষামোদৰ জৰিয়তে আমাৰ এই গোটেই সামগ্ৰিক ব্যৱস্থাটো এটা ভয়ানক বিপৰ্যয়ৰ দিশলৈ লৈ গৈছিল, অধ্যক্ষ মহোদয়। তাৰ বিপৰীতে এই Uniform Civil Code-ৰ জৰিয়তে আমি বহু বিবাহ ৰোধ মহিলা সুৰক্ষিকৰণ, আমি বিবাহ পঞ্জীকৰণৰ জৰিয়তে এটা ন্যায়িক ক্ষমতা আৰু সকলো ক্ষেত্ৰত এটা ডাঙৰ নিৰব সামাজিক বিপ্লৱৰ আমি সূচনা কৰিবলৈ আগবাঢ়িছোঁ। সেইকাৰণে মই সকলোকে অনুৰোধ জনাইছোঁ মই কংগ্ৰেছদলৰ সদস্যসকলকো অনুৰোধ জনাম আপোনালোকে all are equal but some are more equal তাৰপৰা আপোনালোকে কেতিয়াও এনেকুৱা ধৰণৰ ৰাজনীতি নকৰিব । আপোনালোকে সকলোকে এই চাহবানুৰ কেছটো আমি যদি চাওঁ মই যোৱাকালি পঢ়োঁতে দেখিছোঁ এগৰাকী ৬২ বছৰীয়া মহিলা অধ্যক্ষ মহোদয়,

পাঁচটা সন্তান আছিল ৪৪ বছৰৰ বিবাহৰ পিছত ত্ৰিপোল তালাক কৰি পেলাই চাহবানুক কি কৰা হৈছিলে আমি দেখিছিলোঁ। হাইকৰ্টে অৰ্ডাৰ দিছিল মাহেকত পঁচিছ টকাকৈ আপোনালোকে দিয়ক তেওঁক ভৰণ পোষণৰ বাবে কিন্তু সেই হাইকৰ্টৰক চেলেঞ্জ কৰি তেখেতৰ পতিয়ে গৈ পেলাই ছুপ্ৰিম ক'ৰ্টত কেছ্ কৰিছিল। ছুপ্ৰিম ক'ৰ্টেও সেই হাইকৰ্টৰ ৰায়টো বহাল ৰাখিছিল। কিন্তু তাৰ পিছত আমাৰ সেই সময়ৰ মহান তথা কথিত প্ৰগতি বিধি আমাৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়াই এই গোটেই কেছটো নালিফাই কৰি পেলাই কংগ্ৰেছে তেতিয়াই গোটেই ভাৰতৰ মহিলাসকলৰ বাবে এটা বিৰাট ডাঙৰ অন্যায় কৰিছিল,সেই পাপৰ প্ৰায়চিত্ত  কংগ্ৰেছে আজিলৈকে কৰিব পৰা নাই। গতিকে এই ইউনিফৰ্ম চিভিল ক'ৰ্টৰ জড়িয়তে অনাগত সময়ত বহু বিবাহ ৰোধ হ'ব দেশৰ একতা দেশৰ অখণ্ডতা শক্তিশালী হ'ব, মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মাননীয় অসম চৰকাৰক এই ক্ষেত্ৰত মই ধন্যবাদ জ্ঞাপন কৰিছোঁ আমাৰ বহুদিনীয়া এটা সপোন পূৰণ হ’ল, ধন্যবাদ, ভাৰত মাতা কী জয়।

**মাননীয় অধ্যক্ষ** :- এতিয়া ওৱাজেদ আলী চৌধুৰী।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** :- ছাৰ, মোভ কৰিব পাৰিম নে এতিয়া ?

**মাননীয় অধ্যক্ষ** :- এতিয়া নোৱাৰিব আপুনি। কাৰণ এইটো সময়ত অহা নাই নহয় আপুনি, সেইটো গ’ল পাৰ হৈ গ’ল।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, ( বিৰসিং জৰুৱা )** :-মাননীয় অধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনত এক অতি গুৰুত্বপূৰ্ণ তথা সংবেদনশীল ক্ষণত মই থিয় হৈছো অসম চৰকাৰে আজি যি ইউনিফৰ্ম চিভিল ক'ড (UCC) বা অভিন্ন দেৱানী বিধি বিল এই সদনত উত্থাপন কৰিছে, মই তাৰ তীব্ৰ বিৰোধিতা কৰিবলৈ আৰু ইয়াৰ অন্তৰালত থকা ভয়াৱহ দিশসমূহৰ প্ৰতি সদনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ থিয় হৈছোঁ। অধ্যক্ষ মহোদয়, আমাৰ দেশৰ সংবিধান প্ৰণেতাসকলে ভাৰতক এখন ধৰ্মনিৰপেক্ষ আৰু বৈচিত্ৰ্যপূৰ্ণ ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিছিল। ভাৰতীয় সংবিধানৰ ২৫ নম্বৰ অনুচ্ছেদে দেশৰ প্ৰতিগৰাকী নাগৰিককে নিজৰ পচন্দৰ ধৰ্ম স্বতন্ত্ৰভাৱে পালন, চৰ্চা আৰু প্ৰচাৰ কৰাৰ মৌলিক অধিকাৰ প্ৰদান কৰিছে। আনহাতে UCC ক নিৰ্দেশাত্মক নীতিতহে অন্তৰ্ভুক্ত কৰিছে। ভাৰতীয় সংবিধানৰ ২৫ নম্বৰ অনুচ্ছেদ প্ৰদত্ত অধিকাৰ কোনো চৰকাৰে কাঢ়ি ল'ব নোৱাৰে। আমাৰ দৰে এখন বহু-ধৰ্মীয়, বহু-ভাষিক আৰু বহু-সাংস্কৃতিক সমাজত সকলোৰে ওপৰত একেখন নিয়মাৱলী জাপি দিয়াৰ যি প্ৰয়াস কৰা হৈছে, ই সংবিধানৰ মূল ভাৱনাৰ পৰিপন্থী। আজি এই গুৰুত্বপূৰ্ণ সদনত মই কেইটামান প্ৰশ্ন আৰু যুক্তি দাঙি ধৰিব বিচাৰিছোঁ, যাৰ বাবে এই UCC বিলখন কেৱল অপ্ৰয়োজনীয়ই নহয়, বৰং আমাৰ সামাজিক সংহতিৰ বাবে ক্ষতিকাৰক। ১/ বৰ্তমানৰ আইনসমূহেই পৰ্যাপ্ত: তেন্তে UCC কিয়? মহোদয়, চৰকাৰৰ তৰফৰ পৰা বাৰে বাৰে কোৱা হৈছে যে সমাজ

সংস্কাৰ, বাল্য-বিবাহ ৰোধ আৰু মহিলাৰ সুৰক্ষাৰ বাবে UCC প্ৰয়োজন। কিন্তু মই চৰকাৰক সোঁৱৰাই দিব বিচাৰোঁ যে আমাৰ দেশত ইতিমধ্যে এই সকলোবোৰ সমস্যা সমাধানৰ বাবে অতি শক্তিশালী আইন বলবৎ হৈ আছে। বাল্য বিবাহ প্ৰতিৰোধ: সমগ্ৰ দেশ তথা অসমত 'বাল্য বিবাহ প্ৰতিৰোধ আইন' (Prohibition of Child Marriage Act) কঠোৰভাৱে প্ৰয়োগ কৰা হৈছে। চৰকাৰে নিজেই ইয়াৰ অধীনত হাজাৰ হাজাৰ লোকক গ্ৰেপ্তাৰ কৰিছে। বহু বিবাহ আৰু তিনি তালাক: 'মুছলিম মহিলা (বিবাহৰ অধিকাৰ সুৰক্ষা) আইন'ৰ জৰিয়তে তিনি তালাক ইতিমধ্যে বেআইনী আৰু দণ্ডনীয় অপৰাধ হিচাপে ঘোষণা কৰা হৈছে। বহু বিবাহ ৰোধ কৰিবলৈও পঞ্চদশ বিধান সভাত আইনগত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিবাহ পঞ্জীয়ন আৰু ভৰণ-পোষণ: 'বিশেষ বিবাহ আইন' (Special) Marriage Act) আৰু চি.আৰ.পি.চি. (বৰ্তমানৰ BNSS) ৰ অধীনত সকলো ধৰ্মৰে মহিলাৰ বাবে ভৰণ-পোষণৰ অধিকাৰ নিশ্চিত কৰা হৈছে আৰু অসম বিধান সভাতো আইন প্ৰণয়ন কৰা হৈছে। যেতিয়া এই সকলোবোৰ সুনিৰ্দিষ্ট আইন ইতিমধ্যে সক্ৰিয় হৈ আছে, তেন্তে একেবোৰ বিষয় সামৰি পুনৰ UCC অনাৰ আঁৰত কি ৰাজনৈতিক উদ্দেশ্য থাকিব পাৰে? ই আইনৰ সৰলীকৰণ নহয়, বৰং আইনৰ জটিলতাহে বৃদ্ধি কৰিব। ২/ 'একতাৰ মাজত বৈচিত্ৰ্য' নীতিৰ ওপৰত চৰম আঘাত । মাননীয় অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষ এখন ধুনীয়া

ফুলনিৰ দৰে, য'ত বিভিন্ন ৰং-বিৰঙৰ ফুল ফুলে। হিন্দু, ইছলাম, খ্ৰীষ্টান, শিখ, বৌদ্ধ, জৈন-প্ৰতিটো ধৰ্ম আৰু সমাজৰে নিজা পৰম্পৰা, বিবাহ পদ্ধতি আৰু আচাৰ-ব্যৱহাৰ আছে। এই বৈচিত্ৰ্যই আমাৰ শক্তি, দুৰ্বলতা নহয়। ব্যক্তিগত আইনসমূহ (Personal Laws) কোনো এটা নিশাৰ ভিতৰত গঢ়ি উঠা নাই, ই শ শ বছৰীয়া বিশ্বাস আৰু ধৰ্মীয় গ্ৰন্থৰ ওপৰত প্ৰতিষ্ঠিত। ধৰ্মীয় স্বাধীনতাৰ নামত চৰকাৰে কাৰোবাৰ ব্যক্তিগত জীৱনৰ নিয়ম-কানুন নিয়ন্ত্ৰণ কৰিবলৈ যোৱাটো গণতন্ত্ৰৰ বাবে শুভ লক্ষণ নহয়। একপক্ষীয়ভাৱে সকলোৰে ওপৰত একেটা নিয়ম জাপি দিলে ধৰ্মীয় আৰু সামাজিক স্বাধীনতাত পোনপটীয়া হস্তক্ষেপ কৰা হ'ব, যিয়ে সমাজত ক্ষোভ আৰু অবিশ্বাসৰ পৰিৱেশ সৃষ্টি কৰিব। ৩/ অসমৰ জনজাতীয় সমাজৰ শংকা। অধ্যক্ষ মহোদয়, মই বিশেষভাৱে আমাৰ অসমৰ প্ৰেক্ষাপটত কথাটো কব বিচাৰিছোঁ। অসম হৈছে বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি। ইয়াৰ বড়ো, মিচিং, কাৰ্বি, ডিমাচা, ৰাভা, তিৱা আদি জনজাতীয় সমাজসমূহৰ নিজা নিজা 'প্ৰথাগত আইন' (Customary Laws) আছে। তেওঁলোকৰ সমাজত সম্পত্তিৰ অধিকাৰ, উত্তৰাধিকাৰী সূত্ৰ আৰু বিবাহৰ নিয়ম সম্পূৰ্ণ সুকীয়া। সংবিধানৰ ষষ্ঠ অনুসূচীয়ে এই জনজাতীয় লোকসকলক সুৰক্ষা প্ৰদান কৰিছে। কিন্তু UCC বলবৎ হ'লে এই খিলঞ্জীয়া সংস্কৃতি, স্বতন্ত্ৰতা আৰু ঐতিহ্যসমূহ বিলুপ্ত হোৱাৰ চৰম ভাবুকি আহি পৰিব। চৰকাৰে হয়তো ক'ব পাৰে যে তেওঁলোকে জনজাতীয় লোকসকলক

ৰেহাই দিব, কিন্তু তেনে কৰিলে ই কেনেকৈ 'ইউনিফৰ্ম' বা 'অভিন্ন' কোড হ'ব? ইয়াৰ পৰাই প্ৰমাণ হয় যে এই আইনখনৰ কোনো স্পষ্ট ব্লুপ্ৰিন্ট চৰকাৰৰ হাতত নাই। ৪/ মূল সমস্যাৰ পৰা দৃষ্টি আঁতৰোৱাৰ প্ৰয়াস। মহোদয়, আজি অসমৰ জনসাধাৰণে কি বিচাৰিছে? আমাৰ লাখ লাখ শিক্ষিত যুৱক-যুৱতীয়ে সংস্থাপন বিচাৰি হাহাকাৰ কৰিছে। প্ৰতিবছৰে অহা বিধ্বংসী বানপানী আৰু খহনীয়া সমস্যাই লাখ লাখ মানুহক গৃহহীন কৰিছে। মূল্যবৃদ্ধিৰ বাবে সাধাৰণ ৰাইজৰ কঁকাল ভাঙি পৰিছে। চৰকাৰী বিদ্যালয় আৰু চিকিৎসালয়সমূহৰ অৱস্থা শোচনীয়। এইবোৰ জ্বলন্ত সমস্যা সমাধান কৰাত ব্যৰ্থ হৈ, চৰকাৰে কেৱল ৰাজনৈতিক মুনাফা লাভৰ বাবে আৰু জনসাধাৰণৰ দৃষ্টি আঁতৰাবলৈ এনে বিতৰ্কিত আৰু আবেগিক বিষয় সদনলৈ আনিছে। সমাজত ধ্ৰুৱীকৰণ বা বিভাজন আনি কোনো এখন ৰাজ্যই উন্নতি কৰিব নোৱাৰে। সামৰণি। মাননীয় অধ্যক্ষ মহোদয়, আইন সদায় সমাজৰ কল্যাণ আৰু শান্তিৰ বাবে হ'ব লাগে, অশান্তি বা বিভাজনৰ বাবে নহয়। আমাৰ সমাজখনক সংস্কাৰ কৰিবলৈ হ'লে শিক্ষাৰ প্ৰসাৰ আৰু সজাগতাৰ প্ৰয়োজন, কোনো জোৰ-জুলুমকৈ জাপি দিয়া আইনৰ নহয়। ল' কমিছন অব্ ইণ্ডিয়াই (Law Commission of India) নিজেই পূৰ্বতে কৈছিল যে এই পৰ্যায়ত দেশত UCC-ৰ কোনো প্ৰয়োজনীয়তা নাই। গতিকে, মই এই পবিত্ৰ সদনৰ মজিয়াৰ পৰা চৰকাৰক আহ্বান জনাচ্ছোঁ যে এই বিভাজনমুখী বিলখন প্ৰত্যাহাৰ

কৰক। অসমৰ শান্তি-সম্প্ৰীতি অক্ষুণ্ণ ৰাখিবলৈ মই এই UCC বিলখনৰ তীব্ৰ বিৰোধিতা কৰিলোঁ। ধন্যবাদ। জয় আই অসম।

**মাননীয় অধ্যক্ষ** :- এতিয়া পীযুষ হাজৰিকা।

**শ্ৰীপীযুষ হাজৰিকা, ( জাগীৰোড )** :- সন্মানীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শ্বৰ্মা ডাঙৰীয়াই যি The Uniform Civil Code Assam Bill, 2026 আজি বিধান সভালৈকে আনিছে আৰু তাৰ ওপৰত যি ডিছকাছন আৰম্ভ হৈছে সেই ডিছকাছনত মোক অংশগ্ৰহণ কৰিবলৈ আপুনি সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছোঁ। অধ্যক্ষ ডাঙৰীয়া এনেকুৱা কোন দেশত নিয়ম আছে যে মহিলা গৰাকীৰ সন্মতি অবিহনে তেখেতৰ স্বামীয়ে ৪ গৰাকী মহিলাক বিয়া পাতিব পাৰে? প্ৰথম গৰাকী বিয়া পাতিলে অধ্যক্ষ ডাঙৰীয়া, মহিলা গৰাকীৰ অসন্মতিত দ্বিতীয় গৰাকী মহিলা বিয়া পাতিলে, দ্বিতীয় গৰাকীৰ অসন্মতিত তৃতীয় গৰাকীক বিয়া পাতিলে আৰু প্ৰথম তিনিও গৰাকীৰ অসন্মতিত ৪ নম্বৰ গৰাকীক বিয়া পাতিলে। বিয়া পতাৰ পাছতো মহিলা গৰাকীৰ অসন্মতিত দ্বিতীয় গৰাকী বিয়া পাতে, দ্বিতীয় গৰাকীৰো অসন্মতিত তৃতীয় গৰাকী আৰু প্ৰথম ৩ গৰাকীৰ অসন্মতিত ৪ নম্বৰ গৰাকী বিয়া পাতে। অধ্যক্ষ ডাঙৰীয়া, আমি যদি আমাৰ দেশখনৰ equality ৰ কথা কওঁ, তেনে ক্ষেত্ৰত হিন্দু, বৌদ্ধ, জৈন, শিখ সম্প্ৰদায়ৰ মানুহখিনিয়ে

দুগৰাকী মহিলাক যদি বিয়া পাতে তেন্তে তেওঁলোক জেললৈ যাব লাগে । কিন্তু এফালে এটা section ৰ লোকে ৪ গৰাকী মহিলাক বিয়া পাতিব পৰাৰ প্ৰাবধান আছে । এই পবিত্ৰ সদনত ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই নিজেই ক'ব লাগিছিল যে এইটো barbaric নিয়ম, এইটো জঘন্য নিয়ম। গতিকে আমি কৈছো যে ৪ গৰাকী মহিলাক যাতে বিয়া পাতিব নোৱাৰে তাৰবাবে আজি বিধান সভাত প্ৰস্তাৱ হ'ব লাগে আৰু The Uniform Civil Code, Assam, Bill, 2026 গৃহীত হ'ব লাগে। অধ্যক্ষ ডাঙৰীয়া, তেখেতে ধৰ্মৰ কথা কৈছে কিন্তু Uniform Civil Code ত কোনো ধৰ্মৰ বিৰুদ্ধে কোৱা হোৱা নাই। ই কোনো ধৰ্মীয় আচাৰ-অনুষ্ঠানত হস্তক্ষেপ কৰাৰ বিষয় নহয় । মূলতঃ বহুবিবাহ, বিবাহ বিচ্ছেদ, সম্পত্তিৰ অধিকাৰ, উত্তৰাধিকাৰ আৰু ভৰণ-পোষণৰ কথাই এই বিলখনত কোৱা হৈছে। অধ্যক্ষ ডাঙৰীয়া, ল'ৰা-ছোৱালীৰ পাৰ্থক্য কিয় থাকিব লাগে ? মাক-দেউতাকৰ সম্পত্তিৰ আধা অংশ ছোৱালীয়ে নাপায় এইটো কেনেধৰণৰ নিয়ম ? কাৰোবাৰ যদি divorce হয় তেন্তে তেওঁ ভৰণ-পোষণৰ সুবিধা নাপায় । এইটো কেনেকুৱা ধৰণৰ equality হ'ল ? হিন্দু, বৌদ্ধ, জৈন, শিখ সম্প্ৰদায়ৰ মানুহখিনিয়ে দুগৰাকী মহিলাক বিয়া পাতিলে জেললৈ যাব লাগে। কিন্তু তেওঁলোকে ৪ গৰাকী মহিলাক বিয়া পাতিব পৰাৰ প্ৰাবধান আছে, এইটো কেনেকুৱা ধৰণৰ equality হ'ল ? এনেবোৰ ক্ষেত্ৰত তেওঁলোকে equality বিচাৰে নে নাই ক'ব লাগিব । তেওঁলোকে

প্ৰত্যেক মূহুৰ্ততে equality ৰ কথা কয়, ভাগ ভাগ কৰাৰ কথা কয় কিন্তু তেওঁলোকে নিজেই ভাগ ভাগ কৰি আছে। তেওঁলোকৰ ছোৱালী সন্তানক প্ৰাপ্য সন্মান দিব নোৱাৰা এই বিৰোধী দলৰ সদস্য সকলেই কৰিছে। আপোনালোকে The Uniform Civil Code, Assam, Bill, 2026 ৰ বিৰোধিতা কৰিয়ে কৈ আছে কিন্তু এই বিলৰ যোগেৰে আমি কৈছো যে ছোৱালীক সম অধিকাৰ দিব লাগে। এইক্ষেত্ৰত আপোনালোকে বিৰোধিতা কৰিছে তাৰমানে আপোনালোকে ছোৱালীজনীক বেয়া ব্যৱহাৰ কৰিলে। আমি কৈছো ৪ গৰাকীক বিয়া পাতিব নোৱাৰে, কিন্তু আপোনালোকে কৈছে বিয়া পাতিব পাৰে। তাৰমানে আপোনালোকে ৩ গৰাকী মহিলাক অন্যায় কৰিলে। গতিকে অধ্যক্ষ ডাঙৰীয়া, এই বিলখনৰ জৰিয়তে আজি অসমে এক যুগান্তকাৰী সিদ্ধান্ত ল'বলৈ গৈ আছে আৰু এই বিলখন গৃহীত হওঁক তাৰ বাবে মই সকলো সদস্যক অনুৰোধ জনাইছো।

অধ্যক্ষ ডাঙৰীয়া, এগৰাকী সদস্যই সদনৰ বাহিৰত live-in-relationship ৰ কথা কৈ আছে কিন্তু বিলখনত live-in-relationship ৰ কথা নিষিদ্ধ কৰা হোৱা নাই, registration কৰাৰ কথাহে কোৱা হৈছে। কোনজন মাক-দেউতাকে বিচাৰে যে দিল্লী, বাঙ্গালোৰ, চেন্নাইলৈ যোৱা ১৮-২০ বছৰীয়া ল'ৰাটো বা ছোৱালীজনীয়ে মাক-দেউতাকে গম নোপোৱাকৈ live-in-relationship ত থাকক। মই এই সদনৰ যোগেৰে প্ৰশ্ন কৰিব বিচাৰিছো। আজিৰ পৰা কেইদিনমান আগলৈ যেতিয়া এই বিলখন tabled হোৱা বুলি আলোচনা হৈ আছিল, সেই সময়ত মই ৪

গৰাকী বন্ধুৰ লগত বহি আছিলো। তেতিয়া মোৰ লগত থকা এগৰাকী সাংবাদিক বন্ধুৱে কৈছিল যে এইটো বৰ বেয়া কথা হৈছে, live-in-relationship ৰ ওপৰত কিয় নিষেধাজ্ঞা কৰিব লাগে ? তেতিয়া মই আন ৩ গৰাকী বন্ধুক শুধিছিলো যে তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে যদি তেওঁলোকে গম নোপোৱাকৈ live-in-relationship ত থাকে তেন্তে তেওঁলোক মান্তি হ'বনে ? তেতিয়া তিনিও গৰাকী বন্ধুৱে কৈছিল তেওঁলোক মান্তি নহয়। এইটো একেবাৰে সঁচা ঘটনা। গতিকে অধ্যক্ষ ডাঙৰীয়া, এই বিলখনৰ জৰিয়তে আমি মহিলাক সন্মান দিয়াৰ ব্যৱস্থা কৰিব বিচাৰিছো । ভৰণ-পোষণৰ অধিকাৰ পাব লাগিব, মহিলাৰ অসন্মতিত ৪ গৰাকী বিয়া পাতিব নোৱাৰিব, ছোৱালী বা মহিলাই পিতৃ-মাতৃৰ সম্পত্তিৰ আধা অংশ লাভ কৰিব তাৰবাবেই আমি এই বিলখন আনিবলৈ বাধ্য হৈছো । এই বিলখনত যাতে বিৰোধী পক্ষই সমৰ্থন জনাই তাৰবাবে মই অনুৰোধ কৰিছো।

অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ যোগেৰে মই বিৰোধী পক্ষক এটা কথা শুধিব বিচাৰিছো যে এইখন চাগে আপোনালোক সকলোৱে চিনি পায় (ভাৰতীয় সংবিধানক উদ্দেশ্যি)। এইখন ভাৰতীয় সংবিধান। কেইদিনমান আগত প্ৰত্যেকটো বিধানসভাত আপোনালোকে এই ভাৰতীয় সংবিধানখন লৈ ফুৰিছিল, লোকসভালৈও লৈ গৈছিল আৰু public meeting লৈও লৈ গৈছিল। কংগ্ৰেছ দলে দুবছৰ ধৰি নাটক কৰিলে যে সংবিধান ধ্বংশ হ'ল । কিন্তু তেওঁলোকে সংবিধানখনৰ কোনটো পাতত কি আছে সেইটোৱেই নাজানে । ইয়াৰ দুটামান উদাহৰণ দি মই মোৰ ভাষণ শেষ কৰিম। অধ্যক্ষ ডাঙৰীয়া, বিৰোধী দল সংবিধান বিৰোধী। তেওঁলোক যদি সংবিধান বিৰোধী নহ'লহেঁতেন

তেন্তে বাবা চাহেব আম্বেদকাৰে UCC হ'ব লাগে বুলি কোৱা কথাত বিৰোধিতা নকৰিলেহেঁতেন। অধ্যক্ষ ডাঙৰীয়া, সংবিধানৰ Directive Principles of State Policy, Article 48 ত স্পষ্টভাৱে লিখা আছে – interruption-----

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়া ঃ** Article 25, 26 – interruption-----

**শ্ৰী পীযুষ হাজৰিকা,জাগীৰোডঃ** Let me finish. মই বেলেগ এটা কথা কৈ আছো। এইখন আপোনালোকে চিনি পাইছেতো ? (ভাৰতীয় সংবিধানক উদ্দেশ্যি) কিন্তু আপোনালোকে পঢ়া নাই। মই উত্তৰটো দিম কিন্তু শুনাৰ বাবে ধৈয্য ৰাখক ........interruption-----

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** এইখন পৃথিৱীত কেৱল আপুনিয়েই দেখিছে। এইখন আপোনালোকৰ বাবে অদ্ভুত বস্তু .....interruption-----

**শ্ৰী পীযুষ হাজৰিকা,জাগীৰোডঃ** শুনিবলৈ কিয় বেয়া পাইছে ? .....interruption-----

**মাননীয় অধ্যক্ষঃ** এক মিনিট। এবাৰ interrupt কৰিলে, ৩ নং বাৰ যদি interprete কৰে তেন্তে সদনৰ পৰা বাহিৰত পঠাই দিম।

**শ্ৰী পীযুষ হাজৰিকা,জাগীৰোডঃ** অধ্যক্ষ ডাঙৰীয়া, সংবিধানৰ Directive Principles of State Policy, Article 48 ত স্পষ্টভাৱে লিখা আছে যে- The State shall endeavour to organize Agriculture and Animal Husbandry on modern and scientific lines and shall,

in particular, take steps for preserving and improving the breeds, and prohibiting the slaughter, of cows and calves and other milch and draught cattle. তাৰমানে Article 48 ত গো-হত্যা বন্ধ কৰিব লাগে বুলি লিখা আছে । কিন্তু গো-হত্যা বন্ধ কৰিলে তেওঁলোকে আন্দোলন কৰে, আমাক তেওঁলোকৰ বিৰোধী বুলি কয় । কিন্তু তেওঁলোকে এই সংবিধানখনেই অৱমাননা কৰে যাৰবাবে মই তেওঁলোকক ধিক্কাৰ দিছো। অধ্যক্ষ ডাঙৰীয়া, মনত আছেনে , বি জে পি য়ে সংবিধান ধ্বংশ কৰা বুলি, মোদী ডাঙৰীয়াই সংবিধান ধ্বংশ কৰা বুলি  গোটেই দেশতে ৰাহুল গান্ধীয়ে নাটক কৰিলে, কিন্তু তেওঁলোকে এই সংবিধান পঢ়াও নাই আৰু এই সংবিধানৰ বিষয়ে নাজানেও । তেওঁলোকে এই সংবিধান অৱমাননা কৰিছে যাৰ মই তীব্ৰ বিৰোধিতা কৰি এই The Uniform Civil Code, Assam, Bill, 2026 ৰ সমৰ্থনত আপুনি ক'বলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিলো আৰু এই UCC বিলখন আজি সদনত গৃহীত হৈ যাতে লাখ-লাখ মহিলাই, লাখ-লাখ যুৱতীয়ে ন্যায় পায়, তাৰবাবে আহ্বান জনাই মোৰ বক্তব্য সামৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া শ্ৰী পৃথ্বীৰাজ ৰাভা।

**শ্ৰী পৃথ্বীৰাজ ৰাভা, ( তেজপুৰ )**ঃ অধ্যক্ষ মহোদয়, ষষ্ঠদশ অসম বিধান সভাৰ আজিৰ দিনটোত অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই The Uniform Civil Code, Assam, Bill, 2026 খন সদনত উত্থাপন কৰি আমাক সহযোগ কৰাৰ বাবে আগবঢ়াই দিছে আৰু তাৰ সমৰ্থণত মই মুখ্যমন্ত্ৰী মহোদয়লৈ আন্তৰিক অভিনন্দন

জনাইছো। আমাক এই সুবিধা প্ৰদান কৰাৰ বাবে অসম বিধান সভাৰ মাননীয় অধ্যক্ষলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই UCC বিধেয়কখনে হৈছে যে আমাৰ দেশৰ যিসকল নাগৰিক, যিসকল পুৰুষ-মহিলা আছে, তাৰ ভিতৰত এই মহিলা সকলক আমি কেতিয়াও ন্যায় প্ৰদান কৰিব পৰা নাই। আমি মহিলাসকলক সদায় neglect কৰি আহিছো। এটা জনগোষ্ঠীৰ এজন মানুহে যদি প্ৰথম বিবাহ কৰে তেন্তে প্ৰথমা পত্নীৰ অনুমতি নোলোৱাকৈয়ে দ্বিতীয়, তৃতীয়, চতুৰ্থ গৰাকী বিবাহ কৰায়। বিবাহ কৰোৱাটোৱেই ডাঙৰ কথা নহয় কিন্তু তাত এটা কথা ক'ব লাগিব যে প্ৰথম গৰাকী পত্নীৰ দুটা সন্তান, দ্বিতীয় গাৰকীৰ ৩ টা সন্তান, চতুৰ্থ গৰাকীৰ ৩ টা সন্তান আৰু এনেদৰে যদি সন্তান জন্ম দি থাকে তেন্তে demography ৰ মাজত এটা ডাঙৰ ফাঁট আহি যায়। এটা জনগোষ্ঠী, ধৰ্মাৱলম্বীৰ মানুহ আছে যিয়ে এগৰাকী পত্নীয়েই ৰাখে যাৰ এটা বা দুটা সন্তানেই হয়। আনহাতে, এটা এনেকুৱা জনগোষ্ঠী আছে তেওঁলোকৰ ৮-১০ টা লৈ সন্তান জন্ম হয়। যাৰবাবে গোটেই অসম, ভাৰতবৰ্ষতেই population pattern সলনি হ'বলৈ গৈ আছে। এই population pattern সলনি হোৱাৰ লগে-লগে আমাৰ সামাজিক , ৰাজনৈতিক, ভৌতিক সকলো দিশতে imbalance হৈ গৈছে আৰু সেইকাৰণেই এই Uniform Civil Code খন লাগু কৰিবলৈ দিয়া হৈছে। যিটো কথা ইতিমধ্যে আম্বেদকাৰ মহোদয়ে সংবিধানত সংশ্লিষ্ট কৰিছিল যে এই ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু ভাৰতবৰ্ষৰ দুখন ৰাজ্যৰ পিছত আজি অসমে ঐতিহাসিক ভাৱে আমি UCC খন লাগু কৰিবলৈ গৈ আছো আৰু আমাৰ এই চৰকাৰৰ দিনত UCCখন লাগু কৰিহে এৰিম। লাগু কৰিলে আমাৰ মহিলা

সকলে সকাহ পাব, সহায় পাব আৰু বহু বিবাহ প্ৰথা বন্ধ হ’ব ,বাল্য বিবাহ প্ৰথা বন্ধ হ’ব living relation, living relation কি , মই দেখিছো বহুত ল’ৰা-ছোৱালীয়ে বাহিৰত থাকে । living relation হৈছে যে বাহিৰত থকা মাক-বাপেকে গম নোপোৱাকৈ এজন ল’ৰা বা ছোৱালীয়ে গৈ বাংগালোৰত হওঁক বা বোম্বাইত হওঁক পঢ়িব যোৱা ল’ৰা-ছোৱালীৰ জীৱনটো তাত ধ্বংস কৰে। ক’ব নাপায় এই সামাজিক স্থানত, বহুত ছোৱালী এই living relation ত pregnant হয় । মাক বাপেকে গম নোপোৱাকৈ তেওঁলোকে সেইটো বন্ধ কৰে বা ডাক্তৰক দেখুৱাই চাফা কৰে, এনেকুৱা বহুত ঘটনা আছে আৰু এটা কথা হৈছে কি এতিয়াৰ দিনত যিখন আইন প্ৰণয়ন কৰা হৈছে যে বহু বিবাহ প্ৰথা বন্ধ কৰিব লাগে , এই বহু বিবাহ বন্ধ কৰিব লাগে বুলি কোৱাৰ পিছত, বাল্য বিবাহ বন্ধ কৰিব লাগে বুলি কোৱাৰ পিছতো কিছুমান ঠাইত এতিয়াও বহু বাল্যবিবাহ হৈ আছে আৰু বাল্য বিবাহ হৈ থকাৰ লগে লগে , বাল্য বিবাহ কেনেকৈ হৈছে ? কোনো চৰকাৰী পঞ্জীয়ন নোহোৱাকৈ কিছুমান মানুহে বিবাহ কৰি আছে। যাৰ কাৰণে ক’ত কি সন্তান জন্ম হৈছে, ক’ত কি শিশুৰ জন্ম হৈছে, আমাৰ চৰকাৰী ভাৱে হিচাব নাই৷ এতিয়াওঁ জন্ম হৈয়ে আছে। চৰ অঞ্চলতে হওঁক বা গাওঁ অঞ্চলতে হওঁক যিকোনো অঞ্চলত হওঁক গতিকে আমি এটা কথাই ক’ব লাগিব যে এইখন আইন যিখন প্ৰনয়ন হ’ব এই আইনখনে অসমৰ উত্তৰাঞ্চলৰ পাছত, গোৱাৰ পাছত, গুজৰাটৰ পাছত অসমত এইখন আইনে অসমৰ যি জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত ই balance ত আনিবলৈ সুবিধা পাব আৰু balance ত আহিব । balanceত যদি নাহে তেনেহ’লে অসমৰ বিভিন্ন জাতি জন গোষ্ঠী, জনজাতি এই সকলৰ

ইয়াত নিৰাপত্তা নোহোৱা হৈ যাব , আৰু নিৰাপত্তা নোহোৱাৰ লগে লগে ৰাজনৈতিক ক্ষমতা, সামাজিক সমতা একো নোহোৱা হৈ যাব সকলো শেষ হৈ যাব। তেতিয়া অসমত এক বিৰল এটা দূৰ্ভীক্ষৰ সৃষ্টি হ'ব। এটা গণ্ডগোলৰ সৃষ্টি হ'ব , কাজিয়াৰ সৃষ্টি হ'ব, জাতি জনগোষ্ঠীৰ মাজত ডাঙৰ ডাঙৰ কাজিয়াৰ সৃষ্টি হ'ব , আৰু সেইটো নহ'বৰ কাৰণে আজিৰ দিনত মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াই এই UCC লাগু কৰিবলৈ গৈ আছে আৰু মই ভাবো এই UCC লাগু কৰিলে আমাৰ অসমৰ সাধাৰণ জনসাধাৰণ, জাতি জনগোষ্ঠী, জন জাতি, অসমীয়া যি সকল থলুৱা অসমীয়া এই থলুৱা অসমীয়া মানুহে ভৱিষ্যতে নিৰাপত্তা পাব আৰু এই নিৰাপত্তাৰ জৰিয়তে ৰাজনীতি, সমাজনীতিত আমাৰ মানুহে সমানে সমানে আগবাঢ়ি যাবলৈ সমৰ্থ হ'ব। এইখিনি কৈ মই এইখন আইন যাতে বলৱৎ হয় আৰু এইখন আইনে অসমৰ ভৱিষ্যত নিৰ্ণয় কৰিব আৰু ভৱিষ্যত নিৰ্ণয় কৰিব কাৰণে অসমৰ থলুৱা জনগোষ্ঠীৰ কাৰণে এই ভৱিষ্যত নিৰ্ণয় কৰিব। এইখিনি কথা কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া ৰবিৰাম নাৰ্জাৰী।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী, ( দতমা )** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই BPF দলৰ Legislature party আৰু মোৰ দলৰ হৈ আমাৰ অসম চৰকাৰখনে আজিৰ আমাৰ এই বিধান সভাৰ মজিয়াত যিখন বিলৰ ওপৰত আলোচনা কৰিবৰ কাৰণে আমি হাতত লৈছো UCC Bill. সেই বিলৰ প্ৰতি আমি পূৰ্ণাংগ ভাৱে সমৰ্থন আগবঢ়াইছো। আমি ধন্যবাদ

দিব লাগিব যে ভাৰতবৰ্ষৰ বহল ভিত্তিত ক'বলৈ গ'লে বিপুল ভাৱে চৰ্চিত হোৱা যিখন আইন সেইখন UCC Bill . সেই UCC Bill খন আজি অসম চৰকাৰৰ আমাৰ বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়া দেৱৰ বলিষ্ঠ নেতৃত্ব আৰু  পদক্ষেপৰ কাৰণে অসম বিধান সভাত উত্থাপিত হ'ল আৰু সৰ্বসন্মতি ক্ৰমে আমাৰ ইয়াত এই UCC Bill খন গৃহীত কৰিবৰ কাৰণে এটা পদক্ষেপ আজি হাউচত লোৱা হ'ল। সেইটো আমাৰ NDA চৰকাৰৰ কাৰণে ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াদেৱৰ, তেখেতৰ উইল পাৱাৰ  তেখতৰ ৰাইজৰ প্ৰতি commitment, তেখেতৰ অসমবাসী জনগনক দিয়া প্ৰতিশ্ৰুতিৰ প্ৰতি যিটো দায়বদ্ধতা সেইটো পালন কৰাৰ তেখেতৰ যিটো সংকল্প, সেই সংকল্প দৃঢ়তাৰে পালন কৰাৰ কাৰণে আজি সেইটো সম্ভৱ হৈছে বুলি মই ক'ব খোজো আৰু এইটো আমাৰ এটা ঐতিহাসিক সফলতা বুলি মই ক'ব খোজো। ভাৰতবৰ্ষৰ বহল ভিত্তিত চৰ্চিত এই আইনখন অসমত আজি যদিও গৃহীত কৰিবৰ কাৰণে হাতত লোৱা হৈছে, মই ধন্যবাদ দিব বিচাৰিছো এজন  জন জাতীয় বিধায়ক হিচাবে এই বিলখনত স্পষ্টভাৱে লিখা আছে যে UCC Bill  ৰ আওঁতাৰ পৰা জনজাতি সকলক বাহিৰত ৰখা হৈছে। এই আইনৰ বাহিৰত যে জনজাতি সকলক ৰেহাই দিয়া হ'ল, জনজাতি সকলৰ নিজৰ যিটো আইন কানুন customary law আছে, আমাৰ tradition আছে, সেইবিলাক protection ৰ কাৰণে জনজাতি সকলে নিজাববীয়াকৈ

যিহেতু পূৰ্বপুৰুষৰ পৰাই, হেজাৰ হেজাৰ যুগৰ পৰাই আমি নিজাববীয়াকৈ আইন বনাই চলাই আহিছো। সেই আইনৰ প্ৰতি শ্ৰদ্ধা জনাই, সন্মান জনাই আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো বিলখন প্ৰস্তুত কৰি আজি হাউচত গৃহীত কৰিবৰ কাৰণে ব্যৱস্থা কৰিছে, মই জনজাতি সম্প্ৰদায়ৰ হৈ, বড়ো সম্প্ৰদায়ৰ এজন বিধায়ক হৈ আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক আমাৰ চৰকাৰখনক প্ৰথমতে মই ধন্যবাদ জ্ঞাপন কৰিছো। আমি শুনিবলৈ পাওঁ যে ভাৰতৰ প্ৰধান মন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোডী ডাঙৰীয়াদেৱে সদায় কৈ থাকে এক ভাৰত, শ্ৰেষ্ঠ ভাৰত আৰু ইয়াৰ কাৰণে গোটেই ভাৰতবৰ্ষখনো শক্তিশালী সমৃদ্ধিশালী আৰু আমাৰ ভাৰতীয় নাগৰিক সকলৰ ৰাজ্য বিলাকৰ মাজত একতা integrity আনিবৰ কাৰণে কিছুমান পদক্ষেপ লৈ থকা হৈছে। এই UCC Bill য়ো ইয়াৰে এটা অংশ বুলি মই ক'ব খোজো। আজি ভাৰতবৰ্ষত আমি যিটো দেখিবলৈ পাইছিলো বিভিন্ন ৰাজ্যত বিভিন্ন ধৰণৰ আমাৰ ৰেভিনিউ collection, tax collection ৰ কাৰণে আইন কানুন আছিল, সেইটো এক ৰাজ্য , এক tax collection কৰাৰ যিটো এটা আইন ভাৰত চৰকাৰৰ নৰেন্দ্ৰ মোডী দেৱৰ নেতৃত্বত আজি GSTগোটেই ভাৰতবৰ্ষখনত লাগু হৈ গ'ল। এটা আইনৰ ধাৰা দি আমাৰ ভাৰতৰ অৰ্থনীতি নিয়ন্ত্ৰণ কৰিবৰ কাৰণে এই ব্যৱস্থা আজি কৰা হ'ল। ঠিক তেনেদৰে আজি আমাৰ অসম চৰকাৰৰ, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আমাৰ এই অসম বিধান সভাত কিছুমান

ঐতিহাসিক আইন প্ৰনয়ণ কৰা হ'ল, আমাৰ চকুৰ আগত আজি বাল্য বিবাহ, যি বাল্য বিবাহ আইনখন কোনো চৰকাৰে কেতিয়াওঁ আনিবৰ কাৰণে পদক্ষেপ লোৱা নাছিল,যাৰ কাৰণে আমাৰ মা-ভণী সকলে বিভিন্ন ধৰণৰ বিপদৰ সন্মুখীন হ'ব লগা হৈছিল । আজি এই বাল্য বিবাহ আমাৰ এই অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পদক্ষেপৰ কাৰণে বিধান সভাত এখন আইনত পৰিনত কৰিবলৈ সক্ষম হ'লো। আজি সেইটো দ্বিতীয় এটা পদক্ষেপ যে UCC আইনখন ইয়াত আমি পাচকৰাৰ দ্বাৰাই গোটেই আমাৰ অসমবাসী মা-ভণী সকলৰ কাৰণে, জাতি জনগোষ্ঠীৰ মাজত আমাৰ যিটো বিভিন্ন ধৰণৰ আইন কানুন আছিল, সেই আইন কানুন বিলাক আজি ইয়াৰ ওপৰত UCC য়ে নিয়ন্ত্ৰন কৰিবৰ কাৰণে, UCC ৰ দ্বাৰাই গোটেইখিনিক আমি পৰিচালনা কৰিবৰ কাৰণে যিখন বিল উত্থাপন কৰা হ'ল সেইটো ভাল এটা পদক্ষেপ। আমি highly appreciate কৰিছো, আমি স্বাগতম জনাইছো । কিন্তু ইয়াত মই এটা কথা উল্লেখ কৰিব খুজিছো UCC আইন, ইয়াৰ দ্বাৰাই দি উদাহৰণ হিচাপে সেইটো স্পষ্ট হোৱা ইয়াত দেখিবলৈ পোৱা নাই, যে কোনোবা tribal ছোৱালী এজনীয়ে যদি non tribal এজনক বিয়া পতাৰ পিছত, সেই tribal ছোৱালীক যদি divorce কৰা হয়, সেই tribal ছোৱালীৰ status টো কি হ'ব সেই tribal ছোৱালীজনীৰ অধিকাৰ তেওঁৰ নিজৰ পুৰুষৰ পৰা তেখেতে কেনকুৱা ধৰণৰ আইনগতভাৱে যিখিনি benefit পাব লাগে ইয়াৰ ব্যৱস্থা ইয়াত আছে নে নাই, সুৰক্ষা আছে নে নাই যদি ইয়াত স্পষ্টভাৱে হোৱা নাই ইয়াৰ clearity যে tribal ছোৱালী এজনীয়ে non tribal এজনক বিয়া

পতাৰ পিছত divorce হোৱাৰ পিছত ইয়াৰ protection তাৰ rights টো স্পষ্টভাৱে ইয়াত define কৰাৰ দৰকাৰ আছে , এইটো এটা হ'ল। আৰু এটা পইন্ট ইয়াত সন্নিবিষ্ট কৰাটো আমি বিচাৰো যে UCC অহাৰ পিছত আমাৰ ST ,SC বিলাকৰ ওপৰত যিটো **apostate** কৰা হয় বিৰুদ্ধে এটা যিটো প্ৰচলিত আইন আছে সেই আইন continue হ'ব নে নাই ? ST, SC বিলাকৰ ওপৰত যিটো চলা **apostate** যিটো প্ৰচলিত আইন সেই আইনটো as it is continue কৰিবৰ কাৰণে allow কৰাৰ তেনেকুৱা ব্যৱস্থা থাকিব নে নাই সেইটোৰ এটা clearity থাকিলে ভাল হয় । যিয়ে নহওঁক as a whole UCC বিলৰ ওপৰত বহু জনৰ বহু ধৰণৰ মন্তব্য আছিল ভয় আশংকা আছিল সেইটো আজি সঁচাকৈ ইয়াত ইমান তেনেকুৱা ভয় আশংকা কৰাৰ কোনো কাৰণ নাই । আমাৰ মহিলা সকলৰ, মা-ভনী সকলৰ protection এই গোটেইবিলক আজি নজৰ ৰাখি আমি এটা uniform ত আনিবৰ কাৰণে অধিকাৰ প্ৰদান কৰিবৰ কাৰণে, সুৰক্ষা প্ৰদান কৰিবৰ কাৰণে এক ভাৰতীয় নাগৰিক হিচাপে এটা আইনৰ আওঁতাত আনি protection আৰু অধিকাৰ দিয়াৰ কাৰণে যিটো আইন ব্যৱস্থা কৰা হৈছে, গতিকে এই আইনখন লৈ ভয় আশংকা কৰাৰ কোনো অৱকাশ নাই । মই এইখিনিকে কৈ এই বিলৰ প্ৰতি আমাৰ বি পি এফ দলৰ যিটো দৃষ্টিভংগী স্পষ্টভাৱে সমৰ্থন জনাই মই সেইখিনিকে আগবঢ়াইছো । ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া শ্ৰী দিগন্ত কলিতা।

**শ্ৰী দিগন্ত কলিতা, কমলপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, সমৰূপ নাগৰিক সংহিতা অসম ২০২৬ বিধায়ক খন যাক Uniform Civil Code হিচাপে এই আইনখন আজি table হ'ল। ইয়াৰ যিটো উদ্দেশ্য সমৰূপ, এটা ৰূপ ল'বলৈ বিচাৰিছে । নাগৰিক মানে সমাজ আৰু সংহিতা মানে যে আইন সমূহত একেলগে সজাই তোলাৰ ব্যৱস্থা। এই

বিধেয়ক খনৰ যোগেদি আমি অসম তৃতীয় ৰাজ্য হ'ব। ইতিমধ্যে উত্তৰাখণ্ডই বিল পাছ্ কৰিছে লগতে implement ও হৈছে। গুজৰাটে ২০২৬ চনত বিলখন পাছ্ কৰিছে আৰু আজি আমি বিল খন পাছ্ কৰাৰ দিশত। এই আইন খনৰ বিৰুদ্ধে বিভিন্ন জনে সমালোচনা কৰিছে। এই আইনখনত যি চাৰিটা প্ৰধান নিয়ম বলৱৎ কৰিছে এই আইনখনৰ সপক্ষে যে বিবাহৰ নূন্যতম বয়স, বহু বিবাহ নিষিদ্ধ, পৈতৃক সম্পত্তিৰ ওপৰত কন্যাৰ সমান অধিকাৰ আৰু বিবাহ বহির্ভূত live-in- relation, আমাৰ অসমত থকা বা অসমত জন্ম হোৱা ল'ৰা-ছোৱালীয়ে এই আইনত প্ৰযোজ্য হ'ব। আমি এইটো ক'ব বিচাৰিছো যে এইখন আইন আহক অসমৰ মাতৃ, অসমৰ আই মহিলাৰ সুৰক্ষা দিয়াৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যোৱা বিধান সভাত যোৱা নিৰ্বাচনত শেষৰ খন বিধানসভাত স্পষ্টতাৰে কৈছিল যে মোক ৰখাব পাৰিলে আপোনালোকে মোক ৰখাই লওঁক, মই বিৰোধীক কৈছো আৰু যদি আপোনালোকে ৰখাব নোৱাৰে প্ৰথম আইন আনিম বুলি তেখেতে প্ৰতিশ্ৰুতি দিছিল আৰু আজি পৱিত্ৰ বিধান সভাত তেখেতে এই আইন আনি অসমক এক নতুন ৰূপত সজাই লোৱাৰ যি সাহস গোটালে আমি ১০২ জন সকলো বিধায়কে তেখেতক পূৰ্ণ সমৰ্থন জনাইছো। আজি বিৰোধীয়ে সমালোচনা কৰিছে আমাক এই আইনৰ বিপক্ষে, বিৰোধীয়ে সমালোচনা কৰিছে ৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই জেষ্ঠ্য বিধায়ক আমি বহুত দিনৰ পৰা ৱাজেদ আলী চৌধুৰী ডাঙৰীয়াক জানো। মই ৱাজেদ আলী চৌধুৰী ডাঙৰীয়াক বা বিৰোধীক

এটা কথা কৈছো যে আপোনালোকে ICPC or Indian panel code মানে নে নামানে ?.......................হুলস্থুল...................

**মাননীয় অধ্যক্ষঃ** তেখেতক ক'ব নালাগে মোক কওঁক।

ঠিক আছে নামটো সলনি হৈছে, আপুনি কৈ থাকক।

**শ্ৰী দিগন্ত কলিতা, কমলপুৰঃ** UCC খন আপোনালোকে নামানে তাৰমানে চুৰ ডকাইতৰ কাৰণে নিয়মবোৰ সমান কিন্তু UCC ৰ কাৰণে নিয়ম সমান নহয় । এইটো নামানে ? ইয়াতকৈ দুখঃজনক লজ্জাজনক কথা হ'ব পাৰে নেকি? আজি বিৰোধীত এজনী মহিলা আপোনালোকে কিয় মানিব । কালি তেওঁলোকে আমাক কৈছে যে মহিলাক সম অধিকাৰ দিব লাগে বিভিন্ন জনে বিভিন্ন কথা কৈছে কিন্তু নিজৰ মূৰত হাত থৈ নিজৰ বুকুত হাত থৈ কওঁকচোন আপোনালোকে মহিলাক সমান অধিকাৰ দিব বিচাৰিছে নে ? নিবিচাৰে । কাৰণ আপোনালোকে মহিলাক differentiate কৰিব বিচাৰে। সেই যুগৰ পৰা আপোনালোকে মহিলা সকলক যি ধৰণৰ ব্যৱস্থা ৰাখিছে প্ৰধানমন্ত্ৰীয়ে প্ৰমাণ কৰি দিলে আৰু আমাৰ মুখ্যমন্ত্ৰীয়ে প্ৰমাণ কৰি দিলে যে মহিলা আৰু পুৰুষৰ মাজত difference একো নাই আমি সমান অধিকাৰ দিব বিচাৰিছো । আজি বহুত মুছলমান মহিলাই এই আইনখনৰ সপক্ষে মাত দিছে । আপোনালোকে এবাৰ সেই পৰিয়ালৰ ওচৰলৈ যাওঁকা কোনো মহিলাই  কোনো স্ত্ৰীয়ে নিজৰ পুৰুষক ৪ বাৰ বিয়া হোৱাটো নিবিচাৰে। হিন্দুৱে হওঁক, মুছলমানে হওঁক,  খ্ৰীষ্টানে হওঁক বা বুদ্ধিষ্টেই হওঁক- কোনোৱে নিবিচাৰে । আপুনি আপোনাৰ মাতৃক বিচাৰিব

নেকি? মই নিজৰ মাতৃক লৈ আপোনালোকক ক'ব বিচাৰিছো, কাৰণ আপোনালোকে বুজি নাপায়, মাতৃৰ কথা ক'লেহে আপোনালোকে বুজি পাব । আজি তেওঁলোকে এইবিলাক কৰি কৰি গোটেই ভাৰতবৰ্ষত বিষ বিয়পালে । আজি চাহাবাণুৰ কেচ- আপোনালোকে নিজে পঢ়ক চাহাবাণুৰ কেচ হাইকোৰ্ট, চুপ্ৰিম কোৰ্টে ৰায় দিয়াৰ পিছতহে সেই সময়ৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে মুছলীম আইন আনিলে আৰু সেইখন আইনে আজি হাইকোৰ্টৰ ৰায়দানটো পিছুৱাই যাবলৈ সক্ষম হ'ল। এইবিলাক আমি পাহৰা নাই। এইটো ১৯৮৬ চনৰ কথা । আপোনালোকে নিজে অকণমান চিন্তা কৰক । মই এবাৰেই কৈছু যে আইন খনৰ সপক্ষে বিপক্ষে বহুতে বহুত কথা ক'ব, কিন্তু আইন খনৰ উৰ্ধত অন্তৰত হাত চুই কওঁক সেই আইনখন আপোনাৰ মাতৃ, আপোনাৰ নিজৰ ভন্টি, নিজৰ পৰিয়ালৰ ক্ষেত্ৰত মই ভাৱো যে এইখন আইন অনাৰ বিনিময়ত আমি গৌৰৱ অনুভৱ কৰিছো। মুঠতে এই আইনখনে আমাক অসমখনত মহিলা সুৰক্ষা দিয়াৰ ক্ষেত্ৰত যি পদক্ষেপ হাতত লৈছে আমি NDA ৰ ১০২ জন বিধায়কে পূৰ্ণ সমৰ্থন জনাই মই মোৰ বক্তব্যৰ ইয়াতে সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া শ্ৰী বিশ্বজিৎ দৈমাৰী।

**শ্ৰী বিশ্বজিৎ দৈমাৰী, তামুলপুৰঃ** ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো UCC বিলৰ ওপৰত ইয়াত আলোচনা হৈছে সেইটো অত্যন্ত গুৰুত্বপূৰ্ণ । উপৰোক্ত বক্তা সকলে ইয়াৰ ওপৰত কিছুমান কথা সদনত দৃষ্টিগোচৰ কৰিলে । মই ইয়াত প্ৰথমতে ক'ব

খুজিছো যে আমাৰ বিৰোধী দলৰ পৰাই জনজাতি সকলক ইয়াত বাহিৰত ৰখাৰ কথা মূল issue হিচাপে কৈ আছে। শ্ৰী ৰবিৰাম নাৰ্জাৰী ডাঙৰীয়াই অলপ আগত কৈ গৈছে যে আচলতে UCC ত যিখিনি নিয়ম নীতিৰ কথা কৈছে, আইনৰ কথা কৈছে , জনজাতিৰ সমাজত ইতিমধ্যে সেইবিলাক আছে। জনজাতিৰ সমাজত বিয়া যেতিয়া হয় তেতিয়া অকল ৰাইজ নহয়- গ্ৰহ নক্ষত্ৰ ৰ পৰা আৰম্ভ কৰি গছ-গছনি, নদ-নদী, পশু-পক্ষী সকলো যি আছে তাৰ সাক্ষী দি বিয়া দিয়া হয়

আৰু সেই বিয়াত দৰা-কইনা দুয়োজনেই প্ৰতিজ্ঞাবদ্ধ হয় যে সকলোৰে সাক্ষীত আমি কথা দিছো আমি দুয়োজনেই সংসাৰ ভালদৰে পাতি যাম, কেতিয়াও দুখতো নেৰো, কেতিয়াবা ৰুগীয়া হ'লেও নেৰো আৰু আমাৰ যি ল'ৰা-ছোৱালী জন্ম হ'ব তেওঁলোকক একেলগে আমি পালন –পোষণ কৰি যাম। সেইকাৰণে যেতিয়া বিবাহ বিচ্ছেদৰ কথা আহে দুয়োজন পতি-পত্নীৰ ইচ্ছা হ'লেও বংশ-পৰিয়ালক লৈ আলোচনা আৰু তাৰপিছত ৰাজহুৱাভাৱে, সামাজিকভাৱে আলোচনা হ'ব লাগিব আৰু তাত যদি ৰাইজ মন:পুত হয় তেতিয়াহে দুয়োজন পতি-পত্নীয়ে ইচ্ছাকৃতভাৱে হ'লেও বেলেগকৈ থাকিব পাৰে। এই আইন জনজাতীয় সমাজত আছে। সা-সম্পত্তিৰ ক্ষেত্ৰত, বহু বিবাহৰ ক্ষেত্ৰতো আইন আছে। যদি কোনোবাই বহু বিবাহ পাতে সামাজিকভাৱে তাৰ যিখিনি শাস্তি দিবলগীয়া আছে, সমাজে কেতিয়াবা বয়কট কৰি দিয়ে, কেতিয়াবা ক্ষতিপূৰণ দিবলৈ দিয়ে- এইখিনি জনজাতীয় সমাজত আছে। বহুতৰে জনজাতীয়

সমাজ সম্পৰ্কে বেছি ধাৰণা নাই আৰু বিৰোধী পক্ষত যিহেতু এজনো জনজাতীয় প্ৰতিনিধি নাই এইখিনি কথা চাগে কোনেও কোৱা নাই। গতিকে UCC অহাৰ আগৰেপৰাই জনজাতীয় লোকসকলৰ এইখিনি আছে। সেইকাৰণে জনজাতীয় লোকসকলৰ প্ৰতি আমাৰ আগতে যিটো মনোভাৱ আছিল যে জনজাতি মানেই হৈছে একো নীতি-নিয়ম নজনাকৈ চলা এটা জাতি- এই ভাৱটো জনজাতীয় লোকসকলৰ প্ৰতি থাকিব নালাগে, জনজাতীয় লোকসকলৰ পৰা বহুত শিকিব লগীয়া আছে আৰু UCC জনজাতীয় লোকসকলৰে এটা নমুনা। গতিকে জনজাতীয় লোকসকলৰপৰা এইটো কোনোবাই নেদেখিলে চাগে এই UCC ৰ কথাটো নাভাৱিলে হয় যে কিমান ধুনীয়া এটা system হৈ আছে। আৰু এখন নতুন আইন আমাৰ কৰিব লাগে যাতে সকলোৱে বাধ্যতামূলকভাৱে বিয়া পাতে। গতিকে জনজাতীয় লোকসকলৰ intellectual মানুহ কম হোৱাৰ অন্য এটা কাৰণ হৈছে বিয়া নপতাটো। এই কথাটোক লৈ আমাৰ সদনত ভুল বুজিব নালাগে যে জনজাতীয় লোকসকলৰ যদিও নিজৰ সামাজিক ৰীতি-নীতি আছে তথাপিও তাত যদি সন্তুষ্ট নহে ক'ৰ্টলৈ গুছি যায় তেন্তে তাত কোনো বাধা নাই। যিকোনো জনজাতীয় মানুহে ৰাইজৰ বিচাৰত যদি সন্তুষ্ট নহয় তেতিয়া সেই মানুহজন ক'ৰ্টৰ কাষ চাপে। তেতিয়া তাত কোনো tribal law ৰ কথা নাহে য'ত আগতে মুছলিম ল' ৰ কথা আহিছিল। গতিকে এনেকুৱা ধৰণৰ বহু কথা আছে । গতিকে UCC অৰ্থাৎ এনেকুৱা ধৰণৰ নিয়মবোৰ already tribal সমাজৰ মাজত প্ৰচলিত হৈ আছে। সেই আইনখন বিশেষকৈ আমাৰ মাতৃ, বাইদেউ, ভগ্নী, ছোৱালীসকলৰ সুখ-

শান্তিৰ কাৰণে। আমাৰ সকলোৰে নিজৰ নিজৰ সন্তান আছে। আমাৰ মা সকলে বিয়া হোৱা দিনৰে পৰা কিমান কষ্ট পাইছিল, বিয়া হোৱা দিনৰে পৰা কথা-বতৰা নোহোৱাকৈ নিজৰ পচন্দ- অপচন্দ নোহোৱাকৈ বেলেগ এটা পৰিয়াললৈ বিয়া হৈ যায়। ঘৰৰ, বংশ-পৰিয়ালৰ প্ৰেচাৰ যে ভাল পৰিয়াল, সকলোবোৰ কথা মানি চলিবি। বিয়া হোৱা দিনৰেপৰা সকলোৱে জোকায় যে কইনাৰ তামোল খাম, চাহ খাম, ভাত খাম, কইনাজনী দেখোন এক্সপ্ৰেছ গাড়ী, কিন্তু ঘৰৰ মানুহখিনিক, মা-দেউতা, বাই-ভনীক এৰি আহি নতুন পৰিয়ালত মিলিবলৈ যোৱাত অহাত কইনাৰ অন্তৰত কি চলি আছে এই কথা আমি কোনেও নাভাৱো। ইয়াৰ পিছতো সদায় বিভিন্ন ধৰণৰ ভৎসৰ্না চলিয়েই থাকে। মাক-দেউতাক যেতিয়া ছোৱালীৰ ঘৰলৈ আহিব তেতিয়াও মানুহে ক'ব যে আমি যি কওঁ মাক-দেউতাকক চাগে কইনাই লগাই দিলেই, গতিকে এনেকুৱা ধৰণৰ কথাবোৰ চলি থাকে । ইয়াৰ পিছত যদি বিবাহ-বিচ্ছেদ হয় আৰু যদি ভাই-ককাই ভাল নহয় তেনেহ'লে তেওঁলোকে ক'ব যে তুমি বিয়া হৈ গৈছা গতিকে তুমি আমাৰ ঘৰত থাকিব নোৱাৰা, আমি তোমাক একো দিব নোৱাৰো। তেতিয়া কইনা বা সেই ছোৱালীজনীৰ অৱস্থা কি হ'ব ! যিজনী আমাৰ মৰমৰ ছোৱালী, আমাৰ অত্যন্ত মৰমৰ, যিজনীয়ে আমাতকৈ দেৰিকৈ শুই উঠে, বিয়া হোৱা দিনৰে পৰা তেওঁ গিৰিয়েকৰ ঘৰত সকলোতকৈ আগতে শুই উঠিব লাগে। একো নাজনিলেও কাঁহি-বাতি ধুই চাহ-ভাত বনাই নিজে খোৱাৰ আগত নতুন ঘৰৰ পৰিয়ালক দিব লাগে আৰু তেওঁলোকৰ যন্ত্ৰণাৰ কথা আমি কোনেও নাভাৱো। তাৰবাবে মই

মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাওঁ যে তেখেতে 'নিযুত মইনা' আঁচনিৰ জৰিয়তে প্ৰত্যেকজনী ছোৱালীয়ে যাতে নিজৰ মাকৰ নিচিনা হ'ব নালাগে, লিখা-পঢ়া কৰি চাকৰি কৰি বা বেপাৰ-বাণিজ্য কৰি যাতে এটা মৰ্য্যদা শহুৰৰ ঘৰত পায়, যাতে শহুৰৰ ঘৰত কয় যে বোৱাৰী অফিচলৈ যোৱাৰ সময় হৈছে, তুমি যোৱা, বাকী কাম মই কৰিম -যাতে এনেধৰণৰ সন্মান আমাৰ ছোৱালীবোৰে তেওঁলোকৰ শহুৰেকৰ ঘৰত পায়। গতিকে এইবোৰৰ কাৰণে UCC ৰ অতি প্ৰয়োজন আৰু যাৰ ঘৰত ঘটিছে তেওঁলোকে বুজি পায় আৰু যাৰ ঘটা নাই তেওঁলোকে বুজি নাপায়। মই যিখিনি কথা কৈছো সেইখিনি যদি গুৰুত্ব সহকাৰে চাওঁ ইয়াতকৈয়ো বেছি কঠোৰ আইন আমাক লাগে। ইয়াত live-in relation ৰ কথা কোৱা হৈছে। জনজাতীয় সমাজে কেতিয়াও live-in relation নামানে। আজি যদি ল'ৰা-ছোৱালী কোনোবা ক'ৰবাত একেলগে থাকে, গাঁৱত তেওঁলোকৰ বিচাৰ হৈছে, শাস্তি পাইছে। গতিকে এই live-in relation টো কিমান ভয়ানক ! এজনী ছোৱালী এবাৰ মোৰ ওচৰলৈ আহিছিল, তাই live-in relation ত আছিল। তাৰপিছত তাইৰ ব্ৰেকআপ হ'ল আৰু এতিয়া তাইক ক্ষতিপূৰণ লাগে। কিন্তু আমাৰ তেনেকুৱা নিয়মেই নাই, কোনো প্ৰমাণ নাই আৰু সমাজৰ আগত কৈ ল'বও নোৱাৰে। এতিয়া বাধ্য-বাধকতা হ'ল যে ছোৱালীজনীয়ে মন্দিৰত বা সামাজিক নিয়মত বিয়া নাপাতিলেও অন্তত: ৰেজিষ্ট্ৰেশ্যন এটা থাকিব আৰু সেইটোৰ দ্বাৰা আইনৰ সহায় পাব যেতিয়া তেওঁৰ বিয়াৰ দিনটো আহিব। গতিকে সেইটোৰ কাৰণে বিৰোধী পক্ষৰ সকোলোকে মই অনুৰোধ কৰিছো যাতে এই দিশটো

চায়, আমাৰ যি হ'ল সেইখিনি হৈ গ'ল কিন্তু আহি থকা প্ৰজন্মবোৰে যাতে তেনেকুৱা ধৰণৰ সমস্যাৰ সন্মুখীন নহয় সেই কথাটো আমি সকলোৱে ভাৱিব লাগিব। এতিয়া আমাৰ কথাবোৰ এনেকুৱা হৈ আছে যে কোনোবাই কেইবাবাৰো বিয়া পাতিছে কিন্তু বহুবাৰ বিয়া পাতিলেও সুখ ক'ত থাকিব! দুখহে বেছি। কিন্তু সেইটোকে আমি হিৰ' বুলি ভাৱি লওঁ আৰু তেনেধৰণে সেইটো এটা কালচাৰ হিচাপে চলি আহিছে। কিন্তু এইটো সমৰ্থনযোগ্য নহয়। বহুবাৰ বিয়া পাতিলেই যে তেওঁ ক্ষমতাশালী হ'ব সেইটো নহয়, এইটো আগৰ চিন্তাধাৰা আৰু আজিৰপৰা যাতে সেইটো নহয় আৰু বাকী মানুহখিনি যাতে সুৰক্ষিত হয়, আমাৰ সমাজত এটা ডিচিপ্লিন থাকক, আমি অসমখন এটা যাতে উদাহৰণ হওঁ যে অসমত এনেকুৱা ধৰণৰ ঘটনা নঘটে আৰু অসমত প্ৰত্যেক গৰাকী মহিলাক সকলোৱে সন্মান দিয়ে। গতিকে মই UCC ক সম্পূৰ্ণৰূপে সমৰ্থন জনাইছো আৰু আশা ৰাখিছো বিৰোধী পক্ষৰ লগতে সকলোৱে সৰ্ব সন্মতিক্ৰমে সম্পূৰ্ণৰূপে সমৰ্থন কৰি আজিৰ এই UCC Bill পাছ কৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** এতিয়া শ্ৰী কমলাক্ষ্য দে' পুৰকায়স্থ ।

**শ্ৰী কমলাক্ষ্য দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) :** মাননীয় অধ্যক্ষ মহোদয়, ai prothom bidhan sobhaye amake sujug dewar jonno dhooonobad gyapon korchi. Manonio mukho montri ai ucc bill, bidhan sabhaye je anlen tar jonno ami dhonnobad, kritogota abog biseshkore onar drirota onar sonkolpo kay nischoy amra sobai ajke shroddha jannachi adhokho mohodoy.

***"Main manta hu dunia ka koi rishta chota ya bara nahi hota par mere maa kay barabar koi khada nahi hota, mere intezar may khule ankho say bas wohi so sakti hain, mere dukh may mujh say jyada wohi ro sakti hain. Mera matha choom kar mukaddar badal dene ka jaddu sirf unhi kay hath may hain, usi ka hath hain jo thermometer say jyada current temperature batati hain. Maine mohabbat ki bohot kitabay par dali par pehele panne par maa ka naam hi likha tha, wo mujh par tab say jaan deti hay jab say pregnancy stage par bus ek lakir bankay dikha tha, hisaab laga kar dekh lo duniya ka koi rishta, rishtay may adha adhura niklega, maa ka hi pyaar hay jo durso say noo mahina jyada niklega".***

**শ্রী কমলাক্ষ দে পুরকায়স্থ(কাটিগড়া,কাছাড়):-** স্পিকার মহোদয়, আমাকে সুযোগ দেওয়ার জন্য প্রথমবারের মতো বিধানসভায় চতুর্থবার নির্বাচনের বক্তব্য দিচ্ছি। কাটিগড়া বাসীকে ধন্যবাদ জ্ঞাপন করছি অধ্যক্ষ মহোদয়। মাননীয় মুখ্যমন্ত্রীর এই যুগান্তকারী সিদ্ধান্ত ইউ.সি.সি বিল বিধানসভায় যে আনলেন তার জন্য আমি ধন্যবাদ, কৃতজ্ঞতা এবং বিশেষ করে উনার দৃঢ়তা, উনার সংকল্পকে নিশ্চয়ই আমরা সবাই আজ শ্রদ্ধা জানাচ্ছি অধ্যক্ষ মহোদয়। আমি কয়েকটি লাইন বলে শুরু করছি: -

মে মানতা হু দুনিয়া কা কই রিস্তা ছোটা ইয়া বড়া নেহি হোতা,

পর মেরে মা কা বরাবর কই খাড়া নেহি হোতা।

মেরে ইন্তেজার মে খুলে আখো সে বাস ওহি সো সকতি হে।

মেরে দুখ মে মুঝসে জায়দা ওহি রো সকতি হে।

মাথা চুমকার মুকাদ্দার বদল দেনে কা জাদু সির্ফ উনিকে হাত মে হে।

উসিকি হাত হে যো থার্মোমিটার সে জায়াদা কারেন্ট টেম্পারেচার বাতাতি হে।

মেনে মহাব্বত কি বহুত কিতাবে পড় ডালি

পর পেহলে পন্নে পর মা কা নাম হি লিখা থা।

ও মুঝ পার তব সে জান দেতি হে

যব  সে মে প্রেগন্যান্সি স্ট্রিপ পার বাস এক লাকির বানকে দেখা থা।

হিসাব লাগাকার দেখলো দুনিয়া কা কই রিস্তা রিশতে মে আধা আধুরা নিকলেগা।

মা কা হি এক পেয়ার হে যো দুস্রো সে নৌ মহিনা জায়াদা নিকলেগা।

অধ্যক্ষ মহোদয় এইজন্য কথা বলছি যে, যখন মার অধিকারের কথা আসে, মহিলার অধিকারের কথা আসে তখন আমার বিরোধী দলের ভাইয়েরা সেটার বিরোধিতাচরণ করেন। আমি বুঝতে পারছি না।

ইউ.সি.সি না লাগে আপনালোকৰ বিধায়কে কৈছে।

সমর্থন কৰি দিয়ক আপোনালোকে। অধ্যক্ষ মহোদয়, আমি এখানে বসে  বিরোধী দলের কথাগুলো শুনছি। উনারা বলছেন আর্টিকেল ১৪,

উনারা বলছেন আর্টিকেল ১৫, উনারা বলছেন আর্টিকেল ২০, ২১, উনারা বলছেন আর্টিকেল ২৯, আর্টিকেল ৭২, কিন্তু আর্টিকেল ৪৪ , আর্টিকেল ৪৮ সেই কথাগুলো উনারা ভুলে গিয়েছেন । অধ্যক্ষ মহোদয় আর্টিকেল ৪৪ এ- ক্লিয়ারলি লিখা আছে Uniform Civil Code for the citizen the state shall secure the cititizens throughout the territory of India directive principle for the state policy. এই স্টেট পলিসিতে বলা হয়েছে, স্টেট law make করতে পারে । কিন্তু অধ্যক্ষ মহোদয় দুঃখের সঙ্গে বলতে হচ্ছে যে, আর্টিকেল -১৪, আর্টিকেল-১৫ এর কথা বলা হয় কিন্তু আর্টিকেল ৪৪ এর কথা বলা হয় না । আজ আমি দায়িত্ব সহকারে বলছি অধ্যক্ষ মহোদয়, আজ এই ইউনিফর্ম সিভিল কোড বিল কংগ্রেসের সবচেয়ে বেশি সমর্থন করা উচিত ছিল। কারণ এখানে সেকুলারিজম আছে, এখানে কনস্টিটিউশন আছে, এখানে গণতন্ত্র আছে, এখানে মহিলাদের অধিকারের কথা আছে। যদি মহিলাদের অধিকারের কথা আসে, যদি সমতার কথা আসে, যদি বিধানসভায় আপনারা বলতে পারেন যে আমরা সমতা চাই, আমরা অরুণোদয় চাই, আমরা সমষ্টিতে রাস্তাঘাট চাই । প্রত্যেকজন বিধায়ক আপনারা বলছেন যে আমরা মুখ্যমন্ত্রীর কাছে অনুরোধ করছি, মুখ্যমন্ত্রী মহোদয় আপনারা সবাইকে সমান চোখে দেখুন। তার জন্যই তো মুখ্যমন্ত্রী সবাইকে সমান করার জন্য আজ এই ইউনিফর্ম সিভিল কোড বিল আনছেন। আপনাদের তো উচিত ছিল যে এখানে কোন আপিল মোশন না, আমরা কোন ডিবেট চাই না। আমরা চাই মুখ্যমন্ত্রী মহোদয় যে বিল আনছেন, সেই বিলকে

আমরা সমর্থন করব। আপনারা তো সেই কথা বলেননি। আপনারা জাস্টিফিকেশন দিচ্ছেন আর্টিকেল ১৪ এর কথা বলছেন, আর্টিকেল ১৫ এর কথা বলছেন এবং বাইরে তো কয়েকজন কংগ্রেসের বিধায়ক বলে ফেললেন যে এই বিল যদি ধর্মের বিরুদ্ধে অর্থাৎ শরীয়তের বিরুদ্ধে হয় তবে আমরা সেই বিল মানব না। ওনারা কনস্টিটিউশন এবং শরীয়তের মধ্যে যখন বিভেদ হয় তখন ওনারা শরীয়তকে মানেন, তখন কনস্টিটিউশন মানেন না। সেটাই বাস্তব সত্য অধ্যক্ষ মহোদয়। শরীয়ত আপনাদেরকে শার্টপ্যান্ট পরতে মানা করেছে-, এ. আই, মোবাইল দেখতে মানা করেছে, আপনাদের মদ খেতে মানা করেছে, অনেক কিছুই মানা করেছে ইসলাম ধর্মে। কিন্তু তারপরও তো করছেন। আপনারা শরীয়ত মতে করুন কোন আপত্তি নেই কিন্তু যেখানে গণতন্ত্র, সংবিধান, যেখানে সাংবিধানিক অধিকারের কথা আসে সেখানে আপনারা বিরোধিতা করবেন না। দুঃখ হয় আমাদের এই জিনিসগুলো দেখলে যে একদিকে চারটা বিয়ে করার জন্য আপনারা এখানে ডিবেট করছেন , মহিলাদেরকে যখন তখন আপনারা ডিভোর্স দিয়ে দেবেন, চারটা বিয়ে করে নেবেন, এডোপশনের কোন পলিসি থাকবে না এবং একটা ছেলে দুইটা মেয়ের সমান। একটা ছেলে যতটুকু অধিকার পাবে দুইটা মেয়ের সমাধিকার, সেই মানসিকতা আপনাদের। বিধানসভা এবং লোকসভায় আপনারা মহিলাদেরকে আনতে এইজন্যই চান না কারন মহিলারা ডিভোর্সের কথা বলবে, মহিলারা এডোপশনের কথা বলবে, মহিলারা ম্যারেজের কথা বলবে, মহিলারা সমঅধিকারের কথা বলবে। তার জন্য আপনারা

বিধানসভা এবং লোকসভায় যাতে মহিলারা যাতে না আসে, সেটাই হচ্ছে বাস্তব সত্য।

অধ্যক্ষ মহোদয়, একটা বাস্তব কথা আমি বিধায়ক হিসেবে বলছি , আমার সমষ্টিতে নবীন চন্দ্র  কলেজ। সেই কলেজে গিয়ে দেখতে পারলাম যে কিছু ছাত্র পাঞ্জাবি পরে আসছে। পাঞ্জাবির কালার ইনিফর্মের কালারটা ঠিক আছে। সামনে  আরও দুইটা কলেজ আছে - -বিকন কলেজ এবং প্যারাগন কলেজ।  খুব ভালো চলছে, হান্ড্রেড পার্সেন্ট রেজাল্ট। মুসলিম মানুষ সেই  কলেজ স্কুলগুলোকে পরিচালনা করছে।  আমি যখন কলেজে গিয়ে অথরিটিকে জিজ্ঞেস করলাম ওরা কেন এরকম ড্রেস পরে আসছে? ওরা বলল  শরীয়তের জন্য ওরা  শার্ট প্যান্ট পরতে পারবে না-ওরা পাঞ্জাবী পরবে। অধ্যক্ষ মহোদয় দেখুন, কলেজের ভিতরে, স্কুলের ভেতরে সেখানেও শরীয়ত আইন, সেখানেও শরীয়তকে ফলো করছে ওরা। এই মানসিকতাকে ত্যাগ করতে হবে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক (বাঘবৰ)** : মাননীয় অধ্যক্ষ মহোদয়, শ্বৰীয়তৰ কথা নজনাকৈ নক'ব। পাঞ্জাৱী পিন্ধাটো শ্বৰীয়ত নহয় .... Interruption...... আপোনাক কোনোবাই ভূল তথ্য দিছে। .... Interruption......

**মাননীয় অধ্যক্ষ :** মাননীয় সদস্য পুৰকায়স্থ ডাঙৰীয়া, আপোনাৰ সময় শেষ হৈছে।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ(কাটিগড়া,কাছাড়):-** আমাকে কলেজ অথরিটি যা বলেছে আমি তাই বলছি। সমাজে ইউনিফর্ম আনার জন্য, সবাইকে সমান অধিকার আনার জন্য যাতে এই বিলকে আপনারা সমর্থন করুন। যাতে সবার সমান অধিকার থাকে, সমান ন্যায় থাকে। অধ্যক্ষ মহোদয় লাস্ট একটা কথাই বলছি আমি, শ্যামাপ্রসাদ মুখার্জী বলে গিয়েছিলেন, "এক দেশ মে দো বিধান, দো প্রধান, দো নিশান নেহি চলেগা। এক দেশ মে এক হি নিশান রেহনা হে।" আর আমি মনে করি এখন মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মা এবং প্রধানমন্ত্রী নরেন্দ্র মোদী একুশ দশক চলছে, এই দশকে সবাইকে নিয়ে সুস্থ মানসিকতা নিয়ে আপনারা এগিয়ে যান। নমস্কার, ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। এতিয়া মাননীয় সদস্য জাকিৰ হুছেইন শিকদাৰ ডাঙৰীয়াই ক'ব। আপোনাক ৬ মিনিট সময় দিয়া হৈছে।

**ম: জাকিৰ হুছেইন শিকদাৰ, (পকাবেতবাৰী) :** মাননীয় অধ্যক্ষ মহোদয়, মোক ক'বলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। ২০১৮ চনত ''আইন আয়োগে'' কৈছিল যে UCC প্ৰয়োজনো নহয় আৰু আকাংক্ষিত ও নহয়। তাৰ লগতে আয়োগে এটা পৰামৰ্শ দিছিল

যে এই বিষয়ে যদি চৰকাৰে কিবা পদক্ষেপ ল'ব বিচাৰে, তেনেহ'লে জনসাধাৰণ, বিভিন্ন ধৰ্মীয় সংগঠন, বিভিন্ন ৰাজনৈতিক আৰু অৰাজনৈতিক দল, সংগঠন আৰু ব্যক্তি বিশেষে মতামত ল'ব লাগে আৰু আলাপ-আলোচনা কৰিব লাগে । বিধান সভাই UCC বিল আনিলে আৰু কেবিনেটে প্ৰস্তাৱ ল'লে। আমাৰ বিধান সভাৰ টেবুলত বিল খন দিলে। কিন্তু তাৰ আগতে অসম চৰকাৰে ৰাজ্যখনৰ জনতা, বিভিন্ন দল-সংগঠন আৰু বিভিন্ন ধৰ্মীয় সংগঠনৰ লগত আলাপ-আলোচনা নকৰিলে। বৈচিত্ৰৰ মাজত ঐক্য এইয়া আমাৰ ভাৰতীয় আৰু অসমীয়া সকলৰ সৌন্দৰ্য্য । ইয়াত বিভিন্ন জাতি-জনজাতি, বিভিন্ন ধৰ্মৰ লোকে একেলগে বসবাস কৰো। সকলোৱে নিজৰ নিজৰ ৰীতি-নীতিৰে বিয়া বা অন্য ধৰ্মীয় কাম-কাজ কৰ। বিভিন্ন পৰম্পৰাৰ মাজেৰে আমি জীৱন-যাপন কৰো । শাসকীয় পক্ষই UCC আইন খনক ঐতিহাসিক বুলি কৈছে । গতিকে এনেকুৱা এটা ঐতিহাসিক সিদ্ধান্ত লোৱাৰ আগতে কেৱল এই বিধান সভাত ১২৬ জন বিধায়কেই আলোচনা কৰিব সেইয়া নহয় । বিভিন্ন জাতি-জনজাতি, দল,

সংগঠনৰ প্ৰতিনিধি  ইয়াত নাই । বহু ধৰ্মাৱলম্বী লোকৰ প্ৰতিনিধি ইয়াত নাই । এইবিলাক ক্ষেত্ৰত যেতিয়া এনেকুৱা এখন বিল আনে আৰু তাক আইনলৈ ৰূপান্তৰিত কৰাৰ পদক্ষেপ লয় মই ভাৱো যে ইয়াক বহল ভাৱে আলোচনা কৰাৰ প্ৰয়োজন আছে। মই সেইকাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আহ্বান জনাইছো যে এই বিলখন আইনলৈ পৰিণত কৰাৰ আগতে ৰাইজ আৰু দল-সংগঠনৰ  লগত বহলভাৱে আলোচনা কৰিব লাগে  আৰু  তাৰ পিছতহে বিধান সভাত আনিব লাগে । এইয়া মোৰ প্ৰথম প্ৰস্তাৱ । মাননীয় অধ্যক্ষ মহোদয়, অলপ আগতে শাসক পক্ষৰ কেইবাজনো বিধায়কে ''Uniform Civil Court'' আৰু অসমীয়াত  ''সমৰূপ নাগৰিক সংহিতা'' ৰ কথা কৈছে। মাননীয় অধ্যক্ষ মহোদয়, ''সমৰূপ'' মানে কি ? ''সমৰূপ'' ৰ অৰ্থ কি ? ''Uniform'' ৰ অৰ্থ কি ? মই মাননীয় বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়া, তেখেত এতিয়া বিধান সভাত নাই, থাকিলে ভাল আছিল । মই তেখেতক এটা কথা ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ :** মাননীয় সদস্য, আপোনাৰ কি ক'ব লগা আছে, মোক কওঁক।

**ম: জাকিৰ হুছেইন শিকদাৰ, (পকাবেতবাৰী) :** মাননীয় অধ্যক্ষ মহোদয়, সমৰূপ মানে কি? ২০২৩ চনৰ ২৭ জুনত বিজেপিৰ এখন ''বুথ'' সন্মিলন হৈছিল। তাত আমাৰ দেশৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই UCC ৰ পক্ষে মত প্ৰকাশ কৰাৰ পিছত যেতিয়া এই কথাবোৰ আহিছিল তেতিয়া কৰ্ম্মীসকলক উদ্দ্যেশী UCC সম্পৰ্কে এটা কৈছিল যে এখন ঘৰত যদি এজনৰ বাবে এখন আইন আৰু আন এজনৰ বাবে আন এখন আইন থাকে, তেন্তে ঘৰখন চলিব নে ? তেতিয়া বিজেপি কৰ্ম্মীসকলে উত্তৰ দিছিল যে এনেকৈ নচলে । এখনেই আইন হ'ব লাগে । মাননীয় অধ্যক্ষ মহোদয়, নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ কথাৰ উদেশ্য আছিল যে এখন ঘৰত এখন আইন হব লাগে। এতিয়া এই আইনখনৰ নামেই দিছে Uniform Civil Code সমৰূপ। সমৰূপ কি? অধ্যক্ষ ডাঙৰীয়া আজি আপুনি এই বিধানসভাত যদি এটা নিয়ম কৈ দিয়ে যে আপোনালোকে এটাই ড্ৰেছ

পিন্ধি আহিব, কোনো বিদ্যালয়ত একেবাৰে যদি মই সহজলৈ যাওঁ, কোনো বিদ্যালয়ত যেতিয়া Uniform দিয়ে যে চার্টটো বগা পিন্ধিব লাগিব, পেন্টটো কলা পিন্ধিব লাগিব, সেই বিদ্যালয়খনৰ শ্ৰেণী কোঠাত কাৰোবাৰ কাৰণে কলা আৰু বগা আৰু কাৰোবাৰ কাৰণে হালধীয়া আৰু ৰঙা তেনেকুৱা হলে তাক কেতিয়াও Uniform বুলি নকয়। গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়া গতিকে মোৰ প্ৰথম আপত্তি হল এই বিলটোৰ যিটো Title, Uniform Civil Code এই নামটো change কৰিব লাগে। কাৰণ ইয়াৰ ভিতৰত এই ডাঙৰ যিটো বিল আনিছে, বিলখনৰ যিটো Title ইয়াৰ ভিতৰত যিখিনি কথা আছে এই Title টো ইয়াৰ লগত প্ৰযোজ্য নহয়। কাৰণ সমৰূপ পাবলৈ হলে এই ৰাজ্যখনত বসবাস কৰা সকলোৰে ক্ষেত্ৰত একেই হব লাগিব। কাৰোবাক বাদ দিছে তাত মোৰ আপত্তি নাই। আকৌ কৈছোঁ সকলো জাতি জনগোষ্ঠীৰ প্ৰতি মোৰ সন্মান আছে। কাৰো প্ৰতি মোৰ আপত্তি নাই। গতিকে সমৰূপ Uniform Civil Code এই নামটো Title টো পৰিবৰ্তন কৰিব লাগে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যোৱাকালি বক্তব্য

দিওঁতে এষাৰ কথা কৈছে যে মই মহিলাসকলক সন্মান দিব বিচাৰোঁ, মহিলাসকলক অধিকাৰ দিব বিচাৰোঁ। বিশ্বজিৎ দৈমাৰী ডাঙৰীয়া আৰু BPF ৰ বিধায়িনী দলৰ নেতা ডাঙৰীয়াই ইয়াতে বক্তব্য ৰাখিছে। তেওঁলোকৰ লগত আমাৰ কোনো বক্তব্যত দ্বিমত নাই। তেওঁলোকে নিজৰ জাতি জনগোষ্ঠীৰ কথা কৈছে। কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো অধিকাৰ দিয়াৰ কথা কৈছে বা শাসক পক্ষৰ বিধায়কসকলে বক্তব্য দিয়াৰ সময়ত যিটো অধিকাৰ দিয়াৰ কথা কৈছে, এই অধিকাৰ যিসকলক এই আইনৰ আওতাত অনা নাই সেইসকল মহিলাসকলক বঞ্চিত কৰা হোৱা নাই জানো? এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী আৰু চৰকাৰে কি কব? মহিলাসকলক চিন্তা কৰিছে , ঠিক আছে , ভাল কথা। কিন্তু যিসকলক বাদ দিছে তেওঁলোকৰ লগত এই চৰকাৰখনে অন্যায় কৰা নাই জানো এই বিলখন ইয়াত আনি? অধ্যক্ষ ডাঙৰীয়া মই আপোনাক কব বিচাৰিছোঁ। ইয়াত কৈছে চাৰিটা বিয়া পাতে। চাৰিটা বিয়া পতাৰ কোনো আইন নাই। এইখন বিধানসভাত ২০২৪ চনত আপুনি তেতিয়া মন্ত্ৰী হৈ আছিল। Compulsory Muslim and

Divorce Registration Act 2024 ইয়াতে প্ৰৱৰ্তন হৈছে। বাল্য বিবাহ প্ৰতিৰোধী আইন এইখন বিধানসভাত পাছ্ হৈছে আমাৰ ৰাজ্যখনত বলবৎ হৈ আছে। বহু বিবাহ প্ৰতিৰোধী আইন এইখন ৰাজ্যত আছে। বিবাহ কৰিলে Registration লাগে। বিচ্ছেদ হলে তাৰ কাৰণে আইন আছে। গোটেইখিনি এইখন ৰাজ্যত আছেই। তাৰপিছত কিয় Uniform Civil Code ৰ প্ৰয়োজন হল? আমি এই চৰকাৰখনক প্ৰশ্ন কৰিব বিচাৰিছোঁ। ইয়াতটো বেলেগ একো নাই। হয় এটা কথাত মই একমত যে ছোৱালীসকলৰ ক্ষেত্ৰত সম্পত্তিৰ যিটো ভাগ দিব বিচাৰিছে তাত মোৰ দ্বিমত নাই। সমান সমান দিয়ক তাত কব লগা একো নাই। কিন্তু বাকী এই খচৰা যিখনি দিছে, বিল যিখন দিছে ইয়াত যিখিনি কথা এইখিনি আইন অসমত বৰ্তমান বলবৎ হৈ আছে। গতিকে এয়া মাননীয় অধ্যক্ষ ডাঙৰীয়া BJP চৰকাৰৰ এটা ৰাজনৈতিক এজেণ্ডা। BJP চৰকাৰৰ এই Uniform Civil Code আইনখন বিলখন আনি নতুনত্ব একো নাই। কেৱল ৰাজনৈতিক এজেণ্ডা। ৰাজনৈতিকভাৱে কৰিব বিচাৰিছে। যিখিনি কথা ইয়াত আছে গোটেইখিনি বলবৎ হৈ

আছে। গতিকে আপোনাৰ জৰিয়তে চৰকাৰৰ প্ৰতি অনুৰোধ জনাওঁ এই বিলখন আইনত পৰিণত নকৰি বহল ভিত্তিত আলোচনা কৰিব লাগে আৰু বৰ্তমান অসমত Uniform Civil Code ৰ কোনো প্ৰয়োজন নাই। কাৰণ বাল্য বিবাহ বন্ধ কৰাৰ আইন আছে। বহু বিবাহ বন্ধ কৰাৰ আইন আছে। গতিকে অধ্যক্ষ ডাঙৰীয়া এই ক্ষেত্ৰত আপুনি হস্তক্ষেপ কৰক। আপোনাৰ হস্তক্ষেপ বিচাৰিছোঁ। আমি সংখ্যাৰ ফালৰ পৰা তেওঁলোকৰ লগত নোৱাৰোঁ। ১০২ জন বিধায়ক। আমি ২৪ জন বিৰোধী বিধায়ক। আমি সংখ্যাৰ ফালৰ পৰা নোৱাৰো, কিন্তু কেতিয়াবা ৰাজ্যখনৰ কোনো এটা বিল বা এটা আইন কৰিবলৈ হ'লে কেৱল সংখ্যাৰ জোৰতে পাছ কৰিব নালাগে অধ্যক্ষ ডাঙৰীয়া। মই আকৌ কৈছো অধ্যক্ষ ডাঙৰীয়া, যে Uniform Civil Code-ৰ যিখিনি কথা কৈছে, সেইখিনি কথা ৰাজ্যত বলবৎ হৈ আছে। এই আইনখন পাছ কৰাৰ আগত বহল ভিত্তিত আলাপ-আলোচনা কৰিব লাগে, এই কথাখিনি কৈ মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ৷ আপুনি চাৰে ন মিনিট ক'লে, গতিকে আপোনাৰ দলৰ মানুহ কিছু কোৱাৰ পৰা বঞ্চিত হ'ব। এতিয়া AIUDF ৰ মজিবুৰ ৰহমান ডাঙৰীয়া  আপোনাৰ চাৰি মিনিট।

**শ্ৰী মজিবুৰ ৰহমান, ( মানকাচাৰ )ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক অলপ সময়টো বঢ়াই দিব। ইমান ডাঙৰ এটা বিল লৈ আহিছে, যি বিলে অসমখন তোলপাৰ কৰিছে। চাৰি মিনিটত কেনেকৈ হ'ব চাৰ? মোক অলপমান বঢ়াই দিয়ক।

**মাননীয় অধ্যক্ষঃ** মই কেনেকৈ বঢ়াম? নোৱাৰিম।

**শ্ৰী মজিবুৰ ৰহমান, ( মানকাচাৰ )ঃ**  মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ এই সদনত Uniform Civil Code ৰ ওপৰত আলোচনা চলি আছে। আমাৰ এই ভাৰতবৰ্ষ বিভিন্ন জাতি-জনগোষ্ঠীৰ সন্মিলনৰ এটা ভূমি, এখন ৰাষ্ট্ৰ। এই ৰাষ্ট্ৰখন কেনেকৈ পৰিচালিত হ'ব, কেনেকৈ চলিব, যেতিয়া সংবিধান যেতিয়া আপোনাৰ enactment কৰা হৈছিল, সেই সময়ত Dr.B.R.Ambedkar ৰ নেতৃত্বত সেই সংবিধান প্ৰণেতাসকলে বিভিন্ন জাতি-জনগোষ্ঠী কেনেকৈ বসবাস কৰিব, কেনেকৈ থাকিব, কেনেকৈ একেলগে এই দেশখন আগুৱাই লৈ যাব, এইবিলাকৰ কিছুমান rights আপোনাৰ সংবিধানত দিয়া হৈছে। যেনেকৈ সংবিধানৰ Article 25, 26 and 29-ত clearly define কৰি দিছে যে minority সকলৰ rights, rights to religion, rights to

culture, বিভিন্ন আপোনাৰ rights উল্লেখ কৰিছে আৰু এই rights বিলাক enjoy কৰাৰ কাৰণে সুবিধা আমাৰ সংবিধানে দিছে। মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ এই পবিত্ৰ বিধানসভাত চৰকাৰ পক্ষই যি আইনখন আনিব খুজিছে, এইটো আনিব খুজিছে Article 44 ৰ অধীনত। Directive Principles of State Policy ৰ কথা ব্যাখ্যা কৰি এটা আধাৰ লৈ তেখেতসকলে এই আইনখন আনিছে। মাননীয় অধ্যক্ষ মহোদয়, এই Article 44, Directive Principles ৰ আধাৰত বা অন্তৰ্গত। আৰু এটা কথা ক্লিয়াৰলি Article 44 ৰ কথাটো মাননীয় অধ্যক্ষ মহোদয়, Supreme Court ৰ এটা verdict আছে যে যেতিয়া নেকি Directive Principles আপোনাৰ থাকে, এইটো কিন্তু আপোনাৰ কোৰ্টত কোনো অধিকাৰ নাথাকে বা হেৰি কৰিব নোৱাৰি। আৰু Fundamental Rights cannot be sacrificed in the name of Directive Principles implementation. গতিকে মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দেশত আমাৰ মৌলিক অধিকাৰসমূহ খৰ্ব কৰাৰ কাৰণে এটা প্ৰয়াস আৰু চেষ্টা কৰা হৈ আছে। মাননীয় অধ্যক্ষ মহোদয়, যিহেতুকে আমাৰ দেশত যিকেইটা আইন ইতিমধ্যে প্ৰণয়ন কৰা হৈছে আৰু ইতিমধ্যে কোৱা হৈছে যে আমাৰ এই আইনখন Uniform Civil Code খন অনা হৈছে মুছলমানৰ সম্পত্তি ভাগ-বতৰাৰ ক্ষেত্ৰত আপোনাৰ মহিলাসকলক এটা privilege দিয়াৰ কাৰণে বিধি-ব্যৱস্থা কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এখন personal

law আছে, Muslim Personal Law আছে, তাতে ক্লিয়াৰলি এই personal law খন আধাৰ কৰা হৈছিল কুৰান শ্বৰীফৰ ছুৰা আন-নিছাৰ পৰা অনা হৈছিল। তাতে ক্লিয়াৰলি আপোনাৰ ষ্টেট কৰা হৈছে, উল্লেখ কৰা আছে, মেনচন কৰা আছে যে মহিলাসকলে বা পুৰুষসকলে কিমানখিনি সম্পত্তি পাব, এইটো ১৪০০ বছৰ আগৰ পৰা এইবিলাক কথা আমাৰ কুৰান শ্বৰীফত আছে আৰু আমাৰ ইছলাম ধৰ্মৰ ব্যক্তিসকলে এইটো follow up কৰি আছে। নতুনকৈ আপোনাৰ আনি কেনে যে আপোনাৰ মহিলাসকলক আপোনাৰ ৫০% দিব লাগিব,, এইটো আমি দি আছো। মহিলাসকলে নিজৰ অধিকাৰ পাই আছে মাননীয় অধ্যক্ষ মহোদয়। যিহেতুকে আমাৰ Muslim Personal Law এখন আছে, Hindu Succession Act আছে, প্ৰত্যেকটো জাতি-জনগোষ্ঠীৰ কাৰণে কেনেকৈ বিবাহ কৰিব লাগিব কেনেকৈ মানিব লাগে, কেনেকৈ ৰিচুৰেল পাৰ কৰিব লাগে, এই কথাবোৰ উল্লেখ কৰা আছে । এটা সংবিধানে দিয়া এটা অধিকাৰ । সংবিধানে দিয়া অধিকাৰটো খৰ্ব কৰাৰ কাৰণে চেষ্টা কৰা হৈছে । মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা উল্লেখ কৰিছে, যে আমাৰ এই বাল্যবিবাহ হেৰি কৰিব লাগে Uniform Civil Code ৰ জৰিয়তে। মাননীয় অধ্যক্ষ মহোদয়, কিছুদিন আগতে, Assam Prohibition of Polygamy Act, 2025 আমাৰ এই চৰকাৰ থাকোতে, তেতিয়া pass কৰা হৈছিলে। তাতে Clearly list কৰা আছে যে, কাৰোবাৰ এজনী পত্নী থাকোতে আন

এজনী মহিলাক যদি বিয়া পাতে তেনেহলে, সেই মানুজনক ৭ বছৰৰ বাবে কাৰাদণ্ড দিয়াৰ ব্যৱস্থা আছে। গতিকে আকৌ এইখন আইন অনাৰ কি অৰ্থ আছে ? মই ভাৱো, এইখন আইন আনি মুছলমান সম্প্ৰদায়ৰ লোকৰ sentiment ত আঘাট কৰা হৈ আছে আৰু এখন আইন আছে, Prohibition of Child Marriage Act, 2006 ইতিমধ্যে আমাৰ সমাজত, আমাৰ ৰাজ্যত, এইখন prevail বা implemented হৈ আছে। গতিকে মই ভাবো, যে UCC য়ে সকলোকে Uniformly আনিব বিচাৰিছে, কিন্তু এটা জাতি-জনগোষ্ঠীক বাদ দিছে। মই এটা কাৰণে এটা অনুৰোধ ৰাখিম, যেনেকৈ ST মানুহখিনিক ইয়াৰ পৰা বাদ দিয়া হৈছে, তেনেকৈ আপোনালোকে দয়া কৰি আমাৰ মুছলমান বা ইছলাম ধৰ্মৰ জাতিটোক বাদ দি ৰাখক। আপোনালোকে যি বনাই, বনাই থাকক আমাৰ কোনো কথা নাই, কিন্তু এই জাতিটোক, আমাৰ ধৰ্মীয় আৱেগ, আমাৰ যি অধিকাৰ, আমাৰ ধৰ্মীয় অনুভূতি এইবোৰ আঘাত কৰিব নালাগে।

**माननीय अध्यक्षः** এতিয়া শ্ৰী দীপক কুমাৰ দাস।

**শ্ৰী দীপক কুমাৰ দাস, বৰপেটাঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ আজ্ঞা মতে আপোনাৰ আজ্ঞা শিৰোধাৰ্য কৰি মই আৰম্ভ কৰিছোঁ। আজি অসম চৰকাৰৰ ফালৰ পৰা মাননীয় মুখ্যমন্ত্ৰীৰ হৈ আজি অতুল বৰা ডাঙৰীয়াই আজি Uniform Civil Code বিল আজি

ইয়াত উপস্থাপন কৰিছে। জয় জয়তে মই এইখনক, এই বিলখনক ঐতিহাসিক বুলি কৈছোঁ । এই কাৰণে কৈছোঁ, ই সমাজত সমতা স্থাপন কৰিব, ই সমাজত মানৱতা প্ৰতিষ্ঠা কৰিব, ই সমাজখন সুস্থিৰ কৰিব আৰু সমাজখন সত্যম শিৱম সুন্দৰমৰ আদৰ্শত প্ৰতিষ্ঠিত হ'ব । ই সৰ্বমঙ্গলময় আৰু ই সকলোৰে বাবে সম অধিকাৰৰ পৃষ্ঠপোষকতা কৰা আইন। মাননীয় অধ্যক্ষ ডাঙৰীয়া, জ্যোতিপ্ৰসাদ আগৰৱালাই কৈছে, ৰূপান্তৰেহে জগত ধুনীয়া কৰে । ই ৰূপান্তৰ, সময় কেতিয়াও স্থিতাৱস্থাৰ বন্দী নহয়। ৰূপান্তৰৰ ঘোঁৰাত নাচিবাগি আজিৰ এই ৰূপ লৈছে। সেই তাহানিৰ Shariat Act, 1937 ৰ আধাৰত এই লোক চলিব বিচাৰিছে। দুখৰ কথা, that is a কৰণিয়েল law, Hadith law. এতিয়া মোৰ কথাটোত আহিব বিচাৰিছোঁ যে What is the intention ? কি সপোন আছিল আমাৰ সেইগৰাকী মোৰ শ্ৰদ্ধাৰ ভীমৰাও আম্বেদকাৰৰ, আজি আমি প্ৰতিচ্ছবি সম্মুখত ৰাখিছোঁ আৰু তেখেতে কি বিচাৰিছিল আমাৰ ভাৰতবৰ্ষত, আমাৰ ষ্টেটত ? Article 44 ত mislead কৰি কিছু কথা কৈছে । Directive Principle ত কৈছে যে UCC ৰাজ্যবিলাকত আনিব লাগে, এইটো সপোন আছিল । UCC ৰ দোষ ক'ত আছিল ? Lex Loci ৰ এটা report আছিল। এই report টো অক্টোবৰ 1840 ৰ আছিল । ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে 1840 ত যেতিয়া criminal law বোৰ একলগ কৰিলে দেশ শাসন কৰাৰ কাৰণে, তেতিয়া চিভিল ল'খিনি একেলগ নকৰিলে divide and rule policy ৰ

কাৰণে । আৰু সেই divide and rule policy ত আজিও আমাৰ বিৰোধীসকলে আছে। এওঁলোকৰ মতে মুছলিম আৰু হিন্দু হ'ব লাগে । Queen Proclamation, 1889 ত ব্ৰিটিছে আমাক শাসন কৰিছিল, তেতিয়াও কুইনেও divide and rule, হিন্দু-মুছলিম কৰিছিল । এওঁলোকেও হিন্দু-মুছলিম কৰি খাব বিচাৰিছে । মূল কথাটো হ'ল যে এই আইনৰ মূল কথাটো কি ? এই আইনখনে কি বিচাৰিছে, এই কথাটো তেওঁলোকে বুজিব বিচৰা নাই। এই আইন হ'ল এখন এনেকুৱা ইতিহাস আৰু ঐতিহাসিক প্ৰসিদ্ধ আইন যিখন বাবা চাহেব আম্বেদকাৰ -Constitution Maker ৰ এটা সপোন আছিল । ইয়াত আজি cover কৰিছে। বিবাহ, বিবাহ বিচ্ছেদ, উত্তৰাধিকাৰ, দত্তক আৰু live-in relation। আজি bastard ৰ provision নাই, হয় । Supreme Court য়ে bastard concept টো ইতিমধ্যে nullified কৰিছে। কাৰণ আমাৰ Evidence Act ত কোৱা হৈছিল ১১২ ত আৰু ইয়াত ২৮০ দিনৰ ভিতৰত যদি valid marriage ৰ ভিতৰত যি সন্তান হয় সেইবোৰ valid। কিন্তু এতিয়া Supreme Court এ এইবোৰ nullified কৰি কৈছে যে live-in relation তো সন্তান হ'লে তেওঁ  মৰ্য্যদা পাব। কিন্তু সেইটো আমাৰ registered নাছিল। আজি live-in relation টো আমাৰ এই যিখন welfare চৰকাৰ, যি জনকল্যাণমুখী চৰকাৰে live-in relation ক আইনৰ আওতালৈ আনিব বিচাৰিছে । ইয়াক আপোনালোকে প্ৰতিহত কৰি কি ক'ব বিচাৰিছে? আপোনালোকে ক'ব বিচাৰিছে যে আমাৰ

জনজাতীয় সকলৰ বিৰুদ্ধে যিটো এটা Section আমাৰ exemption আছে Section ২, এইটো আপোনালোকে উঠাব বিচাৰিছে । আপোনালোকে নাযানে যে traditional law always rule out the general principle of law. এই doctrine টো পঢ়ি ল'ব আপোনালোকে। Traditional law is always above all আৰু এইটো জনজাতীয় সকলৰ traditional law. এইটো পঢ়ি ল'ব Supreme Court ৰ ডাঙৰ verdict আছে, আজি মোৰ সময় নাটনি হ'ব । ডাঙৰ কথাটো হ'ল যে ইতিমধ্যে Shah Bano গোচৰত ১৯৮৫ ত এই কথাটো কৈছে। কি observation আছিল ? এই ১৯৮৫ ৰ observation টো UCC ৰ সপক্ষে আছিল । হাঁহিব নালাগে। আপোনাৰ হাঁহিত ৰং আৰু সুন্দৰকৈ দি আছোঁ মই অলপ পিছত। এতিয়া কথাটো হ'ল যে মাননীয় Supreme Court য়ে ২০১৭ ত এইটো triple talaq বন্ধ কৰে । তাৰ মানে Shariat Act, য়ে কি কৈছিল? Shariat Act, ত তিনি তালাকৰ যি ব্যৱস্থা আছিল, তাত আপোনালোক AIUDF য়ে কৈছে সম্পত্তিৰ অধিকাৰ দিম বুলি । Shariat Act, মতে কি দিছে ? ছোৱালীক দিছে 1/3rd পুৰুষক দিছে 2/3rd । আমাৰ ক'ব গৈছে equality আৰু doctrine যিটো আমাৰ ভাৰতীয় সংবিধানৰ equality before the law এইটোতে আমি আহিছোঁ যে নাৰীসকলকো সম অধিকাৰ । এতিয়া এই Shariat Act, ত বিবাহৰ বয়স কিমান আছিল ? তাহানিতে আছিল ১৩৩৭, তেতিয়া মানুহৰ কথাবোৰ বেলেগ আছিল। Shariat Act, ত কি

আছিল ? ১৩ বছৰৰ পৰা ৩৫ বছৰৰ পুৰুষে বিয়া কৰাব পাৰে । Is it possible আজিৰ তাৰিখত ? আমাৰ যিখন latest মুছলিম আৰু Hindu Marriage Act, ২৪ ৰ পৰাও কৈ আছোঁ, চিন্তা নকৰিব ক'ম । এতিয়া কথাটো হ'ল এতিয়াও আপোনালোকে গাঁৱে গাঁৱে provok কৰে যে আমাৰ চৰীয়ত মতে চলিব লাগে, হাদীছ মতে চলিব লাগে । Yes আমি হাদীছক আমাৰ নমস্য, ইয়াত বাণী আছে, কোৰানক আমাৰ নমস্য, আমাৰ বাণী আছে, কিন্তু আপোনালোকৰ যি Shariat Act ত যি condition চাৰিটা দিছে বিয়া চাৰিটা কৰিবলৈ, কি কি কৰিব লাগে ? প্ৰথম ঘৈণীয়েক বেমাৰী হ'লে তেতিয়া দ্বিতীয়জনীক বিয়া কৰাব পাৰে । যেতিয়া দ্বিতীয়জনী is unable to give birth তেতিয়া কৰিব লাগে । কিন্তু আপোনালোকে মানিছে এইবিলাক ? মনা নাই। Gender discrimination কৰিছে আৰু এই আইনৰ উদ্দেশ্যই এইটো হ'ল যে নাৰীসকলৰ অধিকাৰক মৰ্যাদা দিয়া । আৰু ইতিমধ্যে শেহতীয়াকৈ এক মিনিটত কৈছোঁ মই এটা কথা যে আমাৰ কৃষ্ণ মূৰাৰী Supreme Court ৰ জাজ, শেহতীয়াকৈ তেওঁ কৈছে যে uniformity in any way is beneficial. গতিকে আপোনালোকে যিবোৰ কথা কৈ আছে সমগ্ৰ অসমে শুনি আছে, চাই আছে, নাৰীসকলে চাই আছে । আপোনালোকে নাৰী অধিকাৰৰ পোষকতা কৰা নাই । আজি নাৰীৰ সম অধিকাৰৰ কথা বিচৰা নাই । আজি এখন বিবাহ আৰু বিচ্ছেদ এই আইনৰ উপযুক্ত মৰ্য্যদাৰে এখন Uniform Civil Code হ'ব গৈছে, তাত

বিৰোধিতা কৰিছে । আপোনালোক কংগ্ৰেছ সকলে Karachi Resolution টো পঢ়িছে নে ? Karachi Resolution ত women organization এ কি কৈছিল? For the first time Karachi Resolution ত আছিল যে personal law remove কৰিব লাগে। এইখন মোৰ হাতত কাগজ আছে। এইবোৰ আপোনালোকে নপঢ়ি ওপৰে ওপৰে ক'ব গৈছে। এইখিনিকে কৈছোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া শ্ৰী ভৱেশ কলিতা। পাঁচ মিনিট ।

**শ্ৰী ভৱেশ কলিতা, ৰঙিয়াঃ** আদৰণীয় অধ্যক্ষ মহোদয়, যোৱা ২৫ মে' তাৰিখে যি UCC মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই সদনত ৰাখিলে, তাৰ সপক্ষে দুআষাৰমান ক'বলৈ ওলাইছোঁ । অধ্যক্ষ মহোদয়, মই য'ত থাকোঁ তাৰ ওচৰত দুজনী ছোৱালী আছিল। সদায় মই ৰাতিপুৱা লগ পাওঁ তেওঁলোকক । Class 9 ত পঢ়ে । তাৰ পিছত class 10 পালে, মেট্ৰিক পৰীক্ষা আহি গ'ল । এজনী ছোৱালীক কোনোবাই পলাই লৈ গ'ল । আৰু এজনী ছোৱালীয়ে, ভনীজনীয়ে মেট্ৰিক পাছ কৰি কলেজত admission ল'লে। ভনীজনীৰ বয়স আছিল ১৬ বছৰ । আৰু যিজনী পলাই গ'ল, তেওঁৰ বয়স আছিল ১৫ বছৰ । মই হস্পিটাল গ'লো এদিন, GMCH হস্পিটাল। medical ত যিজনী ছোৱালী পলাই গৈছিল মই দেখা পালোঁ । মই আচৰিত হলো। অধ্যক্ষ মহোদয়, ছোৱালী জনীক মই সুধিলোঁ, ' তোমাৰ কি খবৰ?'  মোক কলে, 'চাৰ,

মোৰ অৱস্থা বেয়া।' মই শুধিলো 'কিয়?' তাই কলে, 'মই বিয়া হলোঁ। মোক এজন লৰাই পলাই লৈ গল। তেওঁৰ দুজনী already মাইকি মানুহ আছে।' তেওঁ তিনি নম্বৰ হল। লগৰ ছোৱালী জনী নিযুত মাইনা পাই আছে। কলেজত যায় আছে। দেউতা কে এখন স্কুটি কিনি দিছে। এই অৱস্থা পৰা পৰিত্ৰান পাব লাগে। আৰু সেই কাৰণে UCC এখন ৰাজ্যত লাগু হব লাগিব। এই discrimination আতঁৰিব লাগিব। মোৰ আৰু এটা উদাহৰণ আছে। মই চাকৰি কৰিছিলোঁ আপোনালোকে জানে। মই Self Help Group ৰ monitoring আৰু grading কৰিবলৈ গৈছিলোঁ। মই চাৰ আচৰিত হৈছিলো এটা পৰিয়ালত গৈছিলো তেওৰ ৬ জনী মাইকী আছিলে আৰু ৭ জনীকে ছোৱালী আছিলে। মুঠ ৪২ জন৷ গোটতো লৈ কাজিয়া হৈছিলে, গোটতো grading নহ'ল৷ কাৰণ দেউতাক এজনেই। যদি একোটা পৰিয়ালত ৪২ জনকৈ জীয়ৰী সন্তান আছে এইখন ৰাজ্য কিদৰে চলি আছে। এই পুৰণি কল্যাণ নীতি এৰিবলৈ হ'ল। হয় কিছুমানে চৰিয়াতৰ কথা কৈছে, মুছলিম পৰম্পৰাৰ কথা কৈছে। এই পৰম্পৰাতো বাদ দিব লাগিব।এই শতিকাৰ বিজ্ঞানৰ যুগ, প্ৰযুক্তিবিদ্যাৰ যুগ। মানুহ বিলাক শিক্ষিত হ'ল। ৰাইজ শিক্ষিত হ'ল। ভোটাৰ ৰাইজ বহুত জাগ্ৰত হ'ল। সেই নিমিত্ত আমাৰ যি ঘোষণা পত্ৰ আছিলে প্ৰতিজন ভোটাৰ ৰাইজে চালে আৰু সেই নিমিত্তে ১০২ জনকৈ আমাৰ গোটবন্ধনৰ বিধায়ক এই সদনত পঠাইছে। আৰু মাননীয় মুখ্যমন্ত্ৰীয়ে এই সদনত কথা দিছিলে যে মই যদি আহো

প্ৰথমতে UCC আনিম। আৰু মই ধন্যবাদ জ্ঞাপন কৰিছো মাননীয় মুখ্যমন্ত্ৰীৰ কথা মতে কাম কৰাৰ বাবে। আৰু এই UCC ক আদৰি জনাই জনতাই জনাদেশ দিছে। আমি জনতাৰ নিৰ্দেশ মানিবলৈ আমি এই সদনত আহিছো। বিৰোধীৰ নিৰ্দেশ মানিবলৈ এই সদনত বহা নাই। অধ্যক্ষ মহোদয়, তেওলোকে এই আইনৰ আলোচনা হবলৈ দিব নালাগিছিল। আজি তেওঁলোকৰ সংখ্যালঘু বিধায়ক ২০ জন আছে। ২০ জনে আই মাতৃ সকলক সন্মান জনাব লাগিছিল। চাহবানু কেছৰ যিটো ১৯ পৃষ্ঠাৰ ৰায়দান আপোনালোকে পঢ়ি চাব। তাত এটা কথা লিখিছে যে চিঠিখনৰ যিটো address আছে চিঠিখন তাত গৈ নাপাব। চৰকাৰৰ দ্বায়িত্ব আছে আৰু চৰকাৰ দায়িত্ব পালন কৰি এই UCC লাগু কৰিব ওলাইছে। মই পূৰ্ণ সমৰ্থন জনাইছো। অধ্যক্ষ মহোদয় এই পৰম্পৰা মতে চলিলে নহব। তেওলোকে কৈছে যে মুছলিম আইন আছে, আমাৰো হিন্দু আইন আছে। কিন্তু হিন্দু আইনে সমঅধিকাৰ দিছে কিন্তু মুছলিম আইনে ধৰ্মক দোহাই দি এতিয়া সমাজ ব্যৱস্থা নললে। যি কৰিলে ৰাষ্ট্ৰ বিভাজন কৰিলে তাৰ পিছতে ৰাষ্ট্ৰ চেকুলাৰ হ'ল। আকৌ এই ধৰ্মৰ দোহাই দি বহু বিবাহ তেওলোকে ব্যৱস্থা কৰিব বিচাৰিছে। সেই কনমানি ছোৱালিৰ কথা চিন্তা কৰক। সেই ৪২ জন থকা পৰিয়ালক চিন্তা কৰক। এইফালে কৈ আছে মূল্যবৃদ্ধি হৈ আছে আৰু আনফালে কৈ আছে ৪ জনী বিয়া কৰাব লাগে। Oh my God. How is it possible? হাহিলে নহব অলপ চিৰিয়াছলি লব

আপোনালোকে । অধ্যক্ষ মহোদয়, এইখন সমাজত আমি সমঅধিকাৰ দিব লাগিব। এই সম অধিকাৰ দিয়াৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই আইন আনিছে৷ আচলতে এই আইন কেতিয়াবাই আহিব লাগিছিল। আমাৰ পৰমপুজনীয় ব্যক্তি সকল যাক আমি সকলোৱে শ্ৰদ্ধা কৰো নমন কৰো তেওলোকে সংবিধানকো নমন কৰে  আৰু তেওলোকে সংবিধানক দেখাই দেখাই ভোট বিচাৰিলে আৰু ইতিমধ্যে বিগ জিৰ’ পালে । সংবিধানখনক মানক আপোনালোকে। ইয়াতে সংবিধানত নথকা বস্তু অনা নাই। Article 44 ত কি আছে ? Sub para 4 ত কি আছে? বিতংকৈ চাব৷ এনেই কিছুমান কথা কৈ জনগোষ্ঠীৰ কথাটো টানি আনে৷ জনগোষ্ঠীয় বিধায়ক এজনো নাই অতি দুখৰ কথা। কিমানলৈ হ্ৰাস হল। আপোনালোকক জনগনে অভিশাপ দিব কিন্তু, যদি বেছিকৈ এইখন বিলক বিৰোধীতা কৰে । আপোনালোকে সংবিধানক নমন কৰিব, সেৱা কৰিব আৰু সংবিধানকে নামানিব, এইটো কেনেকুৱা ধৰণৰ কথা । তেওলোকে সংবিধানক অপমান কৰে অধ্যক্ষ মহোদয় ।এইয়া হৈছে বিৰোধীৰ চৰিত্ৰ। অধ্যক্ষ মহোদয়, UCC সৰ্বসন্মতিৰে পাছ হ’ব। কাৰণ অসমৰ জনগমনে আমাক মেনদেট দিছে, ১ কোটিতকৈ অধিক জনতাই আমাক আশীৰ্বাদ দিছে। এই আশীৰ্বাদৰ চিন স্বৰূপে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই আইন আনিছে। মই ভাবো এইখন আইন পাছ হব আৰু অসমৰ আই মাতৃ সকলে সন্মান পাব। ধন্যবাদ৷

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ৷ এতিয়া শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, ( মন্দিয়া )ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিলত যিখিনি প্ৰভিজন আছে তাৰে বহুকেইটা প্ৰভিজনত সমৰ্থন আছে । যেনে- 1. Child marriage বন্ধ৷ ২. Pronouncement of triple tallaq at one go বন্ধ হৈছে ইতিমধ্যে নিয়মৰ যোগেদি । ৩. Live in relationship যিখিন আনিছে ১০০ শতাংশ হৈছে আৰু কাঢ়াহে হব লাগে । এতিয়া আহিছে much debatedবিষয় marriage and divorce. Marriage ৰ ক্ষেত্ৰত আমাৰ সকলোৰে ভুল ধাৰণা আছে যে polygamy is allowed in Islam. অধ্যক্ষ মহোদয় মই সেই কাৰণে অলপ সময় বিচাৰিছিলো । মইও ইমান কথা নাজানো কিন্তু কোৰাণত আমাৰ সকলোৱে জানে, মইও অলপ পঢ়াশুনা কৰিছো, কোৰাণৰ Specific verse টো হল, সকলোৱে মনোযোগ দি শুনিব, “marry two three or four but restrict to one if you cannot do justice”. আদি দুগৰাকী বিয়া পাতি কেনেকৈ ন্যায় দিব পাৰিম । নৰমনিচে জাষ্টিচ কৰিব নোৱাৰিব, so it is positive in affirmative way; it is negative in affirmative way। বৌদ্ধিকভাৱে কোৰাণতেই পোৱা আছে–কোনো মানুহেই নোৱাৰিব। কিন্তু সেই ক্লজটোৰ বহু misinterpretation হৈছে। আজি এই ক্লজটোৰ সুবিধা লৈ বহুতে বিভিন্ন ধৰণৰ অনিয়ম চলাই আছে। গতিকে মই ভাবোঁ, আমাৰ সমাজত আলেম-উলেমা সলেও, যিটো condition দিছে বা “if

you cannot do justice", নহয়–এইটো গোটেই আমাৰ সমাজেও মানি লব ।

যদি এইটো এটা marriage লৈ restrict কৰা হয়, কিন্তু আমাৰ দুজনমান সদস্যই কোৱাৰ দৰে, অলপ broad-based discussion হ' ব লাগে। এতিয়া মই দুটামান কথা লৈ আহিছোঁ। Quran is the main thing। কোৰাণৰ direct interpretation ত দেখিবলৈ পাওঁ যে যিখিনি violate হব নালাগে, this is guaranteed by Article 25 and Article 26। এতিয়া এই আইনখন মই পঢ়ি চাইছোঁ Section 3(1)(d) ত কোৰাণক violate কৰা হৈছে। মানে মই কাক বিয়া পাতিম, এজনীয়ে থাকক বা দুজনীয়ে থাকক কিন্তু মই তাৰ বিয়া পাতোঁ, মোৰ চাচাৰ ছোৱালী, মোৰ মাহীৰ ছোৱালী–এইটো কোৰাণত clearly আছে। It is violation of the Quranic interpretation, these Quranic verses।

দুই নম্বৰত, Section 4(6) এইটো violate কৰা হৈছে। Section 7(2)(d) এইটো violate কৰা হৈছে। সেইবাবেই মই কৈছিলোঁ যে schedule ৰ serial number 34, 35, 36, 37 — list one আৰু two ৰ পৰা delete কৰিব লাগে। This is violation of the Quranic instruction।

কোৰানত এইটো এটা ভূল ধাৰনা যায়। হিলা-ফিলা  এইবোৰ কৈ থকা হয়। কোৰানৰ ক্লিয়েৰকাট  ইনষ্ট্ৰাকশ্যন হ'ল  যে divorce টো আল্লাৰ ওচৰত আটাইতকৈ অপ্ৰিয় । don't do it আৰু যদি কৰা তুমি

remarriage কৰিব নোৱাৰা। নৰ্মেলী কাৰোবাৰ লগত যদি বিয়া হয় , নৰ্মেলী যদি ডিভৰ্চ হয় তেতিয়াহ'লে যদি আকৌ বিচৰা তেতিয়াহ'লে হ'ব পাৰে। মানে সেই মানুহজনে ডিভ'ৰ্চ কৰি আঘাত পাব লাগিব যে মই আৰু চেকেণ্ড টাইম ল'ব নোৱাৰো- Let him suffer – কিন্তু ইয়াতে remarriage – divorce কৰা ৰাইফক ৰিমেৰিজ এলাও কৰা হৈছে। This clear violation of the Koranic verses' – ছাৰ, মাননীয় পিয়ুষ হাজৰিকা ডাঙৰীয়াই ৪৪ কথা ক'লে, দিপ্লুৰঞ্জন শৰ্মা ডাঙৰীয়াই মেনডেটৰ কথা ক'লে। mandate যিয়েই নহওক - You can't over right this Book. আপোনালোকে দেখুৱাই আছিলে This and the difference between fundamental right and directive principle. I think all Hon'ble MLA should study. Fundamental right is judgeticiable and directive principle is not judgeticiable. What has been written in fundamental rights – Article-25 – all persons are equally entitle to freedom of conscience and the right freely to progress practice and propagate religion. They seek to one marriage but how this Government can interfere with my practice and propagating religion . How it can allow remarriage of a divorce wife, how it can prohibit me marring my brother's , my uncle's daughter . How it can , it can not . This are against the Koranic verses'. গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই

ভাবিছিলো ইউনিফৰ্ম চিভিল কোড চাপোৰ্ট কৰিম - It will be restricted to one marriage . That was a very good intention কিন্তু ইয়াত কিছুমান আনেচেচাৰী প্ৰভিজন- ৰিমেৰিজ- এইটো লৈ কোৰাণক কিয় ভায়োলেট কৰিব লগা হ'ল ? কৰিব খোজে এটা মেৰিজক ৰেচষ্ট্ৰিক কৰক , - মই চাচাৰ ছোৱালী কৰোনে মাহিৰ ছোৱালী কৰো – So Sir this against the violation of fundamental rights, I do not know anything about Sharia Law – this violation of fundamental rights of the Constitution violation of Article -25, violation of Article -26 which has been this rights are granted by the Constitution . যিহেতু নাম্বাৰ আছে বোধ হয় পাচ হৈ যাব। মই এতিয়া এমেণ্ডমেন্ট আনিলো যে এইটো এইটো ডিলিট কৰক , জানি বুজি আনিছে – ৰিমেৰী কৰাৰ কাৰনে - what is the interest of the Government on remarrying my divorce wife . It is disallow - যিখিনি মুছলিম সমাজত ভূল কাষ্ট'ম চলি আছে বন্ধ কৰিব লাগে – এই যে হিলা- ফিলা this are not allowed by Koran , Haul Marriage not allow – গতিকে ছাৰ, সংখ্যাৰ বলত পাচ কৰিবা I strongly and this is with mollified intention . Why the Tribal has been left out , it is the Uniform Civil Code, so the Government has brought it with mollified intention just on the strength , you make a hundred and twenty Six but still you can not violet this

the Bible – Koran . so in protest against this political mollified intention I do not agree sir.

**মাননীয় অধ্যক্ষ** ঃ এতিয়া পল্লৱ লোচন দাস।

**শ্রীপল্লৱলোচন দাস, বিশ্বনাথ** ঃ অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। আজিৰ দিনটো আমাৰ বাবে এক ঐতিহাসিক মুহুৰ্ত্ত। আজিৰ এই দিনটো অসমৰ বিধান সভাত সোণালী আখৰেৰে লিপিবদ্ধ হ'ব। কাৰণ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এক সংকল্পক বাস্তৱ ৰূপ দিবলৈ ইউনিৰ্ফম চিভিল কোডৰ জৰিয়তে অসমৰ প্ৰগতি উন্নতিৰ লগতে মহিলাসকলক সুৰক্ষিত কৰাৰ প্ৰয়াস কৰিছে। নিশ্চিতভাৱে আমি সোভাগ্যবান যে এই বিতৰ্কত আমি অংশ গ্ৰহণ কৰিবলৈ সুবিধা পাইছো। আমি সকলোৱে জানো যে, সম অধিকাৰৰ প্ৰয়োজনীয়তাত ন্যায় কৰাটো এখন চৰকাৰৰ দায়িত্ব মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই পবিত্ৰ বিধান সভাতে কৈছিলে যে যদি মই পুনৰবাৰ মুখ্যমন্ত্ৰী হৈ আহো তেনহলে ইয়াত ইউ চি চিখন উপস্থাপন কৰিম। ৰাইজে তাৰ বাবে সমৰ্থন কৰিলে আৰু অভূতপূৰ্ব্ব সমৰ্থনেৰে পুনৰবাৰ তেখেতক মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব দিছে। সেই বাবে আজি প্ৰথমখন অধিবেশনতে ইউ চি চি পাৰিত কৰিবলৈ ওলাইছো। মাননীয় মুখ্যমন্ত্ৰীৰ যি দূৰদৰ্শী চিন্তা তাক আমি সকলোৱে খুৱ আন্তৰিকতাৰে

তেখতক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। এতিয়া ইয়াত আৰ্টিকূল -২৫ কথা কৈছে যে, আমাৰ ইয়াত অধিকাৰ খৰ্ব হৈছে কিন্তু Article-25 absolute নহয় অধ্যক্ষ মেহাদয় । Article-25 -26 আমি ৰাখো সেইটো এবচটলিউট হ'ব নোৱাৰে। ইয়াৰ ওপৰতো আমাক reasonable restriction দিয়া হৈছে। public order , health morality , social welfare , reforms and secular accept ইয়াত থাকিব লাগিব। যদি আিটৰ্কূল -২৫ কথা কৈ মুছলিম পাৰ্চনেল ল' – শ্বৰীয়ত এপ্লিকেশ্যন ল ইমপ্লিমেন্ট কৰিবলৈ লৈছে তেনেহ'লে ইয়াৰ কনফাইনটো ক'ত। সমগ্ৰ ৰাজ্যতে ইয়াক ব্যৱহাৰ কৰিব নোৱাৰিব। আইনৰ দ্বাৰা পৰিচালিত হোৱাৰ পিচত মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা টুইট দিছে। এই টুইটত চালে আমি দেখা পাম যে, হেলথ্ ইছ্যুটো কনচিডাৰ কৰে তেন্তে টিনএজাৰ প্ৰেগনন্সীটো বৰপেটাত ২৮.৭ শতাংশ , ধুবুৰীত ২৭.৯ শতাংশ আৰু গোৱালপাৰাত ২৪.১ শতাংশ আছে । আজি অগৰাকী মহিলা প্ৰতিনিধি বেবী বেগম বাইদেই বিধান সভালৈ আহিছে । যদি আিটৰ্কূল ২৫-২৬ কথা কৈছে তেন্ত তাত গ্ৰাউণ্ড থাকিব কাৰণ ৰাজ্যখনকতো এনেকৈ পিছুৱাই লৈ যাব নোৱাৰি। যোৱাকালি এম এম আৰৰ কথা কোৱা হৈছিলে কিন্তু এই বিষয়েটা নিম্নগামী কৰাৰ ক্ষেত্ৰত ইউ চি চি আইনৰ প্ৰয়োজন হ'বনে নহ'ব ? আমি যদি ফাণ্ডামেন্টেল ৰাইটচৰ কথা কওঁ কোনোবা এগৰাকী মহিলাৰ ওপৰত নিৰ্যাতন হ'লে কেনেকৈ সমঅধিকাৰ হ'ব পাৰে । চাহবানু কেচত চুপ্ৰিম কোৰ্টে কোৱাৰ পিচতো আপোনালোকে পালন নকৰিলে যাৰ পৰিনতিত এই পৰ্যায় পাইছে । মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি প্ৰয়াস কৰিছে নিশ্চিতভাৱে আমি আশা কৰিম যে , এইটো সোণালী আখৰেৰে লিপিবদ্ধ হ'ব। ১৯৮৬ চনত কংগ্ৰছ চৰকাৰ থাকোতে আপোনালোকে চি আৰ পি চিক নন এভইড কৰিবৰ কাৰণে এখন আইন আনিছে যাৰ নাম দিয়া হৈছিলে Muslim women protection and right on

divorce – **এই আইনখনৰ জৰিয়তে গোটেই ভাৰতৰ মহিলাক পিছুৱাই লৈ গ'ল। সেয়েহে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অসমত এই পৰিবেশৰ পৰিৱৰ্ত্তনৰ প্ৰয়াসেৰে আজি ইউ চি চি বিলখন আনিব বিচাৰিছে। এই বিলখনৰ জৰিয়েত প্ৰতিগৰাকী মহিলা সুৰক্ষিত হ'ব । মহিলাৰ সংৰ্ব্বাগীন বিকাশ হ'ব আৰু অসমে সমৃদ্ধিশীল ৰাজ্য হিচাপে প্ৰতিষ্টা লাভ কৰিব । মই পুনৰ মুখ্যমন্ত্ৰী ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰিছো।**

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী তুলিৰাম ৰংহাং ।

**মাননীয় বিধায়ক, শ্ৰী তুলিৰাম ৰংহাং (ৰংথাং)ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, আজি Visionary our great leader Hon'ble Chief Minister Dr Himanta Biswa Sarma, তেখেতে UCC বিলখন অনাৰ কাৰণে ১০০ শতাংশ মই চাপৰ্ট কৰিছো সমৰ্থন কৰিছো বুলি মই আপোনাৰ জৰিয়তে জনাব বিচাৰিছো । অধ্যক্ষ মহোদয় কেইজনমান সন্মানীয় সদস্যসকলে ট্ৰাইবেলৰ কথা কৈছে । জনজাতীয় সকলৰ কথা কৈছে । ট্ৰাইবেল সকলক কিহৰ কাৰণে UCC ৰেহাই দিয়া হৈছে । তেখেতসকলে ভাৰতৰ সংবিধান Constitution টো নপঢ়ে । Under paragraph 3 of the Six Schedules we the Autonomous Council can make laws regarding social custom inhabitants, or properties. সেইটো আমাৰ সংবিধানে কৈছে আমাৰ Constitution ৰ Six Schedule আছে। We have customary law, we have customary court আমাৰ Six Schedule ৰ যিমানখিনি আছে ট্ৰাইবেল এৰিয়া যিমানখিনি আছে Autonomous Council ত Hon'ble Chief Minister ৰে তেখেতে যিখিনি ৰেহাই দিয়াৰ কথা কৈছে। অসমৰ Constitution আছে আৰু তেওঁলোকে চাব লাগে যিটো ২০১৪, ২০২৪ UCC ঝাৰখণ্ড ৰাজ্যত যিটো আনিছে তাতে আপোনালোকে ট্ৰাইবেল সকলৰ কাৰণে ৰেহাই দিয়া আছে তাতে আপোনালোকে চাব লাগিব যে Clause 25 of Article 366 repeal Article 342 of the Constitutions of India and the persons and group of the persons whose customily rights are protected under Part 21 of

Constitution of India . গতিকে Constitution আমাক কৈছে আমাৰ নিজৰ আইন বনাব পাৰে । গতিকে অধ্যক্ষ মহোদয়, সন্মানীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আমাৰ Six Schedule area ৰ কাৰণে যিটো আমাক ৰেহাই দিয়াৰ কাৰণে মই Six Schedule যিমানখিনি ট্ৰাইবেলচ ৰাইজৰ হৈ মই তেখেতক আন্তৰিক ধন্যবাদ দিছো অভিনন্দন জনাইছো আৰু আপোনালোকে বুজি পাব লাগিব যে আমাৰ ট্ৰাইবেল বেল্টবিলাকত যিবিলাকত আমাৰ Customary law আছে সেই Customary Book টো মই দি দিম আপোনালোকে পঢ়িব । আমাৰ নিজৰ Customary Court আছে Customary law আপোনালোকে paragraph 3 of the Six Schedules Constitution ত চালে আপোনালোকে গম পাব । অধ্যক্ষ মহোদয়, মই তেখেতসকলক যিমানখিনি Constitution যিটো আমাৰ Six Schedule Autonomous Council ৰ Constitution লাগে দি দিম কাৰণ মই Karbi Anglong Autonomous Council ৰ ১৪ বছৰ মই Chief Executive Member হিচাপে মই ইয়াত চলাইছো আৰু আমাৰ ইয়াত কোনো Six schedule area টো তেখেতে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰে সেইটো আমাক যিটো নেকি UCC ৰ পৰা ৰেহাই দিয়াৰ কাৰণে মই ট্ৰাইবেল এৰিয়াৰ হৈ Six schedule ৰাইজৰ হৈ তেখেতক ধন্যবাদ দি মই মোৰ চমু ভাষণ সামৰিছো ।

**माननीय অধ্যক্ষঃ** কম সময়ত বেছি কথা কৈছে, এনেকুৱা হ'ব লাগে । এতিয়া माननीয় বিধায়ক শ্ৰী টংকেশ্বৰ ৰাভা ।

**শ্ৰী টংকেশ্বৰ ৰাভা (দুধনৈ)**ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমবাৰৰ কাৰণে বিধান সভাৰ মজিয়ালৈকে আহিছো । গতিকে দুষাৰ কবলৈ দিয়াৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো । মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আটাইৰে শ্ৰদ্ধাৰ আৰু সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই শেষৰ অধিবেশনৰ যি বক্তব্যৰ কথা আছিল তাৰ অনুসৰি এইবাৰ প্ৰথম অধিবেশনখনতেই Uniform Civil Code ইয়াত পাৰিত কৰিবৰ কাৰণে তেখেতে প্লেচ কৰিছে আৰু মই পোনপ্ৰথমেই সমৰ্থন জনাইছো। আৰু মই ধন্যবাদ

জনাইছো যে ইতিমধ্যে দেশৰ প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াই মহিলাসকলক জাষ্টিচ Womens Reservation Bill আৰু অজন্তা নেওগ বাইদেউৰে ইয়াত ইতিমধ্যে নাৰী.. বিল আনিছে গতিকে নৰীসকলৰ প্ৰতি Actual Justice for the women justice to the all যদি এইটো কথা চিন্তা কৰিবলগীয়া যায় তেতিয়াহলে এইটো Appropriate চিন্তাৰে এই বিলখন আনিছে মই ধন্যবাদ জ্ঞাপন কৰিছো আৰু এই ধন্যবাদ জ্ঞাপন কৰিম যে Six schedule area ৰ ট্ৰাইবেল বাসিন্দাসকলক ইয়াৰ পৰা বাহিৰত ৰাখিছে আৰু মই আশা প্ৰকাশ কৰিম যে জনজাতি সকলৰ যি Custom and Customary panel যি ধৰণে চৰ্চা হয় গতিকে ল'ৰাৰ কৰ্ট সমূহ ইভেন দেন গুৱাহাটী হাই কৰ্টত এইটো প্ৰেকটিচ হৈ থাকে গতিকে মই আশা প্ৰকাশ কৰিম UCC অহাৰ পিছত সেইধৰণৰ চিষ্টেমটো কন্টিনিউ যাতে হৈ থাকে । লিডাৰ অফ দা হাউছ বি পি এফ দলৰ ৰ ৰবিৰাম নাৰ্জাৰী ডাঙৰীয়াই যি কথাখিনি কলে যে এজনী জনজাতি মহিলা যেতিয়া নন ট্ৰাইবেল পুৰুষৰ লগত বিয়া হয় তেতিয়া ডিভৰ্চ নিচিনা ঘটনা বিলাক যেতিয়া সংঘটিত হয়, হোৱাৰ পিছত এই সময়ত before UCC যি তাত শাস্তিৰ বিধিৰ ব্যৱস্থা বিলাক তাত আছে মই ভাবো UCC খনত সেইটো যদি ইনক্লুড কৰি দিয়ে যে সেই আইন খন Continue হ'ব in the letter of spirit সেই কথাটো মই আশা প্ৰকাশ কৰিছো আৰু তাৰ লগে লগে সমান্তৰালভাৱে আপোনালোকে চাব আমি গম পাও যে মই বেলেগ বেলেগ চিন্তাখিনি কৰি কবলৈ খোজা নাই গতিকে এই যি বিধি বিধানৰ যি ব্যৱস্থাবিলাক আছে ট্ৰাইবেল সকলৰ এই Customary যি বিলাক বিধি বিধানৰ ব্যৱস্থা বিলাক আছে এই বিধি বিধানৰ ব্যৱস্থাবিলাকৰ সংক্ৰান্তত যে এইটোৰ আমাৰ Justice and Right যে আছে সেইটোৰ সংক্ৰান্তত আজি UCC বিলখনে আমাক Justice দিছে জনজাতি সকলক । জনজাতি সকলৰ যি Customary আইন খনৰ ওপৰত এটা recognition সুন্দৰভাৱে আনিছে আৰু সেই জনজাতিসকলৰ নিজস্ব পৰম্পৰা ৰীতি নীতিৰে যিধৰণে জনজাতি সমাজ ব্যৱস্থা বিধি বিধান সমূহত চলি আছে বিবাহৰ পৰা আদি কৰি সকলো ব্যৱস্থা সংক্ৰান্তত এটা recognition পালে তাৰ কাৰণে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন

কৰিছো আৰু তাৰ সমান্তৰভাৱে মোৰ অনুভৱটো মই কৈ শেষ কৰিব বিচাৰিছো । নতুন বিধায়ক হিচাপে এইটো অনুভৱ হৈ থাকিল আজি মই দুই আষাৰ ক'ব বিচাৰিছো যে বিধানসভাৰ বাহিৰত কিছু কথা শুনি থাকো আৰু ভিতৰত আহি নিজে গম পালো যে এই প্ৰথম অধিবেশনত গম পালো যে এই দুই এজন বিধায়ক এনেকৈ গম পাই গলো হোৱাই নোহোৱাই যে কিছু এটা কথা কৈ থাকে যে বেলেগক অসুবিধা দিয়ে আহি থকা দিনসমূহত যাতে সেই শিক্ষাটো নিদিয়ে তাৰ কাৰণে অনুৰোধ জনায় অধ্যক্ষ মহোদয় বক্তব্য মই সামৰিছো । ধন্যবাদ ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ । আমাৰ কেইবাগৰাকী মহিলা বিধায়িকা আছে । তেওঁলোকৰ কোনোবাই যদি কয় মই অপেন কৰি দিছো । বেবী বেগমৰ নামটো আহিছে আৰু বাকী কোনোবা মহিলা যি সকল আছে কব পাৰে । মাননীয় বিধায়িকা বেবী বেগম এতিয়া কওক ।

**মাননীয় বিধায়িকা, শ্ৰী বেবী বেগম (ধুবুৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিৰোধীৰ একমাত্ৰ মহিলা প্ৰতিনিধি হিচাপে সদনত দুই এষাৰ কবলৈ আপুনি সুযোগ দিয়াত ধন্যবাদ জনাইছো । মাননীয় অধ্যক্ষ মহোদয়, UCC বিলখন চেকচন নম্বৰ ২ ৰ ধাৰা অনুসুচিত জনাজাতীয় সম্প্ৰদায়ৰ ক্ষেত্ৰত প্ৰযোজ্য নকৰা ভাৰতৰ সংবিধানত Article নম্বৰ ১৪ আৰু Article নম্বৰ ১৫ ক উলংঘন কৰা হৈছে । কাৰণ Article ১৪ মতে আইনৰ দৃষ্টিত সকলো নাগৰিক সমান আৰু আইনৰ দ্বাৰা সকলো নাগৰিকে সমান নিৰাপত্তা পাব লাগে আৰু আৰটিকেল ১৫ ৰ মতে নাগৰিকক ধৰ্ম ভিত্তিত জাতিৰ ভিত্তিত সম্প্ৰদায়ৰ ভিত্তিত লিংগ ভিত্তিত জন্মস্থানৰ ভিত্তিত বৈষম্য কৰাটো নিষেধ আছে । মই এটা কথা কব বিচাৰিছো যে কোনোবা এজনী মহিলাই যদি দীঘলীয়া সময় ধৰি জটিল ৰোগত আক্ৰান্ত হৈছে শাৰীৰিক মানসিকভাৱে অচল আৰু আৰোগ্য হোৱাৰ কোনো সম্ভাৱনা নথকাৰ ক্ষেত্ৰত স্বামীক দ্বিতীয়বাৰ বিয়া কৰাৰ ব্যৱস্থা প্ৰদানৰ এটা উপকৰণ । এইবিলাক চেকচন নম্বৰ ১৭ আৰু দফা ৩ আৰু চেকচন নম্বৰ ১০ ৰ দফা নম্বৰ ২ মতে ইতিপুৰ্বে কাৰ্য্যকৰী কৰাই আছে তাৰ পিছতো এই বিলখন আনিব লগা হ'ল । তাৰ কাৰণে মই কব বিচাৰিছো যে মহিলা সকল কেতিয়াও নিবিচাৰে যে

তেওঁৰ স্বামীয়ে দ্বিতীয় বিবাহ কৰক । কিন্তু আমাৰ ইছলামিক আইনমতে আৰু আমাৰ শ্বৰিয়তত আছে যে দ্বিতীয় বিবাহক আৰু বাল্য বিবাহক আমি কেতিয়াও মানি নলও । গতিকে মই কব বিচাৰিছো যে মহিলাক যদি সুৰক্ষাই দিব লাগে, মহিলাক যদি ইমান ভাল পাবই লাগে আগতে অসমৰ মহিলা সকলৰ যি আজি দুৰৱস্থা হৈছে মুল্যবৃদ্ধিৰ ওপৰত আগত কথাখিনি কব লাগে । মুল্যবৃদ্ধি নিয়ন্ত্রণ কৰিব লাগে । মহিলা সকলক শিক্ষাৰ ক্ষেত্রত আগবাঢ়ি আনিব লাগে আজি মহিলাসকলে কি অৱস্থাত আছে আজি ৰন্ধন গেছৰ দাম কেনেকুৱা বাঢ়িছে, মুল্যবৃদ্ধি আজি মহিলাসকল হাহাকাৰ অৱস্থাত ভুগিবলগীয়া হৈছে । মহিলাৰ প্রতি ইমান দৌৰাত্ম দেখাইছে যে মহিলা সকলৰ কাৰণে আজি এই আইনখন আনিব বিচাৰিছে । আগতে মুল্যবৃদ্ধিৰ ওপৰত নিয়ন্ত্রণ কৰিব লাগিছিল, প্রথমে গেছৰ চিলিণ্ডাৰৰ দাম নিয়ন্ত্রণ কৰিব লাগিছিল। আজি এই ইউ চি চি বিল খন আনি মই ভাবো যে এই বিলখনক অকল আজি বিজেপি দলে এজেণ্ডা হিচাপে লব বিচাৰিছে । গতিকে মই অধ্যক্ষ মহোদয়ক কবলৈ বিচাৰিছো যে আমাৰ এমেণ্ডমেণ্ডৰ কিছু আছে সেই সকল এমেণ্ডমেণ্ড কৰাৰ পিছতহে বিলখন পাছ কৰিব ।

**শ্রী মতী নিচ' টেৰনপি (ডিফু)ঃ** আমাৰ মুখ্যমন্ত্রী ডাঙৰীয়াক ধন্যবাদ জনাইছো আমাৰ ট্রাইবেল বেল্টক exemption কৰাৰ কাৰণে। সকলো মহিলা বা child marriage ৰ ক্ষেত্রত UCCত যিমান include আছে মই ১০০% support কৰো আৰু আজি যে আপুনি special time দিছে সেইটো মই Women Reservation Bill ক one step ahead বুলি মানি লৈ ইমানতে মোৰ বক্তব্য সামৰণি মাৰিলো । Kardom, Thank You.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আৰু কোনোবা আছে?

Next, ড° পৰমানন্দ ৰাজবংশী।

**ড° পৰমানন্দ ৰাজবংশী ( ছিপাঝাৰ)ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, আজি এই পবিত্ৰ সদনত  সম নাগৰিক সংহিতা বা Uniform Civil Code সম্পৰ্কে ইয়াত যি আলোচনা হৈ আছে এই সন্দৰ্ভত মই ইয়াৰ সপক্ষে কিছু অনুভৱ ব্যক্ত কৰিব খুজিছো। আজি ৫ বছৰ ধৰি আমি যেতিয়া এই বিধান সভাত আছিলো তেতিয়া লক্ষ্য কৰিছিলো যে আমাৰ গোটেই অসমখনত যিমানবোৰ জনগোষ্ঠী আছে বা যিমানবোৰ নাগৰিক আছে সকলোৰে স্বাৰ্থত আমাৰ মাননীয় যশস্বী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই, বিশেষকৈ মাতৃ শক্তি আৰু যিসকল  দলিত বা অনুন্নত সেইসকল মাতৃৰ বাবে যিমানবোৰ আঁচনি গ্ৰহণ কৰিছিল তাৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ আঁচনিটো হ'ল- নিযুত মইনা। নিযুত মইনাৰ উপৰিও আজি আমাৰ মহিলাসকলৰ সৱলীকৰণৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ আঁচনি হ'ল আত্মনিৰ্ভৰশীল মহিলাক লাখ টকীয়া মহিলা কৰা। আমাৰ যি ১,৬৫,০০০ চাকৰি দিয়া হৈছে তাতো যদি আপোনালোকে যদি নম কৰে যে আগতে যি সংঘটিত ঘটনা হৈছিল তেনে ধৰণৰ কোনো ঘটনা সংঘটিত নকৰাকৈ একেবাৰে স্বচ্ছ ৰূপত যি নিযুক্তি প্ৰদান কৰিলে তাতো আপোনালোকে মন কৰিব যে ইয়াত সকলো ক্ষেত্ৰতে এটা সম ৰূপত নিযুক্তি বিহীত হৈ আছে। মোৰ ক'বলগীয়া কথা হৈছে যে যিটো সময়ত নাৰী সৱলীকৰণৰ কাৰণে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই হওঁক বা আমাৰ যশস্বী মুখ্যমন্ত্ৰী  ডাঙৰীয়াই হওঁক যিবোৰ আঁচনি গ্ৰহণ কৰিছিল সেই আঁচনিবিলাকৰ পাছত তেখেতে এটা গুৰুত্বপূৰ্ণ আঁচনি বা  ইয়াত বিধেয়ক এখনো আনিছিল। সেইখন হৈছে বাল্য বিবাহ।

বাল্য বিবাহ প্ৰতিৰোধৰ ক্ষেত্ৰত  গুৰুত্বপূৰ্ণ তথা বলিষ্ঠ ভাৱে তেখেতে ইয়াত  বক্তব্য প্ৰদান কৰিছিল । এইখন সদনত আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে কোৱাৰ দৰে ইয়াত খিলঞ্জীয়াৰ যি এটা সুন্দৰ ব্যৱস্থা হৈছে, প্ৰতিনিধিত্বভাৱে যি ধৰণে ইয়াত এখন আমি খিলঞ্জীয়াৰ ৰাইজ পাইছো সেই ১০২ গৰাকী খিলঞ্জীয়াক লৈ আটাইখিনি ব্যক্তি আমি সকলোবোৰ ইয়াত বহি আছো।  আজি মই মন কৰিছো যে ইয়াত যি ২৪ গৰাকী বিৰোধী পক্ষত আছে, তেওঁলোকৰ বাবে আজি দুখন দুৱাৰ খোলা আছিল । তেওঁলোকে যদি সঁচাকৈয়ে এইখন অসমত, এই খিলঞ্জীয়া পুত্ৰ প্ৰতিনিধিসকলৰ লগত মিলিব খুজিলেহেঁতেন, যদি তেওঁলোকে সঁচাকৈয়ে অসমীয়া জাতীয় সত্তাৰ ভিতৰত যদি থাকিব বিচাৰিলেহেঁতেন তেতিয়া হ'লে অন্তঃত সেই দুৱাৰ দুখনৰ এখন দুৱাৰ –'নাৰী শক্তি বন্দন'ৰ প্ৰতি তেওঁলোকে নিঃস্বাৰ্থ ভাৱে সমৰ্থন দিব লাগিছিল।  মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আজিৰ পৰা ৫ বছৰ আগতে ঘোষণা কৰিছিল যে তেওঁ যদি আহে UCC অনা হ'ব , এতিয়াই বন্ধ কৰক নহ'লে কিন্তু কেতিয়াও কোনেও বন্ধ কৰিব নোৱাৰে । আজি নিশ্চয় দেখিছে যে তেখেতে ৫ বছৰত যি জনহিতকৰ কাম কৰিছিল, অসমখনক সমৃদ্ধ কৰিবৰ কাৰণে  যি কাম কৰিছিল, অসমখনক ভাৰতৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন কৰিবলৈ যি ব্যৱস্থা কৰিছিল তাৰ প্ৰতি সমগ্ৰ অসমৰ জনাসাধাৰণে সমৰ্থন দিছে । তাৰ পিছতো আজি ইয়াত আমাৰ যিখিনি বংগমূলীয় প্ৰতিনিধি আছে, তেখেতসকলে এটা সুযোগ পাইছিল এই নাৰী শক্তি বন্দন আৰু ..... interruptions....

**ডা° আছিফ মহম্মদ নাজাৰ (লোহৰীঘাট )ঃ** এই বংগমূলীয় মানে কাক কৈছে ?

**ড° পৰমানন্দ ৰাজবংশী ( ছিপাঝাৰ)ঃ** ৰ'ব মোক কথাটো ক'বলৈ দিয়ক । মোৰ অনুভৱবিলাক কৈছো । আজি UCCৰ সমৰ্থন কৰি তেওঁলোকে আমাৰ সৈতে এই খিলঞ্জীয়া ..... interruptions....

(বিৰোধী পক্ষৰ বিধায়কসকলে বংগমূলীয় শব্দটো উঠাই ল'বলৈ দাবী কৰে) ।

এইমাত্ৰ আমাৰ এগৰাকী মহিলা ..... interruptions... মাতৃতান্ত্ৰিক আমাৰ জনজাতিসকলৰ সংস্কৃতি যদি আপোনালোকে অধ্যয়ন কৰে তেতিয়া আপোনালোকে দেখিব যে আমাৰ মাতৃতান্ত্ৰিক সভ্যতাৰ বহু বীজ ..... interruptions.... আপোনালোকে ভালকৈ মন কৰিব । কিন্তু আজি মই কি দেখিছো ..... interruptions.... কল্যাণৰ কাৰণে কাম কৰি আছো ..... interruptions....

**মাননীয় অধ্যক্ষ ঃ** এইফালে চাই কওঁক ।

**ড° পৰমানন্দ ৰাজবংশী ( ছিপাঝাৰ)ঃ** এনেকুৱা এটা নেতিবাচক মনোভংগী দেখুৱালে যে তেওঁ পুৰুষতান্ত্ৰিকৰ যে সঁচাকৈয়ে এগৰাকী প্ৰতিনিধি সেইটো এই সদনত প্ৰতিপন্ন হৈ থাকিল ..... interruptions....

**শ্ৰীমতী বেবী বেগম ( ধুবুৰী)ঃ** প্ৰত্যেকটো কথাতে controversial কথা নক'ব ।

**ড° পৰমানন্দ ৰাজবংশী ( ছিপাঝাৰ)ঃ** মই ক'মেই। সঁচা কথা ক'মেই কাৰণ আমাৰ চৰকাৰখনে বিগত ৫ বছৰত মাতৃ শক্তিৰ হকে যিবোৰ কল্যাণমূলক কাম কৰিছে , সেই কামবোৰৰ কোনো এটা ক্ষেত্ৰতে তেখেতসকলৰ এটা সহানুভূতি দেখা নাপালো। গতিকে মই আজি এই আইনখনৰ সপক্ষে, নিঃস্বাৰ্থ ভাৱে মই সমৰ্থনেৰে মোৰ মত প্ৰকাশ কৰিছো৷ ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** জাকাৰিয়া আহমেদ।

জাকাৰিয়া আহমেদ উপস্থিত নাই ।ডা° আছিফ মহম্মদ নাজাৰ।

**ডা° আছিফ মহম্মদ নাজাৰ ( লাহৰীঘাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Unifrom Civil Code, 2026 ৰ যি বিল অনা হৈছে, এই বিলে নাগৰিক সমাজৰ ওপৰত এক সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব বুলি মই ভাৱো। যদি আপুনি মন কৰে, ধাৰা ৬ ত compulsory registration ৰ কথা কোৱা হৈছে, ধাৰা ১০ত ৬০ দিনৰ ভিতৰত উপ-পঞ্জীয়কৰ ওচৰত গৈ স্মাৰক লিপি দাখিল কৰাৰ কথা কৈছে আৰু ধাৰা ১৭ মতে, এই পঞ্জীয়ন বা নিয়ম যদি পালন কৰা নহয় তেতিয়া কাৰাদণ্ড বা জৰিমনা বিহাৰ কথা কোৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই ক'ব বিচাৰো আমাৰ অসমখনত লাখ লাখ লোক আছে যিসকল বান পীড়িত অঞ্চলত থাকে, দুৰ্গম অঞ্চলত থাকে, উদাহৰণ স্বৰূপে আমি ক'ব পাৰো যে বৰাক উপত্যকা বা পাহাৰ অঞ্চলত যিবোৰ জিলা আছে তাৰ মানুহে উপ-পঞ্জীয়ন কৰাত অসুবিধা নহ'ব নে ? তদুপৰি আমি সকলোৱে জানো যে যিসকলে দিন-হাজিৰা কৰি কাম কৰি খায় বা চাহ-শ্ৰমিকসকলে daily কাম কৰিব নে ৬০ দিনৰ ভিতৰত তেখেত সকলে আহি সময় পাব উপ পঞ্জীয়ণৰ ওচৰত এই স্মাৰক লিপি দাখিল কৰিবলৈ। গতিকে ইয়াৰ ওপৰত আমি বিবেচনা কৰিব লাগে। ইয়াৰ

উপৰিও মাননীয় অধ্যক্ষ মহোদয়, বিধেয়কৰ Chapter 2 ত লিখা আছে সকলো বিবাহ বাধ্যতামূলকভাৱে পঞ্জীয়ণ কৰাৰ কথা। মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে দেখিছো যে Special Marriage Act 1954 ৰ, Hindu Marriage Act 1955 ৰ আৰু তাৰ ওপৰত The Assam Compulsory Registration Act Muslim Marriage and Divorce Act 2024 ইতিমধ্যে বিবাহ আৰু তালাকৰ কাৰণে এখন আইন বনোৱা হৈছে। তাৰ ওপৰত নতুনকৈ অনাৰ কি যুক্তি আছে এই কথাটো আমি বুজিব পৰা নাই। তাৰ উপৰিও চৰকাৰে Article-44 ৰ কথা কৈছে Uniform Civil Code ত এই Article-44 যদি মাননীয় অধ্যক্ষ মহোদয় চাই, fundamental তাত যিটো আছে directive principle অৰ্থাৎ direct বাধ্যতামূলক বা বলবৎ কৰিব নোৱাৰে। কাৰণ এইটো আপোনাৰ মৌলিক অধিকাৰ নহয়। আনফালে Article-14 Fundamental Rights, Article -21 Fundamental Rights, Article-24 Fundamental Rights. গতিকে মাননীয় অধ্যক্ষ মহোদয়, directive principle টো কাৰ্য্যকৰী কৰিবলৈ হ'লে চৰকাৰে এই Fundamental Rights বোৰ ক্ষুন্ন কৰিব লাগিব। গতিকে মই ভাবো Supreme Court ত টো এটা verdict আছে Minerva Mills v. Union of India 1980 তাত যদি আপুনি চায় যে Supreme Court তে কৈছে Fundamental Rights আৰু directive principle দুটা সমানভাবে হ'ব লাগিব। Balance ত থাকিব লাগিব। কিন্তু ইয়াত দেখা যায় যে এই Article-44 ৰ জৰিয়তে মানুহৰ মৌলিক অধিকাৰ Fundamental Rights খৰ্ব কৰাৰ চেষ্টা কৰা হৈছে। ইয়াৰ উপৰিও মাননীয় অধ্যক্ষ মহোদয়, Tribal Community ৰ যিটো expansion ৰ কথা কৈছে, যদি আপুনি চায় যে Tribal Community ত section 2 ত এই code ৰ অন্তৰ্ভূক্ত কৰা নাই। প্ৰথম দৃষ্টিত দেখা যায় এইটো ট্ৰাইবেল মানুহৰ কাৰণে protective হয়। কিন্তু তাৰপিছত বুজিব পৰা যায় যে এখন ৰাজ্যতে দুখন পৃথক আইন কেনেকৈ থাকিব পাৰে ? যদি আপুনি চায়, আহোম, মৰাণ, কোচ ৰাজবংশী এখেত সকল ST status নহয়। কিন্তু তেখেত সকলৰ

customary law বেলেগ আছে । সকলোৰে বেলেগ বেলেগ customary law আছে। তাৰ পাছতো তেখেত সকলে exemption পোৱা নাই আৰু যিসকল আছে বড়ো, কাৰ্বি, মিচিং তেখেতসকলৰ বেলেগ বেলেগ customary system আছে, তুলিৰাম ডাঙৰীয়াই কথাটো কৈ আছিল । কিন্তু তেখেতসকলে কি কৰিছে Blanket Exemption দিয়া হৈছে। Article-14 অধীনত Arbitrations ৰ প্ৰশ্ন আনিব পাৰে৷ গতিকে মই ভাবো ইয়াৰ ওপৰত বিবেচনা কৰিব লাগে আৰু এটা ডাঙৰ কথা হৈছে যদি এজন ট্ৰাইবেল মানুহে Non-Tribal মানুহক বিয়া পাতিলে তেতিয়া কি হ'ব ? তাৰ ওপৰততো একো লিখা নাই। যদি Divorce হয়, maintenance, succession সেইবোৰৰ ওপৰত কি আইন অনা হৈছে ? এইবাৰৰ ওপৰত একো লিখা হোৱা নাই। গতিকে মই ভাবো অৱশেষত গৈ litigacy আৰু legal uncertainty সৃষ্টি হোৱা অৱকাশ হ'ব পাৰে৷ গতিকে মই ভাবো এই বিলখন এটা বহলভিত্তিত আলোচনা হ'ব লাগে । গতিকে মই ভাবো Selection Committee লৈ এইটো পঠালে বেছি ভাল হ'ব।

**মাননীয় অধ্যক্ষঃ** শ্ৰী অখিল গগৈ। ২.৩০ মিনিট সময় দিয়া হৈছে।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, সকলোৱে কৈছে যে আমাৰ সংবিধানৰ Directive Principle ৰ Uniform Civil Code আছে, এইটো আনিব লাগে বুলি কৈ আছে Uniform Civil Code কিন্তু Directive Principle ত তাৰ ওপৰত যিটো 44 ত আছে Uniform Civil Code তাৰ ওপৰৰ 43 ত যিটো আছে Living ways and for workers যে শ্ৰমিক সকলৰ কাৰণে খুৱ ভাল ব্যৱস্থা কৰিব লাগে। ভাল মজুৰি দিব লাগে৷ এই কথাটোক লৈ কিন্তু আমি concern নহয়। আমি আমাৰ নিজৰ agenda টোক লৈহে কেৱল ইয়াত concern হৈ আছো । এতিয়া মই ভাবি আহিছিলো, প্ৰথম যেতিয়া Uniform Civil

Code (UCC) আহিছিল, তেতিয়া আমি ভাবিছিলো যে এইখনক আমি support কৰিম। আমাৰ কোনো অসুবিধা নাই . কাৰণ আপুনিটো জানে যে এইখনত যিকেইটা কথা কৈছে বিয়া পতাৰ বয়স ইতিমধ্যে আমাৰ আগৰ আইনত ঠিকেই কৈ আছে। য'ত The Prohibition of Child Marriage Act 2006 তাততো fix হৈ আছে যে কম বয়সত বিয়া পাতিব নোৱাৰে। তাৰপাছত বহুবিবাহ কৰিব নোৱাৰে। সেই কথাটো আমি যোৱাবাৰ ২০২৫ চনত আইন বনাই থৈছো। The Prohibition Polygamy Act. যদি বিয়া পাতে, তেতিয়াহ'লে ৭ বছৰ জেল বুলি আমি নিজে বনাই থৈছো। গতিকে আকৌ কিয় এইটো UCC আনিব লাগে ? কাৰণটো কি আছে ? তাৰপাছত আপোনালোকে দেখিবলৈ পাব যে ইয়াত ইমানবিলাক কথা কৈছে, এই আটাইবিলাক কথাই UCC ত অকল সেইবিলাক কথাই ধৰা হৈছে। মাত্ৰ যিকেইটা কথা লৈ মোৰ আজি ক'বলগীয়া আছে, সেই কথাকেইটা হ'ল ১ ) ইয়াত কৈছে যে UCC ত যিটো live in relation ৰ কথা কৈছে live in relation টোৱে actually ইয়াত যিটো আনিব খুজিছে, এইটোৱে private relationship ৰ ওপৰত এটা bureaucratic এটা আমোলাতন্ত্ৰ বহুৱাই দিব খুজিছে। যি অনবৰতে দুজন মানুহৰ private সম্পৰ্কটো নিৰীক্ষণ কৰি থাকিব। তাৰ নাম দিছে Sub-register অকল Sub Register ছয় মাহৰ ভিতৰত statement দিলে নহ'ব Sub Register ৰ সেই বস্তুটো গৈ থানা পাব আৰু থানাই সেইটো যাকে তাকে দিব পাৰিব। সেইটো যদি কোনোৱাই খুজে যে এই ল'ৰা দুজনৰ সম্পৰ্ক আছে নেকি ? এই ল'ৰা দুজনৰ আৰু ছোৱালী দুজনীৰ divorce হ'ল নেকি ? সেইটো man আৰু

woman ৰ সেই সম্পৰ্কটো কাগজো দিব পাৰিব। এই যিটো কাৰবাৰ এইখন completely personal liberty ৰ ওপৰত ৰাষ্ট্ৰৰ total হস্তক্ষেপ আৰু এইটোৱে constitutional standard of proportionality বুলি যাক কয় যে এখন সংবিধানত কোনটো কথাত আচলতে আইন তৈয়াৰ কৰিবলৈ অনুমতি দিছে তাক খৰ্ব কৰিছে আৰু সেই কাৰণে প্ৰত্যেকজন জনাশুনা মানুহে আমাৰ এই UCC খনত থকা এই গুৰুত্বপূৰ্ণ কথাবিলাক বিৰোধিতা কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ কথা। State Monitoring ঠিকেই দিছে, কৈছে যদি ছোৱালী আৰু ল'ৰাৰ মাজত যদি live in relation থাকে এমাহৰ ভিতৰত জনাব লাগিব। নজনালে ৩ মাহ জেল দিব লাগিব। তাৰ পাছত জনাব কোৱাৰ পাছত যদি নজনাই, তেতিয়াহ'লে ৬ মাহৰ জেল দিব। এটা civil বিষয়। ব্যক্তিগত বিষয়ৰ ওপৰত জেল, criminal case লগাব। এইটো ক'ত পৃথিৱীত কোন আইনত এইটো সংবিধান সন্মত আপোনালোকে নিজেই চাই লওঁক। এইখন illegal act আনিছে ইয়াত আৰু আটাইতকৈ ডাঙৰ কথা ঠিক আছে, তোমালোকে কৈছা যে ল'ৰা আৰু ছোৱালী যে আছে তাৰ সম্পূৰ্ণ মনিটৰিং আমি ৰাখিম। কিন্তু ল'ৰা আৰু ছোৱালীৰ এই যিটো মনিটৰিং ৰাখিবা, তেওঁলোকৰ ভিতৰত যদি কাজিয়া লাগে, maintenance ৰ কি ব্যৱস্থা ৰাখিছা ? Inheritance ৰ কি ব্যৱস্থা ৰাখিছা ? Domestic Violence ৰ এই যে live in relation ত থকা দুয়োটা মানুহৰ মাজত যদি কাজিয়া হয়, তেওঁলোকৰ ওপৰত কেনেকুৱা ধৰণৰ action হ'ব, property ৰ ওপৰত কি ব্যৱস্থা হ'ব ? এই কথাবিলাক কিয় নিলিখিলা ? অৰ্থাৎ তোমালোকে RSS আৰু BJP ৰ

দৃষ্টিভংগী অনুসৰণ কৰি মান্ধাতা কলীয়া যুগলৈ গৈ তোমালোকে অকল  private privacy ৰ ওপৰত ব্যক্তিগত privacy ৰ ওপৰত আক্ৰমণ কৰিবৰ কাৰণে এইটো আনিছা ? আৰু সেই কাৰণে এই আইনে অসম বা ভাৰতবৰ্ষৰ জনতাৰ ওপৰত অসমৰ যুৱ প্ৰজন্মৰ ওপৰত harassment আনিব Moral Policing আনিব ।  Social coercion  আনিব আৰু সেই কাৰণে মই ভাবো যে এই আইনখন আমাৰ সংবিধানৰ বাহিৰত গুচি গৈছে । Constitutional proportionality and individual liberty এই বস্তুটো ভালকৈ লক্ষ্য নকৰাকৈ কেতিয়াও আইন বনাব নোৱাৰে। Citizen verses য়ে state য়ে citizen ৰ কিমান ভিতৰলৈকে সোমাব পাৰে এইটো impotant কথা আৰু এই আইনে আমাৰ এজন  citizen ৰ ওপৰত ৰাখিব পৰা যিটো খবৰদাৰী, তাতকৈ বেছি ভিতৰলৈ গুচি গৈছে আৰু সেই কাৰণে আমি এই UCC খনক কেতিয়াও সমৰ্থন কৰিব নোৱাৰো। মই স্পষ্টভাৱে আপোনালোকক এটা কথা ক'ব খুজিছো৷

**মাননীয় অধ্যক্ষঃ** আপোনাক ২.৩০ মিনিট দিয়া আছিল  ৫ মিনিট হৈ গ'ল৷

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** চাৰ, এই এক্টখন অনবাৰতে ২৪ ঘণ্টাই, এই আইনখন ১৫৩ পেজৰ আইনখন মই ৪ বাৰ পঢ়িলো। ৪ বাৰ বাৰম্বাৰ পঢ়ি মই এটা কথাই বুজিলো এই আইনত নতুন একো কথা নাই । অসমৰ মুখ্যমন্ত্ৰীয়ে ভাৰতবৰ্ষত ৰেকৰ্ড কৰিবৰ কাৰণে কেনেবাকৈ Indian Ministry ত chance পাওঁ নেকি ? নৰেন্দ্ৰ মোদীক তেল মাৰিব পাৰো নেকি? অমিত শ্বাহক তেল মাৰিব পাৰো নেকি ?

( সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষঃ** তেখেতে পাঁচ মিনিটৰ পিছত যিখিনি বক্তব্য ৰাখিছে সেইখিনি লিপিবদ্ধ নকৰিব।

এতিয়া মাননীয় সদস্য ড° মৃদুল কুমাৰ দত্ত।

**ড° মৃদুল কুমাৰ দত্ত, দেৰগাওঁঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই পঞ্চদশ বিধান সভাত যি কথা দিছিল যে তেওঁ যদি পুনৰবাৰ শাসনলৈ আহিব পাৰে, তেখেতে প্ৰথম অধিবেশনতে The Uniform Civil Code বিলখন আনিব আৰু তেখেতৰ সেই কথা ৰাখি এই বিল আজি উত্থাপন হ'ল তাৰবাবে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। প্ৰথম কথা যে এই Uniform Civil Code, এইটোৱে অসমৰ যি মহিলা সমাজ, সেই সমাজৰ বাবে নতুন বাৰ্তা কঢ়িয়াই আনিছে। কিয়নো যিটো আমাৰ সামাজিক ব্যাধি লৈ ৰূপান্তৰিত হৈছিল, polygamy টো আমাৰ নিৰ্দিষ্ট এটা সম্প্ৰদায়ৰ এটা সামাজিক ব্যাধি লৈ ৰূপান্তৰিত হৈছিল, যাৰ পৰা সেই মহিলাখিনিক আমি ৰক্ষণা-বেক্ষণ দিবলৈ চেষ্টা কৰিছো বা তেখেত সকলক মুক্তি দিবলৈ চেষ্টা কৰা হৈছে। ইয়াত polygamy ৰ বিৰোধিতা কৰিবলৈ যোৱাতো কিমান যুক্তিকৰ সেইটোত মই নিজে চিন্তিত হৈছো। এটা সৰু উদাহৰণ মই দিব বিচাৰিছো। মোৰ দেৰগাওঁ সমষ্টিত ওচৰতে এটা ইটা ভাটা আছে। এবাৰ মই সেই ভাটালৈ গৈছিলো। যাওঁতে মই তাত বংগ মূলীয় কেইটামান পৰিয়াল লক্ষ্য কৰিছিলো। তেতিয়া সেই ভাটাত কাম কৰা এজন শ্ৰমিকৰ চাৰি গৰাকী মহিলা পাইছিলো। মই সুধিছিলো যে আপোনাৰ কিমান পৰিয়াল আছে ? তেওঁ কৈছিল যে ইয়াত মোৰ চাৰি গৰাকী পত্নী আছে

আৰু যিবিলাক ডাঙৰ ল'ৰা-ছোৱালী সিহঁতে ইটা ভাটাত কাম কৰে। তেওঁৰ প্ৰায় ১৮ টা মান ল'ৰা-ছোৱালী আছিল। এই ঘটনা কিহৰ কাৰণে হৈছে, Population glob এটাৰ ওপৰত আমি অসমখন আজি বহি আছো । যিটো Population glob, জনসংখ্যা bomb এটাৰ ওপৰত আজি আমি অসমখন বহি আছো। এই ২০০১ চনৰ পৰা 2026 চনলৈ আমি যদি চাওঁ, যে অসমৰ population growth rate টো exponentialy বাঢ়িছে । More than 3.36%. এইটো এটা অশণি সংকেত। এই polygamy বিৰোধী বিলখনে অসমখনক ৰক্ষা কৰিব বুলি মই ভাবিছো। এই যিখন এক্ট এই polygamy ৰ বিৰুদ্ধে, UCC Act, ই অসমখনৰ জাতি-মাটি-ভেটি ৰক্ষা কৰাত এই আইনখনে আমাক সহায় কৰিব আৰু মহিলাৰ যি ন্যায়, তেওঁলোকৰ সমাজত যি মৰ্য্যদা, এইখিনি সু-নিশ্চিত কৰিব । মহিলা সকলৰ যি পৰিয়াল, বিশেষকৈ যিসকল মহিলাৰ স্বামীয়ে তিনি-চাৰি গৰাকী মহিলা বিয়া পাতিছে, সেই মহিলাৰ পৰিয়ালটোৰ যি সুৰক্ষা, এগৰাকী মহিলা কিমান সুৰক্ষিত এজন পুৰুষৰ ওচৰত যে তেওঁ অনবৰতে এটা threat থাকে যে তেওঁৰ মানুহজনে দ্বিতীয় গৰাকী বিয়া পাতিব নেকি। আকৌ দ্বিতীয় গৰাকী পাতিলে সেই গৰাকীৰ আকৌ এটা threat থাকিব যে তেওঁৰ মানুহজনে আৰু এগৰাকী বিয়া পাতিব নেকি ? এই যে পৰিয়ালৰ সুস্থিৰতা, পৰিয়ালটোত থকা যি অনিশ্চয়তা, যিটোক family cohesion বুলি কয়, এই বস্তুটো এই বিলৰ দ্বাৰা, এইখন বিল আনি আমি এইখিনি সুনিশ্চিত কৰিবলৈ সক্ষম হ'ম যে প্ৰতিটো পৰিয়ালৰ মহিলা গৰাকী এটা কথাত নিশ্চিত থাকিব যে তেওঁৰ পুৰুষ জনে দ্বিতীয় বিবাহ কৰিব নোৱাৰিব। এইটো এটা বহুত ডাঙৰ কথা।

তাৰপিছত মই ক'বলৈ বিচাৰিছো যে Regaulation of live in relationship, এইটো খুব প্ৰয়োজনীয়। কিয়নো আমি বাতৰি কাকতত পাওঁ যে দিল্লী, মুম্বাই বা বাংগালোৰেই হওঁক বহু ল'ৰা-ছোৱালীয়ে live in relationship ত থাকে । তাত আমি এনেকুৱা খবৰ পাওঁ যে কোনোবা ছোৱালীয়ে চুইচাইড কৰিছে, কোনোবাই নিজকে জ্বলাই শেষ কৰি দিছে, এই কথাবোৰ unregulated হৈ থকাৰ বাবে এইখিনি সম্ভৱ হৈ আছে । এইখিনি কাৰো কাম্য নহয় । আমাৰ ছোৱালী এজনীয়ে তাত গৈ চুইচাইড কৰক, নিজকে জ্বলাই দিয়ক এইখিনি কাৰো কাম্য নহয় । সেইকাৰণে ইয়াৰ ওপৰত নজৰ ৰখাটো মই ভাবিছো বহুত দৰকাৰী আৰু চৰকাৰে এটা উপযুক্ত পদেক্ষপ হাতত লৈছে । মাননীয় অধ্যক্ষ মহোদয়, মই আৰু মাত্ৰ এক মিনিট সময় ল'ম। যিটো inheritance ৰ কথা আহিছে, মহিলাৰ right to property. এইটো ইতিমধ্যে আমি গম পালো যে চৰিয়তত one-third হে পায়। চৰিয়ত বিলত মহিলাক one-third property দিয়া হৈছে, equality ক'ত আছে ? সেইকাৰণে এইখন বিলৰ দ্বাৰা আমি equality ত যাব পাৰিম আৰু আমি মহিলা সকলক ন্যায় দিবলৈ সক্ষম হ'ম। মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমবাৰ ইয়ালৈ নিৰ্ব্বাচিত হৈ আহিছো আৰু মোক প্ৰথমবাৰৰ বাবে ইয়াত আপুনি কথা ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰি আৰু এই বিলক সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য ড° মিলন দাস।

**শ্ৰী মিলন দাস (হাইলাকান্দ সমষ্টি) –** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমবারের মতো বিধানসভা এবং প্ৰথম অধিবেশনে আমাদের মতো

নতুন বিধায়ককে এই রকম গুরুত্বপূর্ণ বিলে বলার এবং মতামত দেওয়ার সুযোগ দেওয়ার জন্য আপনাকে এবং মাননীয় মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মা মহাশয়কে অনেক অনেক কৃতজ্ঞতা এবং ধন্যবাদ জ্ঞাপন করছি। আমি বিধানসভায় নতুন এবং মোশন অফ দা হাউস যারা ছিলেন আমাদের বিধায়ক এবং মোশনের যারা এগেইনস্টে ছিলেন দুই দিকের  বক্তব্য আমি শুনেছি এবং সেই বক্তব্য শোনার পর আমার যে ব্যক্তিগত মতামত হয়েছে ইন লিগ্যাল ওয়ে সেই তথ্যগুলো আপনার সম্মুখে তুলে ধরার আমি চেষ্টা করছি।  এই বিল যখন সদনে তোলা হয়েছে, আমরা সবাই মিলে এই বিলের জন্য মাননীয় মুখ্যমন্ত্রীকে ধন্যবাদ জ্ঞাপন করছি। এবং আমার মনে হয় আমাদের সাথে সাথে ভারতবর্ষের সংবিধানের যিনি প্রণেতা  ড°  ভীমরাও আম্বেদকর জী এবং জেকৃপালনী জী .বি ., এই দুইজন যারা এই ইউ.সি.সির জন্য অনেক আগে যখন সংবিধান রচনা করা হয়েছিল যুক্তি দেখিয়েছিলেন এবং বিশেষ করে কৃপালনী জী একবার নেহেরুজীর সাথে এই বিষয় নিয়ে  তর্কবিতর্ক-  হয়েছিল এবং ইউসিসি বিল যাতে তাড়াতাড়ি দেশে প্রণয়ন করা যায়, সেই বিষয়ে যুদ্ধও করেছিলেন। অধ্যক্ষ মহোদয়, Ariticle-14-এ ‘Right to Equality’-র কথা বলা হয় এবং এই Right to Equality-র কথা বিরোধী দলের বিধায়করা রয়েছেন  বারবার সেটার উদাহরণ দেন। কিন্তু ‘Right to Equality’ তে দুটা কনসেপ্টও রয়েছে এবং এই দুইটা কনসেপ্টের মধ্যে একটা কনসেপ্ট হল 'Equaility before Law' এবং দ্বিতীয়টি হল 'Equal protection of Law’। এইবার অধ্যক্ষ মহোদয়, বুঝার ব্যাপার

হল এখানে যে 'Equal protection of Law' বলা হয়েছে, সেইখানেই এই ইউ.সি.সি বিলের সম্পূর্ণ কনসেপ্ট। যেখানে জনজাতিদেরকে এক্সেম্প্ট করে দেওয়া হয়েছে, সেই বিষয়ে উল্লেখ করা রয়েছে 'রিজনেবল ক্লাসিফিকেশনের' কথা। রিজনেবল ক্লাসিফিকেশন বলতে কোন জিনিসটা বুঝায়? যেমন এসসি., এসটি., ওসি অথবা ওমেন .বি. রিজার্ভেশনের ক্ষেত্রে এই রিজনেবল ক্লাসিফিকেশন রয়েছে, তাদের রিজার্ভেশনের কথা যখন বলা হবে, তাদের সুরক্ষার কথা যখন বলা হবে, তাদের মর্যাদাপূর্ণ সংস্কৃতির কথা যখন বলা হবে তখন তাদেরকে Right to Equality' যেটা আছে সেখান থেকে সরিয়েও আলাদা করে চিন্তাভাবনার কথা এই Right to Equality' দ্বিতীয় কনসেপ্ট যেটা 'Equal protection of Law'-তে বলা হয়েছে। দ্বিতীয় ব্যাপার হলো মাননীয় অধ্যক্ষ মহোদয়, আমরা যদি রাষ্ট্রসংঘ এবং হিউম্যান রাইটসএর ইউনি-ভার্সেল ডিক্লেয়ারেশন দেখি, তো সেই ডিক্লেয়ারেশনেও যে কথা উল্লেখ করা হয়েছে, "All human beings are born free and equal in dignity and right." আমদের বিরোধী দলের যারা বিধায়করা রয়েছেন, উনাদের যারা সংসদে রয়েছেন, উনারাও কখন কখনো দেশের সাথে লড়াই করতে করতে যখন হেরে যান তখন আন্তর্জাতিক যেগুলো আইন রয়েছে, আন্তর্জাতিক যেগুলো সংস্থা রয়েছে সেই সংস্থাগুলোর উল্লেখ করেন। সেই হিসাবে আমি উনাদেরকে মনে করিয়ে দিতে চাই যে আন্তর্জাতিক সংস্থা এবং আন্তর্জাতিক আইনেও এই ইউ.সি.সির কথাও একভাবে বলা রয়েছে। আজকে এই ইউ.সি.সির কথা যখন বলছি আমরা, এখানে বিভিন্ন

ধরনের যুক্তি দেখানো হচ্ছে। আমি ব্যক্তিগতভাবে মনে করি যে এই ইউসিসি বিলকে শুধু একটা বিল নয়, এটা একটা সমাজ সংস্কারের একটা ধাপ ভাবা উচিত। কারণ এই বিলের মাধ্যমে বহুবিবাহ, বাল্যবিবাহ এবং তার সাথে সাথে বিশেষ এক সম্প্রদায়ের নারীর অধিকারের কথা বলা হয়েছে। সেজন্য এই বিল নিয়ে যতটুক আমরা সদ্ভাবনা দেখাবো, তার থেকে বেশি আমার মনে হয় বিরোধী দলের যারা বিধায়করা রয়েছেন তাদের দেখাও প্রয়োজন। এবং বিরোধী দলের যারা বিধায়ক রয়েছেন উনাদের কাছে একটা প্রশ্ন যে উনারা আমরা দেখেছি দিল্লিতে সংসদে উনাদের দলের নেতা মাননীয় রাহুল গান্ধী মহাশয় এবং অন্যান্য নেতারা ভারতবর্ষের সংবিধান হাতে নিয়ে গণতন্ত্র সুরক্ষার কথা এবং সমঅধিকারের কথা বলেন। যখন গণতন্ত্র সুরক্ষা এবং সমঅধিকারের কথা বলেন, তখন উনারা ভুলে যান যে উনাদের যারা বিধায়ক বা সাংসদ রয়েছেন সংসদে এবং বিধানসভায়, তাদের পরিবারে সমঅধিকার নাই। তাদের পরিবারের যিনি মহিলা রয়েছেন, সেই মহিলার তার নিজের যখন পিতৃবিয়োগ হয় বা মাতৃবিয়োগ হয়, সেই জমির উপরেও তাদের সমান অধিকার নেই। সেই অধিকারটুকু সুরক্ষিত করার জন্য আজকের দিনে এই বিল।

আমি মাননীয় অধ্যক্ষ মহোদয়কে আর একটি কথা বলি শুধু, আমাদেরকে একটু বেশি করে সুযোগ দেবেন। আমরা নতুন, পুরাতন তো অনেক কিছুই বলেন, আমাদেরকে একটু বেশি করে সুযোগ দেওয়ার অনুরোধ রইল।

মাননীয় অধ্যক্ষ মহোদয়, এখানে লিভইন রিলেশনের কথা বলা - ইন -পর্যন্ত লিভ হয়েছে। আমরা জানতাম এই বিল আসার আগে রিলেশনে কোনো অ্যাকাউন্টেবিলিটি ছিল না। একজন যুবক, একজন যুবতী সম্পর্ক হতো, একসাথে থাকতো এবং তারপর এরকম অনেক আমাদের দেশে আত্মহত্যার ঘটনা ঘটেছে যে লিভইন - রিলেশন অ্যাকাউন্টেবিলিটি না থাকায়। এবং আইনের তেমন কোনো প্রক্রিয়া ছিল না যে আমার সাথে কেউ সম্পর্ক ছেড়ে চলে গেছে এবং আমি আইনিভাবে তাকে চ্যালেঞ্জ করব। কিন্তু এই বিলের মাধ্যমে লিভইন রিলেশনে- যারা রয়েছে তাদের অ্যাকাউন্টেবিলিটিও ফিক্সড করা হয়েছে। এজন্য অধ্যক্ষ মহোদয়, আমি শেষে একটাই কথা বলি যে এই বিলের মাধ্যমে একটা সমাজ সংস্কারের কথা বলা হয়েছে, সমমর্যাদা, সমঅধিকারের কথা বলা হয়েছে। এজন্য এই বিলটাকে সদনের উভয় পক্ষে আমরা যারা রয়েছি সবাই মিলে সমর্থন করে এই বিল পাস করব। এবং বিরোধী পক্ষরা যদি সমর্থন করে না, তাও বলি দিল্লিতে সংসদে এবং আজকের দিনে বিধানসভায় আমরা এতটুকু শক্তিশালী যে আপনাদের সমর্থন না নিয়েও এই বিল আমরা পাস করে নিতে পারব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া শ্ৰী আব্দুছ ছোৱাহান আলী।

**শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ, গৌৰীপুৰ** ঃ মাননীয় অধ্যক্ষ মহাশয়, আজি মোক UCC বিলৰ ওপৰত কব দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো । মই UCC বিল সম্পৰ্কে আমাৰ স্বাধীনতাৰ আগৰ আৰু এতিয়াৰ কিছুমান Coding মই উত্থাপন কৰিব বিচাৰিছো আৰু Uniform Civil Code ত দিয়া বিভিন্ন ধৰ্ম ও জাতিৰ লোকৰ বাবে বিবাহ (Marriage), বিবাহ-বিচ্ছেদ (Divorce), উত্তৰাধিকাৰ (Succession & Inheritance), দত্তক (Adoption) আৰু অভিভাৱকত্ব (Guardianship) আদি ব্যক্তিগত আইন (Personal Law) ৰ বিষয়বোৰ

সামৰি "উমৈহতীয়া নাগৰিক সংহিতা" (Uniform Civil Code-UCC) প্ৰণয়নৰ বাবে একাংশ লোকে পোষকতা কৰি আহিছে। আনহাতে ধৰ্মীয় স্বাধীনতা ও সাংস্কৃতিক বৈচিত্ৰ্যত আঘাত কৰিবৰ বাবে একাংশ লোকে "উমৈহতীয়া নাগৰিক সংহিতা" (Uniform Civil Code-UCC) প্ৰনয়নৰ বিৰোধীতা কৰি আহিছে। আমি যদি যাও ব্ৰিটিছ্ শাষণ কালৰ সময়ৰ লৈকে তেতিয়া দেখা যায় ব্ৰিটিছ্ শাসনকালত সামূহিক বুজাবুজিত উপনীত হৈছিল যে, ব্যক্তিগত আইন (Personal Law) ক একক দেৱানী আইন (Common Civil Law) ৰ পৰা ৰেহাই দিয়া হ'ব আৰু সাধাৰণ আইন (Common Law) ক ব্যক্তিগত আইন (Personal Law) ৰ ওপৰত জাপি দিয়া নহব। সেয়ে হিন্দু আইন, মুছলমান আইন, খ্ৰীষ্টান আইন, পাচী আইনৰ লগতে অন্যান্য ব্যক্তিগত আইনসমূহক 'সংৰক্ষণ' আৰু 'সংহতিবদ্ধ' (Codify) কৰিছিল। স্বাধীনতাৰ পিছত ব্যক্তিগত আইন (Personal Law) ৰ ভৱিষ্যত ভাৰতৰ সংবিধান সভা (Constituent Assembly of India) ৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছিল। আমি যদি আহো ভাৰতৰ সংবিধান সভালৈ ভাৰত স্বাধীনতা লাভ কৰাৰ পিছত "উমৈহতীয়া নাগৰিক সংহিতা" (Uniform Civil Code-UCC) কাৰ্যকৰী কৰাৰ বিষয়টোৱে বিশেষ গুৰুত্ব লাভ কৰিছিল। কিন্তু, সংবিধান সভা (Constituent Assembly) ৰ সদস্যসকল একমতত উপনীত হব পৰা নাছিল। একাংশই ভাৰতৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত সমন্বয় বঢ়াব বুলি দাবী কৰাৰ বিপৰীতে, আন একাংশই বিশাল ধৰ্মীয়

আৰু সাংস্কৃতিক পৰিচয়ৰ দেশ এখনত ইয়াৰ কাৰ্যকৰীতাৰ বিৰুধী আছিল। আমি যদি ড° বি. আৰ আম্বেদকাৰৰ কথালৈ যাওঁ তেতিয়া দেখা পাম যে ড০ বি আৰ আম্বেদকাৰে সংবিধানত "উমৈহতীয়া নাগৰিক সংহিতা" (Uniform Civil Code-UCC) জাপি দিয়া নাছিল, বৰঞ্চ ইয়াক নিৰ্দেশাত্মক নীতি (Directive Principles) ৰ অন্তৰ্ভূক্ত কৰাৰ পোষকতা কৰিছিল। কে. এম. মুন্সী, এম. আৰ. মাছানি, হংসা মেহতা আৰু ৰাজকুমাৰী অমৃত কৌৰৰ দৰে কেইজনমান সদস্যই সৰ্বভাৰতীয় নাগৰিক আচৰণ বিধিক মৌলিক অধিকাৰ (Fundamental Rights) ৰ অন্তৰ্ভুক্ত কৰিবলৈ যুক্তি আগবঢ়াইছিল। আনহাতে, মৌলানা আবুল কালাম আজাদ, কে.টি. শ্বাহ, ফ্ৰেংক এন্থনী, বেগম আইজাজ ৰাছুল, মহাবীৰ ত্যাগী, আচাৰ্য জে. বি. কৃপালনী, টি. প্ৰকাশম আৰু কমলাপতি ত্ৰিপাঠীৰ দৰে প্ৰভাৱশালী নেতাসকলে "উমৈহতীয়া নাগৰিক সংহিতা" Uniform Civil Code-UCC) ৰূপায়ণৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। তেওঁলোকৰ মূল আশংকাসমূহ আছিল যে এনে সংহিতা প্ৰৱৰ্তন কৰিলে ধৰ্মীয় স্বতন্ত্ৰতা খৰ্ব হোৱাৰ লগতে সংখ্যালঘুৰ অধিকাৰ উলংঘা হ'ব আৰু ইয়াৰ দ্বাৰা দেশৰ সাংস্কৃতিক বৈচিত্ৰ্য বিঘ্নিত হ'ব। "উমৈহতীয়া নাগৰিক সংহিতা” (Uniform Civil Code-UCC) ক ভাৰতীয় সংবিধানত মৌলিক অধিকাৰ (Fundamental Rights) হিচাপে অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱটো উপ-সমিতিয়ে নাকচ কৰিছিল। তাৰ পৰিৱৰ্তে, উপ-সমিতিয়ে ইয়াক "ৰাষ্ট্ৰ পৰিচালনাৰ

নিৰ্দেশাত্মক নীতি" (Directive Principles of State Policy) ৰ অন্তৰ্ভুক্ত কৰিবলৈ নীতিগতভাৱে সম্মত হৈছিল । আমি যদি ভাৰতীয় সংবিধানলৈ আহো "ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি" (Directive Principles of State Policy) ৰ ৪৪ নং অনুচ্ছেদ অনুসৰি: "ৰাষ্ট্ৰই সমগ্ৰ ভাৰতবৰ্ষৰ নাগৰিকসকলৰ বাবে এক উমৈহতীয়া নাগৰিক সংহিতা (Uniform Civil Code) সুনিশ্চিত কৰিবলৈ প্ৰয়াস কৰিব।" ৩৭ নং অনুচ্ছেদত স্পষ্টভাৱে উল্লেখ আছে: "এই অংশত সন্নিৱিত ব্যৱস্থাসমূহ কোনো ন্যায়ালয়ত বলবৎ কৰিব নোৱাৰিব, কিন্তু ইয়াত উল্লেখ কৰা নীতিসমূহ দেশৰ শাসন ব্যৱস্থাৰ বাবে মৌলিক হ'ব আৰু আইন প্ৰণয়নৰ ক্ষেত্ৰত এই নীতিসমূহ প্ৰয়োগ কৰাটো ৰাষ্ট্ৰৰ কৰ্তব্য হ'ব।" আমি যদি চাওঁ ইয়াত বহুতো কথা আছে, আমাৰ দলৰ মাননীয় বিধায়ক শ্ৰী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়া, ৰাজেদ আলী চৌধুৰী ডাঙৰীয়াই কৈছে আমি এটা বস্তু ইয়াত ক'ব পাৰো যে যিবোৰ কাৰণৰ ওপৰত UCC অনা হৈছে বিশেষকৈ বাল্যবিবাহ, বহু বিবাহ, বিবাহ বিচ্ছেদ এইবিলাক কিন্তু আজিৰ দিনত ইতিমধ্যে এই খন বিধান সভাতে যোৱা বছৰ এইবোৰ পাছ কৰিছো আৰু এইবোৰ কাৰ্য্যকৰী হৈ আছে ।আমি বাল্যবিবাহ ৰোধ কৰাৰ কাৰণে মুখ্যমন্ত্ৰী মহাশয়ে বিশেষ পদক্ষেপ লৈছে আৰু সেই পদক্ষেপৰ জৰিয়তে কাজি প্ৰথাক ৰোধ কৰা হৈছিল । মই আৰু এটা কথা কবলৈ বিচাৰিছো আমাৰ মাননীয় বিধায়ক শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াই কৈছিলে যে ইয়াৰ কেইবাটাও

অনুচ্ছেদ আমাৰ ইছলাম ধৰ্মৰ ধৰ্ম গ্ৰন্থ কোৰাণৰ লগত Contradictory হৈছে । মই অনুৰোধ কৰিম যে কোৰাণৰ লগত Contradictory থকা অনুচ্ছেদ বোৰ ইয়াৰ পৰা বাদ দিব লাগে। আমাৰ AIUDF ৰ বিধায়ক শ্ৰী মজিবুৰ ৰহমানে কৈছিলে যে আমাক সংখ্যালঘু বুলি সকলো সময়তে কোৱা হয়। সংখ্যালঘু মানে হৈছে কম সংখ্যক। আৰু আমি অসমত কম সংখ্যক মানুহ আছো গতিকে আমাৰ কাৰণে নিচ্চিত ভাৱে UCC ত কিছু ৰেহাই দিয়া হয় তেতিয়া হলে নিচ্ছিত ভাৱে দুই এটা পৰিয়ালক বাদ দি, ইয়াত যি এটা আভাষ সৃষ্টি কৰিব বিচৰা হৈছে মই ভাৱো সেইটো আমাৰ জাতিৰ কাৰণে ঠিক নহয়। গতিকে মই এই ক্ষেত্ৰত কিছু ৰেহাই বিচাৰি মোৰ ভাষণ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া শ্ৰীমতী ৰূপালী লাংথাচা।

**শ্ৰীমতী ৰূপালী লাংথাচা, ( হাফলং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি আমাক মহিলা সকলক UCC ৰ ওপৰত আলোচনা কৰিবলৈ যি সুযোগ দিছে সেই সুযোগটো মই গ্ৰহণ কৰিব বিচাৰিছো । মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ বহুতো সদস্যই এইটো সুধিছে যে জনজাতীয় লোক সকলক UCC ৰ আওতাৰ পৰা কিয় বাহিৰত ৰখা হৈছে। মই ইয়াৰ উত্তৰ হিচাপে কব খোজো যে জনজাতীয় সমাজ খনক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচী অনুযায়ী স্বায়ত্ব শাষিত পৰিষদ হিচাপে ৰখা হৈছে। আৰু আমাক বিশেষ কিছুমান ক্ষমতা দিয়া হৈছে

আইন বনাবলৈ। আৰু আমাৰ পৰিষদৰ ভিতৰত যি বিভিন্ন জাতি জনগোষ্ঠী বাস কৰে তেওঁলোকৰ বিভিন্ন ধৰণৰ ৰীতি নীতি আছে। যেনেকৈ মই ডিমাচা সমাজৰ পৰা আহিছো আৰু আমাৰ ডিমাছা সমাজত যেনেকৈ জিলা ন্যায়ালয়, উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয় আছে, ঠিক তেনেকৈ আমাৰ সমাজত প্ৰথমতে খুমাং ৰ ব্যৱস্থা আছে ইয়াৰ পিছত চালিচৰ ব্যৱস্থা আছে আৰু ইয়াৰ পিছত জিলা বিলাকত পৰম্পৰাগত কোৰ্ট আছে। আৰু এই ব্যৱস্থা বোৰৰ কাৰণে আমাৰ জনজাতীয় সমাজ খনক এই UCC আইনৰ পৰা বাহিৰত ৰখা হৈছে। ইয়াৰ লগতে মই যিমানখিনি জানো এই অসমত যিমানবোৰ জনজাতীয় লোক আছে এই জনজাতীয় লোক সকলৰ মাজত কতোৱে বহু বিবাহৰ প্ৰচলন নাই। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্যা শ্ৰীমতী নিলীমা দেবী।

**শ্ৰীমতী নিলীমা দেৱী, মঙ্গলদৈ** ঃ মাননীয় অধ্যক্ষ মহোদয় আৰু শ্ৰদ্ধাৰ সদন। মোক আজি দ্বিতীয় বাৰৰ বাবে সদনত বক্তব্য ৰাখিবৰ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিলোঁ। আইনত বহুত কথা আছে, কোৰাণত বহুত কথা আছে, সঁচা। কিন্তু কিছুমান কেতিয়াবা আমি মানৱীয়তাৰ দিশৰেও চাব লগীয়া প্ৰয়োজন হৈ পৰে। ইয়াত ইউ চি চি বিলখনৰ কথা কৈ আছে, সেই বিলখন মই অন্তৰৰে গ্ৰহণ কৰো আৰু সমৰ্থন কৰো। কিয়নো যিটো কৈ আছে লিভিং ৰিলেশ্যন।

ইতিমধ্যে এজন বক্তাই কৈছে, আমাৰ পৰিয়ালৰ এজনী ছোৱালী কৰবালৈ গৈ অচিনাকী পুৰুষ এজনৰ লগত যেতিয়া থাকিব, পিছত যেতিয়া পৰিয়ালে গম পাই, এইটো পৰিয়ালত এটা বেয়া প্ৰভাৱ পৰে, অকল পৰিয়ালতে নহয় সমাজখনতে এটা বেয়া প্ৰভাৱ পৰাৰ সম্ভৱনা থাকে, যিয়ে নেকি আমাৰ সংস্কাৰত আঘাট হানি পাৰে। তাৰোপৰি সেইসময়ত তেনেকৈ থাকোতে এটা সন্তান জন্ম হয়, সেই সন্তানটোক কি কৰিব তেতিয়া, ৰাইজৰ আগত ক'ব নোৱাৰে যে মই বিয়া নোহোৱাকৈ এই সন্তানটো জন্ম দিলো। তেতিয়া সন্তানটো আমি ক'ত দেখিছো কচুৰ তলত পৰি আছে, কৰবাত জাৰণিত পেলাই থৈ গৈছে। এনেকুৱা ধৰণৰ আমি দেখিবলৈ পাইছো। তাৰোপৰি সন্তানটো ৰাখিব লগীয়া হয়, ৰাইজে সমাজ পাতি বিচাৰ কৰিব, য'ত নেকি সমাজে কোনো সমাধান দিব নোৱাৰে, যাৰ ফলত আইনৰ সহায় ল'বলগীয়া হয় আৰু আইনৰ সহায় লোৱাৰ লগে লগে ক্ৰমান্বয়ে দিঘলীয়া এটা প্ৰচেচ পৰে। গতিকে তেনেকুৱা প্ৰভাৱ কিছুমানৰ কাৰণে আচলতে লিভিং ৰিলেশ্যনৰ যিটো কথা কৈ আছো আমি সেইটো বন্ধ হ'ব লাগে।

তাৰোপৰি কৈছে – সম্পত্তিৰ অধিকাৰ। কন্যা সন্তান আৰু লৰা সন্তান। হয়, কন্যা সন্তান আৰু লৰা সন্তান দুয়োটাই সমানে অধিকাৰ পাব লাগে , এইটো ময়ো বিচাৰো। তাত কোনো ভাগ বতৰা হ'ব নালাগে, সন্তান সন্তানে। কিন্তু লগতে এইটোও ক'ব বিচাৰো লৰাজনে যদি মাতৃ-পিতৃক বৃদ্ধ বয়সত চাব পাৰে, কন্যা সন্তানেও সম্পত্তিৰ

অধিকাৰ লৈ কন্যা সন্তানৰো মাতৃ-পিতৃক  বৃদ্ধ বয়সত চোৱাৰ অধিকাৰ আছে, গতিকে চাব লাগিব।

তাৰোপৰি মই আৰু এটা কথা ক'ব বিচাৰো, যিটো বহু বিবাহ। বহু বিবাহ এইটো বন্ধ কৰা বুলি কৈছে। বহু বিবাহ এজন পুৰুষে এগৰাকী পত্নী থাকোতে আন এগৰাকীক যেতিয়া বিয়া কৰাব, এগৰাকী নাৰীয়েহে বুজি পাব মনত কিমান আঘাট, সেই পৰিতাপ তেওঁলোকে কেনেকৈ সহ্য কৰিব পাৰে। গতিকে এই পদ্ধতি ইতিমধ্যে বন্ধ কৰাৰ যিটো প্ৰচেষ্টা, এইটো বন্ধ হ'বই লাগিব।

তাৰোপৰি যদি এই ইউ চি চি খন এনেধৰণে গ্ৰহণ বা সমৰ্থন কৰা হয়, তেতিয়া হলে মই বিৰোধীসকলকো অনুৰোধ জনাইছো, তেখেতসকলৰো কন্যা সন্তান আছে। গতিকে তেখেতসকলৰ কন্যা সন্তান সকলৰ কথাখিনি চিন্তা কৰি অন্তত সমৰ্থন কৰক, যাতে এই সমাজত যিবিলাক কু-প্ৰভাৱ, সেই কু-প্ৰভাৱবিলাক যাতে নাথাকে, তাৰ প্ৰতি আমি চিন্তা কৰিব লাগিব।

চুইচাইড কেছ, বিভিন্ন ধৰণৰ যিবিলাক ঘটনা ঘটি আছে, তেনেকুৱা ঘটনা নঘটক আৰু ইউ চি চি বিলখন গ্ৰহণ কৰি, সমৰ্থন কৰি সকলোৱে আমি সংস্কাৰপূৰ্ণ সমাজ এখন যাতে গঢ় দিব পাৰো, তাৰ বাবে সকলোৱে আমি প্ৰচেষ্টা চলাব লাগিব। এই বিলখন মই পুনৰবাৰ সমৰ্থন কৰি মোৰ কবলগীয়াখিনি কৈ মই সামৰণি মাৰিছোঁ।

**माननीय अध्यक्ष** ঃ এতিয়া সন্মানীয় সদস্য শ্ৰী ঋষিৰাজ হাজৰিকা।

**শ্ৰী ঋষিৰাজ হাজৰিকা, ৰঙানদী** ঃ  মাননীয় অধ্যক্ষ মহোদয়, নৱ-নিৰ্বাচিত বিধায়ক হিচাপে আজি আপুনি আমাক এই পবিত্ৰ সদনত এটা গুৰুত্বপূৰ্ণ বিষয়ত বক্তব্য ৰাখিব দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো আৰু মই বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ  মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক । যিহেতু মই যি ঠাইৰ পৰা প্ৰতিনিধিত্ব কৰিছো ৰঙানদী বিধান সভা সমষ্টি । সেই অঞ্চলৰ বিভিন্ন অঞ্চলত প্ৰতিদিনাই নিজৰ পৰিচয় লুকুৱাই বহু বিবাহত আক্ৰান্ত হোৱা এনেকুৱা বহু মই ভনী বাইদেউ লগ পাওঁ, আমাৰ ওচৰলৈ তেওঁলোকে সমস্যা সমূহ লৈ আহে । মই ভাৱো, কাৰণ আমি দেখিবলৈ পাইছো যোৱা কালি যেতিয়া বিধান সভাত নাৰী শক্তি বিধেয়কৰ ওপৰত  আলোচনা হৈছিল, তেতিয়া কংগ্ৰেছ দলৰ দুই এজন বিধায়কে কৈছিলে যে তেওঁলোকৰ কংগ্ৰেছৰ দিনত মহিলাৰ কাৰণে বহু কৰিলে  বুলি কয়। কিন্তু যেতিয়াই বিধেয়ক কথা আহে, নাৰী সুৰক্ষাৰ কথা আহে, তাত তেখেতসকলে আকৌ বিৰোধীতা কৰে । আজি যদি তেখেতসকলে নাৰী শক্তিক সঁচাকৈ সন্মান কৰে, মই ভাৱো এই ইউ চি চিৰ জৰিয়তে আটাইতকৈ যদি কোনোৱা শ্ৰেণী লাভন্বিত হ'ব, আটাইতকৈ যদি কোনোৱা শ্ৰেণী সন্মানীত হ'ব,  এয়া নাৰী শক্তি  আৰু তেখেতসকলে নাৰী শক্তিৰ সন্মান দেখুৱাৰ স্বাৰ্থত ৰাজনীতিৰ উৰ্দ্ধত গৈ আজি ইউ চি চি

তেখেতসকলে সমৰ্থন কৰিব লাগে । মই ভাৱো বিধেয়ক কোনো বিশেষ সম্প্ৰদায়ৰ বিপক্ষে নহয়। ই অসমৰ প্ৰতিজন মাতৃ- ভগ্নী আৰু কন্যা অধিকাৰ সুৰক্ষাৰ এক ঐতিহাসিক অংগীকাৰ। মই ভাৱো ধৰ্ম পৃথক হ'ব পাৰে কিন্তু অধিকাৰ পৃথক হ'ব নোৱাৰে আৰু এয়াই হৈছে ইউ চি চিৰ মুল আত্মা আৰু মই ভাবোঁ সেই কাৰণে মই ক'ব বিচাৰিছোঁ যে আমি দেখিবলৈ পাইছোঁ এজন বিধায়কে যোৱাকালিও মিডিয়াৰ আগত তেওঁ যুৱ প্ৰজন্মৰ কথা কৈ কৈ তেওঁ কৈছে যে লিভিং ৰিলেশ্যনশ্যিপত যদি পঞ্জীয়নভুক্ত হয় যুৱ প্ৰজন্মই বিৰোধ কৰিব বুলি কৈছে। মই এজন যুৱ প্ৰজন্মৰ প্ৰতিনিধি হিচাপে ক'ব বিচাৰোঁ যে মই হিন্দু সনাতনী সভ্যতাত জন্ম গ্ৰহণ কৰা এজন যুৱক হিচাপে গৌৰৱেৰে ক'ব বিচাৰোঁ অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যি বিধেয়ক আনিছে এই বিধেয়কৰ জৰিয়তে আমাৰ মা-ভনী-বাইদেউসকলক যি সামাজিক সুৰক্ষা, যি সামাজিক ন্যায় প্ৰদান কৰাৰ নিমিত্তে এই বিধেয়কে কাম কৰিব মই ভাবোঁ অসমৰ প্ৰত্যেকজন যুৱ প্ৰজন্মই এই সমৰ্থন জনাব বুলি মই বিশ্বাস ৰাখিছোঁ।

অসমৰ যুৱ প্ৰজন্মই নিজৰ মাতৃ-ভগ্নীৰ লগত হোৱা অন্যায় কেতিয়াও প্ৰশ্ৰয় দিব নিবিচাৰে আৰু সেয়েহে মই এজন যুৱ প্ৰজন্মৰ বিধায়ক হিচাপে গৌৰৱেৰে আজি এই ইউনিফৰ্ম চিভিল ক'ড বিধেয়কক সমৰ্থন জনাবলৈ পাই মই গৌৰৱ অনুভৱ কৰি মোৰ

জীৱনৰ এটা ঐতিহাসিক দিন হিচাপে ৰ'ব বুলি আজি মই পুনৰ এবাৰ মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰি অধ্যক্ষ ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰণি জনাইছোঁ। ধন্যবাদ। ভাৰত মাতা কি জয়।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ । এতিয়া সন্মানীয় সদস্য শ্ৰী ধীৰাজ গোৱালা।

**শ্ৰী ধীৰাজ গোৱালা, তিতাবৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, ড০ হিমন্ত বিশ্ব শৰ্মা দেৱৰ নিৰ্বাচনৰ পূৰ্বে যি প্ৰতিশ্ৰুতি আছিল, উক্ত প্ৰতিশ্ৰুতিক আখৰে আখৰে পালন কৰাৰ তেখেতৰ যিটো ধাৰাবাহিকতা ৰক্ষা কৰি যি ইউনিফৰ্ম চিভিল ক'ড অসম বিল ২০২৬, সেই বিলক সমৰ্থন কৰিবলৈ পাই মই অতিকৈ গৌৰৱ অনুভৱ কৰিছোঁ আৰু গৌৰৱ অনুভৱ কৰিছো এইটো বাবে যে ভাৰতবৰ্ষৰ ভিতৰতে তৃতীয়খন ৰাজ্য হিচাপে এই বিধান সভাত অসমৰ ঐতিহাসিক আৰু যোগান্তকাৰী ক্ষণৰ সাক্ষী হ'বলৈ পাই নিজে গৌৰৱ অনুভৱ কৰিছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, মই ভাবোঁ যে অসমৰ প্ৰতিটো জাতি জনগোষ্ঠীয়ে কোনো ধৰণৰ অসুবিধা নোহোৱাকৈ ইউচিচি বিলখনক সমৰ্থন কৰিব আৰু ইয়াত জনজাতীয় লোকসকল বা চাহজনগোষ্ঠীয় সমাজখনেই হওক, মই ভাবোঁ যে সকলোৰে এই বিলখনৰ প্ৰতি সম্পূৰ্ণ সমৰ্থন এইটো কাৰণেই থাকিব, কাৰণ সমাজত স্বচ্ছতা আৰু ক্ষমতা

স্থাপনৰ ক্ষেত্ৰত এই বিলখনৰ প্ৰয়োজনীয়তা আমি সকলোৱে অন্তৰকৰণেৰে অনুভৱ কৰোঁ।

মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি এই সদনত দৃষ্টিগোচৰ কৰিব বিচাৰিম যে এনেকুৱা বহু ঘটনা আমাৰ দৃষ্টিগোচৰ হৈ থাকে। আমি সদায় এনেকুৱা ঘটনাবিলাক ওচৰৰ পৰা প্ৰত্যক্ষ কৰি আছোঁ যে ধৰ্মীয় পৰিচয় গোপন কৰি বিশেষ ধৰ্মাৱলম্বীৰ একাংশ লোকে কেনেকৈ কিছুমান নিৰীহ যুৱতীক বিবাহৰ যোগেদি ধৰ্মান্তৰণ কৰি থকাৰ যিটো প্ৰক্ৰিয়া, এইটো এটা মিছন আকাৰত সমগ্ৰ অসমত চলি আছে। মই উজনি অসমৰ তিতাবৰ বিধান সভাৰ পৰা প্ৰতিনিধিত্ব কৰিছোঁ আৰু মই নিজেই এজন ছাত্ৰ সংগঠনত থকা অৱস্থাত এনেকুৱা বহু ঘটনা মই প্ৰত্যক্ষ কৰিছোঁ যে  কিমান পৰিকল্পিতভাৱে তেওঁলোকে নিজৰ যি আধিপত্য, সেই আধিপত্য বিস্তাৰৰ বাবে কেনেকৈ বিভিন্ন নিৰীহ যুৱতীক প্ৰলুভিত কৰি নিজৰ ধৰ্মীয় পৰিচয় গোপন কৰি কেনেকৈ তেওঁলোকে বিবাহৰ যোগেদি ধৰ্মান্তৰণ কৰে, তেনেকুৱা বহু ঘটনাৰ আমি সাক্ষী আছোঁ।

মই ভাবোঁ যে ইউচিচি প্ৰণয়নৰ পিছত নিশ্চিতভাৱে এইবিলাক ক্ষেত্ৰত এই আইনখনে আমাৰ বিভিন্ন জনজাতীয় নাইবা চাহজনগোষ্ঠীয় নাইবা সৰ্বসাধাৰণ অসমীয়া যুৱতীসকলক এই ক্ষেত্ৰত সকাহ দিব। এই আইনৰ জৰিয়তে সেই যুৱতীসকল উপকৃত হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান আমাৰ চৰকাৰখনে বিগত সময়ত যিসমূহ কাম কৰিছে সেই কামসমূহৰ লগে লগে জনকল্যাণমূলক বিভিন্ন আচঁনিৰ লগতে অসমৰ বিভিন্ন জাতি জনগোষ্ঠীৰ প্ৰতি সমমৰ্যদা, সমবিকাশ আৰু প্ৰতিটো জাতি জনগোষ্ঠীৰ আবেগ অনুভূতিক গুৰুত্ব দি প্ৰতিটো জাতিজনগোষ্ঠীৰ সাংস্কৃতিক ঐতিহ্যক গুৰুত্ব দি চৰকাৰে বিগত সময়ত যিসমূহ কাম কৰিছিল, তাৰ লগে লগে চৰকাৰৰখনৰ বিগত সময়ত ইউচিচিৰ দৰে এটা খুব প্ৰয়োজনীয় এটা বিষয়ৰ জৰিয়তে নিৰ্বাচনত চৰকাৰখন নাইবা ভাৰতীয় জনতা পাৰ্টী দল আগবাঢ়িছিল আৰু তাৰ পিছত ৪ মে’ ৰ যিটো মেণ্ডেট আছিল আৰু অসমৰ ৰাইজৰ। আৰু সেই মেণ্ডেটে স্পষ্ট কৰি দিছিল যে এই বিধান সভাত এনে ধৰণৰ অসমৰ বৃহত্তৰ স্বাৰ্থক অসমৰ জাতীয় জীৱনৰ অত্যান্ত প্ৰয়োজনীয় বিষয়সমূহত। বিধান সভাই যাতে সদায় যিসকলে বিৰোধিতা কৰে নাইবা সদায় যিসকলে অসমখনৰ সোঁতৰ বিপৰীতে চিন্তা কৰে আৰু তেওঁলোকৰ এজেণ্ডামতে কাম কৰে তেওঁলোকে বিৰোধিতা কৰাৰ পিছতো যাতে এনে ধৰণৰ বিধেয়ক সমূহ গৃহীত হ'ব পাৰে তাৰ কাৰণে মই ভাৱো যে অসমৰ ৰাইজে ৪ মে'তে মেণ্ডেট দিছে এই চৰকাৰখনক। আৰু তাৰবাবে মই ভাবোঁ যে আচলতে মই বিৰোধী পক্ষৰ ইয়াত যি সকল বিধায়ক আছে, মই প্ৰথমবাৰ অসম বিধান সভলৈ আহিছোঁ, অধ্যক্ষ মহোদয় আৰু মই যেতিয়া বিৰোধী পক্ষৰ এগৰাকী মহিলা বিধায়ক আছে যেতিয়া তেখেত

থিয় হৈছিলে মই ভাবিছিলোঁ যে মহিলা সকলৰ স্বাৰ্থত আৰু যিখন বিধেয়কে মহিলা সকলক আটাইতকৈ বেছি সুৰক্ষিত কৰিব আৰু মই ভাবিছিলোঁ যে একমাত্ৰ মহিলা বিধায়িকা গৰাকীয়ে হয়তো এই বিধেয়ক খনক সমৰ্থন কৰিব। আৰু এইটো কিন্তু দুৰ্ভাগ্যজনক অধ্যক্ষ মহোদয়, যে তেখেতে এই যিটো ব্যৱস্থাৰ মাজত তেখেত আছে যাৰ কাৰণে হয়তো তেখেতে এইটো সাহস কৰিব নোৱাৰিলে । যে যিখন বিধায়কে আটাইতকৈ বেছি যাক সুৰক্ষিত কৰিব যি সকল শোষিত, প্ৰতাৰিত মহিলাক আটাইতকৈ বেছি যি খন বিধেয়কে সুৰক্ষা প্ৰদান কৰিব সেই বিধায়ক খনৰ সপক্ষে তেখেতে যে কথা কব নোৱাৰিলে আমাৰ কাৰণে দুৰ্ভাগ্যজনক। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** :- ধন্যবাদ।

**শ্ৰীমতী বেবী বেগম, ধুবুৰী** :- মই কাকো ভয় খাই কোৱা নাই। আপুনি কটু কথা

নকব।

**মাননীয় অধ্যক্ষ** :- হ'ব বাইদেও, হ'ব,ধন্যবাদ। এতিয়া হিমাংশু শেখৰ বৈশ্য।

**শ্ৰীহিমাংশু শেখৰ বৈশ্য, পলাশবাৰী :-** ধন্যবাদ অধ্যক্ষ মহোদয়, আজি মই আমাৰ ইউচিচিৰ ওপৰত দুষাৰ কব দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছোঁ। অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী মহোদয়ক

আজি এই বিধেয়কখন উৎথাপন কৰা কাৰণে মই ধন্যবাদ জনাইছোঁ। The Uniform Civil Code of Assam, 2026. “A bill to govern and regulate the law relating to marriage and divorce, succession, live-in relationship and for matters concerned therewith or incidental there to.” “Whereas for giving effect to the policy of the State for securing the principles specified in Article 44 of the Directive Principles of the Constitution of India. ইউচিচিৰ বিলৰ ওপৰত মই যিখিনি বিষয়ত ছাপ'ৰ্ট কৰি কিছু কথা মই ক'বলৈ বিচাৰিছোঁ তাৰ ভিতৰত পোন প্ৰথমে এটা কথা ক'বলৈ বিচাৰোঁ যে আজি যিহেতু ক্ৰিমিনেল এটা ইউনিফৰ্ম ল' হিচাপে সকলোৱে আমি মানি চলিছোঁ তো ইউচিচিৰ আমি এই ইউচিচি বিলখন মানি লোৱাৰ ক্ষেত্ৰত আমাৰ আপত্তি কি আছে সেই কথাটো মই বিৰোধী পক্ষক সুধিবলৈ বিচাৰিছিলো। ইউচিচি এখন এনেকুৱা বিল যি সকলো ধৰ্ম বা সকলোকে এটা সমান চকুৰে চোৱাৰ এটা পৰিৱেশ আমাক আনি দিব । যোৱাকালি নাৰী শক্তিৰ ওপৰত বিভিন্ন কথা আলোচনা কৰা হৈছে আৰু এই বিলখনে নাৰীক শক্তিশালী কৰাৰ ক্ষেত্ৰত বিভিন্ন ক্ষেত্ৰত যাতে আমি দেখা পাইছোঁ যে শক্তিশালী কৰাৰ ক্ষেত্ৰত বা নাৰীক প্ৰটেকশ্যন দিয়াৰ ক্ষেত্ৰত বিভিন্ন এটা বিষয় উৎথাপন কৰা হৈছে বা নাৰীক প্ৰটেকশ্যন দিয়াৰ বিভিন্ন দিশ দেখা পাইছোঁ । ইউছিচিৰ জৰিয়তে আমি যদি ৰিলিজিয়াচ ইকোৱেলিটিৰ কথা হ'ল সেই

ৰিলিজিয়েল ইকোৱেলিটিটো ইয়াতে আমি মেণ্টেইন হোৱা দেখা পাইছোঁ । ইউচিচিৰে বহুবিবাহ যিটো আমাৰ যিকেইটা বিতৰ্ক সেইবিলাক বহুবিবাহ বন্ধ হ'ব লাগে আমি সকলোৱে কৈ থাকোঁ। সেইবিলাক বহুবিবাহ বন্ধ হোৱাৰ ক্ষেত্ৰত এটা মূল ভূমিকা পালন কৰিব। তাৰোপৰিও ইউচিচিয়ে যি আমাৰ যি নাৰীৰ শক্তিৰ কথা আমি কৈছো, আজি নাৰী সকলক যেতিয়া property dispute বা যিখিনি আমাৰ নাৰীক property protection দিয়াৰ ক্ষেত্ৰত যদি আমি চাবলৈ যাও এই UCC Bill খন অহাৰ পিছত নাৰীয়ে ৫০ শতাংশ property right পাব বিয়া হোৱাৰ পিছত বা বিভিন্ন ক্ষেত্ৰত। গতিকে এইটো এটা খুব গুৰত্বপূৰ্ণ বিষয় যি কাৰণতে আজি এই ইউচিচি বিলখন মই ছাপ'ৰ্ট কৰিবলে বিচাৰিছোঁ। তাৰোপৰি ত্ৰিপোল তালাকৰ দৰে বিষয় এই ইউছিচি বিলখনৰ জৰিয়তে আমি নাইকীয়া কৰিব পাৰিম । মোৰ বিশ্বাস যিহেতু মই যুৱ প্ৰজন্মৰ এগৰাকী প্ৰতিনিধি ইউচিচিয়ে ভৱিষ্যতৰ প্ৰজন্মক এই বিলখনৰ জৰিয়তে সুৰক্ষিত কৰিব পাৰিব আৰু ভৱিষ্যত আৰু শক্তিশালী আমাক কৰিব পাৰিব এই বিলখনৰ জৰিয়তে যেতিয়া ইউ চি চি ৰ নিয়মসমূহৰ মাজেৰে আমি গৈ থাকোঁ। আৰু সকলোতকৈ এটা গুৰুত্বপূৰ্ণ বিষয় যি এটা বিৰোধীয়ে বিভিন্ন অপপ্ৰচাৰ চলাব বিচাৰিছে লিভ ইন ৰিলেশ্যনটোক লৈ । লিভ ইন ৰিলেশ্যনৰ ক্ষেত্ৰত যিহেতু আমি যুৱ প্ৰজন্মৰ প্ৰতিনিধি আৰু আমাৰ বয়সৰ যিসকল ল'ৰা ছোৱালী আছে আমি দেখা পাওঁ গম পাওঁ

ঘটনাবিলাক শুনো লিভ ইন ৰিলেশ্যনৰ ক্ষেত্ৰত কি কি অসুবিধা আহি পৰিব বা কি কি সমাজ খনত চলি আছে। যদি আমি চাবলৈ যাওঁ লিভ ইন ৰিলেশ্যনত থকা সকলে এতিয়া ৰেজিষ্টাৰ কৰিব লাগিব। সেয়া এটা খুব ভাল কথা আজি বহুতে কৈছে যে লিভ ইন ৰিলেশ্যনৰ ক্ষেত্ৰত তেখেত সকলে fundamental right ৰ কথা কৈছে বা কিবা কৈছে কিন্তু মই আকৌ ক'ব বিচাৰিছোঁ যে বাহিৰত থকা কোন মাক-দেউতাকে নিজৰ ল'ৰা ছোৱালীয়ে লিভ ইনত থকাটো বিচাৰিছে, সেইটো কোনেও নিবিচাৰে। কিন্তু আজিৰ তাৰিখত এনেকুৱা পৰিবেশ বহুতৰ ঘৰৰ ল'ৰা ছোৱালীয়ে থাকিব দিয়া বাধাৰ পিছতো বা লিভ ইনত থাকিবলৈ মানা কৰাৰ পিছতো কিন্তু লিভ ইনত থাকা আমি দেখা পাওঁ। বা বহুত এনেকুৱা ঘটনা আছে বা বহুত চাগে আমাৰ মাজতো এনেকুৱা চিনাকি মানুহ আছে যাৰ ঘৰৰ মানুহ লিভ ইনত আছে। কিন্তু তাৰপিছতো উপায় নাপায় বাধ্যত পৰি আমি চাগে কৰোবাত নহয় কৰোবাত মানিব লগীয়া হয়। কিন্তু মই বিৰোধীসকলে যি সকলে এই বিলখনক অপচ কৰি আছে মই ক'ব বিচাৰিছোঁ যে যদি কোনোবা নাভাবাৰ পিছতো বা আমি নিবিচাৰাৰ পিছতো যদি কোনোবা বাহিৰা দেশত বা আমাৰ অসমতে হওঁক বা বিভিন্ন ঠাইত যদি কোনোবা লিভ ইনত আছে তাৰ পিছত আমি ইচ্ছা মতে নথাকাৰ পিছতো যদি কোনোবা আছে সেই থকা লোকসকলে আমি প্ৰটেকশ্যনত থকাটো আমি নিবিচাৰো নেকি ? এই ইউচিচিৰ জৰিয়তে লিভ ইনত থকা ল'ৰা ছোৱালীয়ে যে এটা

প্ৰটেকশ্যনৰ মাধ্যমত থাকিব পাৰিব বা লিভ ইনত থাকিলে যি সন্তান জন্ম হয় সেই সন্তানটোৰ যে দায়িত্বৰ কাৰণে বা সন্তানটোৰ প্ৰটেকশ্যনৰ কাৰণে যে এটা ৰুল বনোৱা হৈছে সেইটো কি তেখেত সকলে চাপোৰ্ট নকৰে নেকি, সেইটো কি বেয়া কথা নেকি ? এই ভাল কথা সমূহক তেখেত সকলে মানিব বিচৰা নাই তেখেত সকলে এটা বেলেগ লাইনত এই বিলখন লৈ যাবলৈ বিচাৰিছে। মই সেইকাৰণে পুনৰবাৰ মাননীয় মুখ্যমন্ত্ৰী অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী এই বিলখন বিধান সভাৰ মজিয়াত অনাৰ কাৰণে মই অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি আৰু মোক আজি এই বিষয়টোৰ ওপৰত দুষাৰ কবলৈ দিয়া বাবে মই অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ** :- ধন্যবাদ। এতিয়া ডাঃ জয় প্ৰকাশ দাস।

**ডাঃ জয় প্ৰকাশ দাস, নাওৈবচা** :- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সমৰূপ নাগৰিক সংহিতা অসম বিধেয়ক, ২০২৬ খন যি আমাৰ পবিত্ৰ সদনত উপস্থাপন কৰিলে তাৰ সন্দৰ্ভত মই দুষাৰ মান ক'ব বিচৰিছোঁ। মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে কোৱা শুনিছিলো ৰক চকেতো ৰ'ক লো, আৰু এইবাৰো তেখেতে কলে যোৱা কালি ৰ'ক চকেতো ৰ'ক লো, আৰু মাননীয় সদস্য দীপ্লু ৰঞ্জন শৰ্মা ডাঙৰীয়াই কলে যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে

১০২ টা মেণ্ডেট হোৱাৰ কাৰণে আমি আমাৰ বি জে পি এঁকৈছ নম্বৰ যিটো মেনিফেষ্টত আমি দিছিলোঁ সেই ইউ চি চি খন ইয়াত আজি প্ৰণয়নৰ কাৰণে আমি দিছো। কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আৰু এটা কথা কৈছিলে মোৰ মনত পৰে যেতিয়া ইউ চি চিৰ কথা ওলাইছিলে সেই ইউ চি চিৰ ওপৰত মানুহ অজ্ঞ আচলতে আমিও এতিয়াও সম্পূৰ্ণভাৱে পঢ়িব নোৱাৰিলো। আচল কথাটো পৰহি যেতিয়া আমি ড্ৰাফ্ট পালোঁ মাননীয় অধ্যক্ষ মহোদয়, আমি পঢ়িবই ভালকে নোৱাৰিলো। আৰু তাতোকৈ ডাঙৰ কথা এই ইউ চি চি ত কি আছে ভিতৰত এই বিষয়ত অসমৰ ৰাইজ এতিয়া কিন্তু অজ্ঞ। এতিয়া মোৰ মনত পৰে এটা মন্তব্যলৈ যেতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইউ চি চি ওলাব ইউ চি চি ওলাব বুলি কৈছিলে তেতিয়া ট্ৰাইবেল সমাজৰ মাজত আশাংকা হৈছে। তেতিয়া এই আমাৰ বি টি চি ত হাগ্ৰামা মহিলাৰীয়ে বংগীয়া সুৰৰে কলে যে ট্ৰাইবেল সমূহে চিন্তা কৰিব নালাগে আমি দুই তিনিটা ৰাখিব পাৰিম। তাৰমানে কিমান অজ্ঞতা ? আমি কিমান অজ্ঞা হৈ আছো। সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আম্বেদকাৰৰ সপোনৰ কথা কৈছে, আম্বেদকাৰ ডাঙৰীয়াৰ সপোন পূৰ্ণ হ'ব বুলি কৈছে কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কোৱাৰ দৰে আম্বেদকাৰৰ সপোন এনেধৰণে forcefull imposition টো তেখেতে বিচৰা নাছিল। তেখেতে বিচৰিছিল সকলো ষ্টেকহ'লদাৰৰ লগত সকলো পক্ষৰ লগত যি আইনজ্ঞ হওক

যি বিভিন্ন জাতি ধৰ্মৰ নেতাসকল হওক student organisation হওক, media representative সকল হওঁক সকলোৰ লগত এটা বিশদ ভাৱে আলোচনা কৰি যাতে এই ইউ চি চি খনৰ কথা তেখেতে কৈছিল। তেখেতে বিচাৰিছিল সকলো পক্ষৰ লগত, আইনজ্ঞই হওঁক বা বিভিন্ন জাতি-ধৰ্মৰ নেতাসকলৰ লগতেই হওঁক বা Students Organization য়ে হওঁক বা media representative সকলৰ লগতেই হওঁক, সকলোৰে লগত UCC ৰ ওপৰত বিশদভাৱে আলোচনা কৰা। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, ২০১৮ চনত ২১ নং Law Commission আহিল। এই ২১ নং Law Commission ত স্পষ্টভাৱে কৈছে যে এই মূহূৰ্তত ভাৰতবৰ্ষৰ উমৈহতীয়া দেৱানী বিধি UCC ৰ কোনো প্ৰয়োজন নাই আৰু গ্ৰহণযোগ্যও নহয়। তাৰ সলনি প্ৰত্যেকটো ধৰ্মৰ আইন সমূহৰ ভিতৰত থকা কু-প্ৰথাবোৰ, বৈষম্যমূলক দিশবোৰ আলোচনাৰ যোগেৰে সংশোধন কৰিব লাগে। আমাৰ বিধান সভাই বহু বিবাহ আইন আনিছে, বাল্য বিবাহৰ বিৰুদ্ধে যুঁজিছে, আইন আনিছে তাৰ পিছতো আজি এই আইনখন কিয় আনিবলগা হ'ল ? ইয়াত Uniform Civil Code বুলি কোৱা হৈছে but I have not seen any uniformity in this Bill. যদি uniformity থাকিলেহেঁতেন তেন্তে কিয় tribal সকলক আঁতৰাই ৰখা হ'ল ? যদি UCC bill ভালেই হয় তেন্তে tribal সকলেও পাব লাগে। আমাৰ মাননীয় সদস্য ৰবিৰাম নাৰ্জাৰী, বিশ্বজিৎ দৈমাৰীয়ে কৈছে যে tribal সকলৰ autonomy আছে। আমি ইয়াক

সন্মান কৰিছো। কিন্তু বহু বিবাহ বন্ধ কৰাটো  tribal সকলে বিচৰা নাই নেকি ? বিবাহ পঞ্জীয়ন tribal সকলে বিচৰা নাই নেকি ? সম্পত্তিৰ যে অংশীদাৰ হ'ব সেয়া tribal সকলে বিচৰা নাই নেকি ? সেয়েহে মাননীয় অধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছো যে UCC ৰ ক্ষেত্ৰত Article-14 Equality before Law খৰ্ব কৰা হৈছে । অসমৰ ৰাইজ, অসমৰ সমাজবিজ্ঞানী, অসমৰ আইনবিদ, অসমৰ ছাত্ৰ-ছাত্ৰী সকলোৰে লগত সুন্দৰভাৱে আলোচনা কৰি যদি UCC billখন আগবঢ়োৱা হ'লহেঁতেন তেন্তে নিশ্চিতভাৱে আৰু এখন ভাল আইন পালোহেঁতেন । কিন্তু মোৰ অনুভৱ মাননীয় মুখ্যমন্ত্ৰীৰ যি জেদ, *rok sakoge toh rok lo,* পূৰণ কৰাৰ বাবেই আজি প্ৰথম বিধান সভাত অনা বুলি মই অনুভৱ কৰিছো । অধ্যক্ষ মহোদয়, আজি গোটেই পৃথিৱীতে অৰ্থনৈতিক বিপৰ্য্যয় হৈছে। মাননীয় প্ৰধানমন্ত্ৰীয়ে তেল কমকৈ খোৱা, গাড়ী কমকৈ চলোৱা, সোণ নিকিনাৰ কথা কৈছে। ইয়াৰ দ্বাৰা সংকেত দিছে যে দেশৰ অৰ্থনীতিৰ বিপৰ্য্যয় হৈছে। এই সময়খিনিত আমি যদি UCC ৰ ওপৰত আলোচনা নকৰি আমাৰ দেশখনক, অসমখনক কেনেকৈ অৰ্থনৈতিক মন্দাৱস্থাৰ পৰা বচোৱাৰ বাবে আলোচনা কৰিলোহেঁতেন তেন্তে মই ভাৱো আৰু ভাল হ'লহেঁতেন । মাননীয় অধ্যক্ষ মহোদয়, মই অনুভৱ কৰিছো যে শাসক পক্ষৰ সদস্যৰ সংখ্যা যিহেতুকে অধিক গতিকে তেওঁলোকে এই বিধেয়কখন আনিবই। কিন্তু আম্বেদকাৰ ডাঙৰীয়াই কোৱাৰ দৰে forcefull imposement কৰিব

নালাগে। সকলোৰে লগত, সকলো পক্ষৰ লগত আলোচনা কৰি আগবাঢ়িব লাগে। কিয়নো এইক্ষেত্ৰত মই নিজেই অজ্ঞ। মই যোৱা পৰহি ১৫৩ পৃষ্ঠাৰ এই  কাগজখিলা পাইছিলো। যোৱাকালি নাৰী বন্দনাৰ ওপৰত কথা পতা হ'ল সেয়া পঢ়োতেই গ'ল। ৫ বজাত গৈ পাই ভালকৈ পঢ়িবলৈ সময়ে নাপালো। ৫০ খন মান পৃষ্ঠা পঢ়াৰ পাছতেই  মোৰ আৰু আধা পঢ়িবলৈ থাকিয়েই গ'ল। অখিল গগৈ ডাঙৰীয়াই কেনেকৈ ১০ বাৰ পঢ়িলে মই বুজি নাপালো। সেয়েহে মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰত যদি  Clause by Clause discussion লাগে তেনেহ'লে আমাক আৰু আলোচনা লাগিব। প্ৰত্যেকটো জাতি জনগোষ্ঠীক বিশ্বাসত লৈ আপোনালোকে UCC বিধেয়কখন আনক আৰু যিখিনি সংশোধনীৰ কথা কোৱা হৈছে সেইখিনিক জড়িত কৰি বিধেয়কখন আনিলে আমি নথৈ আনন্দিত হ'ম। মোক এই দু-আষাৰ ক'বলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী প্ৰকাশ চন্দ্ৰ দাস। আপোনাৰ সময় তিনি মিনিট।

**শ্ৰী প্ৰকাশ চন্দ্ৰ দাস, হাজো শুৱালকুছিঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি ''সমৰূপ নাগৰিক সংহিতা, অসম, বিধেয়ক ২০২৬'' খন পবিত্ৰ সদনত উপস্থাপন কৰাৰ বাবে অসমৰ সাহসী আৰু দৃঢ় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা দেৱক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। আজি

সদনত আমাৰ সন্মুখত মহা মানৱ মহাত্মা গান্ধী আৰু ভাৰতীয় সংবিধানৰ সভাপতি, প্ৰণেতা ড০ ভীমৰাও আম্বেদকাৰৰ প্ৰতিচ্ছৱি আছে। আজি UCC বিধেয়কখন ইয়াত গৃহীত হোৱাৰ পিছত হয়তো দুয়োগৰাকীৰ আত্মাই আটাইতকৈ বেছি আনন্দ লাভ কৰিব। এখন সংবিধান আৰু একেধৰণৰ আইন হোৱাটো ড০ ভীমৰাও আম্বেদকাৰেও বিচাৰিছিল । আজি UCC বিধেয়কখনৰ জৰিয়তে বিশেষকৈ মহিলাসকলে যি ন্যায় পাব তাৰবাবে দুয়োগৰাকীৰ আত্মাই নিশ্চিতভাৱে আনন্দ পাব, শান্তি লাভ কৰিব। আমি ইয়াত বহিয়েই এটা কথা অনুভৱ কৰিছো যে বিৰোধী পক্ষই আজি ইয়াত এটা ভাল সুযোগ পাইছিল। কংগ্ৰেছৰ যি **এই বিলখন বিৰোধ কৰি --interruption-----

**শ্ৰী মতী বেবি আহমেদ, ধুবুৰীঃ** কি **। আপোনাৰ ভাষণত আপোনাৰ কথা কওঁক । কংগ্ৰেছে কি ** কৰিছে ? কি ** কৰিছে উদঙাই দিয়ক । আপুনি আপোনাৰ মুখৰ কথা হয়তো withdraw কৰক নাইবা কি ** কৰিছে উদঙাই দিয়ক -----interruption---

**माननीय অধ্যক্ষঃ** আপোনালোক বহক। Interprete নকৰিব।

**শ্ৰী প্ৰকাশ চন্দ্ৰ দাস, হাজো শুৱালকুছিঃ** মাননীয় অধ্যক্ষ মহোদয়,আমাৰ NDA চৰকাৰে ৰাষ্ট্ৰৰ সংবিধানৰ নিৰ্দেশনা মানিয়েই আজি সদনত UCC বিধেয়কখন উত্থাপন কৰিছে আৰু এই বিধেয়কখন হয়তো আজি সদনত গৃহীত হ'ব। যিসকল মহিলাই বহু দিনৰ পৰা অত্যাচাৰ, অন্যায়ৰ ভুক্তভোগী হৈ আছিল তেওঁলোকে ন্যায় পাবলৈ সক্ষম হ'ব। এয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ এক অতি সাহসী

আৰু সফল পদক্ষেপ বুলি মই অভিহিত কৰিছো কাৰণ এই আইনখনৰ জৰিয়তে বহু মহিলাই তেওঁলোকৰ সম অধিকাৰ, শিক্ষাৰ অধিকাৰ আৰু ন্যায় পাবলৈ সক্ষম হ'ব। এই বহুবিবাহ প্ৰথাটো কোনো মহিলাই গ্ৰহণ কৰিব নিবিচাৰে। আজি তেনেকুৱা এটা ব্যৱস্থা UCC বিধেয়কখনৰ জৰিয়তে নাইকীয়া হোৱাত মই ভাৱো বিশেষকৈ মুছলমান সম্প্ৰদায়ৰ মহিলাসকল উপকৃত হ'ব। এনে এখন আইন গৃহীত কৰাটো এটা মহান কাম বুলি অভিহিত কৰি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** তেখেতে বক্তব্যত ** **শব্দটো** কৈছে। ** **শব্দটোৰ** সলনি এটা বেলেগ **শব্দ** ক'ব লাগিছিল। গতিকে ** **শব্দটো** আমি withdraw কৰিলো।

**(The word ** withdrawn by the Chair)**

এতিয়া মাননীয় সদস্য শ্ৰী পবিত্ৰ ৰাভা।

**শ্ৰী পবিত্ৰ ৰাভা, ( পশ্চিম গোৱালপাৰা ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক ক'বলৈ সুযোগ দিয়াৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো আৰু এই ছেগতে মই গোৱালপাৰা পশ্চিম সমষ্টিবাসী ৰাইজক মই ধন্যবাদ জ্ঞাপন কৰিছো মোক জয়ী কৰাৰ কাৰণে, ইয়াত মোক সুযোগ দিয়াৰ বাবে। UCC Bill ৰ কথাটো আমাৰ বিজেপি ৰ manifesto তে আছিল। আমি ক্ষমতালৈ অহাৰ পিছতে প্ৰথম বিধান সভাতে UCC ৰ কথাটো উত্থাপন হ'ব বুলি আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া বা আমাৰ চৰকাৰ খনে কৈছিল। UCC বিল পাছ হোৱাৰ

পাছত আমাৰ মহিলা সকল ইমান দিনে য'ৰ পৰা বঞ্চিত হৈ আছিল বা মহিলা সকলৰ যি অসুবিধা হৈ আছিল, সেই অসুবিধাৰ পৰা এই UCC ৰ যোগেদি  নিশ্চয় মহিলাসকল উপকৃত হ'ব বুলি মই ভাবো। বহু বিবাহ, বাল্য বিবাহ, তিনিতালাক, মহিলাৰ সম্পত্তিৰ অধিকাৰ সেই বিলাক এই UCC বিলৰ দ্বাৰা উপকৃত হ'ব বুলি মই ভাবো। বিৰোধী দলৰ এগৰাকী ইয়াত সদস্যা আছে, পৰিতাপৰ বিষয় এই যে তেওঁ এই বিলৰ বিৰুদ্ধে কৈছে, সেইটো আমি বা মই এজন নৱপ্ৰজন্ম হিচাবে মই বহুত দুখ অনুভৱ কৰিছো। কাৰণ তেওঁ ছাগে ইতিহাসটো নাজানে। ইতিহাসটো তেওঁ এবাৰ ভালকৈ পঢ়ি চোৱা নাই বুলি মই ভাবো।  শ্বাহ বানুৰ কথাটো বা চৰলা মুদগলৰ কথাটো আপুনি এবাৰ ভালকৈ পঢ়ি চাব । শ্বাহ বানুৰ কথাটো সকলোৱে ভালকৈ জানে কিন্তু চৰলা মুদগলৰ কথাটো মই অলপ ক'ব বিচাৰিছো। চৰলা মুদগল এজন হিন্দু ছোৱালী আছিল আৰু তেওঁৰ গিৰিয়েক এজন হিন্দু আছিল। কিন্তু এই বহু বিবাহ প্ৰথা থকাৰ কাৰণে তেওঁ এজন মুছলিমক convert কৰি ধৰ্মান্তৰকৰণ কৰাৰ পিছত  আৰু এজনী ছোৱালী বা মহিলাক তেওঁ বিয়া কৰালে।  কিন্তু আপুনি চৰলা মুদগলৰ কথা কেতিয়াবা ভাবিছেনে ? চৰলা মুদগলৰ কথাটো তেওঁ ভবা নাই তেওঁৰ গিৰিয়েকে ভবা নাই। কিন্তু অধ্যক্ষ মহোদয়, মই ভাবিছো  এই বিলৰ যোগেদি যাতে দ্বিতীয়জন যাতে শ্বাহ বানু নহয় দ্বিতীয়জন যাতে চৰলা মুদগল নহয় সেই বস্তুটো  এই  UCC ৰ দ্বাৰা উপকৃত হ'ব। মই ভাবো যে সকলো মহিলা  শ্বাহ বানু বা চৰলা মুদগলৰ দৰে নহয়। এই UCC ৰ দ্বাৰা বিবাহ আৰু বিবাহ বিচ্ছেদৰ যিটো বাধ্যতামূলক পঞ্জীয়নটো অত্যন্ত প্ৰয়োজনীয়। ইয়াৰ ফলত আইনী প্ৰক্ৰিয়া আৰু অধিক স্বচ্চ আৰু ভুৱা

বিবাহ আইনী সুৰক্ষাটো মহিলাসকল মুক্ত হ'ব । অধ্যক্ষ মহোদয়, বিৰোধী দলে কৈ আছে, কিয় এই বিলত কিয় ট্ৰাইবেল সকলক ৰখা নাই ? বা কিয় ইয়াক ট্ৰাইবেলক অন্তৰ্ভুক্ত কৰা নাই ? আপোনালোকে অলপমান ট্ৰাইবেলৰ ইতিহাসটো চাব । ট্ৰাইবেলে কি খাই কি কথা পাতে আপোনালোকে ট্ৰাইবেলৰ কথাটো অলপমান চাব । আপোনালোকে যদি ট্ৰাইবেলৰ ইতিহাস নাজানে , ইতিহাস নাজানে কাৰণে আপোনালোকে বৰ্তমান ইয়াত সীমিত হৈ আছে । কিন্তু ভাৰতীয় সংবিধানে, আমাৰ চৰকাৰখনে গম পাইছো। ট্ৰাইবেলে কি কথা পাতে, ট্ৰাইবেলে কি খাই কি নাখাই সেইটো চৰকাৰ বা ভাৰতীয় সংবিধানে গম পাই। মাননীয় অধ্যক্ষ মহোদয়, ট্ৰাইবেলৰ নিজা এটা বিধি আছে। আমাৰ এটা সৰু-সুৰা আইন আছে। যদি কিবা অসুবিধা হয়, বা কিবা সমস্যা হয়, তাত জামাদ বুলি কয়, আৰু জামাদৰ পিছত আমাৰ এটা মেচপাৰা বুলি এটা আঞ্চলিক আছে, মেচপাৰা বুলি এটা জামাদ আছে । তাতে সমস্যাবিলাক সমাধান হয়। মেচপাৰাত যদি সমস্যা সমাধান নহয়,তাতে পাণ্ডুলিপিত যায় । যিটো নেকি আমি উচ্চতম ন্যায়ালয় বুলি কওঁ। মই আপানালোকক এই কথাটো কৈছো যে ট্ৰাইবেলত বহু বিবাহ প্ৰথাটো একেবাৰে নাই। মই আপোনালোকক কৈছো যে যিহেতু মই নতুন প্ৰজন্ম, সেয়ে মই কৈছো living relation ৰ কথাটো ইয়াতে আইনত উত্থাপন কৰা হৈছে। মই ভাবো এই living relation ৰ এইটো UCC বিলত অনাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। ইয়াৰ যোগেদি আমাৰ বহু যুৱক-যুৱতী বাচি যাব । আপোনালোকক আৰু মই কৈছো ইয়াত বিভিন্নধৰণৰ ভুৱা নাম দি ধৰ্মান্তৰকৰণ কৰি আছে, ভুৱা নাম দি লাভ

জেহাদৰ বিভিন্ন কেছ হৈছে । অনাগত দিনত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাম যে যাতে অতি সোনকালে লাভ জেহাদৰ আইন যাতে সদনত উত্থাপন হয় , আইনত যাতে পৰিণত হয় মই বিশেষভাৱে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম । ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া বিমল বৰা , অলপ চুটিকৈ ক'ব্‌।

**শ্ৰী বিমল বৰা, টিংখাং, ডিব্ৰুগড়ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এই ঐতিহাসিক ক্ষণত Uniform Civil Code, Assam, 2026 এই বিধেয়কখন আলোচনা হোৱাটোৱে আমাৰ কাৰণে এটা অতি গুৰুত্বপূৰ্ণ আৰু ঐতিহাসিক ক্ষণ কাৰণ এই বিধেয়ক কেৱল এখন আইনগত প্ৰস্তাৱ নহয়, কাৰণ এই বিধেয়কখনৰ জৰিয়তে ভাৰতবৰ্ষৰ যি সহশ্ৰাব্দ যোৰা সভ্যতা- সংস্কৃতি, সাংস্কৃতিক একতা, সামাজিক ন্যায়, আৰু সাংবিধানিক যি চেতনা সেই চেতনাক এক শক্তিশালি কৰাৰ এক প্ৰতিফলন আজি আমাৰ বিধান সভাৰ মজিয়াত প্ৰতিফলিত হৈছে। কাৰণ ভাৰতবৰ্ষ হৈছে বৈচিত্ৰতাৰ মাজত একতাৰ এখন দেশ। কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈ, দ্বাৰকাৰ পৰা কামৰূপলৈ। ভাষা বেলেগ, সাজ বেলেগ , আচাৰ অনুষ্ঠান বেলেগ কিন্তু আমাৰ আত্মা এটায়ে। এই ঐক্যৰ মুল মন্ত্ৰ হৈছে ''সৰ্বে ভৱন্তু সুখীনঃ সৰ্বে সন্তু নিৰাময়া, সৰ্বে ভদ্ৰানি প্ৰৎসন্তু , মা কচিৎ দুখ ভাগ্য বেত'', আৰু

সেই কাৰণে আমাৰ হাজাৰ বছৰীয়া ইতিহাসেৰে সমৃদ্ধ, ঐতিহাসিক ভাৱে আমাৰ ঋষি মুণি সকলেওঁ কৈছে ''বসুদেৱ কুটুম্বকম '' অর্থাৎ সমগ্ৰ বিশ্ব এক পৰিয়াল। এই যি Uniform Civil Code , এই Uniform Civil Code ৰ মুল দর্শনো একেই। কাৰণ সমাজত বিভিন্ন জাতি জনগোষ্ঠী , ভাষা-ভাষী, ধর্ম সম্প্ৰদায়ৰ লোক বসবাস কৰে আৰু সকলোৰে সমান অধিকাৰ সমান মর্য্যদা আৰু সমান ন্যায় প্ৰদান কৰাটো হৈছে এই Uniform Civil Code ৰ অন্তৰালৰ মুল বিষয়। কাৰণ ভাৰতৰ যি সংবিধান , সংবিধানৰ নীতি নির্দেশক তত্তৰ যিটো অন্তর্গত অনুচ্ছেদ ৪৪ ত স্পষ্টকৈ উল্লেখ আছে যে ৰাষ্ট্ৰই ভাৰতৰ সমগ্ৰ অঞ্চলত নাগৰিক সকলৰ বাবে এক সমান নাগৰিক বিধি সুনিশ্চিত কৰাৰ প্ৰচেষ্টা কৰিব। সেই কাৰণে এই Uniform Civil Code ৰ যি ধাৰণা সেই ধাৰণা আকস্মিক নহয়। ই সংবিধান প্ৰনেতা সকলৰ দূৰদর্শী চিন্তাৰ এয়া ফচল। আৰু সেয়ে Uniform Civil Code ড০ শ্যামা প্ৰসাদ মুর্খাজীৰ এক দেশ এক আইন এই ধাৰণাৰ দ্বাৰা পৰিচালিত। সেই কাৰণে ভাৰতীয় জনতা পার্টীৰ মুল প্ৰতিশ্ৰুতিৰ এইটো অংগ। সেই কাৰণে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যোৱা বিধান সভাতে সমগ্ৰ অসমবাসীক প্ৰতিশ্ৰুতি দিছিল যে প্ৰথম বিধান সভাতে আমি Uniform Civil Code আমাৰ বিধান সভাৰ মজিয়ালৈ অনা হ'ব আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰি অসমখনত বসবাস কৰা সকলো জাতি জনগোষ্ঠীৰ লোক সকলক

বিশেষ ভাৱে মহিলা সকলক সন্মান জনোৱাৰ উদ্দেশ্যে এই Uniform Civil Code অনা হৈছে। কাৰণ আইনৰ আগত আমাৰ যি ক্ষমতা সেই ক্ষমতা গনতন্ত্ৰৰ আধাৰ আৰু এই কাৰণে বিগত দিন বিলাকত বিভিন্ন ধৰণে আমাৰ সংবিধান ৰক্ষা কৰাৰ ক্ষেত্ৰত আমাৰ মহামান্য উচ্চতম ন্যায়ালয়েও বিভিন্ন ৰায় প্ৰদান কৰিছে। আজি আমি ইয়াতে দেখিছো যে কেৱল  মুছলমান মহিলা সকলক উদ্দেশ্য কৰি বা তেওঁলোকৰ সমতা ৰক্ষা কৰাৰ কাৰণে যে আলোচনা হৈছে এনেকুৱা নহয়। কাৰণ আজি  Christian Marriage Act 1872 ৰ অধীনত যি খ্ৰীষ্টান মহিলা সকলে কেৱল  adultery ক বিবাহ বিচ্ছেদৰ কাৰণ হিচাপে গন্য কৰে। এতিয়া তেওঁলোকৰ কাৰণেও এটা বৈষম্যৰ কাৰণ আৰু সেই কাৰণে Ammini E. J. Vs Union of India. ৰ গোচৰত কেৰেলা উচ্চ ন্যায়ালয়ে মহিলা আৰু পুৰুষৰ মাজত বিশেষ কৈ খ্ৰীষ্টান  মহিলা  আৰু পুৰুষৰ মাজত আইনী বিধানৰ এনে অসমতাক ভাৰতীয় সংবিধানৰ  অনুচ্ছেদ ২১ৰ  পৰিপন্থী আখ্যা দিছে। গতিকে আমাৰ অসম বিভিন্ন জাতি জনগোষ্ঠীৰে পৰিপূৰ্ণ। আমাৰ বৈবাহিক যিবিলাক পৰম্পৰা , এই বৈবাহিক পৰম্পৰাৰ মাজতে সূখৰ ধাৰণা নিহিত হৈ আছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সমাজত বৈবাহিক পৰম্পৰাৰ জৰিয়তে এখন ঘৰ সৃষ্টি হয়। আমি সকলোৱে জানো, বিবাহ উপযুক্ত এজন যুৱক যেতিয়া থাকে, এগৰাকী যুৱতী যেতিয়া থাকে  তেওঁলোকৰ মিলনৰে এখন ঘৰ সৃষ্টি হয়, সেই মিলনৰ যিটো ধাৰণা, আমি চাওঁ , যেতিয়া ল'ৰা

এটা থাকে, ছোৱালী এজনী থাকে আমি কওঁ যে আমাৰ ল’ৰা এটা আছে, বিয়া পাতিব লাগে, ছোৱালী এজনী আছে বিয়া দিব লাগে। উপযুক্ত যুৱক যেতিয়া থাকে, যুৱতী যেতিয়া থাকে তেওঁলোকৰ মিলনেৰে এখন ঘৰ সৃষ্টি হয় আৰু সেই মিলনৰ যিটো ধাৰণা আমি চাওঁ, যেতিয়া ল’ৰা বা ছোৱালী এজনী থাকে আমি কওঁ যে আমাৰ ল’ৰা এটা আছে বিয়া পাতিব লাগে ছোৱালী এজনী আছে বিয়া দিব লাগে ইজনে সিজনে কথা বতৰা হয়, উপযুক্ত পাত্ৰ যেতিয়া ঘৰত যায়, ইঘৰৰ মানুহ ঘৰ চাবলৈ আহে, তাৰ পিছত তেওঁলোকৰ মাজত কথা-বতৰা হোৱাৰ পিছত পছন্দ হ’লে দিন-বাৰ ঠিক হয়, তামোল পাণ পেলায়, জোৰোণ আৰম্ভ হয়, ভকত-বৈষ্ণৱক মূৰ দোৱাই আশীৰ্বাদ গ্ৰহণ কৰে, তাৰ পিছত বৰযাত্ৰী যায়, অতিথি আপ্যায়ন হয় আৰু এনে ধৰণে যি বন্ধন সৃষ্টি হয়, ঘৰৰ এখন বন্ধন যিমান মনৰ মাজত তেওঁলোকৰ অমিল থাকিলেও সেই সামাজিক বান্ধোনৰ পৰা সেই ঘৰখন সহজতে ভাঙি নপৰে। এয়া হৈছে আমাৰ সমাজৰ সুখৰ ধাৰণা আৰু তেনে ধৰণে সামাজিকভাৱে সমাজৰ ওচৰত দায়বদ্ধতাৰে আমাৰ সুখ প্ৰাপ্তি সম্ভৱ হ’ব পাৰে। গতিকে আজি এই Uniform Civil Code UCC ৰ যি আলোচনা হৈছে, সেই আলোচনাক পূৰ্ণ সন্মতি জ্ঞাপন কৰি  মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰিবৰ কাৰণে ক্ষন্তেক পিছতে আগবাঢ়ি যাব তাৰ কাৰণে মই তেখেতক ধন্যবাদ জনাই পুনৰ ভাৰতীয়া জনতা পাৰ্টিৰ আমাৰ যি

ভাৰতীয় সভ্যতা সংস্কৃতিৰ মান-সন্মান, পৰম্পৰা, ৰীতি-নীতিৰ ৰক্ষাৰ আমাৰ যি যাত্ৰা এই যাত্ৰাৰ এখোজ যাতে আমি আগুৱাই গৈছো এই কথা স্পষ্ট হৈছে। সকলোকে নমস্কাৰ ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া The Uniform Civil Code 2026 ৰ যি সাধাৰণ আলোচনা, সাধাৰণ আলোচনাৰ উত্তৰ প্ৰদান কৰিব মাননীয় মুখ্যমন্ত্ৰীয়ে।

**জাকিৰ হুছেইন শিকদাৰ,পাকাবেতবাৰীঃ** চাৰ, চাৰ আমাৰ মাত্ৰ দুজন নতুন বিধায়ক আছে, দুই মিনিট দুই মিনিট কৈ ক'ব । আপোনাক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষঃ** আগতে আপোনালোকে সময় বেছিকৈ লৈ লয়, আপোনালোকে দফাই দফাই আকৌ আলোচনা কৰিব। এইটো সম্ভৱ নহয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, দুই মিনিট ক'ব বিচাৰিছে ক'বলৈ দিয়ক।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া শ্ৰী তানজিল হুছেইন।

**শ্ৰী তানজিল হুছেইন,চামগুৰিঃ** ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো আৰু লগতে মই মোৰ সমূহ চামুগুৰিবাসী ৰাইজক ধন্যবাদ জ্ঞাপন কৰিছো যে

তেওঁলোকৰ বাবে মই আজি ইয়ালৈ আহিছো। প্ৰথমতে এই Uniform Civil Code বিল খনৰ ওপৰত মই ক'ব বিচাৰিছো। অধ্যক্ষ মহোদয়, আজি এই যিখন বিল আনিছে, মই ভাবো যে এইটো সময়ত আমি বিলৰ কথা আলোচনা নকৰি আমি যদি এতিয়া যিটো মূল্যবৃদ্ধি হৈ আছে, যেনেকৈ ডিজেল পেট্ৰ'লৰ দাম বাঢ়ি আছে, আমাৰ পাকঘৰত ব্যৱহাৰ হোৱা বস্তুবিলাকৰ দাম বাঢ়ি আছে আৰু আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু আপুনি নিজেও ঘৰৰ পৰা আপুনি ইয়ালৈ খোজকাঢ়ি আহিছে, আমাৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াও এতিয়া আমি ফেচবুক বা ইনষ্টাগ্ৰামত দেখিবলৈ পাইছো দুখন গাড়ী লৈ ঘূৰি আছে। এতিয়া আমি এইটো আলোচনা কৰিব লাগিছিল যে আমাৰ অসমত বা ভাৰতত price যিটো hike হৈছে সেইটো কেনেকৈ ৰখাব লাগে। কিন্তু যিমানেই যি হওঁক আপোনালোকে এইখন বিল আনিছে, আপোনালোকৰ এই বিলখনত আমি কংগ্ৰেছে তীব্ৰভাৱে বিৰোধিতা কৰিছো কাৰণ এই বিলখন  আপোনালোকৰ যিটো Central Law Commission, সেই Central Law Commission য়ে কৈছে যে এইটো সময়ত আমাক Uniform Civil Code বিলখন নালাগে । তথাপিও আপোনালোকে আনিব বিচাৰিছে , এই গোটেই বিলখনৰ মই বেছি ভিতৰত নাযাও কাৰণ এই গোটেই বিলখনক আমি সকলোৱে বিৰোধিতা কৰিছো। এই বিলখনৰ বিষয়ে মই বেছি নকওঁ অকল আপোনালোকক ক'ব বিচাৰিছো  এই যিখন বিল আনিছে , আপোনালোকৰ যিমান expert

committee আছে, tribal and Non-tribal organisation আছে, আমাৰ Law Commission আছে বা আমাৰ বিভিন্ন minority সংগঠন আছে, আমাৰ women commission আছে, আমাৰ Law expert আছে বা এই গোটেই বিলখনৰ expert আছে, তেওঁলোকৰ লগত এবাৰ consult কৰি আপোনালোকে আনক। যদি আপোনালোকে ভাবিছে যে consult কৰা সময়ত আমাৰ বিৰোধী পক্ষৰো কিবা তাত অংশগ্ৰহণ লাগে, আমি বিৰোধী হিচাপেও সহযোগ কৰিম আৰু আহি থকা দিনত এই বিলখনৰ পুনৰ বাৰ কৈছো আমি কংগ্ৰেছে এই বিলখনৰ তীব্ৰ বিৰোধিতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া শ্ৰী জুবেইৰ আনম মজুমদাৰ।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মেহবুব মুক্তাৰক ১ মিনিট সময় দিব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে ১ মিনিট সময় দিম। কিন্তু আগৰ দৰে আপুনি সময়খিনি খায় নিদিব । পৰৱৰ্ত্তী সময়ত কথা ক'লে কনিষ্ঠজনক চাব।

**শ্ৰী জুবেইৰ আনম মজুমদাৰ, আলগাপুৰ,কাটলিচেৰাঃ** ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়, আজি সকলোৰে কথা শুনিলো । শুনি এনেকুৱা লাগি গৈছে যে কালিৰ পৰা একেবাৰে নতুন অসম হৈ যাব। সকলো বস্তু একেবাৰে সলনি হৈ যাব। কিন্তু ভালকৈ বিলখন যেতিয়া

আমি খুলি চাওঁ যে আচলতে বিলখনত আছে কি । এতিয়া প্ৰথমতে বিলত আহিলো আমি child marriage, Child marriage is already banned. ইয়াত POSCO Act already আছে । আহিলো polygamy, Polygamy already banned কৰা আছে। এতিয়া ইয়াতে নতুন কিবা আছে যদি সেইটো হ'ল live –in relationship. এতিয়া live –in relationship ৰ কথাত যদি আহো live –in relationship ত যিখিনি section মই পঢ়িলো, নতুন কি আছে যে আমাৰ মাননীয় বিধায়ক হিমাংশু বৈশ্য ডাঙৰীয়াই কৈছে যে live–in relationship ত যিটো সন্তান হয়, তাক legitimise কৰা হ'ব । এইটো already Domestic Violence Act ত cover কৰা আছে । আজি বিশ্বজিৎ দৈমাৰী ডাঙৰীয়াই কৈছে যে live–in relationship ত থকা partner ক maintenance দিয়া হ'ব। কিন্তু maintenance টো already Domestic Violence Act ত cover কৰা আছে। তেনেহ'লে নতুন কি আছে ইয়াত ? নতুন অকল এটাই আছে যে এতিয়া live–in relationship ত পুলিচো সোমাব পাৰিব । বেলেগ একো নতুন নাই । এতিয়া পুলিচৰ কথা কেনেকুৱা আহিলে আজি চাওঁক এই complete Bill এইটো idea ৰ ওপৰত based যে অসম পুলিচৰ এজন এজন মানুহ সকলো Non-corrupt. সেই idea ৰ ওপৰতে বিলখন বনোৱা হৈছে। কাৰণ এতিয়া পুলিচ ৰুমত সোমাব পাৰিব, বেড ৰূমত সোমাব পাৰিব আৰু যেতিয়া বেড ৰূমত সোমাব পাৰিব আমি সেই idea ত চলিব লাগিব যে সকলো

পুলিচ ভাল, কিন্তু আমি এই বস্তুটো মনত ৰাখিব লাগিব যে একে অসম পুলিচ জোনমণি হত্যকাণ্ডত অভিযুক্ত আছিল, একে অসম পুলিচ fake encounter ত অভিযুক্ত আছিল, একে অসম পুলিচ blackmailing case অভিযুক্ত আছিল, একে অসম পুলিচৰ ওপৰত base কৰি বিলখন বনোৱা হৈছে। অসম পুলিচ এতিয়া বেড ৰুমে বেড ৰুমে সোমাব পাৰিব আৰু এটা বস্তু মই clear কৰি দিব খুজিছো যে এই অকল live–in relationship অকল boyfriend girlfriend ৰ লগত সীমিত নাথাকিব । আজি যিকোনো মানুহ, এজন couple, এজন newly married couple যদি ফুৰিবলৈ আহি উদাহৰণস্বৰূপে গুৱাহাটীৰ এখন হোটেলত গৈছে তাতো কিন্তু পুলিচ গৈ সোমাব পাৰিব। পুলিচক এই power টো কোনে দিছে – Section- 393 (1) of part iii, এই Section য়ে কৈছে যে- ''Whoever stays in a live-in relationship for more than one month from the date of entering into such relationship without submitting the statement shall be punished.” এতিয়া এইটো কেতিয়া start কৰিছে সেইটো কেনেকৈ গম পাব। এটা relationship কেতিয়া start হৈছে সেইটোতো পুলিচে গম নাপায়। এইটো completely পুলিচৰ jurisdiction হ’ব যে পুলিচে decide কৰিব যে কেতিয়া start হৈছে। পুলিচে যেতিয়া এইটো power পায় যাব যাৰ তাৰ বেড ৰুমত সোমাব পাৰিব। এতিয়া কথা অকল তাতে শেষ নহয় । এগৰাকী অকলশৰীয়া মহিলা যদি ক’ৰবাত ঘৰ

ভাড়া লৈছে, চাৰিটা ঘৰৰ মানুহে যদি complain কৰে যে তাই live in ত আছে, তেতিয়াও কিন্তু পুলিচ গৈ বেড ৰূমত সোমাই যাব পাৰে। তেতিয়া হ'লে এইটো অকল privacy ৰ কথা হৈ থকা নাই এতিয়া। It's about safety. কাৰণ সকলো পুলিচ ১০০ শতাংশ ভাল বুলি কোনেও guarantee দিব নোৱাৰিব, কিন্তু এই পুলিচক access দিয়া হৈছে। মই আৰু বেছি দীঘলীয়া নকৰো, শেষত এটা কথাই ক'ব বিচাৰো যে This bill is not about live-in relationship, this Bill is not about protecting the culture, this Bill is just an excuse to give the police the power to enter people's bedroom. এই কাৰণে এইখিনি কৈ মই এই বিলৰ বিৰোধিতা কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া শ্ৰী মেহবুব মুক্তাৰ। ১ মিনিট সময়।

**শ্ৰী মেহবুব মুক্তাৰ, ধিংঃ** মাননীয় অধ্যক্ষ মহোদয় আৰু শ্ৰদ্ধাৰ সদন নৱ নিৰ্বাচিত বিধায়ক হিচাপে মোৰ মতামত আগবঢ়োৱাৰ যি সুযোগ দিছে তাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। অসমৰ সমিল মিল আৰু সকলোৰে ধৰ্মীয় আৱেগ অনুভূতিক সন্মান জনাই UCC বিল খনত সংশোধন আনিবলৈ কেইটামান গুৰুত্বপূৰ্ণ পইন্ট বিবেচনা কৰিব পাৰি। চৈয়দ আৰু কোনো ধৰ্মীয় পৰম্পৰাত আঘাত নকৰাকৈ আৰু সাধাৰণ ৰাইজে আদৰি ল'ব পৰাকৈ কিছু দিশ

অন্তৰ্ভূক্ত কৰিব পাৰি। ইছলাম ধৰ্মৰ বিবাহ বিচ্ছেদ আৰু সম্পত্তিৰ অধিকাৰ যিবোৰ মূল আৱেগিক আৰু ধৰ্মীয় দিশ আছে সেইবোৰক সম্পূৰ্ণৰূপে নাকচ নকৰি এটা উমৈহতীয়া আইনী গাঠনিৰ ভিতৰত স্থান দিব পাৰি। বিবাহ পঞ্জীয়ন বাধ্যতামূলক কৰাৰ লগতে প্ৰক্ৰিয়াটো অতি সহজ আৰু বিনামূলীয়া কৰিব লাগে যাতে কোনোৱে ইয়াক বোজা বুলি গণ্য কৰিব নালাগে। কাজি বা ধৰ্মীয় গুৰুসকলৰ ভূমিকা ধৰ্মীয় ৰীতি-নীতি অনুসৰি হোৱা বিবাহক চৰকাৰী স্বীকৃতি দিবলৈ স্থানীয় ধৰ্মীয় অনুষ্ঠান বা কাজি সকলক পঞ্জীয়ন প্ৰক্ৰিয়াৰ পৰা একো একোটা অংশীদাৰ কৰিব পাৰি যাতে তেওঁলোকৰ গুৰুত্ব হ্ৰাস নহয়। মহিলাৰ অধিকাৰ, শ্বৰীয়ত আইনত থকা মহিলাৰ সম্পত্তিৰ সুৰক্ষাৰ ব্যৱস্থাক আধুনিক আইনৰ সৈতে সংগতি ৰাখি আৰু অধিক শক্তিশালী কৰিব পাৰি যাতে পৰিয়ালসমূহে ইয়াক আদৰি লয়। ৰাইজৰ সৈতে আলোচনা, বিলখন চূড়ান্ত কৰাৰ পূৰ্বে সকলো ধৰ্মৰ পণ্ডিত, বুদ্ধিজীৱি আৰু সাধাৰণ ৰাইজৰ সৈতে মুকলি আলোচনা কৰা উচিত। এইদৰে ধৰ্মীয় আৱেগক আঘাট নকৰাকৈ কেৱল সামাজিক সুৰক্ষা আৰু সহজ আইনী প্ৰক্ৰিয়াৰ ওপৰত গুৰুত্ব দিলে অসমৰ ৰাইজে এই সংশোধিত বিলখন ইতিবাচকভাৱে গ্ৰহণ কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। এতিয়া ম: আশ্ৰাফুল ইছলাম শ্বেখ।

**ম: আশ্ৰাফুল ইছলাম শ্বেখ (পৰ্বতঝোৰা) :** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ যিখন বিল এই পৱিত্ৰ সদনত introduce কৰা হৈছে এই বিলখনৰ মই strongly বিৰোধীতা কৰিছো কাৰণ এই বিলখনক আচলতে মই waste of time বুলি অভিহিত কৰিছো। কাৰণ এই বিলখনৰ যিটো ধাৰা আছিল directive principles of state policy,

এইটো ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি হয়। কিন্তু এই directive principles of state policy য়ে আমাৰ fundamental rights ৰ ওপৰত নতুনকৈ এখন আইন impose কৰিব বিচৰা হৈছে, তাৰমানে break to directive principles of state policy, fundamental rights ৰ ওপৰত নহয়। এই বিলখনে Article 14, Article 19, Article 25 violate কৰিছে। ভাৰতৰ এখন সংবিধান আছে যি সংবিধানে, Constituent Assembly য়ে কৈ গৈছে যে we, the people of India, having solemnly resolved to constitute India in to a sovereign, socialist, secular, democratic republic and to secure to all its citizens. প্ৰত্যেকজন ভাৰতীয় নাগৰিকৰ ওপৰত এই যিখিনি সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্য –এইটো safe and secure and protected হ'ব লাগিব। অধ্যক্ষ মহোদয়, আজিৰ এই বিলৰ জৰিয়তে আমি দেখা পাইছো যে ইয়াত right to religion – সেইটোত আমাৰ বাধা আহিছে আৰু আজিৰ এই সদনৰ জৰিয়তে প্ৰথমতে মন্ত্ৰী মহোদয়ে পলিগেমিৰ যিটো কথা উত্থাপন কৰিছিল যে সংখ্যালঘু মুছলমানে ৪ জনৰ ওপৰত বিয়া পাতে কিন্তু National Family Health Survey, 2019 and 2021 ৰ মতে polygamy rate হৈছে others ৰ ক্ষেত্ৰত 1.6 %, মুছলিমৰ ক্ষেত্ৰত 1.9%, খ্ৰীষ্টিয়ানৰ ক্ষেত্ৰত 2 .1% আৰু ST ৰ ক্ষেত্ৰত 2.4 % . গতিকে gradually যদি আমি দেখা পাওঁ যে ইয়াত যাক টাৰ্গেট কৰি থকা হৈছে তাতে কিন্তু National Family Health Survey ৰ মতে মুছলিমৰ ratio টো কম। গতিকে polygamy ওপৰত যিটো কথা কোৱা হৈছে সেইটো ভিত্তিহীন। গতিকে আজিৰ

সদনত যিহেতু amendment দিয়া হৈছে সেইটো accept কৰি এই বিলখন reject কৰাৰ বাবে মই দাবী উত্থাপন কৰিছো। কাৰণ Artile 14 of Indian Constitution guarantees the right to equality, we all are equally Indian in the eye of law. অধ্যক্ষ মহোদয়, মই আজি এই পৱিত্ৰ সদনত সেইবাবে বিশেষভাৱে অনুৰোধ জনাইছো যে এনেকুৱা আইন হ'ব নালাগে যিখন already a waste of time আৰু সময়ে সময়ে এইখন পৱিত্ৰ সদনতে ইতিমধ্যে Enforced and adopt কৰা হৈছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ প্ৰদান কৰিব।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিখন ১৫তম্ বিধান সভা আছিল তাত আমি polygamy prohibition ৰ ওপৰত এখন আইন আনিছিলো আৰু আইনখনৰ ওপৰত বিতং বিতৰ্কৰ পিছত সেই আইনখন আমি আনুষ্ঠানিকভাৱে গ্ৰহণ কৰিছিলো। সেই আলোচনাৰ বিতৰ্কত অংশ লৈ মই কৈছিলো যে মানুহক সমান অধিকাৰ দিয়াৰ ক্ষেত্ৰত gender justice ৰ ক্ষেত্ৰত ই এক প্ৰথম পদক্ষেপ আৰু ভাৰতীয় জনতা পাৰ্টী যদি শাসনলৈ উভটি আহে আমি প্ৰথমখন বিধান সভাতে Uniform Civil Code adopt কৰিম। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নিৰ্বাচনী ঘোষণাপত্ৰত স্পষ্টভাৱে উল্লেখ কৰিছিলো যে আমাৰ দল বা এন ডি এ যদি শাসনলৈ উভটি আহে বা অসমৰ জনতাই যদি আমাক ভোটদান কৰে, চৰকাৰ গঠন হয়, আমি ৰাজ্যত 'সমান নাগৰিক সংহিতা' প্ৰণয়ন কৰিম।

স্বাভাৱিকতে এইবাৰ নিৰ্বাচনত ভোট আৰু চিত্, দুয়োটাতে এন ডি এই লাভ কৰা চমকপ্ৰদ সাফল্যই এই কথা স্পষ্টভাৱে প্ৰমাণ কৰে যে অসমৰ ৰাইজে আমাৰ ৰাজ্যখনত 'সমান নাগৰিক সংহিতা' প্ৰণয়ন কৰাতো বিচাৰিছে আৰু আমি ৰাইজৰ সন্মুখলৈ গৈ ৰাইজক প্ৰতিশ্ৰুতি দিছিলো যে আমাৰ চৰকাৰ শাসনলৈ উভটি আহিলে 'সমান নাগৰিক সংহিতা' আমি গ্ৰহণ কৰিম। নিৰ্বাচনী ঘোষণাপত্ৰ  কাৰ্য্যত ৰূপায়িত কৰাতো আমাৰ দায়িত্ব আৰু কৰ্তব্য আৰু আজি আমাৰ চৰকাৰে অসমৰ ৰাইজক দিয়া প্ৰতিশ্ৰুতি নিৰ্বহন কৰিবলৈ আগবাঢ়িছে আৰু মই নিশ্চিতভাৱে ই জনতাৰ দ্বাৰা নিৰ্দেশিত এটা মহান কাৰ্য্য আমি সমাপন কৰাৰ দিশত আজি  আগবাঢ়িছো। স্বাভাৱিকতে কংগ্ৰেছ দলৰ বিধায়কসকলে UCC ৰ বিৰোধীতা কৰিছে আৰু তেখেতসকলে আজি আমাৰ বিধান সভাৰ যিটো কম্পোজিশ্যন সেই কম্পোজিশ্যনটোৱে প্ৰমাণ কৰে যে কংগ্ৰেছ দলে আজি অসমৰ জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সমূহ ৰাইজক প্ৰতিনিধিত্ব নকৰে, তেওঁলোকে মাত্ৰ এটা বিশেষ ধৰ্মীয় জনগোষ্ঠীকহে প্ৰতিনিধিত্ব কৰে। সেইবাবে কংগ্ৰেছ দলৰ মন্তব্য বা পৰামৰ্শই অসমৰ জাতি-জনগোষ্ঠী, ভৌগলিক সীমাক সামৰি প্ৰতিনিধিত্ব নিশ্চিতভাৱে নকৰে আৰু তেখেতসকলৰ আজিৰ বিৰোধীতালৈ অধ্যক্ষ মহোদয়, আপুনি যদি লক্ষ্য কৰে মাত্ৰ এটা বিশেষ ধৰ্মৰ দৃষ্টিভংগীৰ ফালৰপৰাহে তেখেতসকলে UCC ৰ বিৰোধীতা কৰিছে। তেখেতসকলে UCC ৰ বিৰোধীতা হিন্দু লোকৰ এংগলৰ পৰা কৰা নাই, খ্ৰীষ্টিয়ান লোকৰ এংগলৰ পৰা কৰা নাই, তেওঁলোকে জনজাতীয় লোকৰ এংগলৰ পৰাও কৰা নাই, তেওঁলোকে

অনুসূচীত জাতিৰ এংগলৰ পৰাও কৰা নাই, তেওঁলোকৰ প্ৰত্যেকটো বিৰোধীতা কোৰাণ আৰু শ্বৰীয়তৰ ওপৰতে আজি তেওঁলোকে যুক্তি আগবঢ়াইছে। কংগ্ৰেছৰ দৰে এটা ধৰ্ম নিৰপেক্ষ দল, কংগ্ৰেছৰ দৰে এটা দল যিটো দলে আজিৰপৰা ডেৰশ বছৰ আগতে সমান অধিকাৰ, সমান দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে উল্লেখ কৰিছিল। আজি বিধান সভাত আমি দেখা পাইছো আৰু আমি সকলোৱে যোৱা ২-৩ ঘন্টা ধৰি শুনিছো যে কংগ্ৰেছে এতিয়া মাত্ৰ এটা বিশেষ ধৰ্মীয় গোষ্ঠীকহে প্ৰতিনিধিত্ব কৰে। কোৰাণ আৰু শ্বৰীয়তৰ কথাহে কৈছে কিন্তু মুখত এবাৰো ভাগৱত, গীতা, ৰামায়ণ, মহাভাৰতৰ কথা ওলোৱা নাই, তাৰমানে আজি জল-জল পট্-পট্কৈ অসম বিধান সভাত আহিব লগীয়া দিনবোৰত কংগ্ৰেছে অসমৰ জাতি-জনগোষ্ঠী, বিভিন্ন ধৰ্ম্মক প্ৰতিনিধিত্ব নকৰে। তেওঁলোকে মাত্ৰ এটা বিশেষ ধৰ্ম্মীয় সম্প্ৰদায়কহে প্ৰতিনিধিত্ব কৰিব। লোকপ্ৰিয় গোপনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, শৰৎ চন্দ্ৰ সিংহ, তৰুণ গগৈ, হিতেশ্বৰ শইকীয়া ফকৰুদ্দিন আলী আহমেদ এই সকলোৱে নেতৃত্ব দিয়া কংগ্ৰেছ দলে কেতিয়াবা যে মাত্ৰ এটা ধৰ্ম্মক প্ৰতিনিধিত্ব কৰাৰ platform লৈ ৰূপান্তৰিত হ'ব। এইটো সঁচাকৈয়ে আমাৰ বাবে অত্যন্ত পীড়াদায়ক, বেদনাদায়ক ঘটনা। মই আশা কৰিম আমি নিজে যি ধৰ্ম্মকে প্ৰতিনিধিত্ব নকৰো কিয় আমাৰ

বক্তব্যই সকলো ধৰ্ম্ম, সকলো সমাজকে প্ৰতিনিধিত্ব কৰাৰ প্ৰয়োজন। এজন এজন কৈ প্ৰত্যকজন কংগ্ৰেছ বিধায়কে কেৱল কোৰাণ আৰু শ্বৰীয়তৰ কথা ক'লে। আমি নিশ্চয় মানিব লাগিব যে এইখন ভাৰতত যদি কোৰাণক আমি সন্মান কৰো, তেন্তে একেজন ব্যক্তিয়ে বাইবেল আৰু ভাগৱত গীতাকো সন্মান কৰো। মই ভাৱো যে কংগ্ৰেছে নিজকে এটা সাম্প্ৰদায়িক দলতকৈ ভাৰতবৰ্ষৰ ধৰ্ম্ম নিৰপেক্ষ চৰিত্ৰটোক পালন কৰিবলৈ চেষ্টা কৰিব। নতুনকৈ বিধায়ক সকল আহিছে। মই তেওঁলোকক ক'ব বিচাৰিছো যে মোৰ ধৰ্ম্ম ইছলাম হ'ব পাৰে কিন্তু মই ইয়াত ইছলামক প্ৰতিনিধিত্ব নকৰো। মই ইয়াত গণতন্ত্ৰ, ভাৰতবৰ্ষৰ ধৰ্ম্ম নিৰপেক্ষতাক প্ৰতিনিধিত্ব কৰিম। ইয়াত আমি ভাৰতৰ প্ৰতিটো জনগণৰ আশা আৰু আকাংক্ষাক প্ৰতিনিধিত্ব কৰিম। মই এই কাৰণেই কৈছো কাৰণ মই সুদীৰ্ঘ ২২ বছৰ কংগ্ৰেছ দলত আছিলো। কংগ্ৰেছ যাতে কেৱল ধৰ্ম্মৰ দললৈ ৰূপান্তৰিত নহয়, সেইয়া গণতন্ত্ৰৰ বাবে অতি প্ৰয়োজনীয়। মই নিশ্চতভাৱে বিৰোধী দলৰ দলপতি ৱাজেদ আলী চৌধুৰী ডাঙৰীয়াক বিৰোধী দলৰ দলপতি হিচাপে

নিৰ্ব্বাচিত হোৱাৰ বাবে অভিনন্দন ও জনালো আৰু আশা কৰিম যে আমি যেন কংগ্ৰেছক এক সংকীৰ্ণ ৰাজনৈতিক দললৈ ৰূপান্তৰিত নকৰোঁ। কাৰণ দেশৰ গণতন্ত্ৰত বিজেপি, বি পি এফ, এ জি পিৰ প্ৰয়োজন আছে আৰু নিশ্চতভাৱে কংগ্ৰেছ দলৰো প্ৰয়োজন আছে। মাননীয় অধ্যক্ষ মহোদয়, আজি আমি যি খন ''সমান নাগৰিক সংহিতা'' ৰ কথা কৈছো ইয়াৰ এটা সুদীৰ্ঘ ইতিহাস আছে। আজি আমি সদনত বিজেপি, আৰ এচ এচ ৰ কথা ক'বলৈ ইয়াত সমান সংহিতাৰ কথা আনিছো। এই কথাখিনি কোৱাৰ আগতে আমি বুজিব লাগিব যে ভাৰতবৰ্ষৰ জনতাই এখন সমান নাগৰিক সংহিতাৰ কাৰণে ১৯২৫ চনৰ পৰাই কাম কৰি আহিছিল। যেতিয়া নেকি বিজেপি আৰু জন সংঘৰ জন্মই হোৱা নাছিল। অৰ্থাৎ ''সমান নাগৰিক সংহিতা''ৰ আহ্বান আৰু ''সমান নাগৰিক সংহিতা'' ৰ প্ৰয়োজনীয়তা বিজেপি আৰু জনসংঘৰ বহু আগতে ভাৰতীয়া জাতীয় কংগ্ৰেছ দলে আৰম্ভ কৰিছিল। UCC ৰ ''সমান নাগৰিক সংহিতা'' ৰ দবী উত্থাপন কৰিছিল ভাৰতীয় জাতীয় কংগ্ৰেছৰ মঞ্চৰ পৰা। মাননীয় অধ্যক্ষ মহোদয়,

বৃটিছ্ শাসনৰ সময়ত ১৮৩৫ আৰু ১৮৩৬ চনত Lex Loci Report National Law Commission এ ৰিক'মেণ্ড কৰিছিল যে crime evidence আৰু contract ৰ ক্ষেত্ৰত ''সমান নাগৰিক সংহিতা'' হ'ব লাগে আৰু তেখেতসকলে ব্যক্তিগত Personal Law- Hindu Personal Law য়েই হওঁক বা মুছলিম Personal Law য়েই হওঁক ইয়াৰ বাহিৰত ৰাখিছিল। ১৮৫৬ আৰু ১৯২০ চনত selective reforms Hindu Law ত আৰম্ভ হৈছিল আৰু এখন Special Marriage Act, 1872 ত প্ৰণয়ন কৰা হৈছিল । যিসকলে voluntarily personal law ৰ বাহিৰত গৈ নিজকে বিবাহৰ কাৰণেই হওঁক বা inter religious marriage ৰ কাৰণেই হওঁক বা সংস্কাৰৰ কাৰণেই হওঁক ''সমান নাগৰিক সংহিতা'' ৰ আধাৰলৈ আহিব খুজিব, তেওঁলোকৰ কাৰণে ১৮৭২ চনতে Special Marriage Act আৰম্ভ কৰা হৈছিল। ইয়াত Secular Civil Marriage Act ৰ কথা প্ৰথম বাৰৰ বাবে ভাৰতত অনা হৈছিল । ১৯২৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশনত পোন প্ৰথমবাৰৰ বাবে দেশত ''সমান নাগৰিক সংহিতা'' ৰ দাবী তোলা হৈছে। অৰ্থাৎ বৃটিছে আমাৰ

দেশত contract, evidence, crime আদিৰ ক্ষেত্ৰত ''সমান নাগৰিক সংহিতা'' কৰিছিল । বিবাহ আৰু উত্তৰাধিকাৰী, সম্পত্তিৰ ভাগবটোৱাৰাৰ ক্ষেত্ৰত বৃটিছে আইন কৰিব খুজা নাছিল। ১৯২৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছে প্ৰথম বাৰৰ বাবে Uniform Civil Code আমাৰ দেশত হ'ব লাগে বুলি তেওঁলোকে বলিষ্ঠভাৱে মতপোষণ কৰিছিল। মোৰ দুখ লাগে যে আজি কংগ্ৰেছে কাৰ পৰা প্ৰেৰণা লৈ আহিছে নাজানো। কিন্তু মই কংগ্ৰেছত থাকোতে গম পাইছিলো যে কংগ্ৰেছৰ Ideological inspiration মাননীয় জৱাহৰলাল নেহেৰুৰ পৰা পোৱা যায়। আজি যদি কোনোবা ধৰ্ম্মীয় মোল্লা বা হিন্দু পণ্ডিতৰ পৰা উৎসাহ লৈ কংগ্ৰেছ দলে ব্যাখ্যা ৰাখিছে সেইটো মই নাজানো। কিন্তু কংগ্ৰেছ দলৰ Ideological ভেটি মহাত্মা গান্ধী আৰু পণ্ডিত জৱাহৰলাল নেহেৰুৰ তত্বগধুৰ বক্তব্যৰ পৰাই আৰম্ভ হৈছিল। ১৯৩৭ চনত নেহেৰু কমিটীৰ ৰিপোৰ্টে UCC ৰিক'মেণ্ড কৰিছিল। নেহেৰু কমিটীৰ ৰিক'মেণ্ডেশ্যনত আমাৰ প্ৰথমবাৰ ১৯৩৭ চনত UCC ৰ কথা কোৱা হৈছিল। All India Women Conference and Reformer Boost

for a gender equality through a Common Court. এই আন্দোলন আজিৰ নহয় ১৯৩৭ চনতেই এই সমান নাগৰিক সংহিতাৰ দাবী উত্থাপন হৈছিল । ১৯৬১ চনত গোৱা ভাৰতৰ অংগ ৰাজ্য হয় । পর্তুগীজ Colonialism ৰ পৰা মুক্ত হৈ গোৱা, দমন আৰু দিউ এই তিনিখন ৰাজ্য ভাৰতৰ গণতন্ত্ৰৰ লগত সন্নিৱিষ্ট হয়। তেতিয়া গোৱাত Common Civil Law আছিল। পর্তুগীজ শাসনে Common Civil Court প্রয়োগ কৰিছিল। বৃটিছৰ সময়ত ভাৰতত Civil Court নাছিল। কিন্তু পর্তুগীজ গোৱাত Civil Court আছিল । ১৯৬১ চনত আমাৰ দেশত কংগ্ৰেছৰ শাসন আছিল । গোৱা যেতিয়া ভাৰতৰ লগত সন্নিৱিষ্ট হয় তেতিয়া ১৯৬১ চনত কংগ্ৰেছ দলে সিদ্ধান্ত লৈছিল যে let the common law continue. অর্থাৎ ভাৰতৰ প্ৰথম Common Civil Law গোৱাত আৰম্ভ হৈছিল । ১৯৬১ চনত যেতিয়া গোৱা ভাৰতৰ অংগ ৰাজ্য হয় তেতিয়া কংগ্ৰেছে ক'ব পাৰিলেহেঁতেন যে এতিয়া গোৱাত Common Civil Court নহ'ব। শ্বৰীয়ত আইন, হিন্দু আইন প্ৰজোয্য হ'ব । কিন্তু গোৱাত Common Civil Court continue কৰাৰ সিদ্ধান্ত

গ্ৰহণ কৰে। তাৰ মানে স্বাধীন ভাৰতত প্ৰথম Common Civil Code ৰ আৰম্ভণি গোৱাত ১৯৬১ চনত হৈছিল আৰু কংগ্ৰেছ দলৰ পৃষ্ঠপোষকতাতে প্ৰথম Common Civil Code আৰম্ভ হৈছিল। অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে আমাৰ সংবিধান সভাত Common Civil Code ৰ বিষয়ে বিতংভাৱে আলোচনা হৈছিল। B.R.Ambedkar, K.M.Munshi, Alladi Krishnaswamy Iyer ৰ দৰে যিসকল Ambedkar ক বাদ দি দুজন কংগ্ৰেছ দলৰ ডাঙৰ নেতা আছিল, আইনজ্ঞও আছিল, তেখেতসকলে সংবিধান সভাত খুব জোৰেৰে argue কৰিছিল যে আমাৰ দেশত যিহেতু আমি ধৰ্মনিৰপেক্ষ দেশ হ'লো, ধৰ্মনিৰপেক্ষ দেশত কোৰাণৰ শ্বৰীয়তৰো শাসন নচলিব, ধৰ্মনিৰপেক্ষ দেশত আমাৰ ভাগৱত গীতা বা বাইবেলৰো শাসন নচলিব, ইয়াত সংবিধানৰ শাসন চলিব। ৰীতি-নীতি, পৰম্পৰা আমি ধৰ্মৰ মতে চলিম, কিন্তু আমাৰ জীৱন আৰু আমাৰ নাগৰিক হিচাপে আমাৰ দায়িত্ব আৰু কৰ্তব্য ভাগৱত গীতা, কোৰান শ্বৰীফ বা বাইবেলে নিৰ্ণয় নকৰিব, ই ভাৰতৰ সংবিধানে নিৰ্ণয় কৰিব। অধ্যক্ষ মহোদয়,

সেই সময়ত পাকিস্তানৰ লগত দেশ বিভাজন হৈছিল। সংবিধান সভাই সেই সময়ৰ ইছলাম লোকসকলক যিসকল পাকিস্তানলৈ নগ'ল, ভাৰতত থাকি গ'ল, তেওঁলোকৰ অনুভূতিক সন্মান জনাই সংবিধান সভাই কৈছিল যে, আমি সংবিধানৰ আৰম্ভণিতে আমি common code নানোঁ, কিন্তু as days goes by, as we start the journey of our constitutional democracy, আমি Uniform Civil Code আনিব লাগিব। আজি আমি ইয়াতে Uniform Civil Code আনিছোঁ। This is a direction, Directive Principle of State Policy. সংবিধান সভাৰ আমাৰ প্ৰতি নিৰ্দেশ আছিল যে, যেতিয়াই উপযুক্ত সময় আহিব, সেই সময়তে আমাৰ দেশত Uniform Civil Code আমি গ্ৰহণ কৰিম। অধ্যক্ষ মহোদয়, ১৯৫১ আৰু ৫৬ চনত Jawaharlal Nehru ডাঙৰীয়াই Hindu Code Bills reform আনিছিল আৰু প্ৰথম হিন্দু, বৌদ্ধ, জৈন, শিখ সকলোকে Uniform Civil Code ৰ জৰিয়তে বান্ধি লৈছিল। তাৰমানে এই প্ৰচেষ্টাবোৰ BJP আৰু RSS ৰ প্ৰচেষ্টা নহয়। ক'ৰবাত নহয় ক'ৰবাত জাতীয় কংগ্ৰেছৰ নেতাসকলে স্বাধীনতাৰ

দোক-মকালিতে দেশত এখন Uniform Civil Code ৰ সপোন দেখিছিল আৰু দুৰ্ভাগ্যবশতঃ ভাৱে আজি গোপীনাথ বৰদলৈৰ কংগ্ৰেছ নাই, আজি ৰাজেন্দ্ৰ প্ৰসাদৰ কংগ্ৰেছ নাই, আজি চৰ্দাৰ বল্লভভাই পেটেলৰ কংগ্ৰেছ নাই আৰু সেইকাৰণে কংগ্ৰেছে আজি ধৰ্মনিৰপেক্ষতাৰ কথা কোৱাৰ সাহস হেৰুৱাই পেলাইছে। আজি কংগ্ৰেছে মাত্ৰ শ্বৰীয়ত আৰু কোৰানত প্ৰতিনিধিত্ব কৰিছে। এই দায়িত্ব আছিল Muslim League ৰ। শ্বৰীয়ত আৰু কোৰানত প্ৰতিনিধিত্ব কৰাৰ দায়িত্ব আছিল Muslim League ৰ। কংগ্ৰেছৰ দায়িত্ব আছিল সংবিধানক প্ৰতিনিধিত্ব কৰা, কাৰণ এইখন সংবিধানে আমাক নিৰ্দেশ দিছে যে, আমি as we go by আমি যেতিয়াই যেতিয়াই আগবাঢ়ি থাকিম, দেশত এখন আমি Uniform Civil Code আমি প্ৰণয়ন কৰিম। কিন্তু আজি আমাৰ দেশৰ বাবে দুৰ্ভাগ্য যে, কংগ্ৰেছ দলে আজি কেৰালাতে হওক, অসমতে হওক, সাম্প্ৰদায়িক শক্তিৰ ওচৰত আত্মসমৰ্পণ কৰিছে আৰু তাৰ কাৰণে তেখেতসকলে আজি ভাগৱত গীতা আৰু বাইবেলৰ কথা কোৱাৰ তেওঁলোকৰ সাহস নাই। আজি

মাত্ৰ কোৰাণ শ্বৰীফ আৰু শ্বৰীয়তৰ কথা কয়। আজি যদি কংগ্ৰেছৰ ১৯ জন নাথাকিলেহেঁতেন আৰু ১৯ জন যদি মুছলিম লীগৰ ইয়াত MLA থাকিলেহেঁতেন, এই ভাষণবোৰ সম্পূৰ্ণ একে হ'লহেঁতেন, ইয়াত কোনো পাৰ্থক্যই নাথাকিলহেঁতেন। মই আশা কৰোঁ অনাগত দিনত কংগ্ৰেছ দলে আমাৰ ধৰ্মনিৰপেক্ষতাৰ যিটো শক্তি তাক প্ৰতিনিধিত্ব কৰিব। অধ্যক্ষ মহোদয়, ইয়াৰ পিছত Supreme Court ৰ ১৯৮৫ চনত ন্যায় আহিলে। আমি ইয়াত Fundamental Rights ৰ কথা কৈছোঁ। Supreme Court এ হৈছে আমাৰ দেশৰ Fundamental Rights protect কৰাৰ আটাইতকৈ উচ্চতম platform. Supreme Court এ ১৯৮৫ চনত মহম্মদ আহমেদ খান বনাম শ্বাহ বানু বেগমৰ judgement দিলে আৰু Supreme Court এ স্পষ্টভাৱে ক'লে যে, এগৰাকী বিবাহ বিচ্ছেদিত মহিলাৰ ক্ষেত্ৰত CRPC Section 125 বলৱৎ হ'ব। আৰু Supreme Court এ ১৯৮৫ চনত ক'লে যে, এখন Uniform Civil Code এ দেশৰ নাগৰিকৰ মাজত সমন্বয় আনিব, দেশৰ নাগৰিকৰ মাজত একতা আনিব আৰু দেশৰ নাগৰিকক সমান

নাগৰিকৰ মৰ্যাদা দিব। দুৰ্ভাগ্যবশতঃ Supreme Court ৰ যি judgement আছিল তাক ৰাজীৱ গান্ধী ডাঙৰীয়াই Muslim Women (Protection of Rights on Divorce) Act, 1986 প্ৰণয়ন কৰি Supreme Court ৰ যিটো judgement আছিল তাক তেখেতসকলে dilute কৰে। কিন্তু Supreme Court এ এই বিষয়টো বাৰে বাৰে সদনলৈকে ঠেলি থাকিলে। ১৯৯৫ চনত সৰলা মুডগাল বনাম Union of India, তাতে Supreme Court এ স্পষ্টভাৱে ক'লে যে আমি bigamy via religious conversion অৰ্থাৎ এজন হিন্দু মানুহে কেতিয়াবা মাত্ৰ দুগৰাকী বা তিনিগৰাকী বিয়া কৰাবৰ কাৰণে ইছলাম ধৰ্ম গ্ৰহণ কৰে, তাক বন্ধ কৰিবৰ কাৰণে দেশত Uniform Civil Code আনিব লাগে। জন ভালামট্টম বনাম Union of India, তাতে Indian Succession Act, ৰ discriminatory provisions strike down কৰে। ছাইৰা বানু বনাম Union of India ২০১৭ ত triple talaq declared as unconstitutional advancing gender justice in Muslim Personal Law অৰ্থাৎ এই যিটো Uniform Civil Code ৰ ধাৰণা ই ভাৰতৰ সৰ্বোচ্চ ন্যায়ালয়ৰ পৰা

অহা বিভিন্ন ruling, judgement, সংবিধান সভাত হোৱা আলোচনা আৰু জৱাহৰলাল নেহৰু, বি আৰ আম্বেদকাৰ, কে এম মুন্সী এই ধৰণৰ বিদগ্ধ লোকসকলে স্বাধীনতাৰ দোকমোকালিতে ভাৰতত শোষণবিহীন এখন সমান নাগৰিক সংহিতা ৰূপায়ণৰ বাবে পৰামৰ্শ দি থৈ গৈছিল। অধ্যক্ষ মহোদয়, কংগ্ৰেছৰ দুই-এজনে কৈছে যে, দেশত বহুতো সমস্যা আছে। ১৯৬২ চনৰ চীনৰ আক্ৰমণ যেতিয়া হৈছিল, সেই সময়তো জৱাহৰলাল নেহৰুৱে Portuguese Uniform Civil Code গোৱাত প্ৰণয়ন কৰাৰ সিদ্ধান্ত লৈছিল। অৰ্থাৎ দেশ সকলো ফালে আগবাঢ়ি যায়, সকলো সমস্যাৰ সমাধান কৰে। অৰ্জুনে যেনেকৈ কেইবাখনো হাতেৰে ধনু চলাই সব্যসাচী হৈছিল, আমি দেশত ৰাস্তাও বনাম, স্কুলো বনাম, কলেজো বনাম, লগত আমি Uniform Civil Code ও আনিম। কাৰণ আমি অৰ্জুনৰ পৰা শিকিব বিচাৰোঁ, আমি আমাৰ সভ্যতাৰ পৰা শিকিব বিচাৰোঁ, আমি আমাৰ civilization ৰ পৰা শিকিব বিচাৰোঁ। মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ অসমৰ বাবে এক বিৰল গৌৰৱৰ দিন। উত্তৰাখণ্ডত Uniform Civil

Code প্ৰণয়ন হৈছিল, গুজৰাটত Uniform Civil Code প্ৰণয়ন হৈছে। আজি আমি দেশৰ তৃতীয়খন ৰাজ্যলৈ ৰূপান্তৰিত হ'ম যিয়ে Uniform Civil Code ৰূপায়ণ কৰি আমাৰ দেশৰ Gender justice আগবঢ়াই নিয়াৰ ক্ষেত্ৰত এক মহৎ পদক্ষেপ গ্ৰহণ কৰিব। ইয়াত বহুতে প্ৰশ্ন কৰিছে যে, আমাৰ জনজাতি লোকসকলো এই Uniform Civil Code ৰ অধীনলৈ কিয় অনা হোৱা নাই ? আমি সকলোৱে জানো যে, আমাৰ জনজাতীয় লোকসকলে এই দেশ আৰু এই মাটিত আদিম যুগৰে পৰা বসবাস কৰি আহিছে আৰু তেখেত সকলৰ নিজৰ এক বিশেষ Customary Practice আছে আৰু এই Customary Practice ৰ জৰিয়তে তেখেত সকলে নিজৰ ব্যক্তিগত জীৱন পৰিচালনা কৰে। আমাৰ মাটি, হাবি আৰু পানী আমাৰ বাবে তেখেত সকলে সভ্যতাৰ আৰম্ভণিৰ পৰা আমাৰ পৰা ৰক্ষা কৰি আহিছে। আজি আমি সকলোৱে অসমৰ জনজাতীয় সমাজখনক ধন্যবাদ দিব লাগিব যে আমি UCC আনো বা নানো, আমাৰ জনজাতীয় সমাজখনে বহু বিবাহক কেতিয়াও স্বীকৃতি নিদিয়ে। তেওঁলোকে বহু বিবাহৰ ৭ শ

মাইল দূৰত অৱস্থান কৰি আছে। আমাৰ জনজাতীয় সমাজখনে ছোৱালীক সমান অধিকাৰ দিয়ে। আমাৰ জনজাতীয় সমাজখনে। live-in ৰ দৰে relationship ক স্বীকৃতি নিদিয়ে। তেওঁলোকে নিজৰ ধৰণে Uniform Civil Code কেতিয়াবাৰ পৰাই নিজৰ জীৱনত প্ৰতিফলিত কৰি আহিছে। Self-regulation is the best regulation. যদি হিন্দু আৰু মুছলমান সমাজেও জনজাতীয় সমাজৰ দৰে Customary rights আনিলেহেঁতেন আৰু আমাৰ সমাজখনক তেওঁলোকে হিন্দু আৰু মুছলামানেও জনজাতীয় লোকসকলৰ দৰে শৃংখলা আৰু সমান অধিকাৰেৰে বান্ধি ৰাখিল হেঁতেন, তেনেহ'লে হয়টো আজি সমান নাগৰিক সংহিতা কাৰো কাৰণে প্ৰয়োজন নহ'লহেঁতেন। আমি যিসকলে কৈছো জনজাতী লোক সকল, কিয় আমি Civil code ৰ বাহিৰত ৰাখিছো ? কাৰণ আমি এটা সভ্যতাৰ **পৃষ্ঠভূমি**ক সন্মান জনাইছোঁ। আমি তেওঁলোকক impose কৰিব খোজা নাই। কাৰণ আমি Uniform Civil Code অনাৰ বহু আগৰে পৰা তেখেতসকলে customary rights ৰ দ্বাৰা আৰু customary code ৰ

দ্বাৰা তেওঁলোকে নিজৰ জীৱনক শৃংখলাবদ্ধভাৱে পৰিচালিত কৰি আহিছে আৰু সেই কাৰণেই আমি জনজাতীয় সমাজৰ মাজত খুব কমেই Shah Bano ৰ দৰে দুৰ্ভগীয়া মহিলাক আমি দেখা পাওঁ। কাৰণ তেখেতসকলে আমি চিন্তা কৰাৰ আগতেই এনেবোৰ কথা চিন্তা কৰিছিল। সেইকাৰণে কেতিয়াও বড়ো, মিচিং, কাৰ্বি, ৰাভাৰ মাজত আমি উপেক্ষিত, অৱহেলিত মহিলা দেখা নাপাওঁ। Shah Bano ৰ দৰে ঘটনা আমাৰ জনজাতীয় সমাজখনে কেতিয়াও হ'ব নিদিয়ে । সমাজে তেখেতসকলৰ দায়িত্ব লয় আৰু দুৰ্ভগীয়া মহিলাগৰাকীক সমাজেই দায়িত্ব লৈ সমাজেই তেওঁলোকক পৰিচালনা কৰে । অধ্যক্ষ মহোদয়, জনজাতীয় সমাজখনৰ পৰা আমি শিকিবলগীয়া আছে। জনজাতীয় সমাজখনৰ লগত প্ৰতিযোগিতা বা আমাক দিছে তেওঁলোকক কিয় দিয়া নাই, তেওঁলোকক কিয় দিছে আমাক দিয়া নাই, সেই প্ৰতিযোগিতাত নমাৰ পৰিৱৰ্তে জনজাতীয় লোকৰ customary codes, জনজাতীয় লোকৰ customary regulation ৰ পৰা আমি হিন্দু আৰু মুছলমান, খ্ৰীষ্টিয়ান লোকসকলে শিকাৰ প্ৰয়োজনীয়তা আছে আৰু

সেইকাৰণেই অসম চৰকাৰে এটা বিভাগ সৃষ্টি কৰিছে যে Indigenous Tribal Faith and culture, যাতে সময়ৰ লগত খোজ মিলাই তেওঁলোকৰ Best Practice বিলাকক আমি আধুনিক যুগতো জীয়াই ৰাখিব পাৰো, তেওঁলোকৰ ধৰ্ম, তেওঁলোকৰ সংস্কৃতিক আমি জীয়াই ৰাখিব পাৰো। মাননীয় অধ্যক্ষ মহোদয়, Uniform Civil Code ৰ বিপক্ষে ক'বলৈ গৈ জনজাতীয় লোকক ইয়াৰ কিয় আওতাৰ বাহিৰত ৰখা নাই, সেই প্ৰশ্ন কৰাৰ আগতে মই সদনৰ সেইজন সদস্যক পৰামৰ্শ দিম, আপোনালোকে বড়ো, ৰাভা, মিচিং সকলোৰে মাজত ঘূৰি আহক, কাৰ্বি, ডিমাচাৰ মাজত ঘূৰি আহক, ক'তো আপোনালোকে বহুগামিতা নেদেখিব, কতো Polygamy নেদেখিব। অধ্যক্ষ মহোদয়, বেমাৰ য'ত হৈছে ঔষধতো তাতেই দিয়া যাব নহয়। বেমাৰ নোহোৱা মানুহক ঔষধ কিয় দিব ? বেমাৰ য'ত আছে তাতেইতো ঔষধ দিব। আজি যদি মোৰ কেন্সাৰ বেমাৰ হোৱা নাই, মেডিকেলত যদি মোক ৰেডিঅ'থেৰাপী দি দিয়ে, কেম'থেৰাপী দি দিয়ে, মইতো ভাল মানুহজনো মৰি যাম মই। অধ্যক্ষ মহোদয়,

Uniform Civil Code য়ে য'ত কেন্সাৰ আছে তাত ৰেডিঅ'থেৰাপী, কেম'থেৰাপী দিবলৈ যত্ন কৰিছে। য'ত কেন্সাৰ নাই তাত আমি ৰেডিঅ'থেৰাপী আৰু কেম'থেৰাপী দিয়াৰ আমাৰ প্ৰয়োজনো নাই। মই অধ্যক্ষ মহোদয়, আমাৰ সদনৰ যিসকল সদস্যই জনজাতীয় লোকসকলৰ কথা কৈছে, বিশেষকৈ নতুন বিধায়কসকলক, মই তেওঁলোকক পৰামৰ্শ দিম যে আমি যিহেতু এনেকুৱা এটা সমষ্টিৰ পৰা আহিছো য'ত ৯০ শতাংশ এটা বিশেষ জনগোষ্ঠীৰ  ভোট আছে, মই বিশেষকৈ নতুন বিধায়কসকলক পৰামৰ্শ দিম যে কেতিয়াবা সময় পালে কাৰ্বি আংলং, ডিমা হাচাওত গৈ দুই-তিনিদিন থাকি আহিলে সদনত আৰু কেতিয়াও আমি এই কথাবিলাক নকওঁ, আমি কেতিয়াও তেওঁলোকৰ লগত প্ৰতিযোগিতাৰ কথা নকওঁ। ডাঙৰ কেইজনে গৈ আহিছে তেওঁলোকে জানে, নতুন বিধায়কসকলকো মই নিশ্চিতভাৱে এই পৰামৰ্শ দিম। অধ্যক্ষ মহোদয়, এতিয়া মই সমৰূপ সংহিতা অসম, ২০২৬ ৰ বিষয়ে আলোচনা কৰিব খুজিছো। অধ্যক্ষ মহোদয়, এই Uniform Civil Code খনে কেইটামান দিশ Regulate কৰিব। প্ৰথম,

এই Uniform Civil Code খনে বিবাহ আৰু বিবাহ বিচ্ছেদ, এই দিশটো নিয়ন্ত্ৰণ কৰিব। এই Common Civil Code খনে আমাৰ উত্তৰাধিকাৰী সূত্ৰে সম্পত্তি লাভ কৰাৰ যিটো আইনী পৰম্পৰা, তাক Regulate কৰিব। Live-in Relationship ক ইয়াত আমি Regulation কৰাৰ বাবে চেষ্টা কৰিম যাতে সকলোৱে সমান অধিকাৰ পায় লগতে আৰু বিবাহ আৰু বিবাহ বিচ্ছেদ, উত্তৰাধিকাৰী, Live-in Relationship ৰ লগত জড়িত এই গোটেইবিলাক দিশ এই সমান নাগৰিক সংহিতাত আমি সন্নিৱিষ্ট কৰি লৈছো। ইয়াৰ আমাৰ What is the foundation ? আমাৰ এই গোটেই Bill খনৰ Foundation টোৱেই হৈছে Article 44 of the Constitution of India. অৰ্থাৎ ইয়াৰ Foundation BJP আৰু RSS নহয়, ইয়াৰ Foundation হৈছে আমাৰ সংবিধানৰ Article 44. অৰ্থাৎ Article 44 ৰ Principle ক আমি Adopt কৰি Uniform Civil Code ইয়াত আমি আনিব খুজিছো। অধ্যক্ষ মহোদয়, এই Bill খনত প্ৰথম আমি কি ক'ব খুজিছো ? যে এই Bill খনৰ জৰিয়তে আমি Reiterate কৰিব খুজিছো, পুনৰ উল্লেখ কৰিব খুজিছো যে আমাৰ ৰাজ্যখনত আমি

বাল্য বিবাহক স্বীকৃতি নিদিওঁ। অৰ্থাৎ বাল্য বিবাহ এগৰাকী ছোৱালীৰ বিয়াৰ বাবে নূন্যতম ১৮ বছৰ হ'ব আৰু এগৰাকী পুত্ৰ বা পুৰুষৰ বিবাহৰ বয়স ২১ বছৰ হ'ব। ২১ আৰু ১৮ বছৰত বিয়া কৰাৰ অধিকাৰ পাব আৰু এই আইনখনৰ জৰিয়তে ধৰ্ম নিৰ্বিশেষে মাত্ৰ এগৰাকীক বিয়া কৰোৱাৰ অধিকাৰ পাব। অধ্যক্ষ মহোদয়, সদনত অমানৱীয় কথা কেতিয়াবা কোৱা হয়। মই কাৰো নাম নকওঁ, কোনোবা মহিলা বিধায়ক, পুৰুষ বিধায়ক, কোনোবাই যেতিয়া কয় যে ডাঙৰজনী ঘৈণীয়েক বেমাৰ হ'লে দ্বিতীয় গৰাকী বিবাহৰ অনুমতি দিব লাগে, তাতকৈ দুৰ্ভাগ্যজনক যুক্তি একোৱেই হ'ব নোৱাৰে। মই এগৰাকী মহিলাক ঘৰলৈ বিয়া কৰাই আনিলোঁ। মই ঈশ্বৰ আৰু আল্লাহৰ আগত কলোঁ যে এইগৰাকী মোৰ পৰিবাৰ, এইগৰাকী মোৰ পত্নী। দুদিন পিছত মহিলাগৰাকীৰ গাড়ী accident হ'ল। গাড়ী মই নিজেই চলাই আছিলোঁ, ড্ৰাইভাৰ মই আছিলোঁ। মহিলাগৰাকী চিটত আছিল। গাড়ী accident হ'ল আৰু মহিলাগৰাকীৰ হাত-ভৰি চিৰদিনৰ বাবে অক্ষম হ'ল। এতিয়া মই গৈ ক'ম যে "তোমাৰ হাত-ভৰি ভাঙি গ'ল, সেয়ে মই আন এজনীক ঘৰিণীয়েক কৰি আনিলোঁ। ইয়াতকৈ দুৰ্ভাগ্যজনক কথা সমাজৰ বাবে আৰু কি হ'ব পাৰে? আৰু যেতিয়া এজন বিধায়কে কয় যে ঘৈণীয়েক বেমাৰ হোৱাৰ পিছত দ্বিতীয় গৰাকী বিয়া কৰাৰ অনুমতি দিব লাগে, মই ভাবোঁ, অধ্যক্ষ মহোদয়, ইয়াতকৈ অমানৱীয় কথা একোৱেই হ'ব

নোৱাৰে। এই কথাবোৰ যদি আমি কৰবাত ঠিক বুলি মানি লওঁ, তেন্তে এই ধৰণৰ প্ৰবণতাৰ পৰা আমি বাচি থাকিব লাগিব। অধ্যক্ষ মহোদয়, আমাৰ হিন্দু ধৰ্মই, আমাৰ সংস্কৃতিয়ে শিকায় যে পত্নী আৰু পুৰুষৰ সম্পৰ্ক বহু জন্মৰ পৰা নিৰ্ধাৰিত হৈ থাকে। মোৰ যদি পত্নী থাকে, আৰু আমাৰ পৰিবাৰত যদি অহাকালি কেঞ্চাৰে ধৰাত পৰে সেই জনী পত্নীক জীৱনৰ শেষ পৰ্যন্ত সহায় দি হ'লেও আমি চিকিৎসাৰ বাবে চেষ্টা কৰিম। সেই সময়ত দ্বিতীয় বিবাহৰ কথা চিন্তা কৰা–সেই মানুহজন মানুহ হ'ব পাৰে জানো? সেই মানুহজন মানুহ হ'ব পাৰে জানো? অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিম। আকৌ মই কংগ্ৰেছ দলকো অনুৰোধ কৰিম–ই এটা বহুত ডাঙৰ দল, ই এটা মহান সংস্কৃতিৰ পৰিচয় আছে। ভাৰতৰ স্বাধীনতা সংগ্ৰাম, এই দলটো মহাত্মা গান্ধীৰ দল। এই দলটোক মৌলবাদী চিন্তাধাৰাৰ দললৈ ৰূপান্তৰ নকৰিব।

অধ্যক্ষ মহোদয়, মই সদনত জোৰেৰে কম যে আমি এনে আইন আনিব লাগে যাতে মহিলাগৰাকী বেমাৰ হলে কোনো স্বামীয়ে চিকিৎসাৰ পৰা আঁতৰি যাব নোৱাৰে। চিকিৎসা কৰিবই লাগিব। দ্বিতীয় বিয়াৰ প্ৰশ্নই উঠিব নোৱাৰে।

অধ্যক্ষ মহোদয়, স্বামী আৰু পত্নীৰ সম্পৰ্ক ভাৰতীয় সভ্যতায় কয়–পূৰ্বজন্মতেই নিৰ্ধাৰিত হৈ থাকে। এই এক অবিচ্ছেদ্য সম্পৰ্ক। সতি যেতিয়া মৃত্যু হৈছিল, মহাদেৱৰ পত্নী সতিৰ পুনৰ জন্ম হৈছিল পাৰ্বতীৰূপে, কাৰণ স্বামী আৰু পত্নী কেতিয়াও পৃথক হৈ থাকিব নোৱাৰে; জীৱনৰ পিছতো জীৱনত একেলগে থাকিব লাগে।

অধ্যক্ষ মহোদয়, যদি পত্নী কোনো কাৰণত আমাৰ দ্বায়বদ্ধ নহয়, সম্পৰ্ক ভালদৰে নাযায়, বা পৰস্পৰৰ মাজত মতানৈক্য থাকে, তেন্তে

এই আইনে বিবাহ বিচ্ছেদৰ অধিকাৰ দিছে। অধ্যক্ষ মহোদয়, যদি আপুনি দ্বিতীয় বিবাহ কৰিব খোজে, তেন্তে বিবাহ বিচ্ছেদৰ বাবে আদালতলৈ যাব লাগিব। Consensual divorce-ৰ নিয়মো এই আইনত আছে। মই বহু সময়ত দেখিছো কিবা কাৰণত বিয়াখন মিলা নাই, পতী-পত্নী কথা পাতিছে একেলগে। বিবাহ বিচ্ছেদ কৰিছে। অৰ্থাৎ এই আইণ খনে অসভ্য যুগৰ পৰা সভ্যতাৰ যুগলৈ লৈ আহিছে। পত্নী বেমাৰ হৈছে ৰাতিপুৱা এগৰাকী নতুন পত্নী লৈ আহিম, নহয়। মাননীয় অধ্যক্ষ মহোদয়, এই সদনত কোনে কি কৈছে মই নিৰৱতাৰে শুনি আছিলো আৰু বিৰোধীৰ পৰা কৈ আছিলে প্ৰথম পত্নীৰ বেমাৰ আজাৰ কি হব। এইটো মই কোৱা কথা নহয়। এইটো কথাটো মই আৰম্ভ কৰিছো নেকি? এই কথাটো আমাৰ ৰেকৰ্ডত আছে। মই ইয়াতে স্বৰিয়তৰ কথা অনা নাই। মই ইয়াত আপোনালোকৰ বক্তব্যৰ কথা আনিছো। বক্তব্যত কোৱা হৈছে-

**শ্ৰীমতী বেবী বেগম, (পৰ্বতজোৰা )ঃ** চাৰ বেমাৰ বুলি কোৱা নাই, যদি ঢুকাই যায় আৰু লৰা-ছোৱালী আছে।

**মাননীয় অধ্যক্ষঃ** আপুনি বহক। মাজত কথা নকব।

**ড০ হিমন্ত বিশ্ব শৰ্মা, ( মুখ্যমন্ত্ৰী )ঃ** অধ্যক্ষ মহোদয়, মই আকৌ এবাৰ পঢ়ি দিছোঁ যাতে Wazed Ali Choudhury, Zakir Hussain Sikdar, Nurul Huda, Baby Begum, Abdus Sobahan Ali Sarkar, তেওঁলোকে amendment দিছে, সেই কথাৰ ওপৰত তাত কৈছে,

"When a man marries a woman, even if he has well provided, a wife is suffering from prolonged incurable diseases, incapable of any work and unsoundness of mind..." মাননীয় অধ্যক্ষ মহোদয় মই বিৰোধী পক্ষৰ বিধায়ক সকলক কম আপোনালোকে কোৱা কথাৰ উত্তৰ দিয়াতো মোৰ দ্বায়িত্ব। ইয়াতে যি লিপিবদ্ধ হব মই তাৰ উত্তৰ দিম। যদি আপোনালোকে নোকোৱা কথা মই কও নিশ্চিতভাৱে আপোনালোকে মোক বাধা দিব। মাননীয় সন্মানীয় সদস্যই বক্তব্যটো

ৰাখিছিল, Formal amendment আনিছে। Amendment আনিছে Wazed Ali Choudhury, Zakir Hussain Sikdar, Nurul Huda, Baby Begum, Abdus Sobahan Ali Sarkar তাতে কৈছে — "unrecoverable disease, incapable of any works" মানে কি? মানে কি? এগৰাকী মহিলা বিধায়কে যদি কয় যে এগৰাকী মহিলা "incapable of any works" — meaning টো আপুনি বুজি চাব পাৰে। অধ্যক্ষ মহোদয়, you read this dangerous line... incapable of any works, what is the meaning ?

অধ্যক্ষ মহোদয় সেই কাৰণে মই প্ৰথমতে কৈছিলো যে এইখন সদনত আমি কোনো ধৰ্মক প্ৰতিনিধিত্ব কৰা নাই। আজি কংগ্ৰেছ দলৰ আটাইতকৈ ডাঙৰ সমস্যা হ'ব যিহেতু অখিল গগৈ ডাঙৰীয়াই উল্লেখ কৰিছিল এটা ইন্টাৰভিউত যে, পদে পদে কংগ্ৰেছে যেন এইখন সদনত এটা ধৰ্মক প্ৰতিনিধিত্ব কৰিছে তেনেকুৱা ফিলিং মানুহৰ অহা ৫ বছৰত হৈ যাব। সেই কাৰণে কংগ্ৰেছৰ নৱনিৰ্বাচিত ১৮ জন বিধায়কৰ এটা ঐতিহাসিক দায়িত্ব আছে। মই আপোনালোকে জানিবৰ কাৰণে কৈছো কাৰণ এশ দুখন আসন জিকাৰ পিচত মইতো আপোনালোকক হিংসা কৰিবলগা একোৰেই নাই। সেই কাৰণে আপোনালোকে দেখিছে মোৰ বক্তব্যত ক'তো এগ্ৰীচিভনেচ নাই। মই মাত্ৰ কৈছো যদি এনেকৈ আপোনালোকে এটা ধৰ্মক প্ৰতিনিধিত্ব কৰে, অহাবাৰ বিৰোধীৰ আসনখনো অখিল গগৈ ডাঙৰীয়াই লৈ ল'ব।

(সদনত হাঁহিৰ ৰোল উঠে)

এইখিনি মই কোনো বেয়া কোৱা নাই । এইখিনি মই আগতে ইন্টাৰভিউত কোৱা কথা । আজিও কোৱা নাই  যে অখিল গগৈ ডাঙৰীয়াই ভাল পাওক বুলি কওক , সেইটোও মই কোৱা নাই। মই এইবোৰ কথা আগত অন ৰেকৰ্ড কৈছো। সেই কাৰণে আজি ৰাজেদ আলি চৌধুৰী ডাঙৰীয়াৰ সন্মূখত ডাঙৰ দায়িত্ব পৰিছে যে, ১৮ জন এটা ধৰ্মৰ বিধায়ক কিন্তু কথা কওঁতে হিন্দু – মুছলমান – খ্ৰীষ্টান সকলোৰে হৈ এই ১৮ জনে ক'ব লাগিব । কাৰণ মই অখিল গগৈ ডাঙৰীয়াক ইমান ভাল হ'বলৈ দিব বিচৰা নাই। সেই কাৰণেহে মই কেইটামান  ফ্ৰী পৰামৰ্শ দি আছো , নহ'লে মই নিদিলোহেঁতেন । অধ্যক্ষ মেহাদয়, ইয়াৰ পিচত যেতিয়া আমি কোনোবাই কওঁ যে পত্নীৰ বেমাৰ,  incapable of any works  আৰু বিয়া কৰাবলৈ অনুমতি দিব লাগে , সভ্য সমাজে তাৰ অনুমতি দিব নোৱাৰে। আপোনালোকে যদি ইছলাম ধৰ্মলৈ উভতি চায় , দ্বিতীয় বিবাহ ইমান ইজি নাছিলে। বিশ্ব নবী হজৰত মহম্মদে দি থৈ যোৱা যদি নিয়ম পঢ়ে – ইছলামত দ্বিতীয়া বিবাহ কেতিয়া হয় ,যেতিয়া মানুহজনে আল্লাহ –তাল্লাহৰ ওচৰত প্ৰমিজ কৰে যে মই দুই জন পত্নীক সমান চকুৰে চাম , নতুন বিয়া কৰাৰ আগতে প্ৰথম গৰাকী পত্নীৰ অনুমতি ল'ব লাগিব । আৰু অনুমতি লওঁতে ক'ব লাগিব যে মই সমান চকুৰে চাম । অৰ্থাৎ ইউনিৰ্ফম চিভিল কোডৰ আৰম্ভনিও বিশ্ব নবী হজৰত মহম্মদৰ পৰাই আৰম্ভ হৈছে।

( সদনত চাপৰি বজাই সমৰ্থন জনায়)

যদি আমি পত্নীগৰাকীৰ বেমাৰ বুলি দ্বিতীয়গৰাকী বিবাহ কৰাও, তাৰমানে প্ৰথমগৰাকী পত্নীক আমি বেয়া পাওঁ –ঘিন কৰো- হিংসা কৰো গোটেইখিনিতো কৈয়েই দিলো। কাৰোবাৰ কেঞ্চাৰ হৈ বেডত থকা মহিলা এগৰাকীক সুধো যে মই দ্বিতীয় এজনীক বিবাহ কৰিব খুজিছো , তুমি বেমাৰী হৈছা – সেইজনী মহিলাই কি স্বামীৰ দ্বিতীয় বিবাহৰ অনুমতি দিব পাৰিব ? – তেওঁৰ পৰা জোৰ কৰি আমি অনুমতি ল'ম-যে অনুমতি নিদিলে কালিৰ পৰা ট্ৰীটমেন্টৰ পইচা নিদিওঁ । ইছলাম ভাল ধৰ্ম – মোৰ বহু গভীৰ অধ্যয়ণ আছে ইছলামৰ ওপৰত। মৌলবাদে ইছলামক প্ৰতিনিধিত্ব নকৰে।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ আপুনি এবাৰ ইছলামক শ্ৰেষ্ঠ ধৰ্ম বুলি কৈছিলে। পৃথিৱীৰ ভিতৰত শ্ৰেষ্ঠ ধৰ্ম বুলি কৈছিলে।

**মাননীয় অধ্যক্ষ** ঃ আপুনি কিয় ইন্টাৰ্ফেয়াৰ কৰি আছে বাৰে বাৰে। এইবাৰ লাষ্ট টাইম কিন্তু চাব।

**ডঃহিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী, অসম** ঃ অধ্যক্ষ মহোদয়, মই কি কৈছিলো, ..মই কোনো স্কুলৰ টীছাৰ বা মাষ্টৰ নহয়- মই মুখ্যমন্ত্ৰী হওঁ। কাইণ্ডলী এনেকৈ কথা নক'ব। অধ্যক্ষ মহোদয়, কালি তেখেতে কৈছিল আঙুলি টোৱাই কিয় কথা কৈ আছে ? আজি

তেখেতে নিজে কি কৰিছ ? What is this ? আপুনি যিখন স্কুলত পঢ়িছিলে সেইখন স্কুলৰ মই প্ৰিঞ্চিপাল আছিলো।

( সদনত হাঁহিৰ ৰোল উঠে)

অধ্যক্ষ মহোদয়, ইয়াৰ পিচত বাধ্যতামূলক পঞ্জীয়ন। প্ৰতিখন বিবাহ আৰু লিভিং ৰিলেশ্যনশ্বীপক আইনৰ স্বীকৃতি দিবলৈ ইয়াত ব্যৱস্থা কৰা হৈছে। মৃতকৰ সম্পত্তি পতি, পত্নী সন্তান আৰু  জীৱিত পিতৃ- মাতৃৰ মাজত দিবলৈ ব্যৱস্থা কৰা হৈছে। এক মানৱ অগ্ৰাধিকাৰ ক্ৰম অনুসৰি ন্যায় সংগতভাৱে বিতৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে। অধ্যক্ষ মহোদয়, আজি কি হৈছে যে, এগৰাকী স্বামীৰ মৃত্যুৰ পিচত তেওঁৰ পেনশ্যনখিনি পত্নীয়ে পালে কিন্তু  জীৱিত পিতৃ- মাতৃয়ে একোকে নাপালে। আনকি চৰকাৰে দিয়া ক্ষতিপূৰণখিনিও আমি পত্নীগৰাকীকে দিওঁ। এই ক্ষেত্ৰতো বৃদ্ধ পিতৃ মাতৃয়ে একোকে নাপায়। সেই কাৰণে ইউ চি চিত আমি কৈছো যে, মই হাজবেণ্ড হ'ব পাৰো কিন্তু মই কাৰোবাৰ ল'ৰাও হয়। সেই কাৰণে মোৰ মৃত্যুৰ পিচত মোৰ সম্পত্তি মোৰ পত্নীয়ে পাব কিন্তু তাত মোৰ পিতৃ মাতৃৰো অধিকাৰ থাকিব। অধ্যক্ষ মহোদয় ইয়াতকৈ আৰু ডাঙৰ সংশোধন কি হ'ব পাৰে। সিও এক মানৱ অগ্ৰাধিকাৰ ভিত্তিত যে পত্নীয়ে বেছিকৈ পাব আৰু পিতৃ মাতৃয়ে এটা  হিচাপত পাব। অধ্যক্ষ মহোদয় , ইয়াতে আমাৰ ৪ টা খণ্ড আছে। ১৪ টা অধ্যায় (চেপ্টাৰ) আছে। ৩৯৮ টা ধাৰা (চেকশ্যন)

আছে আৰু ৭ খন সূচী (চিডুইল ) আছে। প্ৰথম খণ্ডত আমি বিবাহক চৰ্ত্ত দিছো যে, দৰাৰ বয়স ২১ আৰু কইণাৰ বয়স ১৮ , অধ্যক্ষ মেহাদয়, ধাৰা ৪(২) , ৪(৩) ত বিবাহৰ বাবে চৰ্ত্ত য'ত এক পত্নীত্ব আৰু পতিব্ৰতা মহিলাৰ দুগৰাকী স্বামী হ'ব নোৱাৰে আৰু পুৰুষ গৰাকীৰো দুগৰাকী পত্নী হ'ব নোৱাৰে আৰু কোনেও জীৱিত সংগী অৰ্থাৎ এগৰাকী বিৱাহিত পুৰুষে বিয়া কৰোৱাটো দূৰৰে কথা living relationship আন এগৰাকী ৰাখিব নোৱাৰিব তেওঁৰ পত্নী জীয়াই থকা অৱস্থাত। অধ্যক্ষ মহোদয়, আপোনালাকে কেতিয়াও নাভাবিব যে, This is against islam আমাৰ বহুতো হিন্দু পুৰুষ আছে যিয়ে বিয়া কৰাইছে কিন্তু আকৌ বেলেগৰ লগত লিভিং ৰিলেশ্যনশ্বীপতো আছে। আপোনালোকে ঠিকেই কৈছে যে বহু গামী মানুহ হিন্দুও আছে মুছলমানতো আছে। সেই কাৰণে আমি কৈছো য'ৰেই নাথাকক কিয় সেহেটোৱে বেয়া। ক'তো কোৱা হোৱা নাই যে, বহুগামীটো কেৱল মুছলমানে প্ৰেকটিছ কৰে। মোৰ ওচৰলৈ মাহত দুই – তিনিগৰাকী চৰকাৰী বিষয়া –কৰ্মচাৰীৰ পত্নীয়ে আহি মোক কয় যে, মোৰ স্বামীয়ে আৰু এগৰাকী বিয়া কৰাইছে। তেওঁলোকৰ বেছিভাগেই হিন্দু মহিলা। মই কাকো বদনাম দিব খোজা নাই। আমি আপোনালোকৰ লগত এগ্ৰী কৰো l polygamy is practiced legally or illegally both of Hindu, Muslim or Christian religion . এই ক্ষেত্ৰত ধৰ্মই অনুমিত নিদিয়ে আমি নিজেই কৰো , সেই বাবে ইয়াত স্বামী আৰু পত্নীৰ মাজত

সম্পৰ্ক থকা লৈকে কোনেও লিভিং ৰিলেশ্যনশ্বীপত থাকিব নোৱাৰিব। অধ্যক্ষ মহোদয়, ইয়াত এটা ডাঙৰ ক্ল'জ অনা হৈছে যে, So called love Jihad – ইয়াত কোৱা হৈছে যে, বলপূৰ্বক জোৰ-জুলুম প্ৰতাৰণা প্ৰৱঞ্চনাৰে ফেচবুকত নামটো সলাই বিয়া কৰালে কিন্তু পিচত গ'ম পালে যে এই নামটোৱে নহয়। বিয়া কৰোৱাৰ আগত ক'লে যে দিল্লী মুম্বাইত মোৰ ফ্লেট আছে কিন্তু বিয়াৰ পিচত গম পালে যে গোটেইখিনি বেংকত মটগেজ হৈ আছে। গতিকে বলপূৰ্বক জোৰ-জুলুম প্ৰতাৰণা প্ৰৱঞ্চনাৰে বিবাহ কৰাটো অক্ষমনীয় অপৰাধ হ'ব। এই গোটেই বিলখনে এই আইনখেন সমগ্ৰ নাৰী জাতিকে এক সুৰক্ষা কৱচ পিন্ধাইছে। লাভ জেহাদৰ প্ৰতিটো ঘটনাৰ পিচত পুলিছে তদন্ত কৰিব পাৰিব যে, ইয়াত বল পূৰ্ব্বক বা জোৰ জুলুম আছে নেকি ? আমি পলিগেমি আৰু লাভ জেহাদ দুয়োটা টপিককে ইউ চি চিৰ ভিতৰত লৈ আহিলো। অধ্যক্ষ মহোদয়, সন্মতিৰ বৈধতা বা বিভিন্ন ধৰণে মদ – ড্ৰাগচ খোৱাই বিয়া পাতিছো  সেইটো নহ'ব। সন্মতিৰ বৈধতা থাকিব লাগিব।  আমি ইয়াত কৈছো যে Marriage within the prohibited relationship ইয়াত আইনৰ অনুমতি নাথাকিব। ইয়াৰ বিষয়ে মই ক'ম কিন্তু আমি ৰীতি নীতিৰ স্বাধীনতা দিম। ইয়াত আমি ইন্টাৰফিয়াৰ নকৰো। বিবাহৰ পদ্ধতি কি হ'ব- নিকাহ চলিব, বৈদিক বিবাহ চলিব, আহোম চকলং চলিব , আৰ্শীবাদ চলিব , পবিত্ৰ মিলন চলিব বা যিকোনো পদ্ধতিৰে বিবাহ পাতিব পাৰিব। বৈদিক বিবাহ

চলিব, আহোম চকলং চলিব, সপ্তপদী চলিব, আৰ্শীবাদ চলিব, পৱিত্ৰ মিলন চলিব, আনন্দ তাৰা চলিব বা যিকোনো ritual দি বিয়া পাতিব পাৰিব। UCC এ ritual ক অন্তৰ্ভুক্ত নকৰে। যিয়ে যেনেকে ইচ্ছা তেনেকৈ বিয়া পাতিব পাৰিব। চকলংৰ পৰা বৈদিকা বিবাহৰ পৰা নিকা লৈকে। ইয়াত কোনো ইন্টাৰফেয়াৰ নাই। এক্টত আমি ধাৰা ৫ ত এই বিষয়ে স্পষ্টভাৱে উল্লেখ কৰিছো। কেনেকৈ বিয়া পাতিব এইটো ব্যক্তি স্বাধীনতা। তাত আমি ইন্টাৰফেয়াৰ নকৰো। অধ্যক্ষ মহোদয় বিয়া হোৱাৰ পিছত ৬০ দিনৰ ভিতৰত আমি Registration কৰিব লাগিব। ইয়াত এটা পৰামৰ্শ আহিছে যে Registration টো বৰ খৰছী হ'ব। Rule বনাওতে আমি সেই পৰামৰ্শটো আমি নিশ্চিতভাৱে বিবেচনা কৰিম। অধ্যক্ষ মহোদয় ফেমিলী কোৰ্টত ডাইভৰ্চ হোৱাৰ পিছত ডাইভৰ্চ্ছৰ ডিগ্ৰীখনো ৰেজিষ্টাৰৰ ওচৰত আমি পঞ্জীয়ন কৰিব লাগিব। অধ্যক্ষ মহোদয়, এই গোটেই আইনখনত আমি যি ধৰণে ডাইভৰ্চ হ'ব কোনো এজন সংগীয়ে যদি যুক্তিগত কাৰণ নোহোৱাকৈ আনজনৰ সংগ ত্যাগ কৰে বা সন্মতিক্ৰমে ন্যায়িক পৃথকীকৰণ কৰে বা আমাৰ ইয়াত আদালতে পৃথকীকৰণৰ ডিগ্ৰী দিয়ে তাক আমি ইয়াতে ন্যায় সংগত বুলি ধাৰা ২৭(২) ত আমি উল্লেখ কৰিছো। অধ্যক্ষ মহোদয়, যদি এজন পত্নী থাকোতে আন এজন পত্নী বিয়া কৰায় মহিলাক বিয়া কৰায় বিয়াখন ভইড মেৰেজ হ'ব আৰু এনে বিবাহত বহা ব্যক্তিজনৰ ৭ বছৰ কাৰাদণ্ড হ'ব। অধ্যক্ষ মহোদয়,যদি বলপুৰ্বক জোৰ জোলোম গুৰুত্বৰ প্ৰৱঞ্চনাৰ জৰিয়তে যদি বিবাহ কৰা হয় সেই বিবাহখনো বাতিল যোগ্য হ'ব। অধ্যক্ষ মহোদয়,আমাৰ ইয়াতে কোৱা হৈছে যে বিবাহ বিচ্ছেদৰ কিছুমান কাৰণ আমি ইয়াত দেখুৱাইছো ধাৰা ৩১ (১) ত যে কাৰোবাৰ যদি সংসাৰ ধৰ্ম ত্যাগ কৰিব খুজিছে, অইন ধৰ্মলৈ যাব খুজিছে, যদি সাত বছৰ ধৰি খবৰ লোৱা নাই বিভিন্ন ধৰণৰ ডাইভৰ্চৰ জেনিউইন গ্ৰাউণ্ড বিলাকো আমি ইয়াতে উল্লেখ কৰিছো। অধ্যক্ষ মহোদয়, বিচাৰ চলি থকাৰ সময়ত ভৰণ পোষণ দিব লাগিব , স্থায়ী খুৰাকি দিব লাগিব। ন্যায়লয়ে যি নিৰ্ণয় কৰে আৰু সন্তানৰ কল্যাণৰ

কাৰণে সন্তানৰ সৰ্বোচ্চ স্বাৰ্থ আৰু কল্যাণ ৰক্ষা কৰিব পৰাকৈ মাক বা দেউতাকৰ ওচৰত জিম্মা দিব লাগিব। পাঁচ বছৰ বয়স কম থাকিলে সেই জিম্মা মাকে পাব লাগিব । অধ্যক্ষ মহোদয়,কোনো উইল নকৰাকৈ মৃত্যু হোৱা যিকোনো ব্যক্তিৰ বাবে প্ৰথম শ্ৰেণী দ্বিতীয় শ্ৰেণী এক উমৈহতীয়া অগ্ৰাধিকাৰ পণ এই সম্পত্তি বিতৰণৰ ক্ষেত্ৰত ইয়াতে আমি উল্লেখ কৰিছো। মৃতকৰ সম্পত্তি পতি পত্নী সন্তান আৰু জীৱিত পিতৃ মাতৃৰ মাজত একে সময়তে সমান অংশত ভাগ দিয়া হ'ব। অৰ্থাৎ আজিৰেপৰা লৰা আৰু ছোৱালী দুইজনৰে সম্পত্তিত সমান অধিকাৰ থাকিব। ই এক বৈপ্লৱিক ধাৰণা। এতিয়া ইছলাম হওক, হিন্দু হওক যাৰ পৰিয়ালত সম্পত্তি থাকিব সন্তান বুলি ইয়াত কোৱা হৈছে লৰা আৰু ছোৱালী বুলি কোৱা হোৱা নাই। অৰ্থাৎ প্ৰতি গৰাকী সন্তানৰ মাজত সমানে আৰু যদি জীৱিত পিতৃ মাতৃ থাকে সমানে সম্পত্তিৰ বিতৰণ হ'ব। অধ্যক্ষ মহোদয়, ইয়াতকৈ মানৱীয় কাম কি হ'ব পাৰে। মইটো নিজে জানো ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াৰ কন্যা সন্তান MBBS পঢ়ি আছে। যদি আজি আমি ছোৱালীৰ খবৰ নাৰাখো আজি যদি ছোৱালীক আমি সন্মান নকৰো সৰু সৰু ভিতৰুৱা গাঁৱত বাস কৰা মানুহক যদি আমি এই বিষয়ত নজনাও বাল্য বিবাহ বেয়া আজি MBBS পঢ়ি আছে তেখেতে ছোৱালীক তেওঁক এই সময়ত বিয়া দিয়া নাই কিন্তু তেওঁৰ সমষ্টিৰে হাজাৰ হাজাৰ জন লৰা ছোৱালী বাল্য বিবাহ কৰি আছে। আমি অকল আমাৰ ছোৱালীক সুৰক্ষা দিলেই নহ'ব আৰু এনে অজস্ৰ ছোৱালীক সুৰক্ষা দিয়াটো বিধায়ক মন্ত্ৰী হিচাপে আমাৰ দায়িত্ব আৰু আজি এই UCC খন এডপ্ট কৰি আমি কি দায়িত্ব পালন কৰিছো যে মই অকল মোৰ ছোৱালীক সুৰক্ষা দিয়া নাই । মই প্ৰতিগৰাকী ছোৱালীক সুৰক্ষা দিছো । ইয়াতকৈ ভাল কাম কি হ'ব পাৰে। ইয়াতকৈ আল্লাৰ কাম কি হ'ব পাৰে, ইয়াতকৈ ঈশ্বৰৰ কাম কি হ'ব পাৰে । ইয়াতকৈ গড'ৰ কাম কি হ'ব পাৰে । অকণমান নিজৰ মানৱীয় অনুভূতি জগাই তোলাত আপত্তি কৰিব লগা একো নাই । অধ্যক্ষ মহোদয়, কোনোবা উইল কৰিব লাগে। উইল কৰাৰো অধিকাৰ

দিয়া হৈছে । এগৰাকী সদস্য লিভিং ৰিলেচনস্বিপৰ ওপৰত প্ৰশ্ন তুলিছে। অধ্যক্ষ মহোদয়, আমি যদি চাবলৈ যাও ভাৰতবৰ্ষৰ উচ্চতম ন্যায়লয়ে Live-in-relationship ক সম্পূৰ্ণৰূপে স্বীকৃতি দিছে আৰু ইয়াৰ এটাক বিয়া সময়ৰ পৰ্য্যায়লৈকে । ভাৰতৰ উচ্চতম ন্যায়লয়ে লিভ ইন ৰিলেশ্বন চিপক সম্পূৰ্ণৰূপে স্বীকৃতি দিছে তাৰ মানে কি ? যে চুপ্ৰিম কৰ্টে যদি কয় Live-in-relationship is allowed and it is almost in the same pedestal of a marriage. তাক টু ৰেগুলেট কৰিবই লাগিব চৰকাৰে । আজি যদি Live-in-relationship ত এটা সন্তানৰ জন্ম হয়, তাৰ দায়িত্ব কোনে ল'ব ? আজি ডেকা লৰা ছোৱালীয়ে একেলগে আছে গতিকে লৰা ছোৱালীক আমি স্বাধীনতা দিম । আমি লৰা ছোৱালীক স্বাধীনতা দিম কিন্তু লৰা ছোৱালীৰ একেলগে থকাৰ ফলত যিটো লৰাৰ জন্ম হ'ল সি দেউতাক মাকৰ নাম পাবনে নে নাপাব ? আজি যদি সেই লৰা ছোৱালীৰ সন্তানে যদি দেউতাক মাকৰ নাম নাপাই সি কেনেকে ডাঙৰ হ'ব ? Live-in-relationship ত আমি ভাল বেয়া একোৱে নকও কিন্তু Live-in-relationship ৰ যিবিলাক reaction আমি Live-in-relationship কৰিলো তিনি বা চাৰি বছৰ থাকিলো আৰু আমি ছোৱালী গৰাকীক কলো কালিৰ পৰা we have a breakup. ছোৱালীজনীয়ে কি পাব ? ছোৱালীজনীৰ অধিকাৰ কি থাকিব ? আমি Live-in-relationship ক বেয়া বুলি কোৱা নাই কিন্তু যিকোনো relationship তে মানুহে দায়িত্ব গ্ৰহণ কৰিব লাগিব । এজনী ছোৱালীক যদি মই লগত ৰাখিছো তাৰ এটা আইনী আৱৰণ থাকিব লাগিব । যদি এটা লিগেল coverage নাথাকে ছোৱালীজনী অধিকাৰ ক'ত পাব ? Gender Equality. ই Gender Biased হ'ব নোৱাৰে । অধ্যক্ষ মহোদয়, সেই কাৰণে আমি এই UCC ত কৈছো যে Live-in-relationship ত থকা সকলে এমাহৰ ভিতৰত ৰেজিষ্টাৰ কৰিব লাগিব but more than registration আমি ইয়াতে কৈছো যে Live-in-relationship ত যদি কোনোবা সন্তান জন্ম হয় সেই Live-in-relationship ত থকা দুই গৰাকী লৰা ছোৱালীয়ে পিতৃ

মাতৃৰ নাম সন্তানক দিব লাগিব। ইয়াত বিৰোধিতা কৰিব লগা কি আছে ? অধ্যক্ষ মহোদয়, Live-in-relationship ত আছো ছোৱালী গৰাকীক এৰি দিলো তাই ভৰণ পোষণ পাব লাগিব নে নালাগিব ? তাই যদি ভৰণ পোষণ নাপায় তাই কেনেকে জীৱনটো নতুন ৰূপত গঢ় দিব সেইকাৰণে আমি ইয়াতে কৈছো যে Live-in-relationship যদি কোনোবাই ত্যাগ কৰে এগৰাকী ছোৱালীয়ে কৰ্টলৈকে গৈ সম্পত্তিৰ অধিকাৰ দাবী কৰিব পাৰিব। সেই ছোৱালীজনীয়ে সম্পূৰ্ণ পত্নীৰ অধিকাৰ দাবী কৰিব পাৰিব। ইয়াত যদি আমি বিৰোধিতা কৰো তাৰ মানে আমি কি কৰিব খুজিছো, ছোৱালীজনীৰ লগত ৭-৮ বছৰ থাকিম আৰু এটা ৰাতিপুৱা পৰিত্যক্ত কৰি এৰি দিম। Can it be allowed in a civilized society ? আজি আমি live in relationship ৰ সমাপ্তিৰ সময়তো ইয়াক আমি সমাপ্ত কৰিব পাৰো, কোনো কথা নাই কিন্তু we have to take care of our partner. We have to give legality to our children. আৰু এটা live in relationship গুৱাহাটীত থাকিব, এটা live in relationship দিল্লীত থাকিব সেইটো নহয়, at a time one live in relationship is allowed. অৰ্থাৎ live in relationship তো polygamy থাকিব নোৱাৰিব। There can not be any polygamy even in the live in relationship. ইয়াতকৈ ভাল কি হ'ব পাৰে অধ্যক্ষ মহোদয়। আজি, কালি, পৰহিৰ পৰা social media ত আপোনালোকে পাব কিমান ছোৱালীয়ে নিজৰ কথা লিখিছে যে মই Delhi Universityত পঢ়ি আছিলো, live in relationship ত আছিলো, ল'ৰাজনে ভাল কোম্পানীত চাকৰি পাই join কৰিলে, ৰাতিপুৱাই মোক এৰি দিলে। ছোৱালীজনী ক'ত যাব? Every relationship is a responsibility. ইয়াত আমি যি ইচ্ছা তাকে কৰিম, it can not be allowed. অধ্যক্ষ মহোদয়, ইয়াত আমি এইখিনিও কৈছো যদি ছোৱালীজনীৰ বয়স ২১ বছৰতকৈ কম হয়, তেতিয়া পুলিচে দেউতাক-মাকক খবৰ দিবলৈ বাধ্য হ'ব। দিল্লী-মুম্বাইত পঢ়িব পঠাইছো, live in relationship ত আছে, একো গম নাপাওঁ, দেউতাক-মাকে গ'লে সেই দিনাখনৰ কাৰণে ল'ৰাটো

বেলেগ হোটেলত গুছি যায়। দেউতাক–মাক আহি দেখে সকলো একে আছে। যেতিয়ালৈকে ছোৱালীজনীৰ বিবাহৰ বয়স নহয়, ২১ বছৰৰ তল হ'লে পুলিচে দেউতাক মাকক খবৰ পঠিয়াব । আমি interfere নকৰো, আমি Bedroomত নোসোমাওঁ। Bedroomত দেউতাক-মাক সোমাব ... interruptions .... ছোৱালীৰো ১৮ নহয়, ইয়াত দুইজনৰে ২১ বছৰ হ'ব লাগিব, because it is not marriage, it is live in relationship. ইয়াত দুই জনৰে বয়স ২১ বছৰ হ'ব লাগিব আৰু live in relationship ১৮ ৰ পৰা ২১ বছৰলৈ হ'ব পাৰে। আমি কেৱল ইমানেই কৈছো যে দেউতাক-মাকক জনাব লাগে যে your children are in live in relationship. দেউতাক-মাকৰ সন্মতি থাকিলে আমাৰ ক'বলগীয়া একো নাই বা নাথাকিলেও যিখিনি দেউতাক মাকে কৰিব লাগে সেইখিনি কৰিব তাত পুলিচ নাযায়। আমাৰ এগৰাকী নতুন বিধায়কে কৈ দিলে পুলিচ যাব, টকা খাব। নতুন নতুন বিধায়কে ইমান কেনেকৈ পুলিচক চিনি পায় মই গ'মেই নাপাওঁ । পুলিচৰ বিষয়ে ইমান idea কেনেকৈ হ'ল? পুলিচৰ বিষয়ে ইমান idea পুলিচৰ লগত বহুত জড়িত নহ'লেতো নহয়। আমাৰ আগতে পুলিচৰ বিষয়ে idea আছিল কাৰণ আমি আন্দোলন কৰি আছিলো। অখিল গগৈৰ থাকিব পাৰে পুলিচৰ লগত relationship। কিন্তু নতুন বিধায়কজনৰ পুলিচৰ লগত ইমান কিয় সম্পৰ্ক এইটো জানিব লাগিব পিছত। এইটো অলপ বুজি পাব লাগিব। অধ্যক্ষ মহোদয়, যদি ১৮ বছৰৰ তলত হয়, live in relationship ৰো অনুমতি নাথাকে আৰু live in relationship ত যদি তথ্য মিছা প্ৰদান কৰে তাৰো ওপৰত পুলিচ বা আইনে বা আদালতে interfere কৰিব পাৰিব। অধ্যক্ষ মহোদয়, UCC খন হ'ল ভাৰতৰ সভ্যতাৰ হাজাৰ বছৰৰ শিক্ষাৰ আৰু সংস্কৃতিৰ evolution. Yeh koi ek din mein nehi hua hain, UCC hamare hajaro salo ka sanskriti ka ek mulbhut siksha hain. ইয়াক আমি কোনেও আজিৰ বিজেপি, RSS য়ে কৰি দিলে, তাক আমি ক'ব নোৱাৰো। Bharat humein yehi sikhata hai , hamara sanskriti yehi

sikhata hain ki nari ka sanman, Maa Durga, Maa Kamakhya ka, Kanaklata ka, Mulagabharu ka,  Joymoti ke liye sanman hain, Mulagabharu ke liye unka siksha, unka birasat ke liye Assam ka ek sanman hain. অধ্যক্ষ মহোদয় মই নাভাৱো যে বিৰোধী পক্ষৰ লোকসকলে ইয়াৰ বিৰোধিতা কৰাৰ কিবা যুক্তি আছে। পাৰ্টীয়ে ইয়াত instruction দিছে, যিমানখিনি কৰিব লাগে ইয়াত কৰিলে ।  মই ব্যক্তিগত ভাৱে আপোনালোকৰ  যিমানৰ লগত ফোনত কথা পাতিছো, সকলোৱে মোক যোৱা তিনি দিনৰ পৰা এটা কথাই কৈ আছে যে আমিতো support কৰো কিন্তু পাৰ্টীয়ে হাক দিছে, কিবা এটাতো ক'ব লাগিব ।  যোৱাকালিৰ পৰা কংগ্ৰেছৰ ১০-১১ জন বিধায়কৰ লগত মই নিজে কথা পাতিছো।  সবেই কৈছে দাদা এইটো খুবেই ভাল কিন্তু পাৰ্টীয়ে কৈছে যিহেতু বিৰোধিতা কৰিবই লাগিব । পাৰ্টীৰ সভাপতিজন কোন ? পাৰ্টীক কোনে কয় ? পাৰ্টীক সভাপতিয়ে কয় । গতিকে ইয়াৰ পৰা আমি বুজি পাওঁ যে পাৰ্টীৰ সভাপতিজন কোন। তেখেতে ছোৱালীক কিমান সন্মান কৰে, নাৰীক কিমান সন্মান কৰে। Youtube ৰ podcast ত ছোৱালীক সন্মান কৰিলে নহ'ব নহয় , জীৱনত ছোৱালী আৰু নাৰীক সন্মান কৰিব লাগিব । আজি অন্তঃত অসমত কংগ্ৰেছ দলৰ যিজন সভাপতি বা  ভাৰতত যিজন সভাপতি, সভাপতি বুলি নকওঁ, যিজনে দল চলায়, মালিক বুলি কওঁক, মুখিয়া বুলি কওঁক, এখেত সকলে মহিলাক সন্মান কৰো বুলিয়েই কৈ থাকে সকলোতে । আকৌ বিধায়ক সকলক কিয় শিকাই দিছে UCC ক বিৰোধিতা কৰিবৰ কাৰণে। এইটো এটা অপ্ৰয়োজনীয় কথা। অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিম যে এই UCC ... interruptions....

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)** ঃচাৰ, আমাৰ সভাপতিয়ে কোনো ধৰণৰ instruction দিয়া নাই ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** পাৰ্টীয়েতো instruction দিছে।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা):** দিয়া নাই ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** আপোনালোকে পাৰ্টীৰ against ত কৰিছে ?

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা):** আমাৰ ওপৰতে এৰি দিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, এইটো বৰ ডাঙৰ statement যে ওয়াজেদ আলী চৌধুৰীয়ে পাৰ্টীক বিৰোধিতা কৰি ইয়াত UCC ৰ বিৰোধিতা কৰি আছে। এবাৰ ফোনত সুধি লওঁক, amendment বিলাক অহাৰ আগতে এবাৰ ফোন এটা কৰি সুধি লওঁক পাৰ্টীক।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা):** বিধায়ক সকলৰ লগত আলোচনা কৰি সিদ্ধান্ত ল'ব দিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** মই নাজানো যদি এনেকৈ কয় । মানে পাৰ্টীৰ instruction ৰ অবিহনে যদি আপোনালোকে এইটো কৰি আছে, অহাবাৰ টিকট নাপাবও পাৰে আপোনালোকে । গতিকে পাৰ্টীৰ instruction টো ফোনত সুধি লওঁক এবাৰ, নহ'লে এনেই ইয়াত আপোনালোকৰ ৰেকৰ্ডত থাকি যাব যে পাৰ্টীক নোসোধাকৈ ইয়াত বিৰোধিতা কৰি আছে। অধ্যক্ষ মহোদয়, পাৰ্টীক

সুধিছে, সোধা নাই, যি নহওঁক, তেওঁলোকৰ নিজৰ কথা আমি তাত ক'ব নাযাওঁ কিন্তু এই UCCয়ে আমাৰ অসমৰ মহিলা সমাজক সুৰক্ষা দিব, মহিলা সমাজক সম্পত্তিৰ সমান অধিকাৰ দিব আৰু যিসকল receiving end ত থাকে, live in relation ৰ দৰে relationship, য'ত নিৰাপত্তা নাথাকে, সুৰক্ষা নাথাকে, তেওঁলোকক নিৰাপত্তা আৰু সুৰক্ষাৰ এক নতুন কৱচ দিব। অধ্যক্ষ মহোদয়, UCC ভাৰতীয় জনতা পাৰ্টীৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি আছিল । প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত আমি ভাৰতত gender equality ৰ বাবে নাৰী বন্দন অধিনিয়মেই হওঁক, UCC য়েই হওঁক, Triple Talaq য়েই হওঁক, আমি gender equality ৰ বাবে কাম কৰি আহিছো আৰু ভাৰতীয় জনতা পাৰ্টীৰ এগৰাকী গৌৰৱী সদস্য হিচাপে আজি সদনত Uniform Civil Code খন পাৰিত কৰাৰ বাবে উপস্থাপন কৰিবলৈ পাই সঁচাকৈ মই গৌৰৱ অনুভৱ কৰিছো। আমি আমাৰ NDAৰ মিত্ৰদলক ধন্যবাদ জনাইছো যে সকলোৱে আমাক সহযোগিতা কৰিছে আৰু আমাৰ নিৰ্বাচনত দিয়া এটা ডাঙৰ প্ৰতিশ্ৰুতি আজিৰ দিনটোত আমি নিৰ্বহন কৰিবলৈ নেদেখা জনে আমাক শক্তি দিছে। যোৱাকালি আমাৰ দলৰ এখন মিটিং হৈছিল মই তাত এটাই কৈছিলো যে যদি এই নিৰ্বাচনত বিজেপি নিজিকিলেহেঁতেন, অসমৰ লাখ লাখ মহিলাই সুৰক্ষাৰ কৱচ পিন্ধিব নোৱাৰিলেহেঁতেন। অৰ্থাৎ প্ৰতিটো নিৰ্বাচনৰ বিজয়ে আমাৰ ইপ্সিত লক্ষ্য সমূহ পূৰণ কৰাত ক'ৰবাত নহয় ক'ৰবাত আমাক সহযোগিতা কৰে। আজি অসমৰ প্ৰতিগৰাকী নাৰীশক্তি, প্ৰতি গৰাকী মাতৃক আৰু প্ৰতি গৰাকী কন্যাক মই সন্মান জনাইছো আৰু যিসকলে

যি কাৰ**ণেই** নহওঁক কিয় স্বাধীনতাৰ ইমান বছৰ **UCC** নথকাৰ বাবে অত্যন্ত দুখৰ জীৱন বেদনাৰে ভৰা জীৱন পাৰ কৰিলে, তেওঁলোকৰ দুখত আজি আমি সমভাগী হৈছো। দ্বিতীয় পত্নী, তৃতীয় পত্নী, চতুৰ্থ পত্নীৰ মৰ্য্যদাই একো একো গৰকী নাৰীৰ সত্বাটোকে ধ্বংস কৰি পেলালে । প্ৰথম পত্নী, দ্বিতীয় পত্নী, তৃতীয় পত্নী**ৰ** প্ৰতি কৰা দুৰব্যৱহাৰে নাৰী সত্বা একোটাক ধ্বংস কৰি পেলায়। এগৰাকী নাৰী**ৰ** যেতিয়া জীৱন্ত সত্বা নোহোৱা হৈ যায় সমাজৰ অফুৰন্ত ক্ষতি হয়। এগৰাকী স্বামীয়ে যেতিয়া দ্বিতীয় গৰাকীক বিবাহ কৰায়, প্ৰথম গৰাকী মাতৃয়ে ঘৰৰ পৰাই ওলোৱাই বাদ দি দিয়ে। আজি এই **Uniform Civil Code** সেই গৰাকী মাতৃৰ প্ৰতি শ্ৰদ্ধাঞ্জলী। যিগৰাকী মাতৃয়ে সমাজৰ পৰা বহু আতৰত থাকি নিজৰ দুখ আৰু দুৰ্দশাৰ সৈতে জীৱন কটাইছিল অধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন অঞ্চলত বাস কৰা যিসকল ছোৱালীক ১৮ বছৰৰ তলত ডাক্তৰ হ'বলৈ সপোন দেখা, ইঞ্জিনীয়েৰ হ'বলৈ সপোন দেখা, শিক্ষক হ'বলৈ সপোন দেখা, বিধায়িকা হ'বলৈ সপোন দেখা যিসকল ছোৱালীক ১৮ বছৰ নহওঁতেই দেউতাক মাকে নিৰ্দয় ভাৱে বিবাহলৈ পঠিয়াই দিয়ে, সেই সকল ছোৱালীৰ প্ৰতি এই **UCC** খন হ'ল শ্ৰদ্ধাঞ্জলী। যিসকল ছোৱালীক ২১-২২ বছৰতে ৩-৪ টা সন্তানৰ মাতৃত্ব ল'বলৈ বাধ্য কৰোৱা হয়, সেইসকল মোৰ ছোৱালী, মোৰ ভগ্নীৰ প্ৰতি এই **UCC** এক শ্ৰদ্ধাঞ্জলী। মাত্ৰ তিনটা শব্দই তালাক, তালাক, তালাক। মাত্ৰ তিনিটা শব্দই যাৰ জীৱনলৈ অন্ধাকাৰৰ অমাৱস্যা নমাই আনে। সেই মাতৃ শক্তিৰ প্ৰতি **UCC** আমাৰ শ্ৰদ্ধাঞ্জলী । যিসকল ছোৱালীয়ে পিতৃ-মাতৃৰ মৰমত

ডাঙৰ হয়, মাত্র ছোৱালী হোৱাৰ বাবেই দেউতাকৰ সম্পত্তিৰ অকনমানো অধিকাৰ নাপায়, তেনে সকল মোৰ জীয়ৰী, ছোৱালী. ভাগিনীৰ প্ৰতি এই **UCC** এক শ্ৰদ্ধাঞ্জলী । এই **UCC** সেইসকল দুৰ্ভগীয়া ছোৱালীৰ প্ৰতি আমাৰ শ্ৰদ্ধাঞ্জলী যাক নেকি **living relationship** লৈ আকৰ্ষণ কৰি যুৱকজনে নিৰ্দয়ভাৱে প্ৰতাৰণা কৰে। যাৰ সন্তানে পিতৃত্বৰ পৰিচয় অবিহনে জীৱন সংগ্ৰামত আগবাঢ়িব লাগে তেনে দুৰ্ভগীয়া যুৱতী **তথা** তেওঁলোকৰ পুত্ৰ-কন্যা সন্তানৰ প্ৰতি আমাৰ শ্ৰদ্ধাঞ্জলী । অধ্যক্ষ মহোদয়, ১৬ তম্ অসম বিধান সভাৰ প্ৰথমখন অধিবেশনত অসমৰ নাৰীশক্তিক বন্দন কৰি আমাৰ কন্যা মাতৃক বন্দন কৰিব। আজি আমি এই যি ঐতিহাসিক **Uniform Civil Code adopt** কৰিবলৈ গৈ আছো মই ভাবো, আমাৰ ৫ বছৰৰ ইয়াতকৈ ভাল আৰম্ভণি আমাৰ একো হ'ব নোৱাৰে । গেছৰ দাম কমিব, গেছৰ দাম বাঢ়িব, কিন্তু এগৰকী ছোৱালীৰ জীৱন ধ্বংস হৈ যায়, তাক কোনেও **উ**ভটাই দিব নোৱাৰে। তাক চৰকাৰেও উভটাই দিব নোৱাৰে । গেছৰ দাম পৰিৱেশৰ সৈতে চৰকাৰে কমাব, বঢ়াব, কিন্তু কোনো চৰকাৰে দুৰ্ভগীয়া কন্যা সন্তানটিক হেৰুৱা যৌৱন, হেৰুৱা সন্মান উভটাই দিব নোৱাৰে। সেয়েহে আজি এই ঐতিহাসিক ক্ষণত **Uniform Civil Code** ৰ বিতৰ্কত ভাগ লোৱা প্ৰতি গৰাকী সদস্য**ক** মই অভিন্দন জনাইছো, ধন্যবাদ জনাইছো আৰু অসমৰ নাৰী শক্তিলৈ অসমৰ মাতৃ শক্তিলৈ অসমৰ কন্যা শক্তিলৈ ভাৰতীয় জনতা পাৰ্টী আৰু **NDA** ক এইবাৰ নিৰ্বাচনত আটাইতকৈ বেছি সমৰ্থন কৰিছিল অসমৰ নাৰীশক্তি আৰু মাতৃশক্তিয়ে যি ধৰ্মৰে নহওঁক

কিয়, হিন্দু, মুছলমান কোনোৱা আমাক ভোট দিব পৰা নাই, কিন্তু আমাক দোৱা কৰিছে। কৰবাত আমাক ভোট দিব পৰা নাই, কিন্তু দোৱা কৰিছিল যে জিকক, হিমন্ত বিশ্ব শৰ্মাই জিকক, বি.জে.পিয়ে . জিকক, এন. ডিয়ে জিকক। যিসকল মাতৃয়ে আমাক ভোট দিছিল আৰু যিসকল মাতৃয়ে সমাজৰ বিভিন্ন পাক চক্রত পৰি আমাক ভোট দিব পৰা নাছিল, কিন্তু দোৱা দিছিল। তেওঁলোকৰ প্ৰতি এই **UCC** আমাৰ শ্ৰদ্ধাঞ্জলী। মই আশা কৰিম, ভাৰতৰ তৃতীয়খন ৰাজ্য হিচাপে অসমে **UCC** পাছ কৰা এক বিৰল গৌৰৱৰ অধিকাৰী, ক্ষন্তেক সময়ৰ পিছতে হ'ব। মই আপোনাৰ জৰিয়তে আহ্বান জনাম, ভাৰতৰ যাতে প্ৰতিখন ৰাজ্যই **Uniform Civil Code adopt** কৰে আৰু আমাৰ সংবিধানৰ প্ৰণেতা সকলে যি এখন আদৰ্শ সমাজৰ কল্পনা কৰিছিল, সেইখন আদৰ্শ সমাজলৈ আমি যাতে গতি কৰিব পাৰো, আমি যাতে আগবাঢ়িব পাৰো। এগৰাকী সদস্যই কৈছিল যে **UCC BJP** আৰু **RSS** ৰ। গৌৰৱ অনুভৱ কৰো যে **BJP** আৰু **RSS** য়ে আমাক **Uniform Civil Code** ৰ দৰে সামাজিক বিপ্লৱৰ কাৰণে প্ৰেৰণা দিয়ে। আজি যদি মই **BJP** ৰ মুখ্যমন্ত্ৰী নহলোহেঁতেন **RSS** ৰ যদি এজন স্বয়ং সেৱক নহ'লোহেঁতেন হয়তো **UCC** খন কেতিয়াও আনিব নোৱাৰিলোহেঁতেন। **BJP** আৰু **RSS** য়ে আমাক শিকাই সমাজলৈ ৰূপান্তৰ আনিব, সমাজলৈ পৰিবৰ্তন আনিব আৰু আধুনিকতাৰ লগতে ৫ হাজাৰ বছৰৰ ভাৰতৰ সভ্যতা সংস্কৃতিক মূল আদৰ্শ হিচাপে প্ৰেৰণাৰ প্ৰ**তী**ক হিচাপে গ্ৰহণ কৰি সমাজ সংস্কাৰৰ বাবে আমাক প্ৰেৰণা যোগায়। সেই কাৰণে কোনোবাই যেতিয়া কয়, ই **BJP** ৰ **agenda, RSS** ৰ **agenda,**

মোদীৰ **agenda,** অমিত শ্বাহৰ **agenda** তাত ই বেয়া নাপাওঁ, বৰঞ্চ গৌৰৱেৰে মোৰ বুকুখন উফন্দি পৰে যে এই কাম কৰিবলৈ মোক নৰেন্দ্ৰ মোদীয়ে প্ৰেৰণা দিয়ে, অমিত শ্বাহে প্ৰেৰণা দিয়ে, **BJP** য়ে প্ৰেৰণা দিয়ে, **RSS** প্ৰেৰণা দিয়ে। অহা ৫ বছৰত আমি এনেকুৱা আৰু বহুত কাম কৰিম য়িয়ে সমাজত সুস্থিৰতা আনিব, সমাজলৈ পৰিৱৰ্তন আনিব। **Uniform Civil Code** নাৰীশক্তিৰ প্ৰতি সন্মান জনাই সদনত সৰ্বস**ন্‌মতি** ক্ৰমে পাছ কৰাবলৈ বিনম্ৰ অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় শ্ৰী ৰাজেদ আলী চৌধুৰী ডাঙৰীয়া, আপুনি মাজতে দুবাৰমান মুখ্যমন্ত্ৰী ডাঙৰীয়াক কথা সুধিব বিচাৰিছিল, তেখেতে আছে, আপুনি প্ৰশ্ন কৰিব পাৰে। শ্ৰী ৰাজেদ আলী চৌধুৰী ডাঙৰীয়া তেখেতক কৈছো মই। আপুনি উঠিছিল দুবাৰমান, মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈ থাকোতে।

**শ্ৰী ৰাজেদ আলী চৌধুৰী, (শালমাৰা দক্ষিণ )** ঃ মই কথাখি**নি** তেতিয়াই কৈছো।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, ( চেঙা)**ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, আৰম্ভণিতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেনেকুৱা এটা ধাৰণা দিলে **UCC** ক **লৈ** যে আমাৰ সংবিধান সভাবোৰত নেহৰুজী, কে.এম মুঞ্চীজী তেখেতসকলৰ উদ্যোগতেই প্ৰচেষ্টা চলিছিল **UCC** টো অনাৰ কাৰণে। কিন্তু এই কথাটো আমি পাহৰি যোৱাটো উচিত নহয় সেইজন নেহেৰুজীয়ে ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী হৈ বহুদিন কাৰ্য্যনিৰ্বাহ কিন্তু

কৰিছিল। তেন্তে প্ৰশ্ন হয় যে নেহেৰুজীৰ নেতৃত্বত কিয় **UCC** লাগু কৰা নহ'ল। কাৰণ এই কথাটো এই কাৰণেই মই কৈছো কাৰণ ধাৰণাটো বেয়া যাব নালাগে। ভুল বাৰ্তা যাব নালাগে। কাৰণ কংগ্ৰেছে বহুত চিন্তা-ভাৱনা কৰি, বিভিন্ন পক্ষৰ লগত আলোচনা কৰি আমাৰ অনৈক্যৰ মাজত ঐক্যৰ যিটো কথা আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই দোহাৰিলে, এই সকলোবোৰ কথা পুংখানুপুংখ ভাৱে চালি-জাৰি চাইয়েই ভাৰতবৰ্ষত UCC সম্ভৱ নহয় কাৰণেই কংগ্ৰেছৰ ইমান দিনৰ শাসন কালতো UCC অনা নাই। কিন্তু হয়, আৰম্ভণীত চেষ্টা নিশ্চয় কৰিছিল, চিন্তা-ভাৱনা কৰিছিল। বৰ্তমান মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰ চলি আছে। তেখেত প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত হৈয়েই দুবাৰকৈ UCC কেন্দ্ৰত লাগু কৰাৰ কাৰণে প্ৰচেষ্টা হাতত লৈছিল। কিন্তু দুয়োবাৰেই পৰামৰ্শৰ ভিত্তিত, মই দীঘলীয়া হ'ব কাৰণে details ত যোৱা নাই। মই কেৱল ন্যায়ধীশ বি এচ চৌহান ডাঙৰীয়াৰ অধ্যক্ষতাত ২১ সংখ্যক ভাৰতীয় আইন আয়োগে ৩১-০৮-২০১৮ তাৰিখে পৰিয়াল আইন সংস্কাৰ সম্পৰ্কীয় পৰামৰ্শ পত্ৰ Consultation paper on reform of family law দাখিল কৰাৰ

প্ৰতি মতামত প্ৰকাশ কৰে যে ভাৰতত ব্যক্তিগত আইন সমূহ সংস্কাৰ কৰাৰ প্ৰয়োজন আছে আৰু এই পৰ্য্যায়ত উমৈহতীয়া নাগৰিক সংহিতা Uniform Civil Code প্ৰয়োজনীয় নহয় বা বাঞ্চণীয় নহয়। ইয়াৰ পিছতো ছাৰ, আকৌ এবাৰ প্ৰচেষ্টা হাতত লৈ কৰ্ণাটকৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ শ্ৰী ঋতুৰাজ অৱষ্ঠিৰ অধ্যক্ষতাত ২২ সংখ্যক ভাৰতীয় আইন আয়োগে উমৈহতীয়া নাগৰিক সংহিতা অৰ্থাৎ Uniform Civil Code সম্পৰ্কে সৰ্ব্ব সাধাৰণ ৰাইজ আৰু স্বীকৃতি প্ৰাপ্ত ধৰ্মীয় সংগঠন সমূহৰ মতামত আৰু পৰামৰ্শ বিচাৰি ১৪-০৬-২০২৩ তাৰিখে এখন ৰাজহুৱা জাননী জাৰি কৰে। মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে সেই ৰিৰ্পোট ৰাজহুৱা কৰা হোৱা নাই। সেই কাৰণে কৈছো যে মোদী ডাঙৰীয়াই চেষ্টা কৰিছিল। যদি সঁচা অৰ্থতে এইটো সম্ভৱ হ'ল হেঁতেন, বাস্তৱ অৰ্থত তেনেহ'লে মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰত মোদী ডাঙৰীয়াৰ নেতৃত্বত UCC ইমান সময় আনিলে হেঁতেন। বৰ্তমান মুখ্যমন্ত্ৰী ডাঙৰীয়াই মই স্বীকাৰ কৰিছো যে হয়, আমাৰ

সমাজ ব্যৱস্থাত বহুতো আসোঁৱাহ আছে। এইবিলাক reform কৰক ছাৰ। কিন্তু UCC(Uniform Civil Code) টো..........

**মাননীয় অধ্যক্ষঃ** অধ্যক্ষ উঠিলে আপুনি বহিব লাগে। হ'ব আপুনি এতিয়া বহক।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, চেঙা সমষ্টিঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা বাক্যই ক'ম। এই UCC যিখন আনিছে ইয়াত মেক্সিমাম ধাৰাখিনিক কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে ইতিমধ্যে আইন প্ৰণয়ন কৰি থৈছে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, এতিয়া বিধেয়কখনত আপোনালোকে প্ৰায় ১৫-২০ টা সংশোধনী আনিছে আৰু ইতিমধ্যে গোটেইখিনি কথা আপোনালোকে আমাক জনালে আৰু আলোচনাও কৰিলে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে সবিস্তাৰে আপোনালোকক উত্তৰ দিলে। এতিয়া আপোনালোকে এই সংশোধনীখিনি উইদ্ৰ যদি কৰে, তেতিয়াহ'লে আমি বাকীখিনি একেলগে দফাই দফাই পাছ কৰিব পাৰো।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাট** ঃ মাননীয় অধ্যক্ষ মহোদয়, সংশোধনীখিনি অনা হৈছিল, ভাৰতৰ সংবিধানৰ Article 14,15, 25,26, 28 . এই ধাৰাখিনি উলঙঘা কৰাৰ কাৰণে। গতিকে আমি বিচাৰো এখন শুদ্ধ সৰল আইন হওঁক। কিন্তু ইয়াত অসমৰ জনসাধাৰণৰ মতামত সাপেক্ষে, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈ গৈছে বিভিন্ন জাতি-জনগোষ্ঠীৰ মতামত ল'বৰ বাবে। গতিকে আমিও এইটো আহ্বান কৰিছো যে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মানুহৰ, দল

সংগঠনৰ মতামত সাপেক্ষে এই বিলখন অসম বিধান সভাৰ Select Committee লৈ পঠাই দিলে, এই Select Committee য়ে এটা আলোচনা কৰি এটা সিদ্ধান্ত দিলে ভাল হ'ব।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, পাকাবেতবাৰী সমষ্টিঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন যিদিনা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰী অতুল বৰা ডাঙৰীয়াই যেতিয়া বিধান সভাত আনিছিল, সিদিনাই আমি আপোনাৰ জৰিয়তে চৰকাৰক আহ্বান জনাইছিলো। বিলখন অনাৰ আগতে এবাৰ সকলো ৰাইজৰ লগত, সকলো দল-সংগঠনৰ লগত কথা পাতিব লাগে। আমি সিদিনাই কৈছিলো। আজি বিলখন ইয়াত আলোচনা হৈছে, আমি সংশোধনী আনিছো এইকাৰণেই যে বিধান সভাৰ নীতি-নিয়ম বা পৰম্পৰা অনুসৰি যদি আমি সংশোধনী নানো, আপুনি আমাক ইয়াত বিতৰ্কত ভাগ ল'বলৈ কেতিয়াও সুযোগ নিদিয়ে। কিন্তু আমাৰ প্ৰথম দাবী যে UCC বলবৎ কৰাৰ আগত UCC ক লৈ ৰাজ্যব্যাপী বহল ভাৱে এটা আলোচনা হ'ব লাগে। যাৰ কাৰণে আমি আনিছিলো আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াত কেইবাটাও কথা কৈ গৈছে। কংগ্ৰেছক সাম্প্ৰদায়িক বুলি কৈ গৈছে, আমি সেইটো নসাৎ কৰিছো। আমি এটা সংশোধনী আনিছিলো এটা ধাৰা সংযোজন কৰাৰ কথা কৈছিলো। আজি যিটো ধাৰণাৰে আনিছিলো তাকো অপব্যাখ্যা কৰা হৈছে। আজি আমাৰ নুৰুল হুদা ডাঙৰীয়াই কৈছে যে এই বিলখন প্ৰথমে Select Committee লৈ পঠাব লাগে। তাৰ পিছতহে বিধান সভাত পাছ কৰিব লাগে।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, অলপ আগতে মাননীয় সদস্য শ্ৰী ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই কৈছে যে পাৰ্টীয়ে আমাক একো কোৱা নাই, বিধায়ক সকলে যি কৰে কৰক। কংগ্ৰেছ ৰিৰ্চাচ চেলৰ মই গোটেই ডকুমেণ্টখিনি পাই গৈছো যে আপোনালোকক কি কৰিব দিছে, কি কৰিব দিয়া নাই। এইবোৰ মোৰ লগতেই আছে। চাব খোজে যদি মই দেখুৱাই দিব পাৰো। যি নহওঁক, ইয়াত কাৰ নিৰ্দ্দেশত কি চলি আছে আমিও বুজি পাওঁ। ইয়াৰ detail order কেনেকৈ কি হ'ব, কি নহ'ব The Uniform Civil Code is one of the most complex debatable APCC research cell prepared by APCC research cell department 26-05-2026, গোটেইখন দেখোন মোৰ হাততেই আছে। আপোনালোকে কি কি কৰিব step by step ইয়াত লিখাই আছে। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, এইবিলাক আমি বুজিয়েই পালো যে কাৰ নিৰ্দ্দেশত ইয়াত চলি আছে। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে আগতে ঠিক কৰিছে Select Committee দাবী কৰিম। এইটো ডেৰশ বছৰৰ পৰা চলি অহা এটা ডিবেট। ইয়াত Select Committee ত নতুন পাবলগীয়া একো নাই। সেইকাৰণে আমি একেবাৰে determine, মই যোৱা অধিৱেশনতেই মাননীয় শ্ৰী অখিল গগৈ ডাঙৰীয়াক কৈছিলো যে মোক মুখ্যমন্ত্ৰী নোহোৱাকৈ ৰাখি দিয়ক। মুখ্যমন্ত্ৰী হোৱাত যিহেতু মোক ৰাখিব নোৱাৰিলে গতিকে এইখন পাছ হ'বই। এইটো option মই যোৱাবাৰেই দিছিলো যে UCC প্ৰথম অধিৱেশনতেই পাছ হ'ব। কিন্তু যদি পাছ কৰোৱাৰ ইচ্ছা নাই, তেতিয়াহ'লে মোক যেনেতেনে মুখ্যমন্ত্ৰী হোৱাৰ পৰা ৰখাই দিয়ক। তেতিয়া আপুনি কৈছিল যে

নদীতেই পেলাই দিব। গতিকে আমি ৰাইজৰ পৰা এইটো লৈ আহিছো যে প্ৰথম অধিৱেশনতেই UCC পাছ হ'ব । সেইকাৰণে মই দুখেৰে কৈছো যে usually মই বিৰোধীৰ কথাৰ লগতেই যাওঁ, মোৰ ইমান কথা নাই। কথা ক'ব লাগে, বেছিকৈ ক'ব লাগে, যি কয় কিন্তু মই বিনম্ৰতাৰে ক'ব খুজিছো যে এইটো Select Committee ত যোৱাৰ কোনো প্ৰয়োজন নাই । আজি আমি এই বিলখন সদনত গৃহীত কৰাব বিচাৰিছো।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ সমষ্টিঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া paragraph wise আলোচনা হ'ব লাগে । দফাই দফাই আলোচনা হ'ব লাগে।

**মাননীয় অধ্যক্ষঃ** মই দফাই দফাই কৈ আছো। এতিয়া দফা নং ১ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়া, আপুনি সংশোধনী প্ৰস্তাৱটো উঠাই ল'ব নে ? মাননীয় শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়া সদনত অনুপস্থিত।

**শ্ৰী ৱাজেদ আলী চৌধুৰী, বীৰ সিং জাৰুৱা সমষ্টিঃ** মাননীয় অধ্যক্ষ মহোদয়, Select Committee ৰ কথাটো বিবেচনা কৰিব নেকি ?

**মাননীয় অধ্যক্ষঃ** এইটো মই চেয়াৰৰ পৰা অগ্ৰাহ্য কৰিছো।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ সমষ্টিঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া এইটো দফাই দফাই আলোচনা হ'ব।

**মাননীয় অধ্যক্ষঃ** আলোচনা হ'লেই।

**শ্ৰী বিশ্বজিৎ দৈমাৰী, তামুলপুৰ সমষ্টিঃ** সংশোধনীটো মুভ কৰিব নে উঠাই ল'ব, এইটোৱেই কথা।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ সমষ্টিঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া এইটো দফাই দফাই আলোচনা হ'ব, আলোচনা নোহোৱাকৈ বিল কতো পাছ্ হ'ব নোৱাৰে।

**শ্ৰী বিশ্বজিৎ দৈমাৰী, তামুলপুৰ সমষ্টিঃ** মোশ্যন আনক, আমি পাছ কৰি দিম।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ সমষ্টিঃ** মাননীয় অধ্যক্ষ মহোদয়, সংশোধনী দিছো, সেই দফাবোৰৰ আলোচনা হ'ব লাগিব।

**শ্ৰী বিশ্বজিৎ দৈমাৰী, তামুলপুৰ সমষ্টিঃ** মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়া অনুপস্থিত আছিল । এইটো নচলে, কেৱল কংগ্ৰেছৰ।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া মাননীয় শ্ৰী বিশ্বজিৎ দৈমাৰী ডাঙৰীয়া সদনৰ অধ্যক্ষ আছিল, তেতিয়া এটা নিয়ম আছিল যে আমি প্ৰথমতে আলোচনা কৰিম, তাৰপিছত দফা কেইটা মাত্ৰ mention হ'ব, উত্তৰ দিব ভোটত। তাত আৰু ইমান দীঘলীয়া আলোচনা কৰাৰ কথা নাথাকে । কিন্তু সেই পইন্টটোৰ ওপৰত কোনোবাই কিবা ক'লে লগে লগে এই মোশ্যনটো আমি হয় defeat নহ'লে accepted কৰি আমি আগবাঢ়িব লাগিব । সেইটো কৰিবই লাগিব।

**মাননীয় অধ্যক্ষঃ** দফা নং ১ ত শ্ৰী শ্বেৰমান আলী আৰু অখিল গগৈ সংশোধনী প্ৰস্তাৱ আছিল কিন্তু তেখেত সকল অনুপস্থিত । অখিল গগৈ বৰ্তমান উপস্থিত হলেও তেখেতৰ সংশোধনী প্ৰস্তাৱ দাখিল কৰা সময়ত অনুপস্থিত আছিল।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** মাননীয় অধ্যক্ষ মহোদয় মই এবাৰৰ বিধায়ক নহয়।

**মাননীয় অধ্যক্ষঃ** আপুনি সেই সময়ত অনুপস্থিত আছিল সেই কথাটো আমাৰ ৰেকৰ্ডত আছে। এতিয়া দফা নং ১ বিধেয়ক খনৰ অংশ হব। যিসকল সদস্যই সপক্ষে আছে কওঁক হয় আৰু যিসকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সাপেক্ষে হয় সাপেক্ষে হয় সাপেক্ষে।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো Select Committee ত দিব লাগে। .......( হুলস্থূল)....

**মাননীয় অধ্যক্ষঃ** এইটো Select Committee ত দিয়াৰ কথাই নাহে, মই আপোনালোকৰ প্ৰস্তাৱটো অগ্ৰাহ্য কৰিছো। এতিয়া দফা নং ২ ত সংশোধনী প্ৰস্তাৱ আছে শ্ৰী ওৱাজেদ আলী চৌধুৰী লগতে সহযোগী সকল, শ্ৰী শ্বেৰমান আলী আহমেদ আৰু অখিল গগৈ, আপোনালোকৰ সংশোধনী প্ৰস্তাৱকেইটা উত্থাপন কৰিবনে ?

দফা নং ২ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰী**ও**ৱাজেদ আলী চৌধুৰীৰ লগতে সহযোগীসকল**,** শ্ৰীশ্বেৰমান আলী আহমেদ আৰু শ্ৰীঅখিল গগৈ**,** আপোনালোকে সংশোধনী প্ৰস্তাৱকেইটা উত্থাপন কৰিবনে **?**

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল যে মাননীয় সদস্য শ্ৰী**ও**ৱাজেদ আলী চৌধুৰীৰ লগতে সহযোগীসকল**,** শ্ৰীশ্বেৰমান আলী আহমেদ আৰু শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱকেইটা গ্ৰহণ কৰা হওঁক। যিসকল

সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "**নহয়”**। মই ভাবো "**নহয়”**ৰ সপক্ষে**,** "**নহয়”**ৰ সপক্ষে**,** "**নহয়”**ৰ সপক্ষে। সংশোধনীকেইটা নাকচ হ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া**,** দফা নং ২ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "**নহয়”**। মই ভাবো **'**হয়'ৰ সপক্ষে**, '**হয়'ৰ সপক্ষে**, '**হয়'ৰ সপক্ষে। দফা নং ২ বিধেয়কখনৰ অংশ হ'ল। **(**হুলস্থুল)

**মাননীয় অধ্যক্ষঃ** দফা নং ৩ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীঅখিল গগৈ, আপুনি সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবনে?

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়”ৰ সপক্ষে। সংশোধনীটো নাকচ হ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া, দফা নং ৩ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ৩ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ৪ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীৰাজেদ আলী চৌধুৰীৰ লগতে সহযোগীসকল, আৰু

শ্রীঅখিল গগৈ, আপোনালোকে সংশোধনী প্ৰস্তাৱকেইটা উত্থাপন কৰিবনে?

**माननीय অধ্যক্ষঃ** এতিয়া, মাননীয় সদস্য শ্ৰীৱাজেদ আলী চৌধুৰীৰ লগতে সহযোগীসকল আৰু শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱকেইটা গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে। সংশোধনীকেইটা নাকচ হ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া, দফা নং ৪ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ৪ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ৫ আৰু ৬ ত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া, দফা নং ৫ আৰু ৬ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ৫ আৰু ৬ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ৭ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীমেহবুব মুক্তাৰ, আপুনি সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবনে?

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰীমেহবুব মুক্তাৰৰ সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক

"হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে। সংশোধনীটো নাকচ হ'ল।

**माननीय़ অধ্যক্ষঃ** এতিয়া, দফা নং ৭ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ৭ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ৮ আৰু ৯ ত সংশোধনী প্ৰস্তাব নাই। এতিয়া দফা নং ৮ আৰু ৯ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ৮ আৰু ৯ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ১০ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীঅখিল গগৈ, আপুনি সংশোধনী প্ৰস্তাৱকেইটা উত্থাপন কৰিবনে?

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱকেইটা গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে। সংশোধনীকেইটা নাকচ হ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া দফা নং ১০ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক

"নহয়”। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ১০ বিধেয়কখনৰ অংশ হ'ল।

**माननीय অধ্যক্ষঃ** দফা নং ১১ ত সংশোধনী প্রস্তাৱ নাই। এতিয়া, দফা নং ১১ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ১১ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ১২ ত সংশোধনী প্রস্তাব আছে। মাননীয় সদস্য শ্রীঅখিল গগৈ, আপুনি সংশোধনী প্রস্তাৱকেইটা উত্থাপন কৰিবনে ?

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্রীঅখিল গগৈৰ সংশোধনী প্রস্তাৱকেইটা গ্রহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো "নহয়”ৰ সপক্ষে, "নহয়”ৰ সপক্ষে, "নহয়”ৰ সপক্ষে। সংশোধনীকেইটা নাকচ হ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া, দফা নং ১২ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ১২ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ১৩ ত সংশোধনী প্রস্তাব আছে। মাননীয় সদস্য শ্রীঅখিল গগৈ, আপুনি সংশোধনী প্রস্তাৱটো উত্থাপন কৰিবনে?

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো "নহয়”ৰ সপক্ষে, "নহয়”ৰ সপক্ষে, "নহয়”ৰ সপক্ষে। সংশোধনীটো নাকচ হ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া, দফা নং ১৩ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”।মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ১৩ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ১৪ ত সংশোধনী প্ৰস্তাৱ আছে । মাননীয় সদস্য শ্ৰীওবাজেদ আলী চৌধুৰীৰ লগতে সহযোগীসকল, আপোনালোকে সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবনে ?

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰীওৱাজেদ আলী চৌধুৰীৰ লগতে সহযোগীসকলৰ সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ব সপক্ষে। সংশোধনীটো নাকচ হ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া, দফা নং ১৪ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ১৪ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ১৫ ত সংশোধনী প্ৰস্তাৰ আছে। মাননীয় সদস্য শ্ৰীঅখিল গগৈ, আপুনি সংশোধনী প্ৰস্তাবকেইটা উত্থাপন কৰিবনে?

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱকেইটা গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়"। মই ভাবো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে। সংশোধনীকেইটা নাকচ হ'ল। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে। মই ভাবো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে সংশোধনীকেইটা নাকচ হ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া, দফা নং ১৫ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ১৫ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ১৬ ত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া দফা নং ১৬ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ১৬ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ১৭ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীওৱাজেদ আলী চৌধুৰীৰ লগতে সহযোগীসকল, শ্ৰীঅখিল গগৈ, আপোনালোকে সংশোধনী প্ৰস্তাৱকেইটা উত্থাপন কৰিবনে?

মাননীয় অধ্যক্ষঃ এতিয়া মাননীয় সদস্য শ্ৰীওৱাজেদ আলী চৌধুৰীৰ লগতে সহযোগীসকল, শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱকেইটা গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে। সংশোধনীকেইটা নাকচ হ'ল।

মাননীয় অধ্যক্ষঃ এতিয়া, দফা নং ১৭ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ১৭ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ১৮ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীঅখিল গগৈ, আপুনি সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবনে?

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে। সংশোধনীটো নাকচ হ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া, দফা নং ১৮ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ১৮ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ১৯ ত সংশোধনী প্ৰস্তাৱ আছে। চৌধুৰীৰ লগতে মাননীয় সদস্য শ্ৰীওৱাজেদ আলী চৌধুৰীৰ লগতে সহযোগীসকল, আপোনালোকে সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবনে ?

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰীওৱাজেদ আলী চৌধুৰীৰ লগতে সহযোগীসকলৰ সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে। সংশোধনীটো নাকচ হ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া, দফা নং ১৯ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ১৯ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ২০ ৰ পৰা ২৩ লৈ সংশোধনী প্ৰস্তাৱ নাই। এতিয়া দফা নং ২০ ৰ পৰা ২৩ লৈ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ২০ ৰ পৰা ২৩ লৈ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ২৪ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীওৱাজেদ আলী চৌধুৰীৰ লগতে সহযোগীসকল, শ্ৰীঅখিল গগৈ, আপোনালোকে সংশোধনী প্ৰস্তাৱকেইটা উত্থাপন কৰিবনে?

**माननीय অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰীওৱাজেদ আলী চৌধুৰীৰ লগতে সহযোগীসকল, শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱকেইটা গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো "নহয়”ৰ সপক্ষে, "নহয়”ৰ সপক্ষে, “নহয়”ৰ সপক্ষে। সংশোধনীকেইটা নাকচ হ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া, দফা নং ২৪ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ২৪ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ২৫ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীওৱাজেদ আলী চৌধুৰীৰ লগতে সহযোগীসকল, শ্ৰীঅখিল গগৈ, আপোনালোকে সংশোধনী প্ৰস্তাৱকেইটা উত্থাপন কৰিবনে?

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰীওৱাজেদ আলী চৌধুৰীৰ লগতে সহযোগীসকল, শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱকেইটা গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো "নহয়”ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে। সংশোধনীকেইটা নাকচ হ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া দফা নং ২৫ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ২৫ বিধেয়কখনৰ অংশ হ'ল।

**माननीय अध्यक्षঃ** দফা নং ২৬ ৰ পৰা ৩৮৬ লৈ সংশোধনী প্ৰস্তাৱ নাই। এতিয়া দফা নং ২৬ ৰ পৰা ৩৮৬ লৈ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ২৬ ৰ পৰা ৩৮৬ লৈ বিধেয়কখনৰ অংশ হ'ল।

**माननीय अध्यक्षঃ** দফা নং ৩৮৭ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীঅখিল গগৈ, আপুনি সংশোধনী প্ৰস্তাৱকেইটা উত্থাপন কৰিবনে?

**माननीय अध्यक्षঃ** এতিয়া মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱকেইটা গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে। সংশোধনীকেইটা নাকচ হ'ল।

**माननीय अध्यक्षঃ** এতিয়া, দফা নং ৩৮৭ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ৩৮৭ বিধেয়কখনৰ অংশ হ'ল।

**माननीय अध्यक्षঃ** দফা নং ৩৮৮ আৰু ৩৮৯ ত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া দফা নং ৩৮৮ আৰু ৩৮৯ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ৩৮৮ আৰু ৩৮৯ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ৩৯০ ত সংশোধনী প্ৰস্তাব আছে। মাননীয় সদস্য শ্ৰীঅখিল গগৈ, আপুনি সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবনে?

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে। সংশোধনীটো নাকচ হ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া দফা নং ৩৯০ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ৩৯০ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ৩৯১ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীঅখিল গগৈ, আপুনি সংশোধনী প্ৰস্তাৱকেইটা উত্থাপন কৰিবনে?

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱকেইটা গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে। সংশোধনীকেইটা নাকচ হ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া, দফা নং ৩৯১ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক

"নহয়”। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ৩৯১ বিধেয়কখনৰ অংশ হ'ল।

**माननीय अध्यक्षः** দফা নং ৩৯২ ত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া দফা নং ৩৯২ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ৩৯২ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** দফা নং ৩৯৩ ত সংশোধনী প্ৰস্তাব আছে। মাননীয় সদস্য শ্ৰীমেহবুব মুক্তাৰ, আপুনি সংশোধনী প্ৰস্তাৱকেইটা উত্থাপন কৰিবনে?

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰীমেহবুব মুক্তাৰৰ সংশোধনী প্ৰস্তাৱকেইটা গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো "নহয়”ৰ সপক্ষে, "নহয়”ৰ সপক্ষে, "নহয়”ৰ সপক্ষে। সংশোধনীকেইটা নাকচ হ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া দফা নং ৩৯৩ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ৩৯৩ বিধেয়কখনৰ অংশ হ'ল।

**माननीय अध्यक्षः** দফা নং ৩৯৪ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীঅখিল গগৈ, আপুনি সংশোধনী প্ৰস্তাৱকেইটা উত্থাপন কৰিবনে?

**माननीय अध्यक्षः** এতিয়া মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱকেইটা গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে। সংশোধনীকেইটা নাকচ হ'ল।

**माननीय अध्यक्षः** এতিয়া, দফা নং ৩৯৪ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ৩৯৪ বিধেয়কখনৰ অংশ হ'ল।

**माननीय अध्यक्षः** দফা নং ৩৯৫ ৰ পৰা ৩৯৮ লৈ সংশোধনী প্ৰস্তাৱ নাই। এতিয়া দফা নং ৩৯৫ ৰ পৰা ৩৯৮ লৈ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ৩৯৫ ৰ পৰা ৩৯৮ লৈ বিধেয়কখনৰ অংশ হ'ল।

**माननीय अध्यक्षः** বিধেয়কখনৰ অনুসূচী-১ ৰ তালিকা-১ আৰু ২ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীশ্বেৰমান আলী আহমেদ, আপুনি সংশোধনী প্ৰস্তাৱকেইটা উত্থাপন কৰিবনে?

**माननीय अध्यक्षः** এতিয়া মাননীয় সদস্য শ্ৰীশ্বেৰমান আলী আহমেদৰ সংশোধনী প্ৰস্তাৱকেইটা গ্ৰহণ কৰা হওঁক। যিসকল সপক্ষে

আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে। সংশোধনীকেইটা নাকচ হ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া, অনুসূচী-১ ৰ তালিকা-১ আৰু ২ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়”। যিসকল বিপক্ষে আছে কওঁক "নহয়”। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। অনুসূচী-১ ৰ তালিকা-১ আৰু ২ বিধেয়কখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ**.. এতিয়া, দফা নং ৩৯৪ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়"। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ৩৯৪ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৩৯৫ ৰ পৰা ৩৯৮ লৈ সংশোধনী প্ৰস্তাৱ নাই।
এতিয়া দফা নং ৩৯৫ ৰ পৰা ৩৯৮ লৈ বিধেয়কখনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে কওঁক "হয়"।
যিসকল বিপক্ষে আছে কওঁক "নহয়"।
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।
দফা নং ৩৯৫ ৰ পৰা ৩৯৮ লৈ বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ অনুসুচী-১ ৰ তালিকা-১ আৰু ২ ত সংশোধনী প্ৰস্তাৱ আছে।

মাননীয় সদস্য শ্ৰীশ্বেৰমান আলী আহমেদ ডাঙৰীয়া যিহেতু অনুপস্থিত। গতিকে তেখেতৰ কথা বিবেচনা কৰা নহ’ল।

এতিয়া, অনুসূচী-১ ৰ তালিকা-১ আৰু ২ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক "হয়"।

যিসকল বিপক্ষে আছে কওঁক "নহয়"।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

অনুসূচী-১ ৰ তালিকা-১ আৰু ২ বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোনাম আৰু অনুসূচী-২, ৩, ৪, ৫, ৬ আৰু ৭ ত কোনো সংশোধনী প্ৰস্তাৱ নাই।

এতিয়া অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোনাম আৰু অনুসূচী- ২, ৩, ৪, ৫, ৬ আৰু ৭ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"।

যিসকল বিপক্ষে আছে কওঁক "নহয়"।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোনাম আৰু অনুসূচী- ২, ৩, ৪, ৫, ৬ আৰু ৭ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মুখ্যমন্ত্ৰীয়ে বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ কৰিব।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰোঁ যে “The Uniform Civil Code, Assam, 2026 বিধেয়কখন পাৰিতকৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া, বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে কওঁক "হয়”।

যিসকল বিপক্ষে আছে কওঁক "নহয়"।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং ২. মাননীয় মুখ্যমন্ত্ৰীয়ে “The North Lakhimpur University (Amendment) Bill, 2026’’ খন সদনত উত্থাপন কৰিব।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, “The North Lakhimpur University (Amendment) Bill, 2026 ’’ বিবেচনাৰ বাবে মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ “The North Lakhimpur University (Amendment) Bill, 2026 ’’ খন বিবেচনাৰ বাবে লোৱা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়”।

যিসকল বিপক্ষে আছে কওঁক "নহয়"।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

এতিয়া সাধাৰণ আলোচনা ইয়াৰ ওপৰত আছে। যিসকলে বক্তব্য ৰাখিৰ খোজে ৰাখিব পাৰে।

(সন্মানীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াই সদন ত্যাগ কৰে)

**ড০ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি যেতিয়া এখন মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈকে উন্নিতকৰণ কৰো, সেই সময়ত আমাক প্ৰয়োজন এটা continuity ৰ কলেজখনৰ Principal জনে Registrar হয় । কিন্তু কেতিয়াবা Principal জনৰ retirement ৰ কাৰণে সময় যদি দুই মাহ বা তিনি মাহ থাকে, মহাবিদ্যালয়খন বিশ্ববিদ্যালয় হোৱাৰ পিছত প্ৰশাসনীয় অসুবিধাৰ সৃষ্টি হয়। সেই কাৰণে ইয়াত এটা সৰু সংশোধনী যে প্ৰথম Registrar জনে maximum আৰু minimum retirement তাৰিখ যিয়ে নহওঁক কিয় ৩ বছৰ তেখেতে এটা সময় পাব, যাতে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ transition টো খুব effective আৰু smooth হয় । এইটো এটা সৰু সংশোধনী, মই ভাবো ইয়াত কাৰো আপত্তি নাই।

**মাননীয় অধ্যক্ষ** ঃ দফা নং ২ আৰু ৩ ত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া দফা নং ২ আৰু ৩ বিধেয়কখনৰ অংশ হ'ব। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়" । মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ২ আৰু ৩ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া দফা নং ১ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব । যিসকল

সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়" । মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। দফা নং ১ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ কৰিব।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে "The North Lakhimpur University (Amendment) Bill, 2026 খন পাৰিতকৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া বিধেয়কখন পাৰিত কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক "হয়"। যিসকল বিপক্ষে আছে কওঁক "নহয়" । মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া এটা ঘোষণা আছে - মাননীয় সদস্য শ্ৰী ওৱাজেদ আলি চৌধুৰী, অসম কংগ্ৰেছ বিধায়নী দলৰ পৰা এখন আবেদন পোৱা হৈছে আৰু সেই মৰ্মে মাননীয় সদস্য শ্ৰী ওৱাজেদ আলি চৌধুৰীক কংগ্ৰেছ দলৰ দলপতি আৰু ড০ জয়প্ৰকাশ দাসক উপ-দলপিত হিচাপে ঘোষণা কৰা হ'ল।

বিপিএফ দলৰ সচিব মহেশ্বৰ বড়ো ডাঙৰীয়াৰ পৰা এখন আবেদন পোৱা গৈছে , সেই মৰ্মে মাননীয় সদস্য ক্ৰমে ৰবিৰাম

নাৰ্জাৰী, বিপিএফ দলৰ দলপতি, থানেশ্বৰ বসুমতাৰীক উপ-দলপতি, শ্ৰী ৰিহন দৈমাৰীক মুখ্য সচেতক আৰু মহেশ্বৰ বড়োক সচিব হিচাপে ঘোষণা কৰা হ'ল।

অসম গণ পৰিষদৰ মাননীয় সভাপতি শ্ৰী অতুল বৰা ডাঙৰীয়াৰ পৰা এখন আবেদন পোৱা গৈছে, সেই মৰ্মে শ্ৰী অতুল বৰা ডাঙৰীয়াক অসম গণ পৰিষদ দলৰ দলপতি, মাননীয় সদস্য শ্ৰী কেশৱ মহন্ত, উপ-দলপতি, মাননীয় সদস্য ড০ তপন দাসক সচিব আৰু মাননীয় সদস্য শ্ৰী ধৰমেশ্ব ৰায়ক মুখ্য সচেতক হিচাপে ঘোষণা কৰা হ'ল।

**এতিয়া মৃত্যু প্ৰসঙ্গ**

বিগত সময়ছোৱাত ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা কেইবাগৰাকীও বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে। সেইসকলৰ ভিতৰত অন্যতম আছিল-

অসম চৰকাৰৰ ভূতপূৰ্ব মন্ত্ৰী, পলাশবাৰী বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক — যতীন মালী

অসম বিধান সভাৰ ভূতপূৰ্ব সদস্য, জ্যেষ্ঠ অধিবক্তা তথা প্ৰবীণ ৰাজনীতিবিদ — ড° হৰেন দাস

অসম বিধান সভাৰ ভূতপূৰ্ব সদস্য তথা বিশিষ্ট সমাজকৰ্মী — এন্দ্ৰিয়াছ হাজোৱাৰী

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, বিশিষ্ট ৰাজনীতিবিদ তথা শিক্ষাবিদ — বেদব্ৰত বৰুবা

বৰ্ষীয়ান ৰাজনীতিবিদ, প্ৰাক্তন সাংসদ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী — বীৰেন সিং ইংতি

**<u>যতীন মালী</u>** -

অসম চৰকাৰৰ ভূতপূৰ্ব মন্ত্ৰী, পলাশবাৰী বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক, যতীন মালী ডাঙৰীয়াৰ বিগত ১৭ এপ্ৰিল তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত এইগৰাকী প্ৰবীন ৰাজনীতিবিদৰ বয়স আছিল ৭১ বছৰ।

১৯৫৫ খ্ৰীষ্টাব্দত কামৰূপ জিলাৰ বৰকুচিত জন্ম লাভ কৰা মালী ডাঙৰীয়াই ঐতিহাসিক অসম আন্দোলনৰ পটভূমিত জন্ম লাভ কৰা অসম গণ পৰিষদ দলক প্ৰতিনিধিত্ব কৰি অষ্টম, নৱম আৰু দশম বিধান সভাৰ উপৰিও ২০১১ খ্ৰীষ্টাব্দত নিৰ্দলীয় প্ৰাৰ্থীৰূপে বিজয়ী হৈ আহি সৰ্বমুঠ চাৰিবাৰকৈ অসম বিধান সভাৰ সদস্যৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল। মালী ডাঙৰীয়াই দশম বিধান সভাৰ কালছোৱাত অসম মন্ত্ৰীসভাত শিক্ষা বিভাগৰ মন্ত্ৰী হিচাপে উল্লেখনীয় সেৱা আগবঢ়াইছিল। অসম আন্দোলনৰ অন্যতম কাণ্ডাৰী মালী ডাঙৰীয়াই ৰাজনীতিৰ সমান্তৰালকৈ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাবে জড়িত থাকি দেশ তথা সমাজৰ উত্তৰণৰ বাবে উল্লেখনীয় অৰিহণা যোগাইছিল।

এইগৰাকী বিশিষ্ট ৰাজনীতিকৰ বিয়োগত ৰাজ্যখনৰ জাতীয় জীৱনত এক অৰপূৰণীয় ক্ষতি হ'ল।

**<u>ড° হৰেন দাস</u>** -

অসম বিধান সভাৰ ভূতপূৰ্ব সদস্য, জ্যেষ্ঠ অধিবক্তা তথা প্ৰবীণ ৰাজনীতিবিদ ড° হৰেন দাস ডাঙৰীয়াৰ চলিত বৰ্ষৰ ২৩ মাৰ্চ তাৰিখে মহাপ্ৰয়াণ ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৩ বছৰ।

১৯৪৩ চনত জন্ম গ্ৰহণ কৰা দাস ডাঙৰীয়াই ২০০১ চনত হাজো বিধান সভা সমষ্টিৰ পৰা নিৰ্বাচিত হৈ একাদশ বিধান সভাৰ এগৰাকী সদস্যৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল। অসাধাৰণ প্ৰতিভাসম্পন্ন এইগৰাকী ৰাজনীতিকে জীৱন কালত প্ৰেছ কাউন্সিল অফ ইন্ডিয়া আৰু বাৰ কাউন্সিল অফ ইণ্ডিয়াৰ এগৰাকী সদস্যৰূপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও ৰাজ্য তথা দেশৰ বিভিন্ন গুৰুত্বপূৰ্ণ অনুষ্ঠানৰো সদস্যৰূপে কাৰ্যনিৰ্বাহ কৰি সমাজলৈ উল্লেখনীয় বৰঙণি আগবঢ়াই থৈ গৈছে। ৰাজনৈতিক ক্ষেত্ৰখনৰ সমান্তৰালকৈ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত সক্ৰিয়তাৰে জড়িত হৈ সমাজৰ উত্তৰণৰ হকে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে।

এইগৰাকী সমাজহিতৈষী ব্যক্তি তথা প্ৰাক্তন বিধায়কৰ বিয়োগত ৰাজ্যখনৰ ৰাজনৈতিক আৰু সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

**<u>এন্দ্ৰিয়াছ হাজোৱাৰী -</u>**

অসম বিধান সভাৰ প্ৰাক্তন সদস্য তথা বিশিষ্ট সমাজকৰ্মী এন্দ্ৰিয়াছ হাজোৱাৰী ডাঙৰীয়াৰ চলিত বৰ্ষৰ ২২ মাৰ্চ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬১ বছৰ।

হাজোৱাৰী ডাঙৰীয়াই ১৯৯৬ চনত চিদলি বিধান সভা সমষ্টিৰ পৰা নৰম বিধান সভালৈ নিৰ্বাচিত হৈ এই সদনৰ এগৰাকী সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। সহজ সৰল জীৱনশৈলীৰে জনসাধাৰণৰ অন্তৰ জয় কৰিবলৈ সক্ষম হোৱা হাজোৱাৰী ডাঙৰীয়াই এগৰাকী সমাজসেৱক হিচাপে আত্মনিয়োগ কৰি সমাজৰ উন্নয়ন আৰু

উত্তৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে। এই গৰাকী নিষ্ঠাবান সমাজকৰ্মীৰ কৰ্মৰাজী ৰাজ্যখনৰ ৰাজনৈতিক ক্ষেত্ৰখনৰ লগতে সমাজ জীৱনতো অনুকৰণীয় হৈ ৰ'ব।

এইগৰাকী নিষ্ঠাবান সমাজসেৱক তথা প্ৰাক্তন বিধায়কৰ বিয়োগত ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

**<u>বেদব্ৰত বৰুৱা -</u>**

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, বিশিষ্ট বাজনীতিবিদ তথা শিক্ষাবিদ বেদব্ৰত বৰুৱা ডাঙৰীয়াৰ চলিত বৰ্ষৰ ১৪ এপ্ৰিল তাৰিখে দেহাৱসান ঘটে। বিশিষ্ট ৰাজনীতিবিদ গৰাকীৰ বিয়োগৰ সময়ত বয়স আছিল ৯৮ বছৰ।

ৰাষ্ট্ৰীয় ৰাজনীতিৰ অন্যতম পৰিচিত নাম বিশিষ্ট ৰাজনীতিবিদ বেদব্ৰত বৰুৱা ডাঙৰীয়াৰ জন্ম হৈছিল ১৯২৮ চনত গোলাঘাটত। ছাত্ৰাৱস্থাৰ পৰাই সমাজসেৱাত ব্ৰতী হৈ পৰা বৰুৱা ডাঙৰীয়াই পৰৱৰ্তী দিনত ৰাজনীতিৰ ক্ষেত্ৰখনত প্ৰৱেশ কৰি চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ লোকসভালৈ একেধাৰে তিনিবাৰকৈ নিৰ্ব্বাচিত হৈ লোকসভাৰ এগৰাকী সদস্যৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল। এইগৰাকী বৰ্ষীয়ান ৰাজনীতিকে কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ এগৰাকী সদস্যৰূপে কাৰ্য্যনিৰ্বাহ কৰি ভাৰত চৰকাৰৰ কেইবাটাও গুৰুত্বপূৰ্ণ দপ্তৰ সুখ্যাতিৰে পৰিচালনা কৰিছিল।

এগৰাকী শিক্ষাবিদ হিচাপে কৰ্মজীৱনৰ পাতনি মেলা বৰুৱা ডাঙৰীয়াই উচ্চতম ন্যায়ালয়ৰো জ্যেষ্ঠ অধিবক্তাৰূপে কাৰ্যনিৰ্বাহ কৰিছিল।

বহুমুখী প্ৰতিভাসম্পন্ন এইগৰাকী বৰ্ষীয়ান ৰাজনীতিকৰ বিয়োগ দেশ তথা ৰাজ্যখনৰ বাবে এক পূৰাব নোৱাৰা ক্ষতি।

**বীৰেন সিং ইংতি -**

বৰ্ষীয়ান ৰাজনীতিবিদ, প্ৰাক্তন সাংসদ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্য্যবাহী সদস্য বীৰেন সিং ইংতি ডাঙৰীয়াৰ চলিত বৰ্ষৰ ১০ মাৰ্চ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। বৰ্ষীয়ান নেতা গৰাকীৰ মৃত্যুৰ সময়ত বয়স আছিল ৮১ বছৰ।

১৯৪৫ চনত জন্ম গ্ৰহণ কৰা ইংতি ডাঙৰীয়াই উচ্চ শিক্ষাৰে শিক্ষিত হৈ ছাত্ৰ জীৱনৰ পৰাই সমাজসেৱাত আত্মনিয়োগ কৰি কাৰ্বি আংলং জিলাৰ লগতে সমগ্ৰ ৰাজ্যখনৰ সামাজিক আৰু আৰ্থিক উন্নয়নৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। ১৯৭১ চনত প্ৰথম বাৰৰ বাবে ডিফু লোকসভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে পঞ্চম সংসদলৈ নিৰ্বাচিত হৈ ৰাজনৈতিক জীবনৰ পাতনি মেলি পৰবৰ্তী সময়ত ক্ৰমে যষ্ঠ, সপ্তম, অষ্টম, নৱম, চতুৰ্দশ, পঞ্চদশ আৰু ষষ্ঠদশ লোকসভালৈ নিৰ্বাচিত হৈ দেশ তথা ৰাজ্যখনলৈ উল্লেখনীয় সেৱা আগবঢ়াই গৈছে। ১৯৮৬ চনত তদানীন্তন ভাৰতৰ প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়াৰ মন্ত্ৰী পৰিষদত ইংতি ডাঙৰীয়াই স্থান লাভ কৰি অতি বিচক্ষণতাৰে দায়িত্ব পালন কৰিছিল। কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদৰো মূখ্য কাৰ্য্যবাহী সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰা ইংতি ডাঙৰীয়াই পাহাৰীয়া অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়নতো গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই গৈছে। তেখেতৰ দূৰদৰ্শী

নেতৃত্ব আৰু জনকল্যাণমূলক কৰ্মৰাজিয়ে অঞ্চলটোৰ উন্নয়নত এক নতুন মাত্ৰা প্ৰদান কৰিছিল।

এইগৰাকী অভিজ্ঞ আৰু জনপ্ৰিয় ৰাজনীতিবিদৰ বিয়োগে ৰাজ্যখনৰ ৰাজনৈতিক ক্ষেত্ৰত এক অপূৰণীয় ক্ষতি সাধন কৰিলে।

ইয়াৰ লগতে দেশ তথা ৰাজ্যখনলৈ বিশেষ বৰঙণি আগবঢ়োৱা বহুকেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটিছে। তেখেতসকল হ'ল ক্ৰমে:-

প্ৰবীণ মুক্তিযোদ্ধা তথা বিশিষ্ট সমাজকৰ্মী —মদন চন্দ্ৰ ভূঞা

অসমৰ সংবাদ জগতৰ মহীৰূহ তথা বিশিষ্ট চিন্তাবিদ — ধীৰেন্দ্ৰ নাথ চক্ৰবৰ্তী

জ্যেষ্ঠ প্ৰশাসনিক বিষয়া, বিশিষ্ট লেখক তথা সমাজ সেৱক — ধৰ্মকান্ত মিলি

ভূতপূৰ্ব প্ৰশাসনিক বিষয়া, বিশিষ্ট লেখক, গৱেষক তথা চিন্তাবিদ —ড° বীৰেন্দ্ৰ কুমাৰ গোহাঁই

বিশিষ্ট ক্ৰীড়া সংগঠক, জনপ্ৰিয় ফুটবল খেলুৱৈ তথা 'অসম সৌৰভ'— গিলবাৰ্টছন চাংমা

বিশিষ্ট আইনজ্ঞ, যশস্বী শিক্ষাবিদ তথা সমাজহিতৈষী —ড° ভূবন চন্দ্ৰ বৰুৱা

প্ৰবীণ সাংবাদিক, চিন্তাবিদ ও নিবন্ধকাৰ —নিত্য বৰা

যশস্বী ক্ৰীড়া সাংবাদিক —প্ৰেমধৰ শৰ্মা

ৰাজ্যখনৰ পাৰিপাৰ্শ্বিক তথা গ্ৰাম্য পৰ্য্যটন, অসম ৰিজ'ট উদ্যোগৰ বাটকটীয়া-—অচিন্ত্য কুমাৰ বৰুৱা

বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক তথা দিল্লী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা —ড° মলয়া খাউণ্ড

বিশিষ্ট ক্ৰীড়া সংগঠক তথা প্ৰাক্তন ৰঞ্জী ক্ৰিকেটাৰ— বাদল ঠাকুৰ

উদীয়মান কবি তথা বিশিষ্ট লেখক —জোনমণি দাস

বিশিষ্ট অভিনেতা—কবীন্দ্ৰ দাস

অতি দুখ আৰু ব্যথিত হৃদয়েৰে আজি অসম বিধান সভাৰ পৱিত্ৰ মজিয়াত এইসকল লোকৰ বিয়োগত শোক প্ৰকাশ কৰিছোঁ।

এতিয়া, এই বৰেণ্য ব্যক্তিসকলৰ বিদেহ আত্মাৰ সদ্গতি তথা চিৰশান্তি কামনা কৰি থিয় হৈ ক্ষন্তেক সময় মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যাসকলৰ প্ৰতি মই অনুৰোধ জনালোঁ।

(শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ অসম বিধান সভাৰ সচিব ডাঙৰীয়াই এই শোকপ্ৰস্তাৱৰ প্ৰতিলিপি প্ৰেৰণ কৰিব)

**শ্ৰী ৰবিৰাম নাৰ্জাৰী, দতমা, বিপিএফ** ঃ মাননীয় সভাপতি মহোদয়, আমাৰ ফালৰ পৰা এটা আবেদন আছিল। মোৰ সমষ্টিৰ পৰা আমাৰ বড়োসকলৰ এজন অল ইণ্ডিয়া ৰেডিঅ' আৰ্টিষ্ট তথা গায়ক আছিলে স্বৰ্গীয় অৰুণ কুমাৰ নাৰ্জাৰী। তেওঁ আমাৰ বড়োসকলৰ প্ৰথম feature film " Alayaron”-ৰ গায়ক আছিল। ১৯৮৬ চনত তেখেতে নেশ্যনেল লেভেলৰ ফিল্ম ফেষ্টিভেলত গায়ক হিচাপে এৱাৰ্ডো লাভ কৰিছিল। লগতে আমাৰ BTC Government ৰ ফালৰ পৰাও তেখেতক “Jwhwlao Nileshwar Brahma” নামৰ award ও প্ৰদান কৰা হৈছিল।

গতিকে তেখেতৰ নামটো যদি আমাৰ এই Obituary তালিকাত অন্তৰ্ভুক্ত হয়, আমি নিশ্চয়কৈ আনন্দিত হ'ম।

**মাননীয় অধ্যক্ষ:** ঠিক আছে, অৰুণ কুমাৰ নাৰ্জাৰী ডাঙৰীয়াৰ নামটো সন্নিবিষ্ট কৰিবলৈ বিতংভাৱে আপুনি আমাৰ ওচৰত জমা দিব।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী** , **দতমা:** ঠিক আছে, ধন্যবাদ।

মাননীয় অধ্যক্ষ:  এতিয়া খন্তেক সময় মৌনতা অৱলম্বন।

**মাননীয় অধ্যক্ষ:-**

## অধ্যক্ষৰ সামৰণি বক্তব্য

সন্মানীয় সদন, যোৱা ২১ মে' তাৰিখে আৰম্ভ হোৱা ষষ্ঠদশ অসম বিধান সভাৰ প্ৰথম অধিবেশন ৫ দিনীয়া চৰকাৰী কৰ্মসূচীৰে সম্পন্ন হোৱাৰ অন্তত আজি সামৰণি পৰিল।

মাননীয় প্ৰটেম অধ্যক্ষৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা প্ৰথমখন বৈঠকত নৱ নিৰ্বাচিত মাননীয় সদস্য-সদস্যাসকলৰ শপত গ্ৰহণ, অধ্যক্ষৰ নিৰ্বাচন আদি কাৰ্য্যসূচীৰে প্ৰথম দিনৰ বৈঠক সম্পন্ন হোৱাৰ লগতে পৰৱৰ্তী দিনত মাননীয় ৰাজ্যপালৰ অভিভাষণকে আদি কৰি বহু গুৰুত্বপূৰ্ণ কাৰ্য্যসূচী গ্ৰহণ কৰা হয়।

অধিৱেশনৰ কালছোৱাত দুখনকৈ চৰকাৰী বিধেয়ক উত্থাপন কৰি বিবেচনাৰ অন্তত পাৰিত কৰা হয়। চলিত অধিৱেশনত 'সমৰূপ নাগৰিক সংহিতা অসম বিধেয়ক ২০২৬' ৰ দৰে গুৰুত্বপূৰ্ণ বিধেয়ক পাৰিত হোৱাৰ লগতে নাৰী সবলীকৰণৰ মহান উদ্দেশ্য আগত ৰাখি সংসদীয় ব্যৱস্থাত মহিলাৰ সংৰক্ষণৰ পোষকতাৰে এটা গুৰুত্বপূৰ্ণ চৰকাৰী প্ৰস্তাৱো গৃহীত কৰা হয়।

সাধাৰণ নিৰ্বাচনৰ পিছতে ৫ দিনীয়া কৰ্মসূচীৰে অনুষ্ঠিত হোৱা বিধান সভাৰ এই প্ৰথমখন অধিৱেশনত গুৰুত্বপূৰ্ণ চৰকাৰী বিধেয়ক, চৰকাৰী সংকল্প প্ৰস্তাৰ পাৰিত হোৱাটো এইবাৰৰ অধিৱেশনত এক উল্লেখনীয় তথা ব্যতিক্ৰমী দিশ আছিল।

অধিৱেশনৰ সকলো কাৰ্যসূচী সুচাৰুৰূপে সম্পাদন কৰাৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়কে প্ৰমুখ্য কৰি মন্ত্ৰী পৰিষদৰ সদস্যসকল, শাসকীয় আৰু বিৰোধী পক্ষৰ সদস্য-সদস্যাসকলে যি সহযোগিতা আগবঢ়ালে, তাৰ বাবে মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। বিধান সভাৰ সচিবৰ লগতে সচিবালয়ৰ প্ৰতিগৰাকী বিষয়া-কৰ্মচাৰী, ৰাজ্যৰ মুখ্য সচিবকে আদি কৰি ৰাজ্য চৰকাৰৰ বিষয়া কৰ্মচাৰীসকল, আৰক্ষী সঞ্চালক প্ৰধানৰ নেতৃত্বত নিৰাপত্তাৰ দায়িত্বত থকা জোৱানসকল আৰু সংবাদ মাধ্যমৰ বন্ধুসকলক অসম বিধানসভাৰ তৰফৰ পৰা মই আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এই পবিত্ৰ সদনে মোৰ ওপৰত ন্যস্ত কৰা গুৰু দায়িত্ব পালনৰ ক্ষেত্ৰত মাননীয় সদস্য সদস্যাসকলে আগবঢ়োৱা সকলো প্ৰকাৰৰ দিহা পৰামৰ্শ আৰু সহায়-সহযোগিতাৰ বাবে মই পুনৰবাৰ আপোনালোক সকলোৰে ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছো।

এই সুবাদতে মই আগন্তুক ঈদ-উল-জুহা উপলক্ষে সমগ্ৰ ইছলাম ধৰ্মী লোকৰ লগতে সমগ্ৰ ৰাজ্যবাসীলৈ বিধান সভাৰ হৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

সদন অনিৰ্দ্দিষ্ট কাললৈ স্থগিত ৰখা হ'ল, ধন্যবাদ। ( বন্দে মাতৰম, জন গন আৰু অ' মোৰ আপোনাৰ দেশ সংগীত বাজি উঠে )।